জাতিৰ সেৱাত উৎসৰ্গিত ৬১ বছৰ


ND24 newsdaily24.in সৰ্বশ্ৰেষ্ঠ নহয়, সৰ্বোত্তমৰ দৌৰত

# দৈনিক অসম

‘দৈনিক অসম’
সংগ্ৰহ কৰাৰ ক্ষেত্ৰত
সন্মুখীন হোৱা
যিকোনো সমস্যাৰ
বাবে অনুগ্ৰহ কৰি
এই ফোন নম্বৰত
যোগাযোগ কৰক—
৭০০২৩ ১৭০৪০

গুৱাহাটী আৰু ডিব্ৰুগড়ৰপৰা প্ৰকাশিত
http://dainik.assamtribune.com

RN-11989/65 । ৬১ বছৰ । ৪৬ সংখ্যা, ৩ আহিন, শনিবাৰ, ১৯৪৭ শক । DAINIK ASAM : Assamese Daily । VOL. 61 NO. 46 । GUWAHATI, SATURDAY, SEPTEMBER 20, 2025 । পৃষ্ঠা ১৬ (Pages 16) । ৯.০০ টকা (Rs. 9.00)



# হিয়াৰ আমঠু শিল্পীৰ মৃত্যুত শোকস্তব্ধ অসম






*জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধাঞ্জলি ছিপাঝাৰ, যোৰহাট, নলবাৰীত ।*

**দৈনিক অসমৰ প্ৰতিনিধি**

**তামুলপুৰ, ১৯ ছেপ্টেম্বৰ ঃ** জুবিন গাৰ্গৰ মৃত্যুৰ খবৰে শোকস্তব্ধ কৰি তুলিছে তামুলপুৰবাসীক। তামুলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ জুবিন গাৰ্গৰ অকাল মৃত্যুৰ বাতৰি চৌদিশে বিয়পি পৰাৰ লগে লগে শোকত ভাগি পৰে তামুলপুৰৰ জুবিন অনুৰাগীসকল। কান্দোনত ভাগি পৰে একাংশ নৱপ্ৰজন্মৰ জুবিন অনুৰাগী। ১৯৮৬ চনত জুবিন গাৰ্গৰ পিতৃ কপিল বৰঠাকুৰে তামুলপুৰ ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ চক্ৰ বিষয়া হিচাপে যোগদান কৰাৰ পাছত তামুলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত নৱম শ্ৰেণীত নামভৰ্তি কৰে। জুবিন গাৰ্গৰ ভগ্নী প্ৰয়াত জংকি বৰঠাকুৰেও একেখন বিদ্যালয়ত নামভৰ্তি কৰিছিল। তামুলপুৰ ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয় চৌহদত থকা চৰকাৰী আৱাসত থাকি বিদ্যালয়লৈ আহি পঢ়া-শুনা কৰা জুবিন গাৰ্গ ১৯৮৮ চনত হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈছিল। জুবিন গাৰ্গ আছিল তামুলপুৰীয়াসকলৰ এক আৱেগ। তামুলপুৰৰ কিবা অনুষ্ঠান হ'লেই তামুলপুৰলৈ ঢাপলি মেলি সমনীয়াৰ সৈতে ঘূৰি ফুৰিছিল তামুলপুৰত। সহপাঠীসকল আজি সন্ধিয়া তামুলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সন্মুখত সমৱেত হোৱাৰ পাছত জুবিনৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। মহান শিল্পীগৰাকীৰ সহপাঠী, তামুলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষসহ সকলোৱে উপস্থিত হৈ জুবিনক স্মৰণ কৰে। হাইস্কুলীয়া জীৱনকালৰ স্মৃতি সুঁৱৰি কান্দোনত ভাগি পৰে সহপাঠীসকল। ইপিনে তামুলপুৰ আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত তামুলপুৰ যুৱ মঞ্চৰ সহযোগত তামুলপুৰীয়া ৰাইজৰ উপস্থিতিত প্ৰয়াত লেহোৰাম বড়ো খেলপথাৰত শিল্পীগৰাকীলৈ ৰাজহুৱাভাৱে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ বাবে তামুলপুৰৰ বিভিন্ন দল-সংগঠন উপস্থিত হৈ বন্তি প্ৰজ্বলন কৰি শ্ৰদ্ধা নিবেদন কৰে আৰু শোকসন্তপ্ত পৰিয়াললৈ গভীৰ সমবেদনা জনায়। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত তামুলপুৰৰ একালৰ সহপাঠী, শিল্পী, সাহিত্যিক, সমাজকৰ্মীসকলে শিল্পীগৰাকীক সোঁৱৰণ কৰি শোকবিহ্বল হৈ পৰে। পিতৃৰ সৈতে তেওঁ থকা তামুলপুৰ ৰাজহ চক্ৰৰ আৱাসটো আজিও তেওঁৰ স্মৃতিৰ চানেকি হৈ থিয় দি আছে। জুবিন গাৰ্গৰ অকাল মৃত্যুত বিটিচিপ্ৰধান প্ৰমোদ বড়ো, তামুলপুৰৰ বিধায়ক জলেন দৈমাৰী, তামুলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ বিভূতি ডেকা, তামুলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় পৰিচালনা সমিতি, তামুলপুৰৰ জুবিন গাৰ্গ ফেন ক্লাব, তামুলপুৰ আঞ্চলিক যুৱ মঞ্চ, তামুলপুৰ প্ৰেছ ক্লাব, বড়োলেণ্ড সাংবাদিক সন্থা, তামুলপুৰ শাখা সাহিত্য সভা, তামুলপুৰ জ্যেষ্ঠ নাগৰিক মঞ্চ, তামুলপুৰ জিলা ছাত্ৰ সন্থা, এবছু, আৰছু, আক্ৰাছু, তামুলপুৰ জিলা বিজেপি, ইউপিপিএল, বিপিএফকে আদি কৰি বিভিন্ন দল-সংগঠনে গভীৰ শোক প্ৰকাশ কৰে।

ইপিনে জুবিন গাৰ্গৰ অকাল বিয়োগৰ বাতৰিত ম্ৰিয়মাণ হৈ পৰিছে ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়া। বিটিচিৰ নিৰ্বাচনী প্ৰচাৰৰ বাবে অহা শইকীয়াই অতি আৱেগিক আৰু অশ্ৰুসিক্ত নয়নেৰে জুবিন গাৰ্গৰ বিষয়ে কিছু কথা কয়। ইয়াৰ পাছতেই শিল্পীগৰাকীৰ প্ৰতি গভীৰ শ্ৰদ্ধা নিবেদন কৰি সভাত উপস্থিত সকলো ৰাইজৰ সৈতে এক মিনিট সময় মৌনতা অৱলম্বন কৰি জুবিন গাৰ্গৰ আত্মাৰ সদ্গতি কামনা কৰি নিৰ্বাচনী প্ৰচাৰ সভা বাতিল কৰে। ইপিনে আজি সন্ধিয়া নাগ্ৰীজুলি বজাৰতো শিল্পীগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়।

**জোঁৱাইৰ মৃত্যুত গোলাঘাটত শোকৰ বন্যা**

**গোলাঘাটৰ দৈনিক অসমৰ প্ৰতিনিধি ঃ** জনতাৰ প্ৰাণৰো প্ৰাণৰ শিল্পীগৰাকীৰ মৃত্যুৰ বাতৰিয়ে শোকস্তব্ধ কৰি তুলিছে জুবিন গাৰ্গৰ শহুৰৰ চহৰ গোলাঘাটবাসীক। শিল্পীগৰাকীৰ আকস্মিক বিয়োগৰ খবৰ বিয়পি পৰাৰ লগে লগে শোকত ম্ৰিয়মাণ হৈ পৰে সৰ্বস্তৰৰ ৰাইজ। গোলাঘাটখনক নিজৰ ঘৰ বুলি ভবা জুবিনক গোলাঘটীয়া ৰাইজেও গোলাঘাটৰ সন্তান বুলিয়েই গণ্য কৰিছিল। কিয়নো ২০০২ চনত গোলাঘাট নগৰৰ শান্তিপুৰ অঞ্চলত বসবাস কৰা সুৰেন শইকীয়া আৰু ৰুণুমী শইকীয়াৰ কন্যা গৰিমা শইকীয়াৰ সৈতে বিবাহপাশত আবদ্ধ হৈছিল জুবিন। অৱশ্যে পৰৱৰ্তী সময়ত গৰিমাৰ পৰিয়ালে শান্তিপুৰৰ মাটি-ভেটি বিক্ৰী কৰি গুৱাহাটীৰ বাসিন্দা হৈ পৰে। আজি সন্ধিয়া গোলাঘাট নগৰৰ বাটা পইণ্টত বিভিন্ন সংগঠন, অনুষ্ঠান-প্ৰতিষ্ঠানৰ প্ৰতিনিধি, গুণমুগ্ধই ভিৰ কৰি ধূপ-ধূনা,বন্তি প্ৰজ্বলনেৰে প্ৰাণৰ শিল্পীগৰাকীলৈ ৰাজহুৱা শ্ৰদ্ধাঞ্জলি নিবেদন কৰে। গোলাঘাট জিলা ছাত্ৰ সন্থাৰ উদ্যোগতো জিলা ছাত্ৰ সন্থাৰ কাৰ্যালয়ৰ সমুখভাগত বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ সহযোগত আয়োজন কৰা হয় অনুষ্ঠান। আনহাতে, অগণন গুণমুগ্ধই সন্ধিয়া জুবিনৰ ছবি লৈ কান্দি কান্দি জুবিনৰ গীত গাই গোলাঘাট নগৰত সমদল কৰি শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰে।

**নলবাৰীৰ দৈনিক অসমৰ প্ৰতিনিধি ঃ** আকস্মিক মৃত্যুত নলবাৰী জিলাতো গভীৰ শোকৰ ছাঁ পৰিছে। উল্লেখযোগ্য যে জুবিন গাৰ্গে এসময়ত অবিভক্ত নলবাৰী জিলাৰ তামুলপুৰত হাইস্কুলীয়া শিক্ষাগ্ৰহণ কৰিছিল। সেইসূত্ৰে নলবাৰীৰ সৈতে প্ৰয়াত শিল্পীগৰাকীৰ নলবাৰীৰ সৈতে আছিল এক মধুৰ সম্পৰ্ক। প্ৰয়াত শিল্পীগৰাকীৰ মৃত্যুত আজি নলবাৰীৰ শ্বহীদ ভৱন বাকৰিত এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়।

**হাজোৰ দৈনিক অসমৰ প্ৰতিনিধি ঃ** জুবিন গাৰ্গৰ মৃত্যুত হাজোত গভীৰ শোকৰ ছাঁ পৰিছে। আজি সন্ধিয়া বৰদধি ৰাজহুৱা মণিকূট প্ৰাংগণত বন্তি প্ৰজ্বলনেৰে প্ৰয়াত শিল্পীগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। ইপিনে, 'জ্যোতিষ্মান'ৰ উদ্যোগত ২১ ছেপ্টেম্বৰত হ'বলগীয়া পঞ্চতীৰ্থ ৰংগ মহোৎসৱৰ সকলো কাৰ্যসূচী বাতিল কৰা বুলি সভাপতি কিচিন দাসে জানিবলৈ দিয়ে। জনপ্ৰিয় শিল্পী জুবিন গাৰ্গৰ অকাল বিয়োগৰ বাবে এই সিদ্ধান্ত লোৱা হৈছে। হাজোৰ নকুছি বিহু সন্মিলন, হাজো আঞ্চলিক ৰঙালী বিহু সন্মিলনী, হাজোৰ মণিকূট আৰু সমন্বয় শোভাযাত্ৰা, কুলহাটী আদি অঞ্চলত কালজয়ী গীত পৰিৱেশন কৰি তেওঁ সকলোকে মুগ্ধ কৰিছিল। তেওঁৰ মৃত্যুত বিজেপি অনুসূচিত জাতি মৰ্চাৰ ৰাজ্যিক উপ-সভাপতি প্ৰকাশ চন্দ্ৰ দাস, বিশিষ্ট ব্যৱসায়ী বনমালী শৰ্মাই গভীৰ শোক প্ৰকাশ কৰে।

**মাজুলীৰ দৈনিক অসমৰ প্ৰতিনিধি ঃ** অসমীয়া জাতিৰ প্ৰাণৰো আপোন, যুৱ হাৰ্টথ্ৰব বিশিষ্ট কণ্ঠশিল্পী জুবিন গাৰ্গৰ আজি বিয়লি এক দুৰ্ঘটনাত প্ৰাণ হেৰুওৱাৰ খবৰ লাভ কৰাৰ পাছতে স্তব্ধ হৈ পৰিছে ৰাজ্যবাসী। মাজুলী জিলাতো এই খবৰ লাভ কৰাৰ পাছতে হুৱাদুৱা লাগে সকলোৰে মাজত। সমগ্ৰ মাজুলীতে সকলো দোকান-পোহাৰ বন্ধ কৰি সৰ্বত্ৰ প্ৰিয় শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনোৱা হয়। মাজুলীৰ কমলাবাৰী, গড়মূৰ, বনগাঁও, ৰাৱনাপাৰ, জেংৰাইমুখ, ফুলনি সকলোতে ৰাইজে কান্দি কান্দি শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনায়। কমলাবাৰী চাৰিআলিতো আজি সন্ধিয়া স্থানীয় ৰাইজ, বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান সকলোৱে হাতে হাতে মম লৈ ধূপ-দীপ জ্বলাই প্ৰাণৰ শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি নিবেদন কৰে। শিল্পীগৰাকীৰ লগত প্ৰায় সাত বছৰ ধৰি কটোৱা দৰিয়াগাঁৱৰ মহেন্দ্ৰ বৰাই নিজৰ সহোদৰ হেৰুওৱা বুলি ব্যক্ত কৰি চুৰিয়া পৰিধান কৰি তিনি দিনৰ বাবে ব্ৰত পালন কৰিছে। একেদৰে জুবিন ফেন ক্লাব মাজুলীৰ সম্পাদক অমৰজ্যোতি ভূঞাই তিনিদিনৰ বাবে ব্ৰত পালন কৰিছে। উক্ত অনুষ্ঠানত মাজুলীৰ বিভিন্ন দল-সংগঠন, অনুষ্ঠান-প্ৰতিষ্ঠান, ব্যক্তি আদিয়ে মহান শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

**পাঠশালাৰ দৈনিক অসমৰ প্ৰতিনিধি ঃ** জুবিন গাৰ্গৰ আকস্মিক বিয়োগত ম্ৰিয়মাণ হৈ পৰিছে সমগ্ৰ বজালীবাসী। জনপ্ৰিয় শিল্পীগৰাকীৰ মৃত্যুত কেবিনেট মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস, ভট্টদেৱ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক ধনপতি ডেকা, জিলা আয়ুক্ত মৃদুল কুমাৰ দাস, জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ সাধাৰণ সম্পাদক বিজন বায়ন, বজালীৰ প্ৰায়বোৰ অনুষ্ঠান-প্ৰতিষ্ঠানে গভীৰ শোক প্ৰকাশ কৰে।

**টেঙাখাতৰ দৈনিক অসমৰ প্ৰতিনিধি ঃ** জুবিন গাৰ্গৰ অকাল বিয়োগত টেঙাখাততো গভীৰ শোকৰ ছাঁ পৰিছে। টেঙাখাতৰ বিভিন্ন দল-সংগঠনে ১০১ গছি বন্তি প্ৰজ্বলন কৰি শিল্পীগৰাকীলৈ বিশেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

**দেৰগাঁৱৰ দৈনিক অসমৰ প্ৰতিনিধিঃ** জুবিন গাৰ্গৰ মৃত্যুৰ অনাকাংক্ষিত খবৰটো বিয়পি পৰাৰ লগে লগে দেৰগাঁৱত স্বতঃস্ফূৰ্তভাৱে বন্ধ হৈ পৰে দোকান-পোহাৰ। দেৰগাঁও চাৰিআলি পুলিচ পইণ্টত কেইবা হাজাৰ লোকে শিল্পীগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

**বেবেজীয়াৰ দৈনিক অসমৰ প্ৰতিনিধি ঃ** জুবিন গাৰ্গৰ আকস্মিক মৃত্যুত বেবেজীয়াকে ধৰি ইয়াৰ দাঁতি-কাষৰীয়া সমূহ অঞ্চল শোকস্তব্ধ হৈ পৰিছে। ডিমৌ চাৰিআলি, চকলাঘাট,ব্ৰাহ্মণগাঁও, ৰাইডঙীয়া, বটদ্ৰৱা আদি অঞ্চলত সন্ধিয়া তেওঁৰ অনুৰাগীসকল সমৱেত হৈ মৌন প্ৰাৰ্থনাৰ লগতে বন্তিপ্ৰজ্বলন কৰি শিল্পীগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

**ধনশিৰিৰ দৈনিক অসমৰ প্ৰতিনিধি ঃ** জুবিন গাৰ্গৰ দেহাৱসানৰ বাতৰিয়ে সমগ্ৰ ৰাজ্যখনৰ লগতে সৰুপথাৰ সমজিলাবাসীকো শোকস্তব্ধ কৰি তুলিছে। শিল্পীগৰাকীৰ প্ৰতি আজি সন্ধিয়া সমজিলাখনৰ বিভিন্ন প্ৰান্তৰ লগতে বৰপথাৰতো ৰাজহুৱাভাৱে সহস্ৰজনৰ উপস্থিতিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়।

**গৌৰীসাগৰৰ দৈনিক অসমৰ প্ৰতিনিধিঃ** জুবিন গাৰ্গৰ মৃত্যুত গৌৰীসাগৰতো শোকৰ ছাঁ পৰিছে। সদৌ অসম ছাত্ৰ সন্থাৰ গৌৰীসাগৰ আঞ্চলিক সমিতিৰ উদ্যোগত আজি সন্ধিয়া গৌৰীসাগৰ তিনিআলিত এক ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত হয়।

**ধুবুৰীৰ দৈনিক অসমৰ প্ৰতিনিধি ঃ** জুবিন গাৰ্গৰ অকাল বিয়োগত ধুবুৰী জিলা বাৰ্তাজীৱী সংঘই গভীৰ শোক প্ৰকাশ কৰিছে। ধুবুৰীত আজি বন্তি প্ৰজ্বলন কৰি শিল্পীগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

**লাহৰীঘাটৰ দৈনিক অসমৰ প্ৰতিনিধি ঃ** জুবিন গাৰ্গৰ অকাল বিয়োগত লাহৰীঘাটতো গভীৰ শোকৰ ছাঁ পৰিছে। কণ্ঠশিল্পীগৰাকীৰ প্ৰতি শেষ শ্ৰদ্ধা জনাই লাহৰীঘাটৰ বিভিন্ন অঞ্চলত বিভিন্ন দল-সংগঠন,অনুষ্ঠান-প্ৰতিষ্ঠানে বন্তি প্ৰজ্বলনেৰে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

**সৰ্থেবাৰীৰ দৈনিক অসমৰ প্ৰতিনিধি ঃ** বিশিষ্ট কণ্ঠশিল্পী জুবিন গাৰ্গৰ মৃত্যুত সৰ্থেবাৰীত গভীৰ শোকৰ ছাঁ পৰিছে। শিল্পীগৰাকীৰ আকস্মিক মৃত্যুৰ খবৰে সকলোকে মৰ্মাহত কৰিছে। সৰ্থেবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ হীৰক জয়ন্তী আৰু বাপুজী মহাবিদ্যালয়ৰ সোণালী জয়ন্তীত শিল্পীগৰাকীয়ে গীতেৰে সকলোকে মুগ্ধ কৰিছিল।

**জালাহৰ দৈনিক অসমৰ প্ৰতিনিধি ঃ** জুবিন গাৰ্গৰ আকস্মিক বিয়োগত শোকস্তব্ধ হৈ পৰিছে জালাহ অঞ্চল। সংগীত আৰু ছবি জগতৰ অতুলনীয় প্ৰতিভা স্বনামধন্য শিল্পীগৰাকীৰ অকাল বিয়োগত শোক প্ৰকাশ কৰি শোকবাৰ্তা প্ৰেৰণ কৰিছে বিজেপিৰ কেন্দ্ৰীয় নিৰ্বাচনী কমিটীয়ে। তদুপৰি জালাহ ৰাস পূজা কমিটী, বাক্‌সা জিলা শিল্পী সমাজ, জালাহ আঞ্চলিক উন্নয়ন সমিতি, জালাহ স্থায়ী ব্যৱসায়ী সন্থা, হনী ক্লাব বাক্‌সা জিলা পাঞ্জা সন্থা আদি অনুষ্ঠান-প্ৰতিষ্ঠানে গভীৰ শোক প্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জনাইছে। ইয়াৰ উপৰি সাধনা সংগীত কানন, শিমলা, জাতীয় বিদ্যালয়, শিমলা, ককলাবাৰী চাপাগুৰি সাহিত্য সভা আদি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে শিল্পীগৰকীৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে।

**জামুগুৰিহাটৰ দৈনিক অসমৰ প্ৰতিনিধি ঃ** জুবিন গাৰ্গৰ মৃত্যুত জামুগুৰিহাটত গভীৰ শোকৰ ছাঁ পৰিছে। জামুগুৰি বাৰেচহৰীয়া ভাওনা সমিতি, নদুৱাৰ প্ৰেছ ক্লাব, জামুগুৰি শাখা সাহিত্য সভা, বাপুজী ভৱন নাট্য সমাজ, সুন্দৰম সাংস্কৃতিক গোষ্ঠী, অভিযাত্ৰী কলাকেন্দ্ৰ, শ্ৰীমন্ত শংকৰদেৱ সংঘ জামুগুৰি আঞ্চলিক সমিতি, মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ নামধৰ্ম সমাজ, বৈদিক সমাজ, সুদৰ্শন সাংস্কৃতিক গোষ্ঠী, নদুৱাৰ সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকাই তেওঁৰ মৃত্যুত শোক প্ৰকাশ কৰে। আজি সন্ধিয়া নদুৱাৰৰ অন্তৰ্গত জামুগুৰি, ইটাখোলা, ধলাইবিল, টুপিয়া আদি বিভিন্ন প্ৰান্তত ৰাইজে জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলনেৰে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। আজি বিশিষ্ট শিল্পীগৰাকীৰ মৃত্যুৰ খবৰ বিয়পি পৰাৰ লগে লগে ধলাইবিল চেণ্টাৰত সকলোবোৰ ব্যৱসায়িক প্ৰতিষ্ঠান কৰাৰ লগতে ধলাইবিল চেণ্টাৰ ব্যৱসায়ী সন্থাই শিল্পীগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

## শ্যামকানু মহন্তৰ বিৰুদ্ধে মৰিগাঁও থানাত এজাহাৰ দাখিল অধিবক্তাৰ

**দৈনিক অসমৰ প্ৰতিনিধি**

**মৰিগাঁও, ১৯ ছেপ্টেম্বৰ ঃ** নৰ্থ ইষ্ট ফেষ্টিভেলৰ আয়োজক শ্যামকানু মহন্তৰ বিৰুদ্ধে আজি মৰিগাঁও সদৰ থানাত এজাহাৰ দাখিল কৰিছে এগৰাকী জুবিন অনুৰাগী যুৱ অধিবক্তাই। জনপ্ৰিয় শিল্পী তথা যুৱ প্ৰজন্মৰ হাৰ্ট থ্ৰ'ব জুবিন গাৰ্গৰ অকাল মৃত্যুৰ পাছতেই অসমৰ জনপ্ৰিয় শিল্পী তথা যুৱ প্ৰজন্মৰ হাৰ্টথ্ৰ'ৰ জুবিন গাৰ্গক বহিঃৰাষ্ট্ৰলৈ লৈ গৈ যড়যন্ত্ৰমূলকভাৱে হত্যা কৰাৰ অভিযোগ তুলি আজি সন্ধিয়া মৰিগাঁও সদৰ আৰক্ষী থানাত এজাহাৰ দাখিল কৰে ৰাতুল বৰা নামৰ মৰিগাঁৱৰ এগৰাকী জুবিন অনুৰাগী অধিবক্তাই। অধিবক্তা ৰাতুল বৰাই এজাহাৰখনত উল্লেখ কৰা মতে, বহিঃৰাষ্ট্ৰত জনপ্ৰিয় শিল্পী জুবিন গাৰ্গৰ অকাল মৃত্যুৰে তেওঁৰ দৰে হেজাৰ হেজাৰ অনুৰাগীক ব্যথিত কৰিছে আৰু বহিঃৰাষ্ট্ৰত নৰ্থ-ইষ্ট ফেষ্টিভেলৰ আয়োজন কৰা সকলেই মূলতঃ ইয়াৰ বাবে দায়ী বুলি উল্লেখ কৰি গীত পৰিৱেশনৰ বাবে বহিঃৰাষ্ট্ৰলৈ মাতি নি যড়যন্ত্ৰমূলকভাৱে হত্যা কৰাৰ সন্দেহ প্ৰকাশ কৰি ইয়াৰ উচিত তদন্ত আৰু জড়িতসকলৰ দৃষ্টান্তমূলক শাস্তিৰো দাবী কৰিছে। এই ক্ষেত্ৰত মৰিগাঁও আৰক্ষী তথা অসম আৰক্ষীয়ে কি ভূমিকা গ্ৰহণ কৰে, সেইটো লক্ষণীয় হ'ব।

## মুদৈবৰী পৰিষদীয় সমষ্টিৰ নিৰ্বাচনী সভাত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা

# বিজেপি ক্ষমতালৈ আহিলে বিপিএফ, ইউপিপিএলৰ সহায়তহে চৰকাৰ গঠন কৰিব

**দৈনিক অসমৰ প্ৰতিনিধি**

**কলাইগাঁও, ১৯ ছেপ্টেম্বৰ ঃ** ২২ ছেপ্টেম্বৰত হ'বলগীয়া বিটিচি পৰিষদৰ নিৰ্বাচনে এতিয়া ওদালগুৰি জিলাৰ কলাইগাঁৱৰ ৩৫ নং মুদৈবৰী সমষ্টিত ধুমুহাৰ সৃষ্টি কৰিছে। মুখ্যমন্ত্ৰী আৰু বিজেপিৰ সভাপতিকে ধৰি বিভিন্ন ৰাজনৈতিক দলৰ নেতাসকলে বিটিচিৰ প্ৰতিটো সমষ্টিত প্ৰতিশ্ৰুতিৰ ধল বোৱাই আছে। কালি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা আৰু বিপিএফৰ মুৰব্বী হাগ্ৰামা মহিলাৰীয়ে বিটিচি পৰিষদৰ অধীনস্থ ৩৫ নং মুদৈবৰী সমষ্টিত ব্যাপক নিৰ্বাচনী প্ৰচাৰ চলায়। ৩৫ নং মুদৈবৰী সমষ্টিৰ অন্তৰ্গত কলাইগাঁও ষ্টেডিয়াম প্ৰাংগণত অনুষ্ঠিত এক বিশাল নিৰ্বাচনী প্ৰচাৰ সভাত মুখ্যমন্ত্ৰী ডঃ শৰ্মাই কয় যে বিটিচি পৰিষদৰ সকলো খৰচ বিজেপিশাসিত অসম চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰে বহন কৰি আহিছে। গতিকে আন দল শাসনলৈ আহিলেও বিটিআৰৰ ৰাইজৰ একো লাভ নহ'ব। তাৎপৰ্যপূৰ্ণভাৱে মুখ্যমন্ত্ৰী ডঃ শৰ্মাই ঘোষণা কৰে যে বিজেপি ক্ষমতালৈ আহিলেও বিপিএফ আৰু ইউপিপিএলৰ সহযোগতহে কোকৰাঝাৰত চৰকাৰ গঠন কৰিব। এই নিৰ্বাচনী সভাত মুদৈবৰী সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী তথা বৰ্তমানৰ বিটিচিৰ কাৰ্যবাহী সদস্য দিগন্ত বৰুৱা আৰু মন্ত্ৰী অশোক সিংহল, বিধায়ক পৰমানন্দ ৰাজবংশী আৰু স্থানীয় বিজেপি নেতা নৱৰাজ বৰুৱা উপস্থিত থাকে। আনহাতে সমষ্টিটোৰ বিপিএফ প্ৰাৰ্থী জগদীশ সৰকাৰৰ সমৰ্থনত দলৰ মুৰব্বী হাগ্ৰামা মহিলাৰীয়ে ভকতপাৰাত অনুষ্ঠিত নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। হাজাৰ হাজাৰ লোকৰ উপস্থিতিত অনুষ্ঠিত সভাত হাগ্ৰামা মহিলাৰীয়ে ভাষণ প্ৰসংগত কয় যে মুদৈবৰী সমষ্টিত বিপিএফ প্ৰাৰ্থী জগদীশ সৰকাৰৰ জয় হোৱাটো নিশ্চিত আৰু জয়ী হ'লে জগদীশ সৰকাৰক বিটিচিৰ কাৰ্যবাহী সদস্য হিচাপে নিযুক্তি দিয়া হ'ব।

**FLAT/HOUSE**

Newly Constructed 3BHK falt area 1650 sq.ft. for sale at G.S. RD, Guwahati, Contact 88763 75295
DA/H&F/09/1

3BHK Fully Furnished Luxury Flat for sale area 1500 sq.ft. at Guwahati- Contact 88763 75295
DA/H&F/10/1

**AFFIDAVIT**

By an affidavit before Notary Public, Kamrup (M) at Guwahati dated 17.09.2025 that I have changed my name from Mohammed Makibar Rahman to Makibar Rahman.
DA/PN/11/1

**PUBLIC NOTICE**

I, Ratul Kalita father of Tapashi Kalita, resident of village-Bardadhi, PO-Geruah, PS-Hajo, Kamrup (Assam), PIN-781102, declare that my daughter's name has been wrongly Record in her AADHAR Cared vid No-455958872130 as "Tapshi Kalita" instead of "Tapashi Kalita" which is incorrect. Sworn before Notary Kamrup (M) I do hereby declare that "TAPSHI KALITA" and "TAPASHI KALITA" is one and same person.
DA/PN/07/1

"BARBIE SARAOGI & SIMRAN SARAOGI is one and same person & I use my name as SIMRAN SARAOGI instead of BARBIE SARAOGI. Hence I shall be known in all purpose as SIMRAN SARAOGI, signed under oath by an affidavit before 1st class Judicial Magistrate dated 13/12/2024."
DA/PN/08/1

## ইউপিপিএলৰ প্ৰাৰ্থীৰ বৃহৎ ট্ৰেক্টৰ সমদল

**দৈনিক অসমৰ প্ৰতিনিধি**

**গোৰেশ্বৰ, ১৯ ছেপ্টেম্বৰ ঃ** বিটিচিৰ পঞ্চমটো পৰিষদীয় নিৰ্বাচনৰ প্ৰচাৰকাৰ্য শেষ হ'বলৈ আৰু মাত্ৰ দুটা দিন থকা সময়তেই আজি তামুলপুৰ জিলাৰ ৩০ নং গোৰেশ্বৰ পৰিষদীয় সমষ্টিৰ ইউপিপিএলৰ মনোনীত প্ৰাৰ্থী বিপুল কুমাৰ বসুমতাৰীৰ সমৰ্থনত সমষ্টিটোত বৃহৎ ট্ৰেক্টৰ ৰেলী উলিয়াই ভোটাৰৰ মন আকৰ্ষণৰ চেষ্টা কৰে। উল্লেখ্য যে ইউপিপিএলৰ প্ৰতীক হাল বোৱা ট্ৰেক্টৰ। সেয়ে সমষ্টিটোৰ একেবাৰে ভিতৰুৱা চুবুৰিবোৰত নিৰ্বাচনৰ প্ৰচাৰৰ অংশ হিচাপে আজি দিনৰ ১১ বজাত বেঙেনাহাটী সত্ৰ খেলপথাৰত ট্ৰেক্টৰ চলাই ৰেলী উদ্বোধন কৰে প্ৰাৰ্থী বিপুল কুমাৰ বসুমতাৰীয়ে। উল্লেখযোগ্য যে শতাধিক ট্ৰেক্টৰৰ ৰেলীটোৱে সমষ্টিটোৰ গোৰেশ্বৰৰ ছিল্কিঝাৰ, গোপছাৰ, বেতনা, ভোগপুৰ, বালাবাৰী, কুছলা, বাঘডোবা, সৌৰাগুৰি, ঔসাৰী, কাউৰবাহা, বৰঘুলি, বটাবাৰী আদি সাঙুৰি প্ৰায় কুৰিখন গাঁৱৰ ভোটাৰৰ মন আকৰ্ষণ কৰাৰ বাবে শোভাযাত্ৰা উলিওৱা হয়। ইউপিপিএলৰ প্ৰাৰ্থী বিপুল কুমাৰ বসুমতাৰীয়ে ট্ৰেক্টৰ ৰেলীৰে শোভাযাত্ৰা কৰি ৩০ নং গোৰেশ্বৰ পৰিষদীয় সমষ্টিত তেওঁৰ প্ৰতিদ্বন্দ্বী নাই বুলি কয়।

## নূপুৰ বৰাৰ গোলাঘাটৰ গৃহত তালাচী

**দৈনিক অসমৰ প্ৰতিনিধি**

**গোলাঘাট, ১৯ ছেপ্টেম্বৰ ঃ** দুৰ্নীতিগ্ৰস্ত এ চি এছ বিষয়া নূপুৰ বৰাই অবৈধভাৱে ঘটা ধনৰ উৎস বিচাৰি আজি পুৱাৰে পৰা মুখ্যমন্ত্ৰীৰ তদাৰকী কোষৰ এটা দলে অভিযান চলাই গোলাঘাটত। দলটোৱে পুৱা ৯ বজাত নূপুৰৰ পিতৃ কমল বৰাক লগত লৈ পুৰণা আমোলাপট্টিস্থিত বাসগৃহত প্ৰায় ডেৰ ঘণ্টা অভিযান চলায়। তাৰ পিছত পিতৃ থকা নতুন আমোলাপট্টিৰ ভাৰাঘৰত প্ৰায় এঘণ্টা ধৰি অভিযান চলায় দলটোৱে। দুয়োটা ঘৰতে অভিযান চলোৱাৰ পাছত গোলাঘাটৰ ষ্টেট বেংকত নূপুৰৰ ধনৰ উৎস বিচাৰি অভিযান চলায় দলটোৱে। অৱশ্যে দলটোৱে বেংকৰ পৰা কোনো আপত্তিজনক তথ্য লাভ নকৰিলে। বিশেষ সূত্ৰৰ মতে নূপুৰ বৰাৰ বৰপেটা ষ্টেট বেংকতহে এটা লকাৰ আছে। তদাৰকী কোষৰ এই দলটোৰ অভিযান কালতে পোহৰলৈ আহে নূপুৰ বৰাৰ পৰিয়ালৰ কেতবোৰ তথ্য। জানিব পৰা মতে, নূপুৰৰ মাতৃৰ দুবছৰ পূৰ্বে আত্মহত্যা আৰু একমাত্ৰ পুত্ৰ সন্তান ড্ৰাগ্‌ছ আসক্ত হৈ প্ৰায় তিনি মাহ পূৰ্বে মৃত্যু হোৱাৰ পাছত অকলশৰীয়া হৈ পৰে পিতৃ কমল বৰা। তাৰ পিছতে কমল বৰাই নিজৰ ঘৰত নাথাকি এটা ভাৰাঘৰত থাকিবলৈ লয়। কন্যাৰ দুৰ্নীতি পোহৰলৈ অহাত লজ্জিত হৈ পৰে পিতৃ। আজি সংবাদ মাধ্যমৰ আগত আইনে নূপুৰক যি শাস্তি দিয়ে তাত তেওঁৰ কোনো আপত্তি নাই বুলিও কমল বৰাই মন্তব্য কৰে। আনহাতে মুখ্যমন্ত্ৰীৰ তদাৰকী কোষৰ দলটোৱে বিশেষ কোনো ধৰণৰ তথ্য লাভ কৰা নাই বুলি উল্লেখ কৰে যদিও নূপুৰৰ পিতৃৰ এখন জীৱন বীমাৰ পলিচী আৰু বেংকৰ পাছবুক পৰীক্ষা কৰাৰ কথা এটা বিশেষ সূত্ৰে প্ৰকাশ পাইছে।

## কংগ্ৰেছৰপৰা নিলম্বিত মতলেবুদ্দিন আহমেদ

**দৈনিক অসমৰ প্ৰতিনিধি**

**বাইহাটা চাৰিআলি, ১৯ ছেপ্টেম্বৰ ঃ** কংগ্ৰেছৰপৰা নিলম্বন কৰা হ'ল অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ কাৰ্যকৰী সদস্য তথা ২০২৬ চনৰ বিধানসভা নিৰ্বাচনৰ কমলপুৰ বিধানসভা সমষ্টিৰ এগৰাকী সম্ভাব্য প্ৰাৰ্থী মতলেবুদ্দিন আহমেদ। মতলেবুদ্দিন আহমেদৰ বিৰুদ্ধে দলীয় অনুশাসন ভংগৰ অভিযোগ উত্থাপন হৈছিল। যোৱা ৪ ছেপ্টেম্বৰত দলীয় অনুশাসন ভংগৰ অভিযোগৰ বিষয়ে অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সাধাৰণ সম্পাদক বিপুল গগৈ স্বাক্ষৰিত কাৰণ দৰ্শোৱাৰ জাননীৰ জৰিয়তে দুদিনৰ ভিতৰত প্ৰদেশ কংগ্ৰেছক লিখিতভাৱে উত্তৰ দিয়াৰ নিৰ্দেশ দিয়া হৈছিল। উল্লেখ্য যে অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি সাংসদ গৌৰৱ গগৈৰ জন্মদিনটোত প্ৰদেশ কংগ্ৰেছৰ মুখ্য কাৰ্যালয় ৰাজীৱ ভৱনত একাংশ সতীৰ্থসহ এক অবাঞ্ছিত হুলস্থূলীয়া পৰিৱেশ সৃষ্টি কৰিছিল মতলেবুদ্দিন আহমেদে। গৌৰৱ গগৈৰ জন্মদিনটোত সদ্য পদত্যাগী কমলপুৰ সমষ্টিৰ প্ৰাক্তন বিধায়ক সত্যব্ৰত কলিতাৰ কংগ্ৰেছ আগমনৰ বিৰোধিতা কৰি ৰাজ্যিক সমিতিৰ কাৰ্যকৰী সদস্য মতলেবুদ্দিন আহমেদে কেইজনমান সতীৰ্থৰ সৈতে লগ লাগি ৰাজীৱ ভৱনত অবাঞ্ছিত পৰিৱেশ ৰচনা কৰিছিল। দলৰ ৰাজ্যিক সমিতিৰ নেতাৰপৰা কিছুমান অলাগতিয়াল উত্তৰ বিচাৰে মতলেবুদ্দিন আহমেদে। আনকি সত্যব্ৰত কলিতাই কংগ্ৰেছত যোগদান কৰিলেও আগন্তুক বিধানসভা নিৰ্বাচনত কমলপুৰ সমষ্টিত প্ৰাৰ্থিত্বৰ তীব্ৰ বিৰোধিতা কৰে।

# তিনিদিনীয়া শোক পালন কৰিব অসম সাহিত্য সভাই

## ৰাজ্যবাসী স্তম্ভিত ঃ কংগ্ৰেছ, বিজেপি, অগপ-আছুকে ধৰি দল-সংগঠনৰো শোক

**দৈনিক অসমৰ বাতৰি**

**গুৱাহাটী, ১৯ ছেপ্টেম্বৰ ঃ** সংগীত জগতৰ উজ্জ্বল নক্ষত্ৰ জুবিন গাৰ্গৰ আকস্মিক মৃত্যুত ৰাজ্যজুৰি শোকৰ ছাঁ পৰিছে। হাৰ্টথ্ৰব জুবিন গাৰ্গৰ বিয়োগৰ বাতৰিক অসমৰ ৰাইজে সহজভাৱে গ্ৰহণ কৰিব পৰা নাই। বাটে-পথে সকলোৰে মুখে মুখে বিষণ্ণতাৰ ছাঁ। আজি তেওঁৰ মৃত্যুত ৰাজ্যবাসী স্তম্ভিত হৈ পৰিছে। অসমবাসীৰ হৃদয়ত স্থান পোৱা মৃত্যুৰ বাতৰি সদৰী হোৱাৰ লগে লগে যোৰহাট, তেজপুৰ, ডিব্ৰুগড়, নলবাৰী, বৰপেটা, নগাঁও, গুৱাহাটীকে ধৰি ৰাজ্যৰ বিভিন্ন অঞ্চলত সন্ধিয়া হাতে হাতে মমবাতি লৈ অসংখ্য অনুৰাগী ৰাজপথলৈ ওলাই আহিছে। জনপ্ৰিয় শিল্পী তথা অসমীয়া সমাজৰ হিয়াৰ আমঠু জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জনাই সন্ধিয়া ৰাজ্যৰ শদিয়াৰপৰা ধুবুৰীলৈ বহু ব্যৱসায়িক প্ৰতিষ্ঠান, বিপণী বন্ধ ৰাখি মৌন প্ৰাৰ্থনাৰ লগতে বন্তি প্ৰজ্বলন কৰা হয়। উল্লেখ্য যে অসমীয়াৰ গৌৰৱ জুবিন গাৰ্গৰ মৃত্যুত ৰাজ্যৰ বিভিন্ন জাতীয় সংগঠন, ৰাজনৈতিক দল, নেতাই শোক প্ৰকাশ কৰিছে। নতুন প্ৰজন্মৰ আদৰ্শৰ আকৰ জুবিন গাৰ্গৰ আকস্মিক বিয়োগত অসম সাহিত্য সভাই তিনিদিনীয়া শোক পালন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। গুৱাহাটীৰ ভগৱতী প্ৰসাদ বৰুৱা ভৱনত সন্ধিয়াই অসম সাহিত্য সভাৰ সভাপতি ডঃ বসন্ত কুমাৰ গোস্বামীৰ পৌৰোহিত্যত অনুষ্ঠিত এক শোক সভাত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। কাকতলৈ প্ৰেৰণ কৰা এক বিবৃতিত সভাৰ প্ৰধান সম্পাদক দেৱজিৎ বৰাই কয় যে জাতিৰ অন্যতম সত্তা জুবিন গাৰ্গৰ প্ৰতি সন্মান আৰু শ্ৰদ্ধা জনাই সাহিত্য সভাৰ যোৰহাটৰ কেন্দ্ৰীয় কাৰ্যালয়কে ধৰি গুৱাহাটী, ডিব্ৰুগড়, লখিমপুৰ আদি কাৰ্যালয়ত পতাকা তিনি দিনৰ কাৰণে অৰ্ধনমিত কৰি ৰাখিব। তদুপৰি সভাই আজিকে ধৰি আগন্তুক তিনিদিনলৈ সকলো কাৰ্যসূচী বাতিল কৰিছে। সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মায়ো জুবিন গাৰ্গৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে। অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি গৌৰৱ গগৈয়ে জুবিন গাৰ্গৰ মৃত্যুত শোক প্ৰকাশ কৰিছে। গগৈয়ে কয় 'জীৱনৰ প্ৰতিটো মুহূৰ্তৰ বাবে কথা-সুৰৰ সৃষ্টি কৰা সংগীতৰ মহান পূজাৰী, প্ৰতিগৰাকী অসমবাসীৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ অকাল বিয়োগৰ অকল্পনীয় খবৰ শুনি অতিশয় মৰ্মাহত হৈছোঁ। তেওঁৰ মৃত্যু অসম তথা সমগ্ৰ ভাৰতবৰ্ষৰ সংগীত জগতৰ বাবে এক অপূৰণীয় ক্ষতি। ছিংগাপুৰত অনুষ্ঠিত চতুৰ্থ নৰ্থ-ইষ্ট ইণ্ডিয়া ফেষ্টিভেলত অংশ ল'বলৈ গৈ দুৰ্ঘটনাত পতিত হৈ মৃত্যুক আঁকোৱালি লোৱা জুবিন দাৰ বিদেহ আত্মাৰ সদগতি কামনা কৰিলোঁ।' অসম গণ পৰিষদৰ সভাপতি অতুল বৰা আৰু কাৰ্যবাহী সভাপতি কেশৱ মহন্তয়ো জুবিন গাৰ্গৰ মৃত্যুত শোক প্ৰকাশ কৰিছে। অসম প্ৰদেশ বিজেপিয়ে গাৰ্গৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে। দলৰ সভাপতি দিলীপ শইকীয়াই এক শোকবাৰ্তাৰ জৰিয়তে কয় যে জুবিন গাৰ্গৰ মৃত্যু জাতিটোৰ বাবে পূৰাব নোৱৰা এক বৃহৎ ক্ষতি। শইকীয়াই কয় যে দেশৰ সংগীত জগতৰ এগৰাকী প্ৰতিষ্ঠিত শিল্পী আমাৰ সকলোৰে হিয়াৰ আমঠু জুবিন গাৰ্গৰ আকস্মিক মৃত্যুত বিজেপি পৰিয়ালৰ প্ৰতিগৰাকী কাৰ্যকৰ্তা শোকত ম্ৰিয়মাণ। অনাকাংক্ষিত তথা অবিশ্বাস্য জুবিনৰ মৃত্যু জাতীয় জীৱনৰ বাবে আৱেগ-বিহ্বল সময়। ভৰ দুপৰীয়া যেন সূৰ্যাস্তৰ অনুভূতি হ'ল। জুবিনৰ মৃত্যুত ভাষাহীন, শব্দহীন আমি।' সৰ্ব ভাৰতীয় সংযুক্ত গণতান্ত্ৰিক মৰ্চা (এ আই ইউ ডি এফ)ৰ সভাপতি বদৰুদ্দিন আজমল, সদৌ অসম পুথি প্ৰকাশন আৰু বিক্ৰেতা সংস্থাৰ সভাপতি নগেন শৰ্মা, সাধাৰণ সম্পাদক ৰক্তিম ঠাকুৰীয়া, ডি ৱাই এফৰ ৰাজ্যিক সম্পাদক ৰিতু ৰঞ্জন দাস, নতুন সাহিত্য পৰিষদৰ সমীন্দ্ৰ হুজুৰি, অসম সত্ৰ মহাসভাৰ সভাপতি জিতেন্দ্ৰ প্ৰধানী, সম্পাদকপ্ৰধান কুসুম কুমাৰ মহন্ত, অসম সত্ৰ মহাসভাৰ গুৱাহাটী জিলা সমিতিৰ সম্পাদক কমল কুমাৰ, সদৌ গুৱাহাটী বাতৰিকাকত হোকাৰ সন্থাৰ সাধাৰণ সম্পাদক ব্ৰজেন বৰ্মন, বিশ্বনাথ জিলা সাহিত্য সভাৰ সভাপতি মহেন্দ্ৰ গগৈ, অসম চেম্বাৰ অৱ কমাৰ্চৰ অধ্যক্ষ ৰূপম গোস্বামী, বহুভাষিক সাহিত্য মঞ্চৰ প্ৰধান সম্পাদক দীপক শৰ্মা, ৰূপক জি বৰুৱা, চি পি আইৰ সম্পাদক কনক গগৈ, অসম দক্ষতা বিশ্ববিদ্যালয় পৰিয়াল, অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ প্ৰধান সম্পাদক ৰাতুল চন্দ্ৰ গোস্বামী, সভাপতি নীলাক্ষি গগৈ, সদৌ অসম সন্মিলিত শিক্ষক মঞ্চৰ মুখ্য সভাপতি ৰণজিৎ বৰঠাকুৰ আৰু মুখ্য সম্পাদক উৎপল চক্ৰৱৰ্তী, আৰ এছ এছৰ উত্তৰ অসম প্ৰান্তৰ সঞ্চালক ডাঃ ভূপেশ শৰ্মা আৰু প্ৰান্ত কাৰ্যবাহ খগেন শইকীয়া, জ্যোতিৰূপাৰ সভাপতি প্ৰফুল্ল গোবিন্দ বৰুৱা আৰু সাধাৰণ সম্পাদক নৰেন হাজৰিকা, অসম বধিৰ সন্থাৰ সম্পাদক তপন শৰ্মা, প্ৰতিবন্ধী সুৰক্ষা সংস্থা অসমৰ সম্পাদক নৃপেন মালাকাৰ, দৃষ্টিহীন ছাত্ৰ সন্থা অসমৰ সম্পাদক ৰিতুৰাজ দাস আদিয়ে জুবিন গাৰ্গৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে। আনহাতে, আলফা স্বাধীনে এক বিবৃতিযোগে জুবিন গাৰ্গৰ মৃত্যুত শোক প্ৰকাশ কৰিছে। বিবৃতিটোত আলফা (স্বাধীন)এ কয় যে জুবিন গাৰ্গ কেৱল এটি নাম নহয় এক সত্তা, এক আৱেগ আছিল।

জাতিৰ সেৱাত উৎসৰ্গিত ৬১ বছৰ

# দৈনিক অসম

গুৱাহাটী আৰু ডিব্ৰুগড়ৰপৰা প্ৰকাশিত
http://dainik.assamtribune.com

RN-11989/65 । ৬১ বছৰ । ৪৬ সংখ্যা, ৩ আহিন, শনিবাৰ, ১৯৪৭ শক। DAINIK ASAM : Assamese Daily। VOL. 61 NO. 46। GUWAHATI, SATURDAY, SEPTEMBER 20, 2025 । পৃষ্ঠা ১৬ (Pages 16) । ৯.০০ টকা (Rs. 9.00)

ND24 newsdaily24.in সৰ্বশ্ৰেষ্ঠ নহয়, সৰ্বোত্তমৰ দৌৰত

'দৈনিক অসম' সংগ্ৰহ কৰাৰ ক্ষেত্ৰত সন্মুখীন হোৱা যিকোনো সমস্যাৰ বাবে অনুগ্ৰহ কৰি এই ফোন নম্বৰত যোগাযোগ কৰক— ৭০০২৩ ১৭০৪০


### কাল ধুমুহাৰ দৰে আহিল অপ্ৰত্যাশিত বাৰ্তা ঃ দেশজুৰি শোকস্তব্ধ অগণন অনুৰাগী

# হঠাতে হেৰাল প্ৰাণৰ জুবিন

## ছিংগাপুৰত প্ৰকৃততে কি ঘটিছিল ? চি বি আই তদন্তৰ দাবী অনুৰাগীৰ

দৈনিক অসমৰ বাতৰি

**গুৱাহাটী, ১৯ ছেপ্তেম্বৰ ঃ** অকস্মাতে আহিছিল সেই অভাৱনীয় খবৰটো! কোনেও নিবিচৰা, সকলোকে বাক্‌ৰুদ্ধ কৰা, হৃদয় কঁপাই তোলা খবৰটো বিয়পিবলৈ ধৰোঁতে সৰ্বত্ৰ অবিশ্বাস— এয়া হ'বই নোৱাৰে, উৰাবাতৰি? কিন্তু খবৰটো সঁচা আছিল। ছিংগাপুৰত আজিৰে পৰা অনুষ্ঠিত হৈছে চতুৰ্থ নৰ্থ-ইষ্ট ফেষ্টিভেল। এই অনুষ্ঠানলৈ আমন্ত্ৰণ কৰি নিয়া হৈছিল অসমীয়াৰ হিয়াৰ আমঠু জুবিন গাৰ্গক। ১৭ ছেপ্তেম্বৰত তেওঁ ছিংগাপুৰত উপস্থিত হৈছিল। নিৰ্ধাৰিত সূচী অনুসৰি *৬ পৃষ্ঠাত চাওক*



## লক্ষজনৰ অন্তৰে অন্তৰে পোখা মেলি আজি অলেখ জুবিন



শোকস্তব্ধ পত্নী গৰিমা শইকীয়া গাৰ্গ, কাহিলিপাৰাৰ বাসগৃহত।

■ মৃদুল হালৈ

নিচুকনি গীত মোক কেনিনো হেৰালে/
হৃদয় কোণত থান-বান!/ জ্বলি থকা জেউতি ক'তেনো
নুমালে/সমীৰত ধুমুহাৰ গান...

**আ**জি লক্ষজনৰ মনত খলকনি তুলিছে একেটা প্ৰশ্নই। একেজাক ধুমুহাই চিৰাচিৰ কৰিছে অসংখ্যজনৰ অন্তৰ। অতি অপ্ৰত্যাশিতভাৱে, অভাৱনীয় শোকৰ কোবাল ঢৌ হৈ আহিছে এটা খবৰ। তেওঁ নাই। আধুনিক অসমীয়া *৬ পৃষ্ঠাত চাওক*

## জুবিন গাৰ্গৰ সংগীতে আত্মাক স্পৰ্শ কৰিছিল

■ ডঃ হিমন্ত বিশ্ব শৰ্মা

**তি**নিটা দশকৰো অধিক কালজোৰা অসামান্য শিল্পী জীৱনত জুবিন গাৰ্গে প্ৰতিটো প্ৰজন্মক সংগীতৰ যাদুৰে মোহাচ্ছন্ন কৰি ৰাখিছিল। জনতাক উদ্বেলিত কৰি তুলিব পৰা এক অনন্য কণ্ঠৰ গৰাকী জুবিন গাৰ্গৰ সংগীতে সকলো শ্ৰেণীৰ লোকৰ হৃদয় আৰু আত্মাক স্পৰ্শ কৰিবলৈ সক্ষম হৈছিল। সীমাৰ পৰিধি ভাঙি স্বকীয়ৰূপত উদ্ভাসিত হ'বলৈ সক্ষম হোৱা বিশিষ্ট শিল্পীগৰাকীৰ বিয়োগত অসমে আজি এগৰাকী সু-সন্তানক হেৰুৱালে। আজন্ম শিল্পী জুবিন গাৰ্গৰ আকস্মিক বিয়োগে *৬ পৃষ্ঠাত চাওক*

## ১১ প্ৰবাসী অসমীয়া, জুবিনৰ চাৰি সহযোগীক সোধা-পোছা কৰিব আৰক্ষীয়ে

### আজি নশ্বৰ দেহ আহি পোৱাৰ সম্ভাৱনা ■ সৰুসজাইত হ'ব ৰাজহুৱা শ্ৰদ্ধাঞ্জলি ■ এদিনৰ বাবে হ'ব চৰকাৰী বন্ধ

দৈনিক অসমৰ বাতৰি

**গুৱাহাটী**, ১৯ ছেপ্তেম্বৰ ঃ জুবিন গাৰ্গৰ নশ্বৰদেহ কাইলৈ সন্ধিয়া গুৱাহাটীলৈ অনা হ'ব পাৰে। এই সম্ভাৱনাৰ কথা প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই। আজি নিশা ডঃ শৰ্মাই জুবিনৰ কাহিলিপাৰাৰ বাসভৱনলৈ গৈ পত্নী গৰিমা শইকীয়াকে ধৰি পৰিয়ালৰ সদস্যসকলক সাক্ষাৎ কৰে। পাছত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত মুখ্যমন্ত্ৰীয়ে *৬ পৃষ্ঠাত চাওক*

### অমিত শ্বাহ, জে পি নাড্ডা, ৰাহুল গান্ধী, কেজৰিৱালকে ধৰি ৰাষ্ট্ৰীয় নেতাৰ শোক

## সংগীতৰ চহকী অৱদানেই জীয়াই ৰাখিব জুবিনক ঃ মোডী

### ম্ৰিয়মাণ মমতা বেনাৰ্জী

**নতুন দিল্লী, মুম্বাই, কলকাতা, ১৯ ছেপ্তেম্বৰ ঃ** অসমীয়াৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ আকস্মিক মৃত্যুৱে শোকস্তব্ধ কৰিছে ৰাজ্যৰ লগতে সমগ্ৰ দেশক। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী, বিৰোধী দলপতি ৰাহুল গান্ধীকে ধৰি দেশৰ শীৰ্ষ জনপ্ৰতিনিধি, অগ্ৰণী ৰাজনৈতিক নেতৃবৰ্গ তথা বিভিন্ন ক্ষেত্ৰৰ অগ্ৰণী ব্যক্তিসকলে তেওঁৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰি শোকবাৰ্তা প্ৰেৰণ কৰিছে। প্ৰধানমন্ত্ৰী *৬ পৃষ্ঠাত চাওক*

### জয়ন্ত হাজৰিকা, ডঃ ভূপেন হাজৰিকা, জুবিন গাৰ্গ

## তিনি সংগীত সম্ৰাটৰে জীৱনাৱসান ৰাজ্যৰ বাহিৰত

দৈনিক অসমৰ বাতৰি

**গুৱাহাটী, ১৯ ছেপ্তেম্বৰ ঃ** চৰণেহে জানে মৰণৰ ঠাই।— এই আপ্ত বাক্যশাৰীয়েই যেন সত্য প্ৰমাণিত হ'ল অসমৰ সাংস্কৃতিক ক্ষেত্ৰৰ তিনি মহীৰূহ সুধাকণ্ঠ ডঃ ভূপেন হাজৰিকা, জয়ন্ত হাজৰিকা আৰু জুবিন গাৰ্গৰ ক্ষেত্ৰত। অনবদ্য কৰ্মৰাজিৰে অসমীয়া জাতিক সমৃদ্ধ কৰা তিনিওগৰাকী স্বনামধন্য শিল্পীয়ে *৬ পৃষ্ঠাত চাওক*



## ৰাজ্যত ছমহীয়া পৰীক্ষা স্থগিত

দৈনিক অসমৰ বাতৰি

**গুৱাহাটী, ১৯ ছেপ্তেম্বৰ ঃ** যুৱপ্ৰজন্মৰ হৃদস্পন্দন, জনপ্ৰিয় সংগীত শিল্পী জুবিন গাৰ্গৰ অকাল মৃত্যুৰ পৰিপ্ৰেক্ষিতত ৰাজ্যৰ শিক্ষা বিভাগে বিদ্যালয়সমূহত কাইলৈ অনুষ্ঠিত হ'বলগীয়া ছমহীয়া পৰীক্ষা শিল্পীগৰাকীৰ অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন নোহোৱা পৰ্যন্ত পিছুৱাই দিছে। এই সন্দৰ্ভত ব্যৱস্থা গ্ৰহণ কৰিবলৈ সকলো বিদ্যালয় পৰিদৰ্শকক নিৰ্দেশ দিয়া হৈছে। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি নিশা 'এক্স'যোগে এই কথা সদৰী কৰে।

## জাতীয় জীৱনৰ অপূৰণীয় ক্ষতি

■ সৰ্বানন্দ সোণোৱাল

**আ**জি এই মুহূৰ্তত মই অত্যন্ত দুঃখিত যে আমাৰ অসমীয়া জাতীয় জীৱনৰ মৰমৰ শিল্পীগৰাকী আৰু নাই। এই কথা মই ভাবিবই পৰা নাই। কাৰণ যিগৰাকী জুবিন গাৰ্গে অসমৰ প্ৰতিগৰাকী মানুহৰ হৃদয়ত অৱস্থান কৰিছিল, সকলো বয়সৰ লোকৰ মনত এটা স্থায়ী প্ৰভাৱ বিস্তাৰ কৰিছিল, *৬ পৃষ্ঠাত চাওক*






## 'অনামিকা'ৰপৰা আৰম্ভ হোৱা বৰ্ণাঢ্য সংগীতময় যাত্ৰাৰ অৱসান

দৈনিক অসমৰ বাতৰি

**গুৱাহাটী, ১৯ ছেপ্তেম্বৰ ঃ** সুদূৰ ছিংগাপুৰৰ নীলিম সলিলৰাশিত দুৰ্ঘটনাত প্ৰাণ হেৰুওৱা সংগীত শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ লগে লগে প্ৰায় তিনি দশকজুৰি আৰু অসমৰ সীমা চেৰাই বয়স নিৰ্বিশেষে সকলো সংগীতপ্ৰেমীৰ হৃদয় জিনা এক বিস্ময়কৰ সংগীত প্ৰতিভা *৬ পৃষ্ঠাত চাওক*

### কাঁহুদী

— জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি।

## চকুৰ লোতকত তিতিছে অসমীয়া

■ নীলিম কুমাৰ

তোমাক উচ্চাৰণ কৰি প্ৰত্যেকজন অসমীয়াই
উচুপি উঠিছে
ৰুমাল তিতি গৈছে প্ৰত্যেকজন অসমীয়াৰ
বুকুৰ ভিতৰত খান্দি খান্দি উলিয়াব নোৱাৰা
এটা নাম জুবিন গাৰ্গ
কিয়নো তুমি জীন গৈ আছা
মানুহৰ হৃদয়ত।
তোমাক উচ্চাৰণ কৰি প্ৰত্যেকজন অসমীয়াই
উচুপি উঠিছে *৬ পৃষ্ঠাত চাওক*

## যোৰহাটত হাতত বন্তি লৈ ওলাই আহিল সহস্ৰজন

### প্ৰিয় শিল্পীক হেৰুৱাই শোকস্তব্ধ ■ ৰাজহুৱা শ্ৰদ্ধাঞ্জলি

### জাঁজীৰ তামুলীছিগাৰ পিতৃগৃহ, গোলাঘাট শহুৰৰ পৰিয়ালত শোকৰ ছাঁ

দৈনিক অসমৰ প্ৰতিনিধি

**পুলিবৰ, ১৯ ছেপ্তেম্বৰ ঃ** এখন ৰঙা ৰেঞ্জাৰ চাইকেল লৈ যোৰহাটৰ অলিয়ে-গলিয়ে ঘূৰি ফুৰিছিল এজন খেয়ালী যুৱক। এই চাইকেলখনত বান্ধি এখন কীবৰ্ড লৈ ফুৰিছিল তেওঁ। ৰাস্তাৰে গৈ থাকোঁতে কেতিয়াবা চিঞৰি গান গাইছিল। যুৱকজনে প্ৰথমাৱস্থাত *১১ পৃষ্ঠাত চাওক*







# প্ৰাণৰ জুবিন

গুৱাহাটী, শনিবাৰ, ২০ ছেপ্টেম্বৰ, ২০২৫ Guwahati, Saturday, September 20, 2025



## জুবিন গাৰ্গ সম্পৰ্কে কি কৈছিল হীৰেন ভট্টাচাৰ্যই ?



‘জুবিন গাৰ্গ ঃ জীৱনৰপৰা গানলৈ’ শীৰ্ষক গ্ৰন্থত সংকলিত হৈছিল এই বিশেষ লেখা



জুবিনৰ ওচৰত নিশ্চয় শিকা কিবা এটা আছে। নহ'লে মানুহে ইমান নিবিচাৰিলেহেঁতেন। নহ'লে মুম্বাইৰ ‘মিউজিক ৱৰ্ল্ড'ত সুযোগ নাপালেহেঁতেন।

# জুবিন অসমীয়া সংগীতৰ ক্ষেত্ৰত এক জোকাৰণি

■ হীৰেন ভট্টাচাৰ্য

**গা**ন লিখিলেই গান নহয়। সকলো সময়ত ভাল মাতেৰেই গায়ক নহয়। ভাল গানে, ভাল গানৰ কথাই মানুহক আকৰ্ষণ কৰে। গানৰ স্থায়িত্ব গানৰ কথাখিনিৰ ওপৰত নিৰ্ভৰ কৰে। গানৰ সুৰ মনত নাথাকিলেও গীতৰ কথা মনত থাকি যাব পাৰে। আমি ডঃ ভূপেন হাজৰিকা বা ডঃ বীৰেন্দ্ৰনাথ দত্তৰ গানৰ ক্ষেত্ৰত দেখোঁ গীতৰ কথা সুন্দৰ বাবে গীতবোৰ মনত থাকি যায়। অসমৰ একে ধাৰাৰ, একে সুৰীয়া গীতৰ মাজতে জুবিনে জোকাৰণি এটা দিলে।

গান ভাল পাওঁ, ল'ৰা-ছোৱালী ভাল পাওঁ। সৰুৰেপৰাই গান শুনি ভাল পাওঁ। এবাৰ এটা বিশেষ কামত গুৱাহাটীৰপৰা যোৰহাটলৈ গৈছিলোঁ। মই যোৰহাটলৈ যোৱাৰ কথা গম পাই দুজন ল'ৰা মোৰ ওচৰলৈ আহিল। ল'ৰা দুজনক মই চিনি নাপাওঁ। ল'ৰা দুজনে মোক ক'লে— ‘আপোনাৰ গীত এটা গাইছোঁ কেছেটত।’ লগতে ল'ৰা দুজনে মোক টকা তিনিশ দি গ'ল মোৰ গানটো কেছেটত ব্যৱহাৰ কৰা বাবে। ল'ৰা দুজন আছিল জুবিন গাৰ্গ আৰু দেৱ বৰকটকী। কেছেটটো আছিল ‘অনামিকা’। গীতটো হ'ল ‘গানে কি আনে...’।

সেয়াই জুবিনৰ লগত প্ৰথম চিনাকি। বহুদিনৰ পাছত জুবিন আকৌ আহিছিল। গান এটা দিছিলোঁ। জুবিনে মোৰ চাৰিটামান গীতত কণ্ঠ-সুৰ দিছে। জুবিন সঁচাই আচৰিত। ইমান কম বয়সতে, ইমান সোনকালে জনপ্ৰিয়তা লাভ কৰা দেখি আচৰিত হওঁ। জুবিন কোনো ৰেডিঅ'ৰ শিল্পী নহয়, দূৰদৰ্শনৰ শিল্পী নহয় বা তেনেধৰণৰ কোনো বেকগ্ৰাউণ্ডো নাই। জুবিনে যোগ্যতাৰ ভিত্তিত জনপ্ৰিয়তা পাইছে নিঃসন্দেহে।

অসমীয়া গানৰ ‘ট্ৰেণ্ড'টো জুবিনে সলনি কৰি দিলে। বাদ্যযন্ত্ৰৰ ক্ষেত্ৰতো জুবিনৰ ভাল জ্ঞান আছে। অ' জুবিনৰ দেউতাকৰ লগত মোৰ আগৰেপৰাই চিনাকি। জুবিনৰ দেউতাক কপিল বৰঠাকুৰক গোলাঘাটত এছ ডি অ' (চিভিল) হৈ থাকোঁতেই লগ পাইছিলোঁ গোলাঘাট এমেচৰি থিয়েটাৰ হলত অনুষ্ঠিত এক সাংস্কৃতিক অনুষ্ঠানত।

জুবিনৰ ওচৰত নিশ্চয় শিকা কিবা এটা আছে। নহ'লে মানুহে ইমান নিবিচাৰিলেহেঁতেন। নহ'লে মুম্বাইৰ ‘মিউজিক ৱৰ্ল্ড'ত সুযোগ নাপালেহেঁতেন।

মোৰ নিজা ধাৰণা— জুবিনৰ এই গান কিমান দিন জীয়াই থাকে মই ক'ব নোৱাৰোঁ। গানক জীয়াই ৰাখে গানৰ কথাই। জুবিনৰ গান সম্পৰ্কে মই মন্তব্য নিদিওঁ। জুবিনৰ সকলো গান মই শুনা নাই। জুবিনৰ অভিনয় চাইছোঁ, শেহতীয়াকৈ ‘মন যায়’ নামৰ ছবিখনত জুবিনে সুন্দৰ অভিনয় কৰিছে।


সৌজন্য ঃ জুবিন গাৰ্গ— জীৱনৰপৰা গানলৈ



# জুবিন

■ ফণীন্দ্ৰ কুমাৰ দেৱচৌধুৰী

সৃজনশীল লোকসকলে এফালে কল্পনা আৰু ফেণ্টাচী আৰু আনফালে বাস্তৱ— এই দুয়োটা দিশত পেণ্ডুলামৰ দৰে অহা-যোৱা কৰি থাকে। তেওঁলোকে এনে এখন জগতত বিচৰণ কৰাৰ বাসনা অনুভৱ কৰে, যিখন বৰ্তমানতকৈ বেলেগ।




**জু**বিনৰ মৃত্যুৰ খবৰে সমগ্ৰ ৰাজ্য স্তব্ধ কৰি পেলোৱাৰ সময়তে তেৰ-চৈধ্য বছৰ পূৰ্বে জুবিনৰ বিষয়ে এখন ৰচনাত মই লেখা কিছু কথা পুনৰাই পঢ়ি চালোঁ। সেই ৰচনাখনত মই লিখিছিলোঁ এইদৰে—

‘জুবিন গাৰ্গ সংস্কৃতিৰ সন্ধিক্ষণৰ শিল্পী। গোলকীকৰণে আনি দিয়া প্ৰসাৰতা, প্ৰচাৰ মাধ্যমৰ প্ৰভাৱৰ ব্যাপকতা আৰু অত্যাধুনিক যন্ত্ৰ-পাতিৰ সংগীত নিৰ্মাণ প্ৰক্ৰিয়াই এফালে জুবিনলৈ আনি দিছে সীমাহীন সুযোগ আৰু আনফালে সংগীতক সাধাৰণ পণ্যলৈ ৰূপান্তৰিত কৰাৰ এক মকৰাজালৰ দৰে ষড়যন্ত্ৰ আৰু প্ৰায় অপ্ৰতিৰোধ্য চাপ। মৌলিক প্ৰতিভা, সৃষ্টিৰ স্বতঃস্ফূৰ্ত তাড়না, বিকাশ আৰু প্ৰসাৰৰ সীমাহীন সুযোগ তথা প্ৰৰোচনাই আনি দিয়া চমকৰ হাত বাউলিৰ মাজত জুবিনে কোন বিন্দুত অৱস্থান কৰিব আৰু ভৱিষ্যতে কোন দিশে ধাৱমান হ'ব, সেয়া এতিয়াৰ পৰাই সংগীত আৰু অসমৰ সংস্কৃতিৰ বিষয়ে চিন্তা কৰা সকলোৰে বাবে এক লক্ষণীয় বিষয় হ'ব। জুবিনৰ দুৰ্ভাগ্য, ডঃ ভূপেন হাজৰিকাই বলীউডত উপস্থিত হোৱাৰ আগেয়ে যি বৌদ্ধিক পৰিমণ্ডল, সাধাৰণ মানুহৰ সংস্পৰ্শ আৰু মাটি আৰু মানুহৰ কথা চিন্তা কৰা প্ৰতিভাশালী শিল্পীৰ সান্নিধ্যৰ মাজেৰে পাৰ হৈ গৈছে, সেই সুযোগ অন্ততঃ এতিয়ালৈ জুবিনে নাপালে। জুবিনে এই বয়সত যিখন পৃথিৱীত প্ৰৱেশ কৰিলে, তাৰ পৰা অনুমান হয়, এই সুযোগ আৰু জুবিনৰ জীৱনলৈ কেতিয়াও নাহিব।

জনপ্ৰিয়তা আৰু অৰ্থ উপাৰ্জনেই জুবিনৰ বাবে শেষ কথা হ'ব নোৱাৰে। জনপ্ৰিয়তা আৰু গ্লেমাৰৰ পিছে পিছে ঘূৰি ফুৰা এটা দুৰন্ত ঘোঁৰালৈ যাতে তেওঁ ৰূপান্তৰ নহয় অথবা তেওঁ যাতে নহয় শ্ৰোতাৰ মন তাৎক্ষণিকভাৱে জয় কৰা এটা সাধাৰণ পণ্য সামগ্ৰী, তাৰ বাবে সংযম আৰু বৌদ্ধিক উত্তৰণৰ অনুশীলনৰ প্ৰক্ৰিয়া জুবিনে আৰম্ভ কৰিব লাগিব এই বয়সতে। জনপ্ৰিয়, সম্ভাৱনাময় আৰু প্ৰতিভাৱান বাবেই অসমৰ সংগীতক বিশ্বৰ দৰবাৰত চিনাকি কৰি দিয়াৰ দায়িত্ব সামৰ্থ্য অনুযায়ী তেওঁ ল'ব লাগিব, লগতে অসমৰ সাধাৰণ মানুহৰ বুকুৰ ভাষাক বিশ্বজনীনতাৰ ৰূপ দিয়াৰ তাড়না, আৱেগ ■ ১১ পৃষ্ঠাত চাওক

## যি জুইকুৰা নুনুমায়

■ ডঃ অমৰজ্যোতি চৌধুৰী



**আ**টাইখন এতিয়া স্তব্ধ। নীৰৱ, নিৰ্বাক। নিস্পন্দ। আটাইৰে বুকুত এটা অসহ্য, অবিশ্বাস্য দুখ। এক অকল্পনীয় জাতীয় বিষাদ। জুবিন গাৰ্গ আৰু নাই।

জুবিন গাৰ্গৰ ঐতিহ্য কিন্তু সাহৰ। আমি নিশ্চিত, অসমৰ ৰাইজে এই দুৰ্যোগৰ সন্মুখীন হ'ব সাহেৰে। গৰিমাৰে। কাৰণ আটায়ে জানো— জুবিন আছিল এমুঠি ভূঁই। যি নতুন সুৰেৰে, অমৃতময় মাতেৰে, অসামান্য সংগীতিক জ্ঞানেৰে আমাৰ মাজত দিছিল সাহ আৰু গৰিমা ৰুই। কাৰণ আমি আটায়ে জানো— জুবিন একুৰা জুই। যি কাহানিও নুনুমায়। মৃত্যুতো নুনুমায়।

‘কা’ আন্দোলনৰ প্ৰতিবাদী সভাত উদাত্ত কণ্ঠে কৈছিল জাতিপ্ৰেমী জুবিনে



# অসমীয়া মানুহৰ স্বাৰ্থত যিকোনো পৰ্যায়লৈ যাম

**অ**সম আৰু অসমীয়া মানুহৰ অস্তিত্ব বিপদাপন্ন কৰি চৰকাৰে যি নাগৰিকত্ব সংশোধনী বিধেয়ক উত্থাপন কৰিছে, জাতিপ্ৰেমী সকলো ব্যক্তি আৰু দল-সংগঠনে তাৰ প্ৰতিবাদ কৰিছে। কালি গুৱাহাটীত অনুষ্ঠিত যুটীয়া সংসদীয় কমিটীৰ শুনানিত শতাধিক সংগঠনে নিজৰ বক্তব্য আগবঢ়াইছে। বিৱেকৱান লোকসকলে বুজি উঠিছে যে এই বিধেয়ক যদি আইনত পৰিণত হয়, তেনেহ'লে অসমীয়া জাতি কেৱল ইতিহাসৰ পাততহে জীয়াই থাকিবগৈ। গুৱাহাটীৰ বাহিৰত থকা বাবে মই কালি সেই শুনানিত উপস্থিত থাকিব নোৱাৰিলোঁ যদিও মোৰ ভাষ্য এটা ভিডিঅ'ৰ ৰূপত ইতিমধ্যে প্ৰকাশ কৰিছোঁ। মই স্পষ্টকৈ এই বিধেয়কখনৰ বিৰোধিতা কৰিছোঁ। মই ভাবোঁ যে ভাৰতবৰ্ষৰ সংবিধানৰ প্ৰস্তাৱনাত থকা ধৰ্মনিৰপেক্ষতাৰ নীতিৰ ই দেখ দেখকৈ বিৰোধিতা কৰে আৰু সেয়েহে ভাৰতীয় আত্মাৰ ই বিৰোধী। বাংলাদেশী সমস্যাটোৱে অসমক বহুবছৰ ধৰি জুৰুলা কৰি আহিছে। আমি সৰুৰে পৰাই এই সমস্যাটোৰ ভয়াৱহতা দেখি আহিছোঁ, লগতে দেখি আহিছোঁ আন্দোলন আৰু প্ৰতিবাদ। এজন শিল্পী হিচাপে মই যদিও সংস্কৃতিৰ কোনো সীমা থাকিব পাৰে বুলি বিশ্বাস নকৰোঁ, তথাপি এটা কথা গভীৰভাৱে বিশ্বাস কৰোঁ যে নিজৰ ঘৰখন সদায়েই নিজৰ ঘৰ। নিজৰ ঘৰখনৰ, নিজৰ ভেটিটোৰ অস্তিত্বৰ প্ৰতি প্ৰশ্ন উঠিলে কোনো অজুহাততে নিমাত হৈ বহি থকাটো যুক্তিসংগত নহয়। আমাৰ অসমৰ মানুহবোৰৰ সমস্যা সমাধান কৰিবলৈ এতিয়াও বহুত বাকী। অসমৰ বহুত লাখ মানুহে এতিয়াও মথাউৰিত বসবাস কৰি আছে। বহুত মানুহৰ ঘৰত বিজুলী সংযোগ নাই। বহুত ল'ৰা-ছোৱালীয়ে পঢ়িবলৈ পোৱা নাই। অসমীয়া ভাষা ভাল পোৱা, অসমীয়া গান ভাল পোৱা, অসমীয়া কিতাপ পঢ়া মানুহৰ সংখ্যা কমিবলৈ ধৰিছে। এইবোৰ জাতীয় প্ৰশ্ন। জাতীয় দায়িত্ব। এনে সময়ত ৰাজনীতি কৰিব নাপায়। ক্ষমতা তেতিয়াহে কামত আহে, যেতিয়া নিজৰ মানুহবোৰৰ তাৰ পৰা কিবা এটা লাভ হয়। এইখন চৰকাৰে জাতি-মাটিৰ কথা কৈছিল। পৰিৱৰ্তনৰ কথা কৈছিল। আমি সকলোৱে আশা কৰিছিলোঁ। কিন্তু আশা কৰা ধৰণে কামবোৰ হোৱা নাই। তাৰ বিপৰীতে ধৰ্মৰ ভিত্তিত মানুহক বিভাজিত কৰাৰ অদ্ভুত প্ৰয়াস কিছুমানহে দেখিবলৈ পাইছোঁ। মই ৰাজনীতি বা ৰাজনৈতিক বিষয়সমূহৰপৰা প্ৰায়ে আঁতৰত থাকোঁ। কিন্তু বিদেশীসকলক ধৰ্মৰ নামত স্বদেশী কৰি অসমীয়া জাতিক শেষ কৰাৰ এই বিষয়টো কেৱল ৰাজনৈতিক বিষয় নহয়। ইয়াৰ লগত আমাৰ ভৱিষ্যতৰ কথা জড়িত হৈ আছে। আমাৰ অস্তিত্বৰ কথা জড়িত হৈ আছে। ইয়াত সকলোৱে মাত মতা উচিত। কোন কি দলৰ সমৰ্থক, সেইবোৰৰ আমাক দৰকাৰ নাই। কেৱল অসম আৰু অসমীয়া মানুহৰ অস্তিত্ব সুৰক্ষিত কৰাৰ স্বাৰ্থত সৰু সৰু বৃত্তসমূহৰপৰা আমি ওলাই আহিব লাগিব।

মই সকলো লোকলৈ আহ্বান জনাইছোঁ যে বিহুৰ বতৰত যিদৰে আপোনালোক মোৰ অনুষ্ঠান চাবলৈ ওলাই আহে, যিদৰে ‘মিছন চাইনা'ৰ সময়ত সকলো মানুহ আহি অসমীয়া চিনেমাৰ এটা নতুন ইতিহাস ৰচিলে— তেনেদৰেই এইবাৰ জাতিটোৰ স্বাৰ্থত সকলো মানুহ এক হৈ ওলাই আহক। তাতকৈ হেজাৰ গুণ বেছিকৈ ওলাই আহক। আপোনালোকে ইমান বছৰে মোক যিধৰণে মৰম দিছে, সঁহাৰি দিছে, সহযোগিতা কৰি আহিছে— সেইদৰে এইবাৰ অস্তিত্ব ৰক্ষাৰ যুঁজত এজন সামান্য স্বেচ্ছাসেৱী হিচাপে মই আপোনালোকৰ সহযোগিতা কামনা কৰিছোঁ।

শুনানিৰ কাৰবাৰটো পক্ষপাতমূলক হৈছে বুলি বহুজনে কৈছে। আজি আকৌ গম পাইছোঁ যে অসমীয়া ৰাইজৰ প্ৰতিবাদত সেও মানি যুটীয়া সংসদীয় কমিটীখন পুনৰ অসমলৈ আহিব বুলি কৈছে। এইটো এটা ইতিবাচক খবৰ। প্ৰতিখন জিলাতেই তেওঁলোকে ৰাইজৰ কথা শুনাটো দৰকাৰ। তেওঁলোক পাছৰবাৰ অহাৰ আগেয়েই আমি প্ৰবল জনমত গঠন কৰিব লাগে। সমগ্ৰ অসমতে থকা জুবিন গাৰ্গ ■ ১১ পৃষ্ঠাত চাওক



এই যুঁজখন যুঁজিবলৈ মই সাজু। প্ৰয়োজন হ'লে ৰাস্তালৈ যাবলৈকো সাজু। বিদেশী বিদেশীয়েই— তাত কোনো বেলেগ অংক থাকিব নোৱাৰে। ১৯৭১ চনৰ পাছৰ কোনো বিদেশীৰ বোজা আমি নলওঁ— তাত কোনো বেলেগ কথা থাকিব নোৱাৰে।

## অসম, অসমীয়া থকালৈকে উদযাপিত হৈ থাকিব জুবিন গাৰ্গ

■ তৰালি শৰ্মা

আনে ভবাতকৈ বেলেগ ধৰণে পাইছো জুবিন গাৰ্গক। গান এটা গোৱাৰ বাবে অনুৰোধ কৰিলে সময়ত আহি গা-পা ধুই ষ্টুডিঅ'ত হাজিৰ হৈছিলহি জুবিন।

**কি**ছুমান মানুহৰ জীৱন সাধাৰণ নহয়। অলপ সময়ৰ বাবে আহে, হুলস্থূল কৰি বহুত কিবাকিবি দি যায়। কেৱল এটা নাম হৈ নাথাকে। তেওঁলোক অলপ বেলেগ ধৰণে উজ্জ্বল হৈ থাকে সদায়। তেওঁলোকৰ থকা নথকাক লৈ মানুহ আৱেগিক হৈ থাকে। আজি জুবিন গাৰ্গ নাই সেই কথাটো মানি ল'ব নোৱাৰা আৱেগ, উচ্চাৰণ কৰিব নোৱাৰা শব্দ। জুবিন গাৰ্গ কেইটামান গানতে সীমাবদ্ধ নহয়। এটা জাতিক আৱেগেৰে বান্ধি ৰখা শব্দ জুবিন গাৰ্গ। তেওঁ সকলোৰে। প্ৰত্যেকজন অসমীয়া মানুহৰে জুবিন গাৰ্গ। এটা সামাজিক সত্বা জুবিন গাৰ্গ। বাকী জুবিন গাৰ্গৰ সৈতে থকা সম্পৰ্ক আৰু কাহিনী বহুত। এই মুহূৰ্তত কোনো কথাই মনলৈ অহা নাই। মাত্ৰ স্মৃতিবোৰে হেঁচা মাৰি ধৰিছে। কিছুমান শব্দ উচ্চাৰণ কৰিব মন নাযায় জুবিন গাৰ্গৰ নামৰ সৈতে। দীৰ্ঘ সময় ধৰি আমি একেলগে কাম কৰিছো। জুবিন গাৰ্গে মোৰ বহু গান গাইছে। আনে ভবাতকৈ বেলেগ ধৰণে পাইছো জুবিন গাৰ্গক। গান এটা গোৱাৰ বাবে অনুৰোধ কৰিলে সময়ত আহি গা-পা ধুই ষ্টুডিঅ'ত হাজিৰ হৈছিলহি জুবিন। খুউব তাত্বিকভাৱে আনে নেদেখা জুবিন গাৰ্গ এজনক আমি দেখিছো। কেতিয়াবা কোনো কামৰ বাবে সময়ত গান গাবলৈ আহি নাপালে পাছত সময় দি নিৰ্ধাৰিত সময়তে মোৰ ওচৰলৈ আহিছিল জুবিন গাৰ্গ। কেতিয়াবা অটো এখন উঠিও অকলে গান গাবলৈ আহিছিল। ভিৰৰ মাজৰ পৰা কেতিয়াবা অকলশৰে থাকিব বিচাৰিছিল তেওঁ। দেউতাৰ প্ৰতি আছিল অগাধ ভালপোৱা। দেউতাই ভালপোৱা কিছুমান সামগ্ৰী কিনি দি পঠিয়াইছিল তেওঁ। ইমান ডাঙৰ এগৰাকী শিল্পীয়ে কিছুমান সৰু সৰু কথাক ইমান গুৰুত্ব সহকাৰে লৈছিল সেই কথা ভাবিও আচৰিত লাগে। জুবিন গাৰ্গ নোহোৱাৰ কথাটো অসমীয়া মানুহে ভাবিব নোৱাৰা কথা। কিছুমান নাম অসমীয়া মানুহে উদযাপন কৰে। জুবিন গাৰ্গ তেনে এটা নাম। যেনেদৰে ভূপেন হাজৰিকাক বাদ দি অসমীয়া মানুহে বহু কথা ভাবিব নোৱাৰে, তেনেদৰে জুবিন গাৰ্গক বাদ দিও কোনো কথাই ভাবিব নোৱাৰি। জুবিন গাৰ্গে নিজ গুণেৰে প্ৰতিজন অসমীয়া মানুহৰ হিয়াত ঠাই লৈছিল। অসম, অসমীয়া থকালৈকে জুবিন গাৰ্গৰ এই নামটো সাংঘাতিক ধৰণে উদযাপিত হৈ থাকিব।



GOVERNMENT OF INDIA
MINISTRY OF PORTS, SHIPPING AND WATERWAYS

SAGARMALA




# সামুদ্ৰিক খণ্ডৰ ৰূপান্তৰ



প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদী

সেৱাই সংকল্প,
ভাৰত প্ৰথম প্ৰেৰণা.... ৭৫ বছৰ

## বিভিন্ন প্ৰকল্পৰ শিলান্যাস আৰু উদ্‌ঘাটন

## মুঠ মূল্য ঃ ৩৪,০০০ কোটি টকা

### বিভিন্ন প্ৰকল্পৰ শিলান্যাস অনুষ্ঠান

- শ্যামা প্ৰসাদ মুখাৰ্জী বন্দৰ, কলকাতাত নতুন কণ্টেইনাৰ টাৰ্মিনেল আৰু অন্যান্য প্ৰকল্প
- পাৰাদীপ বন্দৰত নতুন কণ্টেইনাৰ বাৰ্থ, কাৰ্গো হেণ্ডলিং সুবিধা আৰু অন্যান্য প্ৰকল্প
- কামাৰাজাৰ বন্দৰ, এন্নʼৰত অগ্নিনিৰ্বাপক সুবিধা, আধুনিক পথ সংযোগ আৰু অন্যান্য প্ৰকল্প
- চেন্নাই বন্দৰত উপকূল সংৰক্ষণৰ বাবে শক্তিশালী সমুদ্ৰ প্ৰাচীৰ আৰু ৰেভেটমেণ্ট কাম
- দীনদয়াল বন্দৰ, কাণ্ডলাত টুনা টেক্ৰাত বহু-উদ্দেশ্যমূলক কাৰ্গো বাৰ্থ
- কাৰ নিকবাৰ দ্বীপত সমুদ্ৰ-প্ৰাচীৰ
- দীনদয়াল বন্দৰ, কাণ্ডলাত গ্ৰীন-বায়োমেথানল প্লাণ্ট, অইল জেট্টী আৰু অন্যান্য প্ৰকল্প
- পাটনাত জাহাজ মেৰামতিৰ সুবিধা
- বাৰাণসীত জাহাজ মেৰামতিৰ সুবিধা আৰু ফ্ৰেইট ভিলেজ
- ৭০ কিলোমিটাৰ দৈৰ্ঘ্যৰ ৪ লেন জাতীয় ঘাট প্ৰকল্প
- ছাৰ টি চিকিৎসালয়ত একাডেমিক ব্লক, শিক্ষণ চিকিৎসালয় আৰু মাতৃ-শিশু ব্লক
- জামনগৰৰ জিজিজি চিকিৎসালয়ত বহিৰ্বিভাগ, মাতৃ-শিশু আৰু বিশেষজ্ঞ চিকিৎসা হাস্পতাল

### উদ্‌ঘাটন অনুষ্ঠান

- মুম্বাই পোৰ্টৰ ইন্দিৰা ডʼকত মুম্বাই আন্তঃৰাষ্ট্ৰীয় ক্ৰুজ টাৰ্মিনেল (এমআইচিটি)
- ছাৰা বন্দৰত এইচপিএলএনজি ৰেগাছিফিকেচন টাৰ্মিনেল আৰু গুজৰাট আইঅʼচিএল ৰিফাইনেৰীত এক্ৰিলিক্স আৰু অক্সো এলকʼহল প্ৰকল্প
- ২৮০ মেগাৱাট/৪০০ মেগাৱাট সৌৰ প্ৰকল্প আৰু ৬০০ মেগাৱাট গ্ৰীন এনাৰ্জী উদ্যোগ
- গুজৰাটত কৃষকসকলৰ বাবে পিএম-কুসুম ৪৭৫ মেগাৱাট ক্ষমতাৰ ফিডাৰ প্ৰকল্প
- বাদেলীত চৰকাৰী পতিত ভূমিত ৪৫ মেগাৱাট সৌৰ পিভি প্ৰকল্প
- ধোৰ্ডো গাঁও সম্পূৰ্ণ সৌৰীকৰণ

### উদ্যোগ খণ্ডৰ বুজাবুজি চুক্তি

- জাহাজ নিৰ্মাণৰ বাবে চিএছএল আৰু এইচডিকেএছঅʼইৰ মাজত বুজাবুজি চুক্তি
- ভাৰতত জাহাজ নিৰ্মাণৰ বাবে এছচিআই আৰু আইঅʼচিএল, বিপিচিএল, এইচপিচিএলৰ মাজত বুজাবুজি চুক্তি
- এমডিএল, চিএছএল, জিআৰএছই, তামিলনাডু চৰকাৰ আৰু জিএমবিৰ দ্বাৰা বহুমুখী বুজাবুজি চুক্তি
- ৰাজ্যবোৰৰ সৈতে জাহাজ নিৰ্মাণ ইকʼছিষ্টেম বিকাশৰ বাবে বুজাবুজি চুক্তি ঃ ক) অন্ধ্ৰ প্ৰদেশ, খ) ওড়িশা, গ) গুজৰাট, ঘ) মহাৰাষ্ট্ৰ, ঙ) তামিলনাডু

## শ্ৰী নৰেন্দ্ৰ মোদী

মাননীয় প্ৰধানমন্ত্ৰী

দ্বাৰা

শনিবাৰ, ২০ ছেপ্টেম্বৰ, ২০২৫, সময় ঃ পুৱা ১০.০০ বজাত, স্থান ঃ জৱাহৰ গ্ৰাউণ্ড, ভাৱনগৰ, গুজৰাট

### প্ৰমুখ লাভালাভসমূহ

- নতুন নিয়োগ সুযোগৰ সৃষ্টি
- বন্দৰ সংযোগ আৰু দক্ষতা বৃদ্ধি
- নৌ পৰিবহণ আৰু দেশীয় জাহাজ নিৰ্মাণৰ বিকাশ
- বন্দৰ সুৰক্ষা আৰু নিৰাপত্তা শক্তিশালীকৰণ
- জীৱনৰ গুণগত মানৰ উন্নতি
- গ্ৰীন এনাৰ্জী আৰু দীৰ্ঘস্থায়ী উন্নয়ন প্ৰচাৰ
- উন্নত সংযোগ আৰু পৰিবহণ
- স্বাস্থ্য সেৱাৰ সুবিধা শক্তিশালীকৰণ

### গৰিমাময় উপস্থিতি

**শ্ৰী সৰ্বানন্দ সোণোৱাল**
কেন্দ্ৰীয় মন্ত্ৰী, বন্দৰ, নৌ পৰিবহণ আৰু জলপথ

**শ্ৰী মানসুখ মাণ্ডভিয়া**
কেন্দ্ৰীয় মন্ত্ৰী, শ্ৰম আৰু সবলীকৰণ আৰু যুৱ পৰিক্ৰমা তথা ক্ৰীড়া

**শ্ৰী চি আৰ পাটিল**
কেন্দ্ৰীয় মন্ত্ৰী, জল শক্তি

**শ্ৰী ভূপেন্দ্ৰভাই পেটেল**
মুখ্যমন্ত্ৰী, গুজৰাট

**শ্ৰী শান্তনু ঠাকুৰ**
ৰাজ্যিক মন্ত্ৰী, বন্দৰ, নৌ পৰিবহণ আৰু জলপথ মন্ত্ৰী

**শ্ৰীমতী নিমুবেন বাম্ভানিয়া**
ৰাজ্যিক মন্ত্ৰী, উপভোক্তা পৰিক্ৰমা, খাদ্য আৰু ৰাজহুৱা বিতৰণ

ShipminIndia | Shipmin_India | Sagarmala Project | Sagarmala.gov.in / shipmin.gov.in | LIVE STREAM

# জুবিনৰ মৃত্যুত শোক

**দৈনিক অসমৰ প্ৰতিনিধি**

**বকলীয়াঘাট**, ১৯ ছেপ্টেম্বৰ ঃ কাৰ্বি আংলং জিলাৰ বিভিন্ন প্ৰান্তত শিল্পী জুবিন গাৰ্গলৈ জনোৱা হয় আন্তৰিক শ্ৰদ্ধাঞ্জলি। আজি সন্ধিয়া বকলীয়াঘাট নগৰত বকলীয়াঘাট প্ৰেছ ক্লাব, বকলীয়াঘাট আঞ্চলিক যুৱ সংঘ, অসমীয়া ভাষিক সন্থাৰ বকলীয়াঘাট আঞ্চলিক সমিতি, বকলীয়াঘাট শাখা সাহিত্য সভা, কাৰ্বি সাংস্কৃতিক সমাজ আদি অনুষ্ঠানৰ উদ্যোগত প্ৰয়াত জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰি শ্ৰদ্ধাঞ্জলি জনোৱা হয়। **মঙলদৈৰ দৈনিক অসমৰ প্ৰতিনিধি ঃ** অসমবাসীৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ অকাল বিয়োগত মঙলদৈবাসী শোকস্তব্ধ হৈ পৰে। আজি সন্ধিয়া মঙলদৈ চহৰৰ লগতে ছিপাঝাৰ, হাজৰিকাপাৰা, খাৰুপেটীয়া, দলগাঁৱকে ধৰি সমগ্ৰ জিলাখনতে সহস্ৰাধিক জুবিন অনুৰাগীয়ে জুবিনৰ প্ৰতি শ্ৰদ্ধা জনায়। সদৌ মঙলদৈ ৰঙালী বিহু সন্মিলনী, মঙলদৈৰ কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলন, গান্ধী স্মৃতি উচ্চতৰ মাধ্যমিক বিদ্যালয়, ধূলা আঞ্চলিক বিহু সন্মিলন, ছিপাঝাৰ ঐক্যতান গোষ্ঠী, মাৰৈ ক্লাব জেছমিন, ৰাইজিং ক্লাব, মঙলদৈ মিডিয়া চাৰ্কোল, মঙলদৈ প্ৰেছ ক্লাব, উত্তৰ মঙলদৈ ক্লাব, পশ্চিম মঙলদৈ কৃষ্টি সংঘকে ধৰি জিলাখনৰ শতাধিক অনুষ্ঠান-প্ৰতিষ্ঠানে গভীৰ শোক প্ৰকাশ কৰিছে। **টিছুৰ দৈনিক অসমৰ প্ৰতিনিধি ঃ** সমগ্ৰ টিছু অঞ্চলতো আজি গভীৰ শোকৰ ছাঁ পৰে। টিছুত মুহূৰ্ততে স্তব্ধ হয় স্বাভাৱিক জীৱন যাত্ৰা। বৰেণ্য শিল্পীগৰাকীৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰি টিছু আঞ্চলিক ছাত্ৰ সন্থাই আজি সন্ধিয়া টিছু নগৰৰ মাজমজিয়াত বন্তি জ্বলায়। ১২২ সংখ্যক টিছু দুৰ্গা পূজা মহোৎসৱ সমিতিয়ে শিল্পীগৰাকীৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰাৰ লগতে তেওঁলৈ গভীৰ শ্ৰদ্ধা জনাই আজি দুৰ্গা পূজাৰ দান-বৰঙণি সংগ্ৰহকে ধৰি সকলো কাৰ্যসূচী বাতিল কৰে। অসম চেম্বাৰ অব্ কমাৰ্চ, টিছুৰ আহ্বানত আজি সন্ধিয়া জনপ্ৰিয় শিল্পী জুবিন গাৰ্গৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰি টিছুৰ সকলো ব্যৱসায়িক প্ৰতিষ্ঠানৰ সন্মুখত এগছিকৈ বন্তি জ্বলোৱা হয়। টিছু টাউন ক্লাবৰ উদ্যোগত ক্লাবৰ কাৰ্যালয়ৰ সন্মুখত শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত হয়। তদুপৰি টিছু নাটঘৰ, টিছু স্পোৰ্টছ এছ'চিয়েচন, টিছু নগৰ উন্নয়ন সমিতি, টিছু সাহিত্য সভা, টিছু কেন্দ্ৰীয় ৰঙালী বিহু উদ্‌যাপন সমিতি, টিছু উত্তৰাঞ্চল ৰঙালী বিহু সন্মিলনী, টিছু নৱনিৰ্মাণ যুৱ সমাজ, টিছু মহকুমা সাংবাদিক সন্থা, টিছু মহকুমা ৰিপোৰ্টাৰ্ছ এছ'ছিয়েচন, টিছু মিলিত সংঘ, টিছু ৰাস মহোৎসৱ সমিতি আদিয়ে জনপ্ৰিয় জুবিন গাৰ্গৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে।

# তিনি সংগীত সম্ৰাটৰে

অসমভূমিৰ বাহিৰত শেষ নিশ্বাস ত্যাগ কৰে। সুধাকণ্ঠ ভাৰতৰত্ন ডঃ ভূপেন হাজৰিকাই ২০১১ চনৰ ৫ নৱেম্বৰত মুম্বাইৰ কোকিলাবেন ধীৰুভাই আম্বানি হাস্পতালত ইহলীলা সম্বৰণ কৰে। বৃক্কৰ সমস্যা আৰু আনুসংগিক জটিলতাত ভুগি তেওঁ কেইবাদিনো ধৰি চিকিৎসালয়খনত চিকিৎসাধীন হৈ আছিল। অৱশেষত ৫ নৱেম্বৰত তেওঁ চিকিৎসাধীন অৱস্থাতে শেষ নিশ্বাস ত্যাগ কৰে। পৰৱৰ্তী সময়ত জালুকবাৰীত তেওঁৰ অন্তিম সংস্কাৰ কৰা হয়। ইপিনে, অসমবাসীৰ হিয়াৰ আমঠু প্ৰসিদ্ধ গায়ক, সুৰকাৰ, সংগীত পৰিচালক, গীতিকাৰ জয়ন্ত হাজৰিকায়ো ১৯৭৭ চনৰ ১৫ অক্টোবৰত কলকাতাত শেষ নিশ্বাস ত্যাগ কৰে। 'নতুন আশা' নামৰ ছবিখনৰ গীত বাণীবদ্ধ কৰিবলৈ যাওঁতে কলকাতাত জয়ন্ত হাজৰিকাই ইহলীলা সম্বৰণ কৰে। এই দুয়োগৰাকী শিল্পীৰ দৰেই অসমভূমিৰ পৰা বহু দূৰৈৰ ছিংগাপুৰত আজি জুবিন গাৰ্গে মৃত্যুক আঁকোৱালি লয়। যি অসহনীয় বাতৰিয়ে সমগ্ৰ ৰাজ্যবাসীক শোকস্তব্ধ কৰি তুলিছে। জুবিনৰ মৃত্যুৰ অনাকাংক্ষিত বাতৰিয়ে হতচকিত কৰা গুণমুগ্ধই এতিয়া তেওঁক শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপনৰ বাবে অধীৰ আগ্ৰহেৰে অপেক্ষা কৰিছে।

## চকুৰ লোতকত

এনে কোন আছে
যিয়ে তোমাৰ গানৰ গভীৰ ছাঁত লোৱা নাই
জিৰণি?
এনে কোন আছে যাৰ কণ্ঠত
গুণগুণাই উঠা নাই তুমি?
এনে কোন আছে যিয়ে টোপনি যোৱা নাই
তোমাক শুনি শুনি?
এনে কোন আছে তোমাৰ আঙুলিত ধৰি ধৰি
আগবাঢ়ি নহা নতুন গান?

কিমান সুৰেৰে বাজি থকা
তুমি এখন উত্তাল গীটাৰ!
তোমাৰ গীটাৰলৈ হুৰমুৰকৈ আহে সুৰবোৰ
তোমাৰ গীটাৰলৈ চুচুক চামাককৈ আহে
সুৰবোৰ
তোমাৰ গীটাৰত বাজি বাজি
কান্দি উঠিব খোজে সুৰবোৰ
তোমাৰ গীটাৰত বাজি বাজি
নাচি উঠিব খোজে সুৰবোৰ

তোমাক উচ্চাৰণ কৰি প্ৰত্যেকজন অসমীয়াই
উচুপি উঠিছে।
ৰুমাল তিতি গৈছে প্ৰত্যেকজন অসমীয়াৰ

কোনোপধ্যে তোমাক আমি
চিতাভস্ম হৈ উৰি যাবলৈ নিদিওঁ
বৰং তুমি এটি গানৰ সৰোবৰ হৈ
আমাৰ হৃদয়ত শীতল হৈ থাকিবা
আৰু সোঁৱৰাই থাকিবা
গান আৰু মানুহ আৰু গান...

এদিন তুমি গাবা বুলি মই লিখিছিলোঁ
এটি গান— 'চকুৰ লোতকেৰে
কোনে মোক তিয়াব, আছেনে কোনোবা
হিয়া...

আজি দেখিছোঁ
চকুৰ লোতকেৰে তিতি গৈছে
গোটেই অসমীয়া...

# জাতীয় জীৱনৰ অপূৰণীয় ক্ষতি

একেবাৰে ঘৰুৱা শিল্পী, মৰমৰ শিল্পী হিচাপে জুবিন গাৰ্গক অসমীয়া জাতিয়ে অত্যন্ত আন্তৰিকতাৰে হৃদয়ত স্থান দিছে। আৰু সেইগৰাকী শিল্পী হঠাতে নাইকিয়া হ'ল, এই কথাটো মই ভাবিবই পৰা নাই। আজি এই মুহূৰ্তত এই খবৰ পায়েই মোৰ মনত পৰিছে জুবিন গাৰ্গৰ লগত থকা মোৰ দীৰ্ঘদিনীয়া সম্বন্ধৰ বিষয়ে। সদায়েই তেওঁ মোক দাদা দাদা বুলি সম্বোধন কৰিছিল, খুব ঘৰুৱাভাৱে কথা পাতিছিল আৰু অতি আন্তৰিকতাৰে কথা পাতিছিল। তেওঁ খুব স্পষ্টবাদী আছিল, নিৰ্ভীক আছিল— মনৰ কথাটো খোলাখুলিকৈ কৈ দিছিল আৰু সেইটোৱেই আছিল জুবিন গাৰ্গৰ ব্যক্তিত্বৰ আটাইতকৈ শক্তিশালী দিশ। জাতিটোক তেওঁ অত্যন্ত ভাল পাইছিল, জাতিটোৰ বাবে তেওঁ গীত ৰচনা কৰিছিল আৰু গীত গাই গৈছিল। গতিকে সেইগৰাকী মহান শিল্পীয়ে আজি অকালতে আমাৰ মাজৰ পৰা বিদায় ল'ব, যিটো অসমীয়া জাতীয় জীৱনৰ এটা অপূৰণীয় ক্ষতি। কিন্তু মোৰতো এতিয়াও এনেকুৱা লাগিছে যেন জুবিন গাৰ্গ আছে, সেইকাৰণে মই ভাবোঁ জুবিন গাৰ্গ কেতিয়াও আমাৰ মাজৰ পৰা হেৰাই যাব নোৱাৰে। জুবিন গাৰ্গ সদায় আমাৰ মাজত জীয়াই থাকিব। আৰু আমি জুবিন গাৰ্গক মৰমেৰে আঁকোৱালি লৈ অসমীয়া জাতীয় জীৱনৰ আমাৰ দায়িত্ব আৰু কৰ্তব্যখিনি পালন কৰিব লাগিব। গতিকে এই মুহূৰ্তত জুবিন গাৰ্গৰ বিদেহ আত্মাই যাতে চিৰশান্তি লাভ কৰে তাৰ বাবে ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা জনাইছোঁ। তেওঁৰ শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰিছোঁ। জুবিন গাৰ্গে কম বয়সতে কঠোৰ পৰিশ্ৰম আৰু সাধনাৰে কেৱল অসমতে নহয়, ভাৰতবৰ্ষ আৰু বিশ্বৰ সংগীত জগতত সুকীয়া অধ্যায় ৰচনা কৰিবলৈ সক্ষম হৈছিল। জুবিন গাৰ্গৰ কণ্ঠস্বৰে মানুহক অত্যন্ত আপ্লুত কৰি তুলিছিল। বিভিন্ন গীতেৰে সমাজখনক শক্তিশালী কৰাৰ যাত্ৰাত আত্মনিয়োগ কৰিছিল। গতিকে এইগৰাকী জুবিন গাৰ্গ কেতিয়াও আমাৰ মাজৰ পৰা হেৰাই যাব নোৱাৰে। মই পুনৰবাৰ জুবিন গাৰ্গৰ প্ৰতি মোৰ গভীৰ মৰম, স্নেহ যাচিছোঁ। তেওঁ য'তেই থাকিব তাতেই শান্তিৰে থাকিব। ঈশ্বৰে মৰমেৰে জুবিন গাৰ্গক কোলাত স্থান দিব।

# জুবিন গাৰ্গৰ সংগীতে আত্মাক স্পৰ্শ কৰিছিল

ৰাজ্যৰ কলা-সংস্কৃতিৰ জগতখনত যি ৰিক্ত স্থানৰ সৃষ্টি কৰিলে, সেয়া অপূৰণীয়।

সংগীতৰ ক্ষেত্ৰখনৰ বাহিৰতো জুবিন গাৰ্গৰ জনতাৰ প্ৰতি থকা দুৰ্বাৰ প্ৰেম কল্পনাতীত। আৰ্তজনৰ প্ৰতি সহায়ৰ হাত আগবঢ়াবলৈ বিশিষ্ট শিল্পীগৰাকী সদায়ে উন্মুখ হৈ আছিল। জুবিন গাৰ্গৰ এই সহৃদয়তাৰ নিদৰ্শন সদায় স্মৰণীয় হৈ ৰ'ব এটা যাদুকৰী কণ্ঠৰ অধিকাৰী জুবিন গাৰ্গে তেওঁৰ অবিস্মৰণীয় সৃষ্টিৰাজিৰ জৰিয়তে চিৰদিন অসমবাসীৰ মাজত জীৱন্ত হৈ থাকিব। অফুৰন্ত প্ৰতিভাৰ অধিকাৰী শিল্পীগৰাকীৰ কৰ্ম আৰু অৱদানে ৰাজ্যৰ নৱপ্ৰজন্মৰ শিল্পীসকলক সদায়ে অনুপ্ৰাণিত কৰি যাব। তেওঁৰ শোকসন্তপ্ত পৰিয়াললৈ গভীৰ সমবেদনা জ্ঞাপন কৰিলোঁ।

# সংগীতৰ চহকী অৱদানেই জীয়াই

মোডীয়ে 'এক্স'যোগে কয়— জনপ্ৰিয় শিল্পী জুবিন গাৰ্গৰ আকস্মিক মৃত্যুত শোকাভিভূত হৈছোঁ। সংগীতৰ প্ৰতি চহকী অৱদানৰ বাবে তেওঁক স্মৰণ কৰা হ'ব। তেওঁৰ গায়কী দেশৰ সকলো ক্ষেত্ৰৰ লোকৰ মাজত অতি জনপ্ৰিয় আছিল। তেওঁৰ পৰিয়াল আৰু গুণমুগ্ধৰ প্ৰতি মোৰ গভীৰ সমবেদনা জ্ঞাপন কৰিলোঁ। ৰাহুল গান্ধীয়ে 'এক্স'যোগে কয়— জুবিন গাৰ্গৰ মৃত্যু এক শোকাৱহ ঘটনা। তেওঁৰ কণ্ঠই এটা প্ৰজন্মক পৰিচয় দিছিল আৰু তেওঁৰ প্ৰতিভা অতুলনীয় আছিল। ব্যক্তিগত প্ৰত্যাহ্বান পাৰ কৰি তেওঁ অসমীয়া সংগীতক নতুন ৰূপ দিছিল। তেওঁৰ দৃঢ়তা আৰু সাহসে দীৰ্ঘস্থায়ী চিহ্ন কৰি থৈ গ'ল। তেওঁ আমাৰ হৃদয় আৰু মনত চিৰদিনলৈ থাকিব। কংগ্ৰেছ নেত্ৰী প্ৰিয়ংকা গান্ধীয়ে কয়— মোৰ সমবেদনা আৰু প্ৰাৰ্থনা জুবিন গাৰ্গৰ পৰিয়াল, গুণমুগ্ধ আৰু অসমৰ ৰাইজৰ লগত আছে। তেওঁৰ সংগীত আমাৰ হৃদয়ত সদায়েই থাকিব। আম আদমী পাৰ্টীৰ মুৰব্বী অৰবিন্দ কেজৰিৱালে 'এক্স'যোগে কয়— লক্ষাধিকৰ হৃদয় নিজৰ সংগীতেৰে মুহি পেলোৱা প্ৰসিদ্ধ গায়ক জুবিন গাৰ্গৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছোঁ। মই তেওঁৰ আত্মাৰ চিৰশান্তি কামনা কৰাৰ লগতে তেওঁৰ পৰিয়াল তথা গুণমুগ্ধসকললৈ সমবেদনা জ্ঞাপন কৰিছোঁ। তেওঁৰ কণ্ঠ আৰু সংগীত সদায় আমাৰ হৃদয়ত ধ্বনিত হৈ থাকিব। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কয়— অসমৰ অতি জনপ্ৰিয় কণ্ঠশিল্পী, সংগীতজ্ঞ আৰু চিনেমা জগতৰ প্ৰসিদ্ধ ব্যক্তিত্ব জুবিন গাৰ্গৰ দেহাৱসানৰ বাতৰি লাভ কৰি অত্যন্ত ব্যথিত হৈছোঁ। দশক দশক ধৰি শ্ৰোতাসকলক সোণালী কণ্ঠ আৰু গীতেৰে মন্ত্ৰমুগ্ধ কৰি ৰখা গাৰ্গে কালজয়ী সংগীতেৰে সমগ্ৰ ভাৰতকে একতাৰ ডোলেৰে বান্ধি ৰাখিছিল। তেওঁৰ বিয়োগে আজি কাহানিও পূৰাব নোৱাৰা এক শূন্যতাৰ সৃষ্টি কৰিছে। এই শোকৰ মুহূৰ্তত তেওঁৰ পৰিয়াল, বন্ধু আৰু লক্ষ লক্ষ গুণমুগ্ধলৈ অন্তৰেৰে গভীৰ সমবেদনা জ্ঞাপন কৰিছোঁ। জুবিন গাৰ্গৰ মৃত্যুত কেন্দ্ৰীয় মন্ত্ৰী কিৰেণ ৰিজিজু, অৰুণাচল প্ৰদেশৰ মুখ্যমন্ত্ৰী পেমা খাণ্ডু, কেন্দ্ৰীয় মন্ত্ৰী বীৰেন সিং, প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং, মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড চাংমাসহ শীৰ্ষ নেতৃবৰ্গই গভীৰ শোক প্ৰকাশ কৰিছে। জুবিন গাৰ্গৰ মৃত্যুত শোকস্তব্ধ তেওঁৰ অন্যতম কৰ্মভূমি মুম্বাই আৰু কলকাতাও। দেশৰ কেইবাগৰাকী শীৰ্ষস্থানীয় শিল্পী তথা কলা-কুশলীয়েও তেওঁৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে। কণ্ঠশিল্পী বিশাল দাদলানি, অৰমান মালিক, সংগীত পৰিচালক, প্ৰীতম চক্ৰৱৰ্তী, গায়িকা হৰ্ষদীপ কৌৰ, গায়ক শ্বান, সংগীত পৰিচালক জিৎ গাংগুলীয়ে তেওঁৰ মৃত্যুত সংগীত জগতৰ অপূৰণীয় ক্ষতি হোৱা বুলি প্ৰকাশ কৰি পৰিয়াললৈ গভীৰ সমবেদনা জ্ঞাপন কৰিছে। আনহাতে, জুবিন গাৰ্গৰ মৃত্যুত বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই গভীৰ শোক প্ৰকাশ কৰি কয় যে তেওঁৰ সংগীত আৰু চিনেমালৈ আগবঢ়োৱা অপৰিসীম অৱদানে অসমৰ চহকী সংস্কৃতিক ৰাষ্ট্ৰীয় মঞ্চলৈ লৈ গৈছিল আৰু তেওঁৰ আত্মস্পৰ্শী সুৰ প্ৰতিজন ভাৰতীয়ৰ হৃদয়ত চিৰদিনলৈ সিঁচি থাকিব।

# লক্ষজনৰ অন্তৰে অন্তৰে পোখা মেলি আজি অলেখ

গানক, আধুনিক অসমীয়া মনক চিৰতৰুণ, স্পন্দনময় কৰি ৰখা জুবিন গাৰ্গ থমকি ৰৈছে দেশৰ সীমাৰ বাহিৰৰ কোনো অভিশপ্ত প্ৰান্তৰত। ৰুদ্ধ হৈ পৰিছে তেওঁৰ সোণালী কণ্ঠ। স্তব্ধ হৈছে ধুমুহাৰ সৈতে তেওঁৰ বহু যুগৰ নাচোন। অসমৰ প্ৰতিজন লোকৰ অন্তৰ মুচৰি পেলাবলৈ ইয়াতকৈ ভয়াৱহ আৰু কি সংবাদ থাকিব পাৰে! তেওঁৰ চিৰ পৰিচিত বেপৰোৱা, অস্থিৰ কিন্তু অক্লান্ত মনটো লৈ তেওঁ আৰু কোনোদিন এইবাটে উভতি নাহে, এই কথাক ইমান সহজে কোনোবাই মানি ল'ব কিদৰে?

অৱধাৰিতভাৱেই আধুনিক অসমীয়া গানৰ পৰিধি ভাঙিবলৈ এজাক ধুমুহাৰ দৰে অহা জুবিন গাৰ্গৰ অপ্ৰত্যাশিত বিয়োগৰ খবৰে এতিয়া স্তব্ধ কৰি তুলি সমগ্ৰ ৰাজ্য। ইথাৰৰ দৰে শূন্যতা আৰু অসহনীয় স্তব্ধতাই এতিয়া সকলোকে কৰি তুলিছে নিথৰ। তেওঁতো কেৱল গান গোৱা নাছিল! তেওঁ প্ৰতিটো কথাতে, প্ৰতিটো কামতে প্ৰত্যাহ্বান জনাইছিল সময়ক। সময় আৰু পৰম্পৰাই বান্ধি দিয়া সকলো সীমাবদ্ধতা আঁতৰাই তেওঁ প্ৰতিজন অসমীয়াক শিকাব খুজিছিল পৰিধি ভঙাৰ গান। নতুন চিন্তা, নতুন উত্তাপ, নতুন উচ্ছ্বাসৰ ধলেৰে তেওঁ অসমীয়া সংস্কৃতিক দিব খুজিছিল অন্য এক আয়তন। নব্বৈ দশকৰ মাটি-পানী স্পৰ্শ কৰি অহা প্ৰতিজনৰ অন্তৰত নিগাজি ঘৰ সাজি লোৱা জুবিন গাৰ্গৰ এটা আহ্বান সেইবাবে যুৱ জাগৰণৰ অমোঘ মন্ত্ৰ হৈ পৰিছিল। তেওঁৰ গান আৰু কণ্ঠ বহুতৰ বাবে হৈ পৰিছিল জীৱনৰ সঞ্জীৱনী। গভীৰ নিৰাশাৰ নিশা তেওঁৰ কণ্ঠ আছিল পোহৰৰ সাধু শুনোৱা অলেখ জোনাকী। অসমীয়া সংস্কৃতিৰ বৰভেটিত থিয় দিয়েই তেওঁ বিশ্ব সংস্কৃতিলৈ হাত মেলি দিছিল আৰু তাৰে মাণিক-মাধুৰী বুটলি আনি অসমীয়া গানৰ পৰম্পৰাত বুটা বাছি দিছিল।

শতবৰ্ষত ভৰি থোৱা সুধাকণ্ঠ ডঃ ভূপেন হাজৰিকা যুগৰ পাছত অসমীয়া গীতৰ অৱসাদকালত উদ্দীপনাৰ সূৰ্য হৈ ভুমুকি মৰা জুবিন গাৰ্গক 'যুথ আইকন' হিচাপেই পোনতে চিহ্নিত কৰিবলৈ চেষ্টা কৰা হৈছিল যদিও পাছলৈ তেওঁ সেই পৰিচয়ৰ পৰিধিও ভাঙি পেলালে নিজৰ অসাধাৰণ সৃজনী শক্তি আৰু অতুলনীয় সুৰ-কণ্ঠেৰে। প্ৰেম, হৃদয়ানুভূতিৰ দৰে আত্মমগ্ন বাট এটাৰে যাত্ৰা আৰম্ভ কৰি তেওঁ এদিন পোখা মেলিলে সমাজ-বাস্তৱৰ অস্থিৰতাৰ মাজলৈ আৰু এটা সকীয়নি, এটা আহ্বান, মানৱপ্ৰেম, জাতিপ্ৰেমৰ বাৰ্তা লৈ ওলাই আহিল ৰাজপথলৈও। সেয়া লাগিলে বান বিপৰ্যয়ৰ সময়তে হওক, 'কা' আন্দোলনৰ সময়তে হওক বা দীঘলীপুখুৰীৰ পাৰৰ গছ ৰক্ষাৰ আন্দোলনেই হওক।

জুবিন গাৰ্গৰ ওচৰত সকলো আছিল- অতুলনীয় প্ৰতিভা, এটা সোণালী কণ্ঠ, মসৃণ, অন্তৰভেদী গীতৰ ভাষা, মানুহ আৰু মাটিৰ প্ৰতি অনন্য প্ৰেম আৰু দায়বদ্ধতা। এই বিশালতা সামৰিও তেওঁ কিন্তু সকলোৰে বাবে আন অলেখজন সাধাৰণ মানুহৰ মাজৰে এজন হৈ থাকিল। সকলোকে একেই আত্মীয়তা আৰু আকুলতাৰে তেওঁ সামৰি ৰাখিলে ওৰে জীৱন। সুধাকণ্ঠৰ দৰে তেওঁ যদিও মুকলিকৈ কেতিয়াও নিজকে যাযাবৰ বুলি ঘোষণা কৰা নাই, মানুহৰ অন্তৰতে থাকি যোৱাৰ কথা কোৱা নাই কিন্তু তেওঁ সুধাকণ্ঠৰ দৰেই সকলোৰে অন্তৰে অন্তৰে গজি উঠি বাঢ়ি গ'ল ওখ আকাশলৈ...। তেওঁ থাকি গ'ল লক্ষ লক্ষ অনুৰাগী, শুভাকাংক্ষীৰ অন্তৰৰ অলেখ জুবিন গাৰ্গ হৈ।

জুবিন গাৰ্গৰ এটা অবুজ অকৰামি আছে। তেওঁ কাৰো কথা নুশুনে, কাৰো কথা নাভাবে। পাছত কি হ'ব সেয়াও পাহৰি যায়। যিহকে মন যায় তাকেই কয়, তাকেই কৰে। কেতিয়াও নিৰ্ধাৰিত অনুষ্ঠান আধাতে এৰি গুচি আহে, কেতিয়াও সকলোৰে পৰা আঁতৰি হেৰাই থাকে। কেতিয়াও অভাৱনীয় কথা এষাৰ কৈ তেওঁ তোলপাৰ লগাই দিয়ে সকলোতে। আজিও তেওঁ সেই অকৰামিকে কৰিছে নেকি? বহুত জীয়াই থাকিলোঁ আৰু নহ'ব, এতিয়া মই শুম... নিৰলে নিথৰে শুম। আকৌ সেই অকৰামি পাহৰি কাইলৈ তেওঁ উভতি আহিব আৰু ক'বহি— মই ভাগৰা নাই, জীৱন হেৰোৱা নাই...

আজি তেওঁ লক্ষ লক্ষ অনুৰাগীয়ে অন্তৰৰ আটাইতকৈ গভীৰ কোণৰপৰা সেই আশাকে কৰিছে। সেই প্ৰাৰ্থনাকে কৰিছে।

একুৰা মৃত্যুৰে জুয়ে জানো জুবিন গাৰ্গৰ দৰে এখন উত্তাল সমুদ্ৰক সামৰি ল'ব পাৰে?

# ১১ প্ৰবাসী অসমীয়া, জুবিনৰ চাৰি

কয় যে ছিংগাপুৰস্থিত ভাৰতৰ উচ্চায়ুক্তৰ সৈতে তেওঁ এই সম্পৰ্কে যোগাযোগত আছে। ছিংগাপুৰৰ আইন অনুসৰি এনে ঘটনাৰ ক্ষেত্ৰত মৰণোত্তৰ পৰীক্ষাৰ পাছতহে নশ্বৰদেহ হস্তান্তৰ কৰা হয়। বিশেষ ব্যৱস্থাৰে মৰণোত্তৰ পৰীক্ষা নকৰাকৈও শিল্পীজনৰ নশ্বৰদেহ ওভতাই আনিব পৰা যায় নেকি সেই সম্পৰ্কে বৈদেশিক মন্ত্ৰণালয়ে যোগাযোগ অব্যাহত ৰাখিছে। কাইলৈ আগবেলা বিষয়টো স্পষ্ট হ'ব আৰু সন্ধিয়াৰ পাছতে শিল্পীজনৰ নশ্বৰদেহ গুৱাহাটীলৈ আনিব পৰা হ'ব বুলি আশা কৰা হৈছে। পৰিয়ালে বিচাৰিলে তেওঁৰ নশ্বৰদেহ বাসভৱনলৈ অনা হ'ব যদিও ৰাজহুৱা শ্ৰদ্ধাঞ্জলিৰ বাবে সৰুসজাই ষ্টেডিয়ামত শিল্পীজনক ৰখা হ'ব। এই সম্পৰ্কীয় কথাবোৰ নশ্বৰদেহ আহি পোৱাৰ পাছতহে চূড়ান্ত কৰা হ'ব। চৰকাৰে সদ্যহতে সৰুসজাইত এদিনৰ বাবে শিল্পীজনৰ দেহ ৰখাৰ কথা বিবেচনা কৰিছে যদিও গুণমুগ্ধসকলে বিচাৰিলে অধিক সময় ৰাখিব পৰা যাব। ইপিনে, শিল্পীজনৰ শেষকৃত্য ক'ত কৰা হ'ব সেই সম্পৰ্কেও কোনো সিদ্ধান্ত লোৱা নাই চৰকাৰে। একাংশ লোকে যোৰহাটলৈও নিয়াৰ কথা কৈছে যদিও পৰৱৰ্তী সময়ত এই সম্পৰ্কে সিদ্ধান্ত লোৱা হ'ব বুলি তেওঁ কয়। ইপিনে, দুৰ্ঘটনাটোৰ সময়ত শিল্পীজনৰ সৈতে য়াটখনত থকা ১১জন প্ৰবাসী অসমীয়া আৰু জুবিনৰ চাৰিজন সহযোগী শিল্পীক অসম আৰক্ষীয়ে সোধা-পোছা কৰিব বুলি জানিবলৈ দি ডঃ শৰ্মাই কয় যে প্ৰকৃত ঘটনাটো অসমবাসীক জনোৱাৰ বাবে এনে কৰাৰ প্ৰয়োজন আছে। অৱশ্যে ছিংগাপুৰতো স্বাভাৱিকতে এটা গোচৰ হ'ব আৰু সেই সম্পৰ্কত তদন্ত আদি দেশখনৰ আৰক্ষীয়ে কৰিব। ঘটনাৰ সময়ত যিসকল লোক জুবিনৰ সৈতে আছিল তেওঁলোকৰ তালিকাত আয়োজক শ্যামকানু মহন্তৰ নাম উল্লেখ নাই যদিও তেওঁৰ বিৰুদ্ধে কোনো লোকে অভিযোগ যদি দিয়ে তেন্তে আৰক্ষীয়ে পৰীক্ষা কৰিব বুলি কৈছে মুখ্যমন্ত্ৰীয়ে।

# 'অনামিকা'ৰপৰা আৰম্ভ হোৱা বৰ্ণাঢ্য সংগীতময় যাত্ৰাৰ

অকালতে মৰহি গ'ল। সামৰণি পৰিল এক বিচিত্ৰ আৰু বিশাল সংগীতময় যাত্ৰাৰ। একাধাৰে গায়ক, গীতিকাৰ, সুৰকাৰ, সংগীত ব্যৱস্থাপক, চলচ্চিত্ৰৰ সংগীত পৰিচালক, অভিনেতাৰপৰা চলচ্চিত্ৰ পৰিচালকলৈ কি নাছিল জুবিন গাৰ্গ!

অনন্য সংগীত প্ৰতিভাৰ আকৰ, অসমীয়া বাংলাকে ধৰি প্ৰায় ৪০টা ভাষাত আৰু যোৱা ৩৩টা বছৰত কমেও ৩৮,০০০ গীত গাই সংগীত ক্ষেত্ৰখনক সমৃদ্ধ কৰি যোৱা যুৱপ্ৰজন্মৰ হৃদস্পন্দন জুবিন গাৰ্গৰ জন্ম হৈছিল ১৯৭২ চনৰ ১৮ নৱেম্বৰত মেঘালয়ৰ তুৰাত। পিতৃ মোহিনী বৰঠাকুৰ মূলতঃ যোৰহাটৰ বাসিন্দা আছিল যদিও দণ্ডাধীশৰ চাকৰিসূত্ৰে তেওঁ বিভিন্ন স্থানত ঘূৰি ফুৰিবলগীয়া হৈছিল। সেইসূত্ৰে জুবিন গাৰ্গে শৈক্ষিক জীৱন বিভিন্ন স্থানত পাৰ কৰিবলগা হৈছিল। তামুলপুৰত মাধ্যমিক শিক্ষা গ্ৰহণ কৰা জুবিন গাৰ্গে কৰিমগঞ্জ কলেজৰপৰা উচ্চতৰ মাধ্যমিকৰ শিক্ষা সাং কৰে। গুৱাহাটীৰ বি বৰুৱা কলেজত তেওঁ বিজ্ঞানৰ স্নাতক শাখাত নামভৰ্তি কৰিছিল যদিও সংগীতৰ প্ৰতি থকা গভীৰ অনুৰাগৰ বাবে আধাতে কলেজ এৰি একনিষ্ঠভাৱে সংগীত চৰ্চাত নামি পৰে। মাতৃ প্ৰয়াত ইলি বৰঠাকুৰৰপৰা প্ৰাৰম্ভিক সংগীত শিক্ষা লাভ কৰা শিশু জুবিনে ছাত্ৰাৱস্থাতে গীত আৰু সংগীত ৰচনাত হাত দিছিল। ১৯৯২ চনত বিশ্ববিদ্যালয়ৰ যুৱ মহোৎসৱত শ্ৰেষ্ঠ গায়ক হিচাপে স্বৰ্ণপদক লাভ কৰাৰ পাছতে সংগীতক পেছা হিচাপে লোৱাৰ বাবে অনুপ্ৰাণিত হোৱা তৰুণ জুবিন গাৰ্গে সেই বছৰৰে নৱেম্বৰ মাহত মুকলি কৰা আধুনিক গীতৰ শ্ৰব্য কেছেট 'অনামিকা'ৰ জৰিয়তে পেছাদাৰী গায়ক হিচাপে সংগীত ক্ষেত্ৰখনত আত্মপ্ৰকাশ কৰে। প্ৰথমটো এলবামেই তেওঁলৈ বিপুল জনপ্ৰিয়তা কঢ়িয়াই আনে। তাৰ পাছতে আহে 'অনুৰাধা', 'সপোনৰ সুৰ' আদি এলবাম। ১৯৯৩ চনত ওলায় 'ৰ'দালি', 'ঋতু', 'জোনাকী মন'; ১৯৯৪ চনত মুকলি হোৱা 'মায়া'ই জুবিন গাৰ্গক জনপ্ৰিয়তাৰ আন এক শিখৰত তোলে। সুৰৰ সোপানে সোপানে অগ্ৰগামী হোৱা জুবিন গাৰ্গৰ 'আশা' 'জুবিনৰ গান', 'ৰং', 'মুক্তি', 'স্নিগ্ধ জোনাক', 'শব্দ', 'জানমণি', 'মেঘৰ বৰণ', 'পাখি', 'ৰাংঢালী', 'সপোন', 'হিয়ামন' আদি এলবামে এটাৰ পাছত আনটো জনপ্ৰিয়তাৰ শীৰ্ষত আছিল। 'পানচৈ', 'শিশু', 'বান্ধৈ', 'চিনাকি মন', 'আকৌ হিয়ামন', 'পকা ধানে ৰিঙিয়াই', 'লাজুকী মন', 'যন্ত্ৰ', 'ডেউকা', 'চিনাকি সুৰ', 'আছেনে কোনোবা হিয়াত', 'মুখা', 'সন্ধ্যা', 'বৰষুণ', 'উন্মনা মন', 'ৰিঙা ৰিঙা মন', 'দিলৰুবা', 'উৰণীয়া মন', 'জোনাকী মন', 'ৰুমাল', 'মোৰ প্ৰিয় গীত', 'অভিমানী মন', 'মোৰ গানত জ্বলে', 'অবুজন মন', 'গান', 'সোণালী মন', 'ৰুণজুন', 'ৰক', 'বাঁহী', 'পথ', 'কিং', 'ৰংমন', 'মনে মনে', 'নিৰিবিলি গধূলি', 'চিনাকি সুৰ', 'হিৰো', 'সপোনৰ সুৰ', 'কোন তুমি', 'সন্ধ্যাতৰা' (দুটা খণ্ড), 'পাৰিজাত', 'মা', 'চিলা' (২০২০) আদি জুবিন গাৰ্গৰ অনন্য সৃষ্টিৰ স্বাক্ষৰ বহনকাৰী শ্ৰব্য গীতৰ এলবাম।

চান্দিনী ৰাত, চন্দা, যুহী কভী, স্পৰ্শ (২০০০), শ্ৰদ্ধাঞ্জলি (তিনিটা খণ্ড), মেৰে লিয়ে, নূপুৰ, জিন্দেগী, পাকীজা, চফী ইস্ক আদি জুবিন গাৰ্গৰ কেইটামান হিন্দী শ্ৰব্য গীতৰ এলবাম।

চলচ্চিত্ৰৰ সংগীত পৰিচালক হিচাপেও যুগময়ী খ্যাতি ৰাখি যোৱা জুবিন গাৰ্গে অসমীয়া, বঙালী আৰু হিন্দী ভাষাৰ কমেও ৫০খন চলচ্চিত্ৰৰ সংগীত পৰিচালনা কৰি গৈছে। ২০০০ চনত 'হিয়া দিয়া নিয়া'ৰ জৰিয়তে সংগীত পৰিচালকৰূপে আত্মপ্ৰকাশ কৰা শিল্পীগৰাকীয়ে সংগীত পৰিচালনা কৰা অসমীয়া চলচ্চিত্ৰসমূহ হৈছে— তুমি মোৰ মাথোঁ মোৰ, মৰমে মৰম জানে, দাগ, শেষ উপহাৰ, নায়ক, প্ৰেম আৰু প্ৰেম, কন্যাদান, জোনাকী মন, জীৱন নদীৰ দুটি পাৰ, অগ্নিসাক্ষী, প্ৰিয়া মিলন, বিধাতা, জুমন-সুমন, বাৰুদ, ৰং, দীনবন্ধু, অধিনায়ক, আমি অসমীয়া, মন যায়, এখন নেদেখা নদীৰ সিপাৰে, ৰ'দৰ চিঠি, গানে কি আনে, অন্তৰীপ, মিছন চাইনা, প্ৰিয়াৰ প্ৰিয়, দি আণ্ডাৰ ৱৰ্ল্ড, কাঞ্চনজংঘা, ৰত্নাকৰ, প্ৰতিঘাত, ডাঃ বেজবৰুৱা, দি শ্লাম বুক, ৰাঘৰ, চিকাৰ আদি। তেওঁ সংগীত পৰিচালনা কৰা ভাইমন দা, যোদ্ধা, হোমৱৰ্ক, ৰৈ ৰৈ বিনালে আদি চলচ্চিত্ৰকেইখন ২০২৫ চনত মুক্তিলাভ কৰিছে। জুবিন গাৰ্গে 'শুধু তুমি', 'মন নিয়ে', 'কাছে এসো তুমি', সামসাৰা আদি বঙালী চলচ্চিত্ৰৰ আৰু ষ্ট্ৰিংছ বাউণ্ড বাই ফেইথ', 'দিল তো দীৱানা হ্যায় আদি হিন্দী চলচ্চিত্ৰৰ সংগীত পৰিচালনা কৰি গৈছে।

তুমি মোৰ মাথোঁ মোৰ, প্ৰেম আৰু প্ৰেম, দীনবন্ধু, গেংষ্টাৰ, ষ্ট্ৰীংছ, বিগ ব্ৰাদাৰ, মন যায়, ৰামধেনু, ভাল পাব নাজানিলোঁ, চুমা পৰশতে, ৰ'দৰ চিঠি, অহেতুক, গানে কি আনে, সাত নম্বৰৰ সন্ধানত, মিছন চাইনা, তুমি আহিবানে, প্ৰিয়াৰ প্ৰিয়, দ্য আণ্ডাৰৱৰ্ল্ড, কাঞ্চনজংঘা, প্ৰতিঘাত, ৰাজনীতি, ডাঃ বেজবৰুৱা-২, ৰাইল্ড এংগোল, চিকাৰ আৰু হোমৱৰ্ক আদি চলচ্চিত্ৰত নায়কৰপৰা খলনায়কলৈ বিভিন্ন চৰিত্ৰত অভিনয় কৰি খেয়ালী শিল্পী জুবিন গাৰ্গে অভিনয় জগততো কীৰিতি ৰাখি গৈছে। টেলিভিছন ধাৰাবাহিক 'অনুৰাধা'তো জুবিন গাৰ্গে অভিনয় কৰিছিল। জুবিন গাৰ্গে 'তুমি মোৰ মাথোঁ মোৰ' চলচ্চিত্ৰৰ চিত্ৰনাট্যকাৰ আৰু পৰিচালক; মিছন চাইনা আৰু কাঞ্চনজংঘাৰ পৰিচালক, প্ৰযোজক আৰু চিত্ৰনাট্যকাৰ আছিল। জুবিন গাৰ্গে প্ৰযোজনা আৰু চিত্ৰনাট্য ৰচনা কৰা আন এখন চলচ্চিত্ৰ 'ৰৈ ৰৈ বিনালে' মুক্তিৰ অপেক্ষাত আছে। জুবিন গাৰ্গে 'জুবিনৰ পদ্য' (দুটা খণ্ড) আৰু 'শব্দ অনুভূতি' শীৰ্ষক তিনিখন গ্ৰন্থ ৰচনা কৰি গৈছে। কবিতা গ্ৰন্থৰ বাবে তেওঁক ২০১৭ চনত সেউজী সেউজী বঁটা প্ৰদান কৰা হৈছিল।

সংগীত, চলচ্চিত্ৰ, অভিনয় সকলোতে প্ৰতিভাৰ স্বাক্ষৰ ৰাখি যোৱা জুবিন গাৰ্গক সংগীত আৰু চলচ্চিত্ৰৰ বিভিন্ন ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক বঁটা প্ৰদান কৰা হৈছে। 'গেংষ্টাৰ' চলচ্চিত্ৰৰ য়া আলী গীতটোৰ বাবে তেওঁক ২০০৬ চনত গ্ল'বেল ইণ্ডিয়ান ফিল্ম এৱাৰ্ডছত শ্ৰেষ্ঠ নেপথ্য কণ্ঠশিল্পী (পুৰুষ) বঁটা প্ৰদান কৰা হয়। ২০০৭ চনত একেটা গীতৰ বাবে তেওঁক 'আইফা' এৱাৰ্ডছত শ্ৰেষ্ঠ নেপথ্য গায়ক বঁটাৰ বাবে মনোনীত কৰা হৈছিল। তেওঁক ২০০৫, ২০০৭, ২০১১, ২০১২, ২০১৩, ২০১৪, ২০১৫, ২০১৭, ২০১৮, ২০২১ আৰু ২০২২ চনৰ 'প্ৰাগ চিনে এৱাৰ্ডছ'ৰ শ্ৰেষ্ঠ নেপথ্য কণ্ঠশিল্পীৰ বঁটা প্ৰদান কৰা হৈছিল। ২০২৪ চনৰ 'ফিল্মফেয়াৰ এৱাৰ্ডছ'ৰ অসমীয়া শাখাত জুবিন গাৰ্গক 'দ্য শ্লামবুক' চলচ্চিত্ৰৰ সংগীতৰ বাবে শ্ৰেষ্ঠ মিউজিক এলবাম বঁটা প্ৰদান কৰা হৈছিল। 'কাঞ্চনজংঘা' চলচ্চিত্ৰৰ বাবে জুবিন গাৰ্গলৈ ২০২৩ চনত অষ্টম অসম ৰাজ্যিক ফিল্ম এৱাৰ্ডছত শ্ৰেষ্ঠ নেপথ্য কণ্ঠশিল্পীৰ বঁটা আগবঢ়োৱা হয়। জুবিন গাৰ্গক ষ্ক্ৰীপ এৱাৰ্ডছৰ শ্ৰেষ্ঠ ইণ্ডিয়ান পপ এলবাম বঁটা, কলাকাৰ বঁটা, 'গপ-চপ মিউজিক এৱাৰ্ড', বহ্নিমান ভ্ৰাম্যমাণ থিয়েটাৰ এৱাৰ্ডছৰ ৰেড্ এফএম শ্ৰেষ্ঠ নেপথ্য কণ্ঠশিল্পী' বঁটাকে ধৰি বিভিন্ন বঁটা-বাহনেৰে সন্মানিত কৰা হৈছে।

**বলীউডত ৰাখি থৈ গ'ল কীৰ্তি**

প্ৰাণোচ্ছল সংগীতেৰে প্ৰজন্মৰ পাছত প্ৰজন্মক মোহাচ্ছন্ন কৰা জুবিন গাৰ্গৰ দেহাৱসানত এটা যুগৰ অন্ত পৰিল। কালজয়ী সংগীতেৰে কেৱল অসমীয়া সংগীত জগতকে নহয়, বলীউডকো সমৃদ্ধ কৰি গ'ল জুবিনে। কেইবাটাও জনপ্ৰিয় হিন্দী গীতেৰে জুবিনে বলীউডৰ সংগীত যাত্ৰাৰ আন এক অধ্যায় এৰি থৈ গ'ল। 'গেংষ্টাৰ' নামৰ হিন্দী ছবিত জুবিনে কণ্ঠদান কৰা 'য়া আলী' শীৰ্ষক গীতটি এতিয়াও শ্ৰোতাৰ মাজত অত্যন্ত জনপ্ৰিয়। অৱশ্যে ১৯৯৫ চনতে এটা মিউজিক এলবামেৰে তেওঁ বলীউডত সংগীতৰ যাত্ৰা আৰম্ভ কৰিছিল। বলীউডত খোপনি পোতাৰ লক্ষ্যৰে ১৯৯৫ চনৰ মাজভাগত মুম্বাইলৈ যোৱা জুবিনৰ প্ৰথমটো এলবাম আছিল 'চান্দনী ৰাত'। এই এলবামটোত তেওঁ অকলে কণ্ঠদান কৰিছিল। ইয়াৰ পাছত কেইবাটাও এলবাম আৰু ৰিমিক্স গানেৰে জুবিনে মুম্বাইত নিজৰ শিপা সুদৃঢ় কৰাৰ চেষ্টা কৰে। সেইসময়ত মুক্তিলাভ কৰা জুবিনৰ কেইটামান এলবাম আৰু গান গৈছে চন্দা (১৯৯৬), শ্ৰদ্ধাঞ্জলি (১৯৯৬-৯৭)ৰ তিনিটা খণ্ড, জলৱা (১৯৯৮), যুহী কভী (১৯৯৮), যাদু (১৯৯৯), স্পৰ্শ (২০০০) আদি। পৰৱৰ্তী সময়ত তেওঁ কেইবাখনো হিন্দী ছবিত গীত গোৱাৰ সুযোগ লাভ কৰে। গাড্ডাৰ (১৯৯৫), দিল ছে (১৯৯৮), ড'লী চজাকে ৰখনা (১৯৯৮), ফিজা (২০০০) আদিৰ দৰে ছবিত জুবিনে কণ্ঠদান কৰে। বলীউডত জুবিনক অন্য এক পৰিচয় প্ৰদান কৰে 'গেংষ্টাৰ' ছবিখনত কণ্ঠদান কৰা 'য়া আলী' শীৰ্ষক গীতটিয়ে। ২০০৬ চনত মুক্তিলাভ কৰা ছবিখনৰ 'য়া আলী' গীতটোৱে জুবিনক ৰাষ্ট্ৰীয় পৰ্যায়ত উজলাই তোলে। দেশৰ ইমূৰৰ পৰা সিমূৰলৈ 'য়া আলী' গীতটোৱে আলোড়নৰ সৃষ্টি কৰে। এই গীতটোৰ বাবে জুবিনে ২০০৭ চনত গ্লোবেল ইণ্ডিয়ান ফিল্ম এৱাৰ্ড আৰু ষ্টাৰডাষ্ট এৱাৰ্ডত শ্ৰেষ্ঠ নেপথ্য কণ্ঠশিল্পীৰ বঁটা লাভ কৰে। তদুপৰি এই গীটোৰ বাবে জি চিনে এৱাৰ্ড, ফিল্মফেয়াৰ এৱাৰ্ড, আইফা এৱাৰ্ড আৰু স্ক্ৰীন এৱাৰ্ডত শ্ৰেষ্ঠ নেপথ্য কণ্ঠশিল্পীৰ বঁটাৰ বাবে মনোনয়ন লাভ কৰে। 'য়া আলীৰ' পাছত 'ক্ৰিছ-৩ ছবিখনত জুবিনে কণ্ঠদান কৰা 'দিল তু হি বতা' শীৰ্ষক গীতটোৱে শ্ৰোতাক মোহাচ্ছন্ন কৰে। ইয়াৰ সমান্তৰালভাৱে তেওঁ ২০০৬ চনত 'ষ্ট্ৰিংছ বাউণ্ড বাই ফেইথ', ২০১৬ চনত 'দিল তো দিৱানা হে' ছবিৰ সংগীত পৰিচালনা কৰে। অৱশ্যে, কেৱল অসমৰ সংগীত আৰু ছবিজগতৰ বাবে কাম কৰাৰ পণেৰে জুবিনে মুম্বাই ত্যাগ কৰে। উল্লেখ্য যে তেওঁ ৪০টাতকৈও অধিক হাৰত গীত পৰিৱেশন কৰিছিল। বিষ্ণুপ্ৰিয়া মণিপুৰী, বড়ো, ইংৰাজী, কানাড়া, মালায়লম, মাৰাঠা, মিচিং, উড়িয়া, তামিল, তেলেগু, সিন্ধি, নেপালী আদি ভাষাতো জুবিনে গীত পৰিৱেশন কৰিছে। বলীউডৰ উপৰি পশ্চিমবংগত জুবিনৰ অপাৰ জনপ্ৰিয়তা আছিল। কেইবাখনো বাংলা ছবিত জুবিনে কণ্ঠদান কৰিছিল। 'মন', 'শুধু তুমি', শীৰ্ষক ছবিত জুবিনে নেপথ্য কণ্ঠশিল্পী হিচাপে গীত গাইছিল। জুবিনৰ বাংলা গীতসমূহ পশ্চিমবংগত অত্যন্ত জনপ্ৰিয়।

# হঠাতে হেৰাল প্ৰাণৰ জুবিন

কাইলৈ জুবিনৰ সংগীতানুষ্ঠান আছিল ছানটেক ছিংগাপুৰ কনভেনচন এণ্ড এক্সিভিছন চেণ্টাৰত। তথ্য অনুসৰি, ছিংগাপুৰৰ অসম এছ'চিয়েচনৰ কেইজনমান সদস্যই প্ৰিয় শিল্পীজনৰ বাবে এখন 'য়াট'ত আয়োজন কৰিছিল এটা প'ষ্ট লাঞ্চ পাৰ্টী। এই পাৰ্টীৰ মাজতে জুবিন গাৰ্গে সাঁতুৰিবলৈ সাগৰৰ পানীত নামিছিল। তেতিয়া তেওঁ লাইফ জেকেট পিন্ধি আছিল যদিও পাছত সেইটো খুলি থয়। কিছু সময়ৰ পাছত তেওঁ পুনৰ পানীত নামে আৰু তেতিয়াই তেওঁৰ চিজাৰ এটাক হোৱা বুলি সন্দেহ কৰা হৈছে। হাত-ভৰি জঠৰ হৈ পৰাত য়াটখনৰ কৰ্মচাৰীয়ে তেওঁক তুলি আনি প্ৰাথমিক চিকিৎসা দিয়ে যদিও মুমূৰ্ষুপ্ৰায় শিল্পীজনৰ অৱস্থা শোচনীয় হৈ পৰাত ছিংগাপুৰ জেনেৰেল হাস্পতালত ভৰ্তি কৰোৱাৰ ব্যৱস্থা কৰে। হাস্পতালখনৰ জৰুৰীকালীন বিভাগত ভৰ্তি কৰাই তেওঁক সুস্থ কৰি তোলাৰ চেষ্টা কৰা হৈছিল যদিও ভাৰতীয় সময় মতে বিয়লি প্ৰায় ২.৪৫ বজাত বিয়পিছিল সেই শোকৰ খবৰটো— জুবিন, জুবিন গাৰ্গ আৰু নাই! লগে লগেই যেন শোকৰ সাগৰত বুৰ গ'ল সকলো, মুখত সেই অবিশ্বাসৰ প্ৰশ্ন। বিষণ্ণতাই ছানি ধৰা বিয়লি, সেমেকা চকুলোৰে সকলোৱেই উচুপি উঠিছিল— এয়া অসহনীয়, মানি ল'ব নোৱাৰি ! লক্ষণীয় যে এই সমগ্ৰ ঘটনাটো সন্দৰ্ভত অদ্যাপি প্ৰকাশ পোৱা নাই কোনো আনুষ্ঠানিক বিবৃতি। নৰ্থ-ইষ্ট ফেষ্টিভেলৰ উদ্যোক্তাসকলে গা- এৰা দিয়া মনোভাৱেৰে প্ৰকাশ কৰিছে কেৱল এটা শোকবাৰ্তা। আয়োজক শ্যামকানু মহন্তই কৈছে যে তেওঁলোকে আমন্ত্ৰণ কৰি নিয়া শিল্পীজন আজি ক'লৈ গৈছিল, কি কৰিছিল— তেওঁ একোৱেই নাজানিছিল। ছাংগ্ৰিলা হোটেলত তেওঁ ব্যস্ত হৈ আছিল পূৰ্বোত্তৰত বিনিয়োগৰ সম্ভাৱনাক লৈ 'বিজনেছ মিটিঙত'। দুৰ্ঘটনাটোৰ খবৰ পোৱাৰ পাছতহে তেওঁ হেনো গম পাইছিল যে জুবিনে য়াটত সাগৰলৈ ফুৰিবলৈ গৈছিল। মহন্ত আৰু তেওঁৰ টীমে শিল্পীজনৰ বিয়োগত শোক প্ৰকাশ কৰাৰ লগতে জুবিনৰ বিদেহ আত্মাৰ হকে প্ৰাৰ্থনা কৰা বুলিও শোক বাৰ্তাটোত উল্লেখ কৰিছে।

**জুবিনৰ মৃত্যুত তদন্তৰ দাবী গুণমুগ্ধৰ**

**দৈনিক অসমৰ প্ৰতিনিধিৰ সংযোজন ঃ** যুৱপ্ৰজন্মৰ হাৰ্টথ্ৰ'ব, অসমীয়া সংগীত জগতৰ ভোটাতৰা জুবিন গাৰ্গৰ অনাকাংক্ষিত মৃত্যুৱে সমগ্ৰ ৰাজ্যবাসীক শোকস্তব্ধ কৰি তুলিছে। কান্দোনত ভাগি পৰিছে শোকাহত অগণন গুণমুগ্ধ। নিজৰ কণ্ঠৰে শ্ৰোতাক মন্ত্ৰমুগ্ধ কৰি অহা জুবিনৰ মৃত্যুৰ বাতৰি যেন এতিয়াও ৰাজ্যবাসীয়ে বিশ্বাস কৰিব পৰা নাই। ইয়াৰ মাজতে নৰ্থ-ইষ্ট ফেষ্টিভেলত অংশগ্ৰহণ কৰিবলৈ গৈ অনাকাংক্ষিতভাৱে চিৰদিনৰ বাবে জুবিন আমাৰ মাজৰ পৰা আঁতৰি যোৱা ঘটনাক লৈ গুণমুগ্ধৰ মাজত উৎসুকতাৰ সৃষ্টি হৈছে। ছিংগাপুৰৰ এখন সাগৰত হোৱা এই দুৰ্ঘটনাৰ বিভিন্নজনে তদন্তৰো দাবী উত্থাপন কৰিছে। স্বাভাৱিকতে সমগ্ৰ ঘটনাক লৈ নৰ্থ-ইষ্ট ফেষ্টিভেলৰ আয়োজক মণ্ডলীলৈও সন্দেহৰ আঙুলি টোঁৱাইছে একাংশই। কিয়নো বিগত সময়ছোৱাত কেইবাবাৰো জুবিন শাৰীৰিক অসুস্থতাত ভুগিছিল। যাৰ বাবে তেওঁক হাস্পতালত ভৰ্তি কৰোৱা হৈছিল। ইয়াৰ পাছতো ছিংগাপুৰত সাগৰত দুঃসাহসিক ক্ৰীড়াত জুবিনক কিয় অংশ ল'বলৈ দিয়া হ'ল বুলি সচেতন মহলে প্ৰশ্ন উত্থাপন কৰিছে। প্ৰিয় শিল্পীগৰাকীৰ বিয়োগত ম্ৰিয়মাণ হৈ পৰা গুণমুগ্ধসকলে সমগ্ৰ ঘটনাৰ এক সঠিক তদন্তৰ দাবী উত্থাপন কৰিছে। সামাজিক মাধ্যমত গুণমুগ্ধসকলে জুবিনৰ মৃত্যুৰ তদন্তৰ দাবীৰে 'পোষ্ট' দিয়া পৰিলক্ষিত হৈছে। একাংশ গুণমুগ্ধই সংবাদ মাধ্যমৰ সন্মুখতো শিল্পীগৰাকীৰ মৃত্যুৰ তদন্ত দাবী কৰিছে। ইপিনে, জুবিনৰ মৃত্যুত শোকাভিভূত হৈ পৰা বিশিষ্ট কবি প্ৰণৱ কুমাৰ বৰ্মনে সামাজিক মাধ্যমত এইদৰে লিখিছে— 'ই এক আওপকীয় হত্যাকাণ্ড। কোন কোন জড়িত তদন্ত হ'ব লাগিব। এজন চিজাৰ ৰোগীক কিয় লৈ যোৱা হৈছিল এডভেন্সাৰ কৰিবলৈ? কিয় তেওঁৰ স্বাস্থ্যৰ যতন লোৱা হোৱা নাছিল? লগত বাউন্সাৰ আছিল-চিকিৎসক আছিলনে? উদ্যোক্তাসকলৰ বাবে তেওঁ খেলৰ পুতলা আছিল নেকি? আজি নিশা বা কাইলৈ ৰাইজৰ কাঠগড়াত শিল্পীক নিৰাপত্তা দিব নোৱাৰা সকলো থিয় হ'ব লাগিব।' আনহাতে, ছবি নিৰ্মাতা লুইত কুমাৰ বৰ্মনেও সামাজিক মাধ্যমত তদন্তৰ দাবী উত্থাপন কৰিছে।

**জুবিনৰ মৃত্যুত তদন্তৰ দাবী, নৰ্থ-ইষ্ট ফেষ্টিভেল বাতিল**

জুবিন গাৰ্গৰ অনাকাংক্ষিত মৃত্যুৰ পাছতে ছিংগাপুৰত আজিৰে পৰা অনুষ্ঠিত হোৱা নৰ্থ-ইষ্ট ফেষ্টিভেল বাতিল কৰা হৈছে। এক বিবৃতি জৰিয়তে এই কথা সদৰী কৰিছে নৰ্থ-ইষ্ট ফেষ্টিভেলৰ আয়োজক শ্যামকানু মহন্তই। বিবৃতিটোত তেওঁ উল্লেখ কৰা অনুসৰি কাইলৈ মহোৎসৱখনত জুবিনে ভাগ লোৱাৰ কথা আছিল। কিন্তু এদিন পূৰ্বে জুবিন ছিংগাপুৰত উপস্থিত হৈছিল। আজি পুৱাৰ ভাগত উদ্যোক্তাসকল ছাংৰি লা হোটেলত ছিংগাপুৰৰ জ্যেষ্ঠ উদ্যোগপতিৰ সৈতে এখন বৈঠকত মিলিত হৈছিল। সেইসময়তে জুবিনৰ প্ৰবন্ধকে শিল্পীগৰাকী দুৰ্ঘটনাত পতিত হোৱা বুলি ফোনযোগে অৱগত কৰা বুলি উল্লেখ কৰিছে। বিবৃতিত মহন্তই কয় যে স্থানীয় অসমীয়া লোকসকলে জুবিনক এখন সমুদ্ৰ তীৰত লৈ গৈছিল। যাৰ বিষয়ে তেওঁলোক আগতীয়াকৈ অৱগত নাছিল বুলিও বিবৃতিটোত প্ৰকাশ কৰিছে।

**জুবিনৰ ৰহস্যজনক মৃত্যুৰ চি বি আই তদন্ত দাবী অখিলৰ**

জুবিন গাৰ্গৰ মৃত্যুৰ চি বি আই তদন্ত দাবী কৰিছে ৰাইজৰ দলৰ সভাপতি অখিল গগৈয়ে। গগৈয়ে আজি সাংবাদিকক কয় যে জুবিন গাৰ্গক সাগৰলৈ নিয়াসকলে অসমবাসীক উত্তৰ দিবই লাগিব। অসমৰ আটাইতকৈ জনপ্ৰিয় মানুহজনক কিয় সাগৰলৈ যাবলৈ দিয়া হৈছিল তাৰ উত্তৰ নিদিলে নহ'ব। ৰাইজৰ দলৰ সভাপতি অখিল গগৈয়ে কয় যে ছিংগাপুৰৰ সাগৰত 'স্কুবা ডাইভিঙ'লৈ যোৱাৰ আগেয়ে জুবিন গাৰ্গৰ স্বাস্থ্য পৰীক্ষা কৰিব লাগিছিল। যদি স্বাস্থ্য পৰীক্ষা কৰাও হৈছিল তাৰ প্ৰমাণ অসমবাসীক দিব লাগিব। গগৈয়ে আৰু কয় যে প্ৰতি তিনি-চাৰি মাহৰ অন্তৰে অন্তৰে জুবিন গাৰ্গ চিকিৎসালয়লৈ যাবলগীয়া হয়। তেওঁৰ 'চিজাৰ' হয় মাজে-সময়ে। তেনেস্থলত এজন অসুস্থ ব্যক্তিক ছিংগাপুৰত অনুষ্ঠিত হ'বলগীয়া নৰ্থ-ইষ্ট ফেষ্টিভেললৈ নি 'স্কুবা ডাইভিঙ' কৰিবলৈ দিয়াটো সত্য নে? ইয়াৰ সঠিক উত্তৰ ৰাইজে পাবই লাগিব। সেয়ে এই সমগ্ৰ বিষয়টোৰ চি বি আই তদন্ত হ'বই লাগিব। যদি কোনোবাই দোষ কৰিছে শাস্তি পাবই লাগিব।

## জুবিনৰ মৃত্যুত অসম মহিলা সংঘৰ শোক

দৈনিক অসমৰ প্ৰতিনিধি

**গুৱাহাটী, ১৯ ছেপ্টেম্বৰ ঃ** অসমৰ সংগীত জগতৰ প্ৰতিষ্ঠিত শিল্পী, সুৰীয়া যাদুকৰী কণ্ঠেৰে শ্ৰোতাৰ হৃদয় জিনাৰ উপৰি গীতিকাৰ আৰু অভিনেতা ৰূপেও খ্যাত প্ৰতিভাসম্পন্ন শিল্পী জুবিন গাৰ্গৰ অকাল মৃত্যু অসমৰ বাবে অপূৰণীয় ক্ষতি বুলি কয় অসম মহিলা সংঘৰ সভানেত্ৰী অসমী গগৈয়ে। লগতে তেওঁ কয় যে অসম মহিলা সংঘই প্ৰিয় শিল্পীগৰাকীৰ মৃত্যুত গভীৰ শোক আৰু শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰিছে আৰু শোকসন্তপ্ত পৰিয়ালৰ প্ৰতি আন্তৰিক সহমৰ্মিতা প্ৰকাশ কৰিছে।

## জুবিন গাৰ্গৰ মৃত্যুত গুৱাহাটী বিশ্ববিদ্যালয়ৰ শোক প্ৰকাশ

দৈনিক অসমৰ প্ৰতিনিধি

**জালুকবাৰী, ১৯ ছেপ্টেম্বৰ ঃ** কালজয়ী কণ্ঠশিল্পী, সুৰকাৰ, গীতিকাৰ, সংগীত পৰিচালক, অভিনেতা, চলচ্চিত্ৰ পৰিচালক, চলচ্চিত্ৰ প্ৰযোজক তথা চিত্ৰনাট্যকাৰ, অসমবাসীৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ মৃত্যুত গুৱাহাটী বিশ্ববিদ্যালয় পৰিয়ালবৰ্গই গভীৰ শোক প্ৰকাশ কৰিছে। বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক ননী গোপাল মহন্তই হাৰ্টথ্ৰ'বগৰাকীৰ মৃত্যুত শোক প্ৰকাশ কৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ হৈ তেওঁৰ আত্মাৰ চিৰশান্তি কামনা কৰিছে। জুবিন গাৰ্গ কেৱল অসমৰ হৃৎস্পন্দনেই নহয়, তেওঁ আমাৰ বলিষ্ঠ কণ্ঠ আছিল। তেওঁৰ মৃত্যু অপূৰণীয় ক্ষতি।

**জনপ্ৰিয় কণ্ঠশিল্পী জুবিন গাৰ্গৰ মৃত্যুত ম্ৰিয়মাণ গুৱাহাটীবাসী**

# বন্তি প্ৰজ্বলন কৰি শিল্পীগৰাকীলৈ শ্ৰদ্ধাঞ্জলি গুণমুগ্ধৰ



দৈনিক অসমৰ প্ৰতিনিধি

**গুৱাহাটী, ১৯ ছেপ্টেম্বৰ ঃ** ছিংগাপুৰত অনুষ্ঠিত চতুৰ্থ নৰ্থ-ইষ্ট ইণ্ডিয়া ফেষ্টিভেলত সংগীত পৰিৱেশন কৰিবলৈ গৈ অসমৰ হৃদস্পন্দন তথা জনপ্ৰিয় কণ্ঠশিল্পী জুবিন গাৰ্গৰ আজি মৃত্যু হোৱা ঘটনাই জোকাৰি গৈছে ৰাজ্য। মাত্ৰ ৫২ বছৰ বয়সতে শিল্পীগৰাকীয়ে হঠাৎ মৃত্যুবৰণ কৰিবলগীয়া হোৱা ঘটনাই আজি ৰাজ্যৰ লগতে সমগ্ৰ গুৱাহাটীবাসী শোকত ম্ৰিয়মাণ হৈ পৰে। শিল্পীগৰাকীৰ অৱৰ্তমানত যেন স্তব্ধ হৈ পৰে সৰ্বস্তৰৰ অনুৰাগী। তদুপৰি যুৱপ্ৰজন্মৰ মাজতো বিশেষ প্ৰভাৱ পৰা পৰিলক্ষিত হয়। শিল্পীগৰাকীৰ প্ৰতি গভীৰ শ্ৰদ্ধা জনোৱাৰ উদ্দেশ্যে আজি মহানগৰীৰ বিভিন্ন প্ৰান্তত বন্তি প্ৰজ্বলন কৰি শিল্পীগৰাকীৰ প্ৰতি শেষ শ্ৰদ্ধা জনোৱা দেখা যায়। ইয়াৰ ভিতৰত সদৌ অসম ছাত্ৰ সন্থাই আজি সন্ধিয়া ৬.৩০ বজাত লতাশিল খেলপথাৰত 'প্ৰিয় শিল্পী জুবিন গাৰ্গলৈ শ্ৰদ্ধাৰ্ঘ্য' শীৰ্ষক এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত কৰে। বন্তি প্ৰজ্বলন কৰি উক্ত অনুষ্ঠান মুকলি কৰে আছুৰ সভাপতি উৎপল শৰ্মা আৰু আছুৰ মুখ্য উপদেষ্টা ডঃ সমুজ্জ্বল ভট্টাচাৰ্যই। অনুষ্ঠানত লতাশিল দুৰ্গাপূজা সমিতি, উজানবজাৰ মহিলা ভাওনা সমিতি, বিশিষ্ট সাংবাদিক মৃণাল তালুকদাৰ, বিশিষ্ট শিল্পী-সাহিত্যিক, আছুৰ বিষয়ববীয়াকে ধৰি অজস্ৰ জুবিন অনুৰাগীয়ে অশ্ৰুসিক্ত নয়নেৰে প্ৰাণৰ শিল্পীগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। সন্ধিয়া ৬ বজাত গণেশগুৰি উৰণসেতুৰ তলত জুবিন গাৰ্গৰ অনুৰাগীসকলে বন্তি প্ৰজ্বলন কৰি ৰাইজৰ শিল্পীগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জনায়। তেনেদৰে সন্ধিয়া ৭ বজাত খানাপাৰা ৱাকিংজ'নত বন্তি প্ৰজ্বলন কৰি শিল্পীগৰাকীৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰা হয়। ভৰলুমুখত, ফটাশীল আমবাৰীকে ধৰি গুৱাহাটীৰ বিভিন্ন প্ৰান্তত আজি শিল্পীগৰাকীলৈ অশ্ৰুসিক্ত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে গুণমুগ্ধসকলে। ইপিনে নুনমাটি বিহু সন্মিলনী, সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ আজিৰ কাৰ্যনিৰ্বাহ সভাই মহান শিল্পী জুবিন গাৰ্গৰ অকাল মৃত্যুত শোক প্ৰকাশ কৰে আৰু সংস্থাৰ অন্তৰ্গত সমূহ প্ৰতিষ্ঠানক আজি সন্ধিয়া নিজ প্ৰতিষ্ঠানৰ সন্মুখত চাকি-বন্তি প্ৰজ্বলন কৰে। লগতে কাইলৈ নিজ প্ৰতিষ্ঠানসমূহ বন্ধ ৰাখি প্ৰয়াত শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপনৰ সিদ্ধান্ত লয়। আনহাতে জনতাৰ আপোন শিল্পী জুবিন গাৰ্গৰ অনাকাংক্ষিত বিয়োগৰ খবৰে সমগ্ৰ অসমবাসীৰ লগতে চন্দ্ৰপুৰবাসী ৰাইজেও গভীৰ শোক প্ৰকাশ কৰে। বিয়লি চন্দ্ৰপুৰ অঞ্চলৰ শতাধিক ৰাইজে চন্দ্ৰপুৰ আঞ্চলিক ছাত্ৰ সন্থাৰ শ্বহীদবেদী বাকৰিত সমৱেত হৈ আপোন শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনাই বন্তি প্ৰজ্বলন কাৰ্যসূচী ৰূপায়ণ কৰে। ইপিনে মহানগৰীৰ মামণি ৰয়ছম গোস্বামী পথস্থিত লাচিত সংঘৰ উদ্যোগত আজি সন্ধিয়া এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানত সংঘৰ কৰ্মকৰ্তাৰ লগতে অঞ্চলবাসী ৰাইজে বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি প্ৰদান কৰি জনপ্ৰিয় শিল্পী প্ৰয়াত জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ইপিনে মহানগৰীৰ মামণি ৰয়ছম গোস্বামী পথস্থিত লাচিত সংঘৰ উদ্যোগত আজি সন্ধিয়া এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানত সংঘৰ কৰ্মকৰ্তাৰ লগতে অঞ্চলবাসী ৰাইজে বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পণ কৰি জনপ্ৰিয় শিল্পী প্ৰয়াত জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।



**গুৱাহাটী বিশ্ববিদ্যালয়ত জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি**

## নিৰ্বাচনী প্ৰচাৰ অভিযান সাময়িকভাৱে স্থগিত

দৈনিক অসমৰ প্ৰতিনিধি

**জালুকবাৰী, ১৯ ছেপ্টেম্বৰ ঃ** অসমৰ সংগীত জগতৰ ধ্ৰুৱতৰা, নৱপ্ৰজন্মৰ হাৰ্টথ্ৰ'ৰ জুবিন গাৰ্গৰ আজি আকস্মিক মৃত্যু ঘটে। জুবিন গাৰ্গৰ মৃত্যুত সমগ্ৰ ৰাজ্যবাসী শোকস্তব্ধ হৈ পৰাৰ সমান্তৰালকৈ উচ্চশিক্ষাৰ মহৎ প্ৰতিষ্ঠান গুৱাহাটী বিশ্ববিদ্যালয়তো গভীৰ শোকৰ ছাঁ পৰে। আজি জুবিন গাৰ্গৰ মৃত্যুৰ বাৰ্তা লাভ কৰাৰ পিছতে বিশ্ববিদ্যালয়ৰ শিক্ষাৰ্থীসকলৰ লগতে অধ্যাপক-অধ্যাপিকা, বিষয়া তথা কৰ্মচাৰীসকল মৰ্মাহত হৈ পৰে। আজি সন্ধিয়া স্নাতকোত্তৰ ছাত্ৰ সন্থাৰ উদ্যোগত বিশ্ববিদ্যালয়ৰ শিক্ষাৰ্থীসকলে জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰি গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ লগতে শিক্ষাৰ্থীসকলে ব্যথাভৰা হৃদয়েৰে জুবিন গাৰ্গৰ কেইবাটাও গীত পৰিৱেশন কৰি শিল্পীগৰাকীলৈ অন্তিম শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। আনহাতে অহা ২৫ ছেপ্টেম্বৰত অনুষ্ঠিত হ'বলগীয়া স্নাতকোত্তৰ ছাত্ৰ সন্থাৰ নিৰ্বাচনক কেন্দ্ৰ কৰি আৰম্ভ হোৱা নিৰ্বাচনী প্ৰচাৰ অভিযান শিল্পীগৰাকীলৈ শ্ৰদ্ধা নিবেদন কৰি সাময়িকভাৱে স্থগিত ৰখা হৈছে বুলি এক বিবৃতিযোগে সদৰি কৰিছে নিৰ্বাচনী বিষয়াই।

**গুৱাহাটী বিশ্ববিদ্যালয়ত জুবিন গাৰ্গৰ সমাধিক্ষেত্ৰ স্থাপনৰ দাবী**

## উপাচাৰ্যলৈ আবেদন স্নাতকোত্তৰ ছাত্ৰ সন্থাৰ

দৈনিক অসমৰ প্ৰতিনিধি

**জালুকবাৰী, ১৯ ছেপ্টেম্বৰ ঃ** অসমৰ সংগীত জগতৰ ধ্ৰুৱতৰা, নৱপ্ৰজন্মৰ হাৰ্টথ্ৰ'ৰ জুবিন গাৰ্গৰ আজি আকস্মিক মৃত্যু ঘটে। জুবিন গাৰ্গৰ মৃত্যুত সমগ্ৰ ৰাজ্যবাসী শোকস্তব্ধ হৈ পৰাৰ সমান্তৰালকৈ উচ্চ শিক্ষাৰ মহৎ প্ৰতিষ্ঠান গুৱাহাটী বিশ্ববিদ্যালয়তো গভীৰ শোকৰ ছাঁ পৰে। আজি জুবিন গাৰ্গৰ মৃত্যুৰ বাৰ্তা লাভ কৰাৰ পিছতে বিশ্ববিদ্যালয়ৰ শিক্ষাৰ্থীসকলৰ লগতে অধ্যাপক-অধ্যাপিকা, বিষয়া তথা কৰ্মচাৰীসকল মৰ্মাহত হৈ পৰে। আজি সন্ধিয়া স্নাতকোত্তৰ ছাত্ৰ সন্থাৰ উদ্যোগত বিশ্ববিদ্যালয়ৰ শিক্ষাৰ্থীসকলে জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰি গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ লগতে শিক্ষাৰ্থীসকলে ব্যথাভৰা হৃদয়েৰে জুবিন গাৰ্গৰ কেবাটাও গীত পৰিৱেশন কৰি শিল্পীগৰাকীলৈ অন্তিম শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ইপিনে গুৱাহাটী বিশ্ববিদ্যালয় স্নাতকোত্তৰ ছাত্ৰ সন্থাই জুবিন গাৰ্গৰ সমাধিক্ষেত্ৰৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয় চৌহদত এডোখৰ স্থান দিবলৈ গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্যক এক লিখিত আবেদন প্ৰদান কৰে। গুৱাহাটী বিশ্ববিদ্যালয় স্নাতকোত্তৰ ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক কৌশিক বৰুৱা আৰু উপ-সভাপতি উদ্দীপ্ত বায়নে গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক ডঃ ননী গোপাল মহন্তক সংগীত শিল্পী জুবিন গাৰ্গৰ সমাধিক্ষেত্ৰ গুৱাহাটী বিশ্ববিদ্যালয় চৌহদত স্থাপন কৰাৰ বাবে আবেদন জনাই এখন লিখিত পত্ৰ প্ৰদান কৰে।

## জুবিন গাৰ্গৰ বিয়োগত শোক

দৈনিক অসমৰ প্ৰতিনিধি

**গুৱাহাটী, ১৯ ছেপ্টেম্বৰ ঃ** সংগীত শিল্পী, অভিনেতা জুবিন গাৰ্গৰ আকস্মিক অকাল বিয়োগত গভীৰ শোক প্ৰকাশ কৰে কমল কলিতাই। অসম সাহিত্য সভাৰ প্ৰাক্তন সহকাৰী সম্পাদক কমল কলিতাই এগৰাকী সাহসী, বিপ্লৱী, শিল্পী জুবিন গাৰ্গে আমাক সকলোকে কন্দুৱাই চিৰদিনৰ বাবে গুচি গ'ল বুলি উল্লেখ কৰে। তেওঁৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰে আৰু শোকসন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে।

## জুবিন গাৰ্গৰ মৃত্যুত আমাৰ নাটঘৰৰ শোক

দৈনিক অসমৰ প্ৰতিনিধি

**গুৱাহাটী, ১৯ ছেপ্টেম্বৰ ঃ** অসমৰ সংগীত জগতৰ জনপ্ৰিয় তথা আজন্ম প্ৰতিভাৰ অধিকাৰী, সুৰ আৰু কণ্ঠৰ যাদুকৰ জুবিন গাৰ্গৰ অস্বাভাৱিক অকাল মৃত্যুত আমি আমাৰ নাটঘৰৰ পৰা গভীৰ শোক প্ৰকাশ কৰাৰ লগতে গভীৰ শ্ৰদ্ধা নিবেদন কৰে। এই সন্দৰ্ভত আমাৰ নাটঘৰৰ সভাপতি দিলীপ গোস্বামীয়ে কয় যে আধুনিক অসমীয়া সংগীতক জনপ্ৰিয় সুৰ আৰু কণ্ঠৰ যাদুৰে এক বহল পৰিসৰলৈ উন্নীত কৰা জুবিন গাৰ্গৰ মৃত্যু সাংস্কৃতিক জগতৰ অপূৰণীয় ক্ষতি। জুবিন গাৰ্গে কম সময়ৰ ভিতৰতে হাজাৰ হাজাৰ গীতেৰে আধুনিক অসমীয়া সংগীতক সমৃদ্ধ কৰাৰ উপৰি অসমীয়া চলচ্চিত্ৰ জগতলৈও উল্লেখনীয় অৱদান আগবঢ়াই গ'ল। কিন্তু জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুত আমি মৰ্মাহত। আমি জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ উচিত বিচাৰ দাবী কৰিছোঁ আৰু তেওঁলৈ গভীৰ শ্ৰদ্ধা নিবেদিন কৰিলোঁ।



## জুবিন গাৰ্গৰ মৃত্যুত চিপিআই (এমএল)ৰ শোক

দৈনিক অসমৰ প্ৰতিনিধি

**গুৱাহাটী, ১৯ ছেপ্টেম্বৰ ঃ** চিপিআই (এমএল)ৰ অসম ৰাজ্যিক সমিতিৰ সম্পাদক বিবেক দাসে এক বিবৃতিত সংগীত জগতৰ ধ্ৰুৱতৰা আৰু কেইবাটাও দশকজুৰি অসমৰ ৰাইজক গানৰ যাদুৰে মোহিত কৰি ৰখা জনপ্ৰিয় শিল্পী জুবিন গাৰ্গৰ আচম্বিত আৰু অনাকাংক্ষিত মৃত্যুত গভীৰ শোক প্ৰকাশ কৰাৰ লগতে গভীৰ আক্ষেপ প্ৰকাশ কৰিছে। বিবৃতিত কয় যে ভূপেন হাজৰিকাৰ পিছতেই অসমীয়া আধুনিক সংগীতক নতুন সাজেৰে সজাই জীপাল কৰি তোলা জুবিন গাৰ্গ সেয়ে অসমৰ সংগীত জগতৰ অদ্বিতীয় নায়ক হৈ পৰিছিল আৰু সকলো প্ৰজন্মৰ লোকেই জুবিনৰ গানৰ মন্ত্ৰমুগ্ধ শ্ৰোতা আছিল। বিবৃতিটোত আৰু কয় যে জুবিন গাৰ্গৰ মৃত্যুৰ বিষয়টো সহজতে মানি ল'বলৈ টান লাগিছে আৰু বহুতো প্ৰশ্নৰ জন্ম দিছে। দাসে জুবিন গাৰ্গৰ মৃত্যুৰ বিষয়টোৰ এক তদন্ত কৰাৰ লগতে কি পৰিস্থিতিত শিল্পীগৰাকীৰ মৃত্যু হ'ল সেই বিষয়ে চৰকাৰৰ এটা বিবৃতি কামনা কৰিছে।



**হাৰ্টথ্ৰ'বৰ মৃত্যুত স্তব্ধ গুৱাহাটী মহানগৰী**

## কাহিলিপাৰা বাসগৃহত অগণন শুভাকাংক্ষী

দৈনিক অসমৰ প্ৰতিনিধি

**গুৱাহাটী, ১৯ ছেপ্টেম্বৰ ঃ** অসমীয়াৰ প্ৰাণৰ শিল্পী নৱপ্ৰজন্মৰ হাৰ্টথ্ৰ'ৰ জুবিন গাৰ্গৰ মৃত্যুৰ বাতৰিয়ে শোকাকুল পৰিৱেশৰ সৃষ্টি কৰিছে। জনপ্ৰিয় শিল্পীগৰাকীৰ আজি দিনৰ ভাগত ছিংগাপুৰত ভাৰতীয় সময় মতে ২.৪০ বজাত মৃত্যু হয়। আকস্মিকভাৱে মৃত্যু হোৱা বুলি খবৰ বিয়পি পৰাৰ লগে লগে শোকস্তব্ধ হৈ পৰে গুৱাহাটী মহানগৰ। শিল্পীগৰাকীৰ অনুৰাগী-শুভাকাংক্ষী আদিয়ে কাহিলিপাৰাৰ ভগদত্তপুৰত থকা বাসগৃহত উপস্থিত হৈ শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰাৰ লগতে শোকত ম্ৰিয়মাণ হৈ পৰে। জুবিন অনুৰাগীসকলে সংবাদ মাধ্যমৰ আগত কয়— 'জুবিনদা আমাৰ মাজত সদায় থাকিব। জুবিনদাক কেতিয়াও পাহৰিব নোৱাৰোঁ। মানুহৰ দুখ চাই থাকিব নোৱৰা জুবিন দাই সাধাৰণ মানুহৰ লগত থাকি ভাল পাইছিল। এতিয়াও বিশ্বাসেই হোৱা নাই জুবিনদা যে আমাৰ মাজত নাই। ভূপেন হাজৰিকাৰ পিছত জুবিনদা আছিল কিন্তু ইয়াৰ পিছত আৰু এনে ব্যক্তি হয়তো নোলাব। সাংস্কৃতিক জগতৰ মেৰুদণ্ড হিচাপে পৰিচিত জুবিন গাৰ্গ নোহোৱাটো আমি মানিব নোৱাৰোঁ।' উল্লেখ্য যে ৫২ বছৰত মৃত্যুবৰণ কৰা জুবিন গাৰ্গে কলাগুৰু আৰ্টিষ্ট ফাউণ্ডেচনৰ জৰিয়তে আৰ্তজনক সহায় কৰি আহিছিল। ৰাজ্যৰ লগতে দেশ-বিদেশতো সংগীতৰ জৰিয়তে জনপ্ৰিয়তা অৰ্জন কৰা জুবিন গাৰ্গে কাহিলিপাৰাৰ বাসগৃহটোৰ পৰাই নৰ্থ-ইষ্ট ফেষ্টিভেলৰ বাবে ছিংগাপুৰলৈ যাত্ৰা কৰিছিল। সুস্থ শৰীৰে ঘৰৰ পৰা যোৱা জুবিন গাৰ্গৰ শৱদেহ আহিব বুলি বিশ্বাসেই কৰিব পৰা নাই পৰিয়াল তথা আত্মীয়স্বজনে। জুবিন গাৰ্গক যে অসমীয়া মানুহে হৃদয়ৰ পৰা কেতিয়াও বিদায় দিব নোৱাৰে সেয়া আজিৰ দিনটোতে স্পষ্ট হৈ পৰিল। কাৰণ সকলোৱে একমুখে কৈছে— 'জুবিন গাৰ্গ এটা নাম নহয়, এটা সত্তা আছিল, অনুষ্ঠান আছিল।' অসমীয়া গীতৰ লগতে বলীউড তথা বিভিন্ন ভাষাত কেইবা হাজাৰ গীত গোৱা জুবিন গাৰ্গৰ আজি মৃত্যুৰ বাতৰি বিয়পি পৰাৰ পিছত তেওঁৰ অনুৰাগী তথা শুভাকাংক্ষীসকলে কান্দোনত ভাঙি পৰা দেখা যায়। আনকি বিভিন্নজনে সেই সময়ত নিজৰ কৰ্মস্থলী পৰিহাৰ কৰি বাসগৃহ অভিমুখে যোৱাও পৰিলক্ষিত হয়। অসমীয়াৰ প্ৰাণৰ শিল্পীগৰাকীৰ শনিবাৰে মৃতদেহ আহি পোৱাৰ পিছত গুৱাহাটী মহানগৰীত কি পৰিস্থিতিৰ সৃষ্টি হ'ব সেয়া আজিৰ পৰিৱেশৰ পিছত সহজেই অনুমেয়। কাহিলিপাৰাৰ বাসগৃহত জুবিনৰ পত্নী গৰিমা গাৰ্গ, পিতৃ কপিল ঠাকুৰক তেওঁলোকৰ আত্মীয়স্বজন তথা প্ৰিয়জনে সাক্ষাৎ কৰি মৃতকৰ সদগতি কামনা কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালটোক সমবেদনা জ্ঞাপন কৰে।

**জুবিনৰ মৃত্যুত প্ৰভুভক্তৰ চকুলো**

কুকুৰ যে প্ৰভুভক্ত সেয়া প্ৰমাণ কৰি দেখুৱালে জুবিনৰ জোনালীত থকা ষ্টুডিঅ'ৰ সন্মুখৰ কুকুৰটোৱে। আজি জুবিনৰ মৃত্যুৰ পিছতেই তেওঁলোকৰ বাসগৃহৰ লগতে জোনালীস্থিত ষ্টুডিঅ'লৈ অজস্ৰজনৰ আগমন ঘটাৰ সময়তে জুবিন গাৰ্গৰ ষ্টুডিঅ'ৰ সন্মুখত সদায়েই থকা কুকুৰটোৱে চকুলো টোকা বিষয়টোৱে বিশেষ তাৎপৰ্য বহন কৰিছে। কুকুৰটোক চাই ক'ব পাৰি যে শিল্পীগৰাকীয়ে মানুহৰ লগতে জীৱ-জন্তুক কিমান মৰম কৰিছিল। কাৰণ আমি জানো যে পোহনীয়া জীৱ-জন্তুৰো এখন কোমল অন্তৰ আছে।

## জনপ্ৰিয় গায়ক জুবিন গাৰ্গৰ মৃত্যুত শোক

**পূব গুৱাহাটী শাখা লেখিকা সংস্থা**

দৈনিক অসমৰ প্ৰতিনিধি

**গুৱাহাটী, ১৯ ছেপ্টেম্বৰ ঃ** অসমৰ অতি জনপ্ৰিয় গায়ক, অভিনেতা, গীতিকাৰ, চলচ্চিত্ৰ নিৰ্মাতা জুবিন গাৰ্গৰ আকস্মিক অনাকাংক্ষিত মৃত্যুত লেখিকা সংস্থা অসমৰ অন্তৰ্গত পূব গুৱাহাটী শাখা লেখিকা সংস্থাই গভীৰ শোক প্ৰকাশ কৰিছে আৰু শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে। অসামান্য সংগীত প্ৰতিভাৰ গৰাকী জুবিন গাৰ্গৰ মৃত্যু আধুনিক অসমীয়া সংগীত জগতৰ অপূৰণীয় ক্ষতি। এই ক্ষতি সহজে পূৰাব পৰা নাযাব। সংস্থাৰ সভাপতি গীতাঞ্জলি সোণোৱালে লগতে জুবিনৰ এনে আকস্মিক দুৰ্ঘটনাজনিত মৃত্যু সহজে মানি ল'ব নোৱাৰি আৰু এই কৰুণ মৃত্যুৰ উচিত তদন্তৰ দাবী জনাইছে।

**জুবিনদাই কেতিয়াও আমাৰ হৃদয়ৰ পৰা বিদায় ল'ব নোৱাৰে ঃ নৃপেন মালাকাৰ**

অসমবাসীৰ হিয়াৰ আমঠু তথা হাৰ্টথ্ৰ'ৰ জুবিন গাৰ্গৰ মৃত্যুৰ বাতৰিটোত শোকত ভাগি পৰিছোঁ। শিল্পীগৰাকীৰ মৃত্যু অসমৰ বাবে অপূৰণীয় ক্ষতি। অসম আৰু অসমীয়াৰ জাতীয় জীৱনৰ এৰাব নোৱৰা জুবিন গাৰ্গ নামৰ সত্তাটোক বি বৰুৱা কলেজত পঢ়ি থকা দিনতে লগ পোৱাৰ পিছত এক সম্পৰ্ক গঢ় লৈ উঠিছিল। ২০১৬ চনত প্ৰতিবন্ধী সুৰক্ষা সংস্থা, অসম নামৰ সংগঠনটোৰ জন্মৰ সময়ত তেওঁৰ খাৰঘুলি পাহাৰৰ ওপৰত থকা ঘৰটোত লগ কৰি যেতিয়া আমাৰ উদ্দেশ্যৰ কথা কৈছিলো একে আখৰে কৈছিল মই তহঁতৰ উপদেষ্টা দে। খুব কম মানুহ লগ পাইছো, যিয়ে একে উশাহতে এই ধৰণৰ কথা ক'ব পাৰে। এসময়ৰ কথা আমাৰ এগৰাকী দৃষ্টিহীন ভনী কিৰণক চেষ্টা কৰিছিল, চিকিৎসাৰ দ্বাৰা দৃষ্টি শক্তি ঘূৰাব পাৰে নেকি। শেহতীয়াভাৱে ২০২৩ চনত তেওঁক প্ৰতিবন্ধী লোকৰ জীৱন ধাৰণাৰ ওপৰত আমাৰ ছবি 'Rising Sun'ৰ প্ৰিমিয়াৰৰ বাবে অৱগত কৰোৱাত তেওঁ জ্যোতি চিত্ৰবনত উপস্থিত হৈ ছবিখন উপভোগ কৰি কৈছিল— ইয়াত মই আৰু দুটামান সংযোজন দিব লাগিব। সেই সংযোজন যেন আধৰুৱা হৈ ৰ'ল। জুবিন গাৰ্গ এটা নাম নহয়, এটা সত্তা আছিল, অনুষ্ঠান আছিল। জুবিনদা কেতিয়াও আমাৰ হৃদয়ৰ পৰা বিদায় ল'ব নোৱাৰে। পৃথিৱীত সূৰ্য, চন্দ্ৰ থকালৈকে জুবিনদা থাকিব অসমীয়াৰ মাজত, অসমীয়াৰ হিয়াত। চৰকাৰলৈ এটাই অনুৰোধ জুবিনদাক যেন সদায় অমৰ কৰি ৰখাৰ ব্যৱস্থা কৰে, সেয়াও হীৰুদাৰ ভাষাত... 'মৃত্যুটো এটা শিল্প, জীৱনৰ শিলত কটা নিৰ্লোভ ভাস্কৰ্য' ইয়াকে সৰোগত কৰি ভাবহীন, ভাষাহীন কৰি দাদা গ'লগৈ।

**গণনাট্য সংঘ**

আধুনিক অসমীয়া সংগীত জগতত বিশেষকৈ নতুন প্ৰজন্মৰ মাজত বিশেষভাৱে একপ্ৰকাৰ আলোড়ন সৃষ্টি কৰিবলৈ সক্ষম হোৱা অসমৰ অন্যতম গায়ক-গীতিকাৰ-বোলছবি নিৰ্মাতা জুবিন গাৰ্গৰ আকস্মিক মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে ভাৰতীয় গণনাট্য সংঘৰ অসম ৰাজ্যিক সমিতিয়ে। সংবাদ মাধ্যমৰ জ্ঞাতাৰ্থে প্ৰেৰণ কৰা এক প্ৰেছ বিবৃতিযোগে এই কথা জানিবলৈ দি সংঘৰ ৰাজ্যিক সভাপতি শৰৎ চন্দ্ৰ নেওগ আৰু প্ৰধান সম্পাদক বিপুল তালুকদাৰে উল্লেখ কৰে যে এগৰাকী সুকণ্ঠৰ অধিকাৰী জুবিন গাৰ্গ কেৱল এগৰাকী গায়কেই নাছিল, নিজে গীত ৰচনা কৰি নিজে সুৰ সংযোজন কৰি, জীৱনৰ ইমান কম সময়ৰ বয়সতে কেইবা হাজাৰ গান গোৱাৰ বিৰল অধিকাৰী শিল্পী আছিল জুবিন গাৰ্গ। তাৰ উপৰি আধুনিক বোলছবি নিৰ্মাণৰ ক্ষেত্ৰতো কম সময়ৰ ভিতৰতে পাৰদৰ্শিতা প্ৰদৰ্শন কৰিবলৈও সক্ষম হৈছিল। জীৱনৰ ইমান কম সময়ৰ ভিতৰতে তেওঁৰ মৃত্যুত অসমৰ সংগীত-শিল্পী জগতৰ অভাৱনীয় ক্ষতি হ'ল বুলি উল্লেখ কৰি সংঘৰ ৰাজ্যিক বিষয়ববীয়াদ্বয়ে গভীৰ শোক প্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গ আৰু গুণমুগ্ধসকললৈ সমবেদনা জ্ঞাপন কৰিছে।



## পানীখাইতিৰ উৰণসেতু জুবিন গাৰ্গৰ নামেৰে নামকৰণৰ আহ্বান চন্দ্ৰপুৰ আছুৰ

দৈনিক অসমৰ প্ৰতিনিধি

**গুৱাহাটী, ১৯ ছেপ্টেম্বৰ ঃ** অসমীয়াৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে চন্দ্ৰপুৰ আঞ্চলিক ছাত্ৰ সন্থাই। লগতে চন্দ্ৰপুৰ আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি চানবলী মাহাতো আৰু সাধাৰণ সম্পাদক দীপজ্যোতি লহকৰে পানীখাইতি নিৰ্মীয়মাণ ৰে'লৰে উৰণীয়া সেতুখন জুবিন গাৰ্গৰ নামৰে নামকৰণ কৰিবলৈ চৰকাৰক অনুৰোধ জনায়। এই সন্দৰ্ভত আজি সন্ধিয়া অনুষ্ঠিত এক অনুস্তূপীয়া কাৰ্যসূচীত সদৌ কামৰূপ মহানগৰ জিলা ছাত্ৰ সন্থাৰ উপ-সভাপতি ৰমেন ঠাকুৰীয়া আৰু বিশ্বজিৎ দাস, সহকাৰী সাধাৰণ সম্পাদক মৃদুল কুমাৰ দাস, সাংগঠনিক সম্পাদক দুলজিৎ তালুকদাৰ, ক্ৰীড়া সম্পাদক নিতুল কলিতা, সাহিত্য সম্পাদক সৌৰভ দাস, চন্দ্ৰপুৰ জ্যেষ্ঠ নাগৰিক সন্থাৰ সভাপতি বিযুঃৰাম বড়ো, চন্দ্ৰপুৰ নাগৰিক সমিতিৰ সভাপতি নৰেশ্বৰ বসুমতাৰীকে প্ৰমুখ্য কৰি ছাত্ৰ সন্থাৰ কৰ্মকৰ্তা আৰু স্থানীয় ৰাইজ উপস্থিত থাকে।



*নিজে কেচিঅ' বজাই গান গাই থকাৰ মুহূৰ্তত জুবিন গাৰ্গ, ফাইল ফটো*

**জ্যোতি চিত্ৰবনত সীমান্ত চেতনা মঞ্চৰ তথ্য চলচ্চিত্ৰ মহোৎসৱ ঃ আধাতে সামৰিলে অনুষ্ঠান**

# চিনেমাৰ কোনো ভৌগোলিক পৰিসীমা নাইঃ মঞ্জু বৰা

দৈনিক অসমৰ প্ৰতিনিধি

**গুৱাহাটী, ১৯ ছেপ্টেম্বৰ ঃ** চিনেমাৰ কোনো ভৌগোলিক পৰিসীমা নাই। চিনেমাই এটা জাতিৰ পৰিচয় দাঙি ধৰাত সহায় কৰে। নিজৰ জাতি-মাটিক লৈ চিনেমা নিৰ্মাণ কৰাতো এটা উত্তম কাম। আমাৰ সীমান্ত অঞ্চলৰ লোকসকলৰ জীৱন যাত্ৰা বহু ক্ষেত্ৰত কষ্টকৰ। দুৰ্গম সীমান্ত অঞ্চলৰ মানুহৰ বাবে বিভিন্ন দিশত কাম কৰি অহা সীমান্ত চেতনা মঞ্চ পূৰ্বোত্তৰে অনুষ্ঠিত কৰা ছ'ল তথ্য চলচ্চিত্ৰ মহোৎসৱে নিঃসন্দেহে উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ মাজত একতাৰ এনাজৰীডাল অধিক কটকটীয়া কৰিব। এই মন্তব্য বিশিষ্ট চলচ্চিত্ৰ নিৰ্মাতা তথা প্ৰযোজক মঞ্জু বৰাৰ। আজি জ্যোতি চিত্ৰবনত সীমান্ত চেতনা মঞ্চ পূৰ্বোত্তৰে আয়োজন কৰা ছ'ল তথ্য চলচ্চিত্ৰ মহোৎসৱৰ উদ্বোধনী অনুষ্ঠানত বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰি তেওঁ এইদৰে কয়। ভাৰত চৰকাৰৰ তথ্য আৰু সম্প্ৰচাৰ বিভাগৰ ৰাজ্য মন্ত্ৰী ডঃ এল মুৰুগনে এগছি বন্তি প্ৰজ্বলন কৰি এই ছ'ল তথ্য চলচ্চিত্ৰ মহোৎসৱ আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। উদ্বোধনী ভাষণত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে উত্তৰ-পূৰ্বাঞ্চলৰ কলা-সংস্কৃতিৰ জগতখনৰ লগত জড়িত ব্যক্তিসকলৰ পাৰদৰ্শিতাৰ কথা উল্লেখ কৰি কয় যে দেশৰ চিনেমাৰ জগতখনত উত্তৰ-পূৰ্বাঞ্চলৰ শিল্পীসকলে সদায় আগস্থান দখল কৰি আহিছে। ৰাষ্ট্ৰীয় পৰ্যায়ত অনুষ্ঠিত বিভিন্ন প্ৰতিযোগিতাত উত্তৰ-পূৰ্বাঞ্চলৰ শিল্পীসকলে নিৰ্মাণ কৰা চিনেমাই শ্ৰেষ্ঠ পুৰস্কাৰ লাভ কৰিবলৈও সক্ষম হৈছে। সময়ৰ পৰিৱৰ্তনৰ লগে লগে চিনেমাৰ জগতখনৰো দ্ৰুত পৰিৱৰ্তন হোৱা বুলি উল্লেখ কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ নেতৃত্বত চিনেমাকে ধৰি সকলো ক্ষেত্ৰতে দেশ উন্নতিৰ দিশে আগবঢ়া বুলিও উল্লেখ কৰে। সমাজৰ বিভিন্ন স্তৰত প্ৰচলিত পৰম্পৰাগত ৰীতি-নীতিসমূহৰ প্ৰচাৰ, প্ৰসাৰ আৰু সংৰক্ষণৰ উদ্দেশ্যে আয়োজিত 'SOUL- Stories of Unity, Land & Culture' শীৰ্ষক এই চলচ্চিত্ৰ মহোৎসৱৰ অধ্যক্ষ তথা অৱসৰপ্ৰাপ্ত আইপিএছ বিষয়া প্ৰদীপ কুমাৰে আদৰণী ভাষণ দিয়া অনুষ্ঠানত মহোৎসৱৰ সঞ্চালক (আই.এ.এছ.) মনিতা বৰগোহাঁই, জ্যোতি চিত্ৰবনৰ অধ্যক্ষ বিদ্যাসাগৰ, সীমান্ত চেতনা মঞ্চ পূৰ্বোত্তৰৰ সম্পাদক ড° বিনীতা ভাগৱতী, নাগালেণ্ড চৰকাৰৰ মিনাৰেল ডেভেলপমেণ্ট কৰ্প'ৰেচনৰ চেয়াৰমেন কুপ্ত ছ'হে প্ৰমুখ্যে কেইবাগৰাকী বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। উদ্বোধনী অনুষ্ঠানত চলচ্চিত্ৰ মহোৎসৱৰ উপলক্ষে প্ৰকাশ কৰি উলিওৱা এখন স্মৰণিকাও উন্মোচন কৰে কেন্দ্ৰীয় মন্ত্ৰী ডঃ এল মুৰুগনে। উল্লেখ্য যে আজিৰে পৰা তিনিদিনীয়া কাৰ্যসূচীৰে এই চলচ্চিত্ৰ মহোৎসৱ আৰম্ভ হোৱাৰ কিছু সময় পিছতে জনপ্ৰিয় শিল্পী জুবিন গাৰ্গৰ আকস্মিক মৃত্যুৰ খবৰ লাভ কৰাৰ লগে লগে শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনাই চলচ্চিত্ৰ মহোৎসৱৰ কাৰ্যসূচী সাময়িকভাৱে স্থগিত ৰখা হয়। সীমান্ত চেতনা মঞ্চ পূৰ্বোত্তৰে জনপ্ৰিয় শিল্পী জুবিন গাৰ্গৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰি পৰিয়ালবৰ্গক সমবেদনা জ্ঞাপন কৰিছে। একেদৰে জ্যোতি চিত্ৰবনৰ অধ্যক্ষ বিদ্যা সাগৰেও জুবিন গাৰ্গৰ অকাল মৃত্যুত গভীৰ শোক প্ৰকাশ কৰি তেওঁৰ মৃত্যুত ৰাজ্যবাসীয়ে সাংস্কৃতিক ক্ষেত্ৰৰ এক অমূল্য সম্পদ হেৰুওৱা বুলি মত প্ৰকাশ কৰিছে।



## জুবিন গাৰ্গৰ মৃত্যুত শোক প্ৰকাশ মাৰোৱাৰী সন্মিলনৰ

দৈনিক অসমৰ প্ৰতিনিধি

**গুৱাহাটী, ১৯ ছেপ্টেম্বৰ ঃ** অসমৰ হৃদস্পন্দন হিচাপে পৰিচিত প্ৰখ্যাত গায়ক আৰু শিল্পী জুবিন গাৰ্গৰ হঠাৎ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে উত্তৰ-পূব প্ৰাদেশিক মাৰোৱাৰী সন্মিলন পৰিয়ালে। এই দুখৰ খবৰ পোৱাৰ লগে লগে সকলো দুখত ভাঙি পৰে আৰু সমগ্ৰ নৱৰাত্ৰি উৎসৱত শোকাকুল পৰিৱেশৰ সৃষ্টি হয়। উত্তৰ-পূৰ্বাঞ্চলৰ সভাপতি কৈলাস কাবৰাই ইয়াক হৃদয়বিদাৰক ক্ষতি বুলি অভিহিত কৰি কেৱল অসমৰ বাবেই নহয়, বিশ্বৰ বাবেও এক বৃহৎ ক্ষতি বুলি অভিহিত কৰে, যাৰ ক্ষতিপূৰণ দিব নোৱাৰি। সমগ্ৰ মাৰোৱাৰী সমাজ আজি স্তম্ভিত। অসমৰ উজ্জ্বল দিগন্তৰ পৰা এটা উজ্জ্বল তৰা পৰি চিৰন্তন যাত্ৰাত ৰাওনা হৈছে। অশ্ৰুসিক্ত শ্ৰদ্ধাঞ্জলি।

## প্ৰাক্তন ছাত্ৰ সতীৰ্থ সন্মিলনৰ শোক

দৈনিক অসমৰ প্ৰতিনিধি

**গুৱাহাটী, ১৯ ছেপ্টেম্বৰ ঃ** সংগীত শিল্পী জুবিন গাৰ্গৰ আকস্মিক বিয়োগত প্ৰাক্তন ছাত্ৰ সতীৰ্থ সন্মিলনৰ সভাপতিদ্বয় প্ৰবীণ বড়ো, শংকৰ প্ৰসাদ ৰায় আৰু সাধাৰণ সম্পাদকদ্বয় কমলেশ ডেকা, হিতেশ্বৰ ফুকনে গভীৰ শোক প্ৰকাশ কৰে আৰু শোকসন্তপ্ত পৰিয়ালবৰ্গক সমবেদনা জ্ঞাপন কৰে। মৰমৰ শিল্পীগৰাকীৰ অকাল মৃত্যু ৰাজ্যখনৰ বাবে এক অপূৰণীয় ক্ষতি।



অৰুণাচল সীমান্তত ৰাজ্য চৰকাৰৰ উন্নয়নৰ নমুনা

## বাঁহৰ দলঙেৰে যাতায়াত ৰঙাডি ৰিজাৰ্ভবাসীৰ

দৈনিক অসমৰ প্ৰতিনিধি

**বান্দৰদেৱা, ১৯ ছেপ্টেম্বৰ ঃ** ৰাজ্য চৰকাৰৰ সীমান্ত উন্নয়ন বিভাগৰ বাস্তৱ ছবিখন জিলিকি উঠিছে অসম-অৰুণাচল সীমাৰ লখিমপুৰ জিলাৰ ৰঙাডি ৰিজাৰ্ভত। এফালে উন্নয়নৰ ফোঁপোলা স্বৰূপ, আনফালে অৰুণাচলীৰ আগ্ৰাসনে জুৰুলা কৰিছে সীমান্তঅঞ্চলবাসীক। সীমা সমস্যাৰে জৰ্জৰিত ৰঙাডি ৰিজাৰ্ভত নাই বিশুদ্ধ খোৱাপানীৰ ব্যৱস্থা। যাতায়াত, চিকিৎসা সেৱা, অনাময় আঁচনিলৈকে একোৱেই সুবিধা নথকা অনগ্ৰসৰ অঞ্চলটোত সীমাবাসীয়ে জীৱন আৰু জীৱিকাৰ বাবে যুঁজি আছে। দৈনিক হাজিৰা কৰি পৰিয়াল পোহপাল দিয়া অঞ্চলটোৰ বাসিন্দা আজিও বঞ্চিত ৰেচন কাৰ্ডৰ পৰা। পেটৰ তাড়নাত এমুঠি আহাৰৰ বাবে হাহাকাৰ কৰি থকা লোকসকলৰ দুৰ্বলতাৰ সুযোগ গ্ৰহণ কৰিছে চুবুৰীয়া ৰাজ্যখনৰ বাসিন্দাসকলে। অধিক দাম দি দৰিদ্ৰ লোকসকলৰ ভূমি ক্ৰয় কৰি ঘৰ-দুৱাৰ সাজি অসমৰ মাটিত বসবাস কৰি আছিছে যদিও ৰাজ্য চৰকাৰৰ এইক্ষেত্ৰত যেন কোনো কৰণীয় নাই বুলিয়েই সৰ্বত্ৰ এনে ধাৰণাৰ সৃষ্টি হৈছে। মন কৰিবলগীয়া যে ৰঙাডি ৰিজাৰ্ভৰ মইনাজুলিৰ বিহাৰী গাঁৱৰ পথছোৱা ইমানেই জৰাজীৰ্ণ যে খোজকাঢ়ি যাবলৈও ভাবিব লাগে। এখন বাঁহৰ দলঙেৰে অহা-যোৱা কৰিব লগা পথটোত চৰকাৰে স্থায়ী দলঙৰ ব্যৱস্থা কৰা নাই। আনকি অৰুণাচলীৰ আগ্ৰাসন ৰোধ কৰিবৰ বাবে স্থানীয় সচেতন ব্যক্তিসকলৰ প্ৰচেষ্টাত ১৯৮০ চনতে প্ৰতিষ্ঠা হোৱা মইনাজুলি প্ৰাথমিক বিদ্যালয়খনো চৰকাৰী স্বীকৃতিৰ পৰা বঞ্চিত হৈ আছে। গাতে লাগি থকা অৰুণাচল প্ৰদেশৰ অঞ্চলবোৰৰ তুলনাত মইনাজুলিৰ বাট-পথৰ আকাশ-পাতাল পাৰ্থক্য। তেনে পৰিস্থিতিত অৰুণাচলীসকলে অসমৰ দৰিদ্ৰ লোকসকলক সপোন দেখুৱাই মাটি ক্ৰয় কৰি অসমৰ মাটি অৰুণাচলৰ অধীন কৰিবলৈ চেষ্টা অব্যাহত ৰাখিছে। এইক্ষেত্ৰত অৰুণাচল প্ৰদেশ চৰকাৰেও তেওঁলোকক সহায় কৰি আছিছে। কিন্তু ইয়াৰ বিপৰীতে অসম চৰকাৰে সীমান্তবাসীক কোনো সুবিধা আগবঢ়াব পৰা নাই।

জাননী অবিহনে নিপকোৱে এৰি দিলে পানী

# ধনশিৰিৰ পানীত বুৰিল কৃষকৰ সপোন

দৈনিক অসমৰ প্ৰতিনিধি

**গোলাঘাট, ১৯ ছেপ্টেম্বৰ ঃ** দৈয়াং হাইড্ৰ' ইলেকট্ৰিক প্ৰকল্পৰ পানী হঠাতে খুলি দিয়াৰ ফলত দৈয়াং আৰু ধনশিৰি নদীৰ পাৰত ধান আৰু বৰি শস্যৰ খেতি কৰা কৃষকসকলে ভৱিষ্যতে আহিবলগীয়া সময়ছোৱাত কেনেদৰে বছৰৰ ভাতমুঠি গোটাব তাক লৈ চিন্তিত হৈ পৰিছে। নগালেণ্ডৰ উযাত থকা নিপক' নৈৰ পাৱৰ ৰাইজক কোনো জাননী নিদিয়াকৈ ১৫ ছেপ্টেম্বৰত হঠাতে পানী এৰি দিয়ে। প্ৰাকৃতিকভাৱে কৃষকৰ সহায়ক তথা মাতৃ হৈ পৰা দৈয়াং নদীখন হঠাতে ফেনে-ফুটুকাৰে ওফন্দি পৰাত কিংকৰ্তব্যবিমূঢ় কৃষকৰ শ শ বিঘা ধানখেতিৰ লগতে জিকা, ভোল, ভেন্দি, বিলাহী, লাই, পালেং আদিৰ লগতে নতুনকৈ পচোৱা কবিকে ধৰি বিভিন্ন পুলি পানীত বুৰ যায়। মলাহাৰিটুপৰ টেংগিং গাঁও, দীঘলা শইকীয়া, মুকুট শইকীয়া, কৃষ্ণ বৰা আদি প্ৰায় ত্ৰিশঘৰ লোকৰ এশ বিঘাৰো অধিক শস্য তিনিদিন ধৰি পানীৰ তলত বুৰ গৈ আছে। কাষৰে জামুগুৰিৰ 'বিলটুপ' এলেকাৰ চন্দ্ৰ শইকীয়া, বোধেন শইকীয়া, ত্ৰিদেশ্বৰ, কদেশ্বৰ শইকীয়া আদি ৬০ঘৰকাকীয়ো অধিক লোকৰ ধান আৰু ৰবিশস্যতলী বালিয়ে পুতি পেলোৱাত ধ্বংস হ'ল। কালুজানৰ বীৰেন শইকীয়া, বদন শইকীয়া, আদি কৃষকৰো অনুৰূপ অৱস্থা। গুৱালটুপৰ দিলোৱাৰ, সুভাষ পাল, অশোক দত্ত, যদু দত্ত, জীৱন বসুমতাৰী আদি বহু কৃষকৰ ৫০ৰো অধিক বৰি শস্য ভূমি নিপক'ৰে সৃষ্টি কৰা বানপানীত নষ্ট হ'ল। ঠিক তেনেদৰে শগুনপাৰাতো বহু কৃষকে বালিৰে পোতা কৃষিপথাৰলৈ চাই চকুলো টুকিছে। দৈয়াং নদীখন দুইনে সুঁতীমুখত ধনশিৰি নদীৰ সৈতে সংগম হোৱাত দুখন নদীৰ পানীয়ে গোলাঘাটৰ মাইনাপাৰা, কাঠকটীয়া আদি এলেকাও প্লাৱিত কৰে। ফলত কৃষকসকলে অতি কষ্ট আৰু ধন খৰচ কৰি গঢ়ি তোলা শ শ বিঘা শস্য নষ্ট হ'ল। গোলাঘাটৰ অন্যতম কৃষিজাত ফচলৰ ভঁৰাল হিচাপে জনাজাত এই এলেকা সমূহৰপৰা উৎপাদন হোৱা শাক-পাচলি উজনিৰ তিনিচুকীয়া, ডিব্ৰুগড়, যোৰহাট, নগাঁও, গুৱাহাটীৰ উপৰি কায়বীয়া নগালেণ্ডলৈও ৰপ্তানি কৰা হয়। কিন্তু বলিয়া বানে এইবাৰ সকলো নিঃশেষ কৰি কৃষকৰ সপোন ছৰখাৰ কৰিলে। নৈৰ পাৰত গজি উঠা অপতৃণ পাৰ্থেনিয়াম ধ্বংস কৰি হাল বাই বিভিন্ন উৎসৰ পৰা ঋণ লৈ বহু ধন খৰচ কৰি খেতি কৰিছিল। নৈৰ পাৰৰ মাটি হোৱাৰ বাবে পট্টা নোহোৱাত এইসকলৰ বহুতৰ কৃষিবিভাগৰ ফচলৰ বীমা আঁচনিতো অন্তৰ্ভুক্ত নহ'ল। ফলত কৃষকসকলে কপালৰ ঘাম মাটিত পেলাই গঢ়ি তোলা কৃষি পথাৰলৈ চাই হুমুনিয়াহ কাঢ়িব লগা হৈছে। উল্লেখ্য যে ২০১৮ চনতো নিপক'ৰে অনুৰূপ ঘটনা সংঘটিত কৰাত বৰ্তমানৰ খুমটাইৰ বিধায়ক মৃণাল শইকীয়াৰ নিপক'ৰ বিৰুদ্ধে গোচৰ তৰিছিল। কিন্তু ক্ষতিগ্ৰস্ত কৃষকসকলে সাহায্যৰ নামত ফুটাকড়ি এটাও নাপালে।

নলা-নৰ্দমা নথকাত জীয়াতু ভুগিছে ৰাইজে

## এজাক বৰষুণতে কদৰ্যময় গোগামুখ

দৈনিক অসমৰ প্ৰতিনিধি

**গোগামুখ, ১৯ ছেপ্টেম্বৰ ঃ** উন্নয়নৰ ঢাক-ঢোল বজোৱাৰ সময়তে এতিয়া দেখা গৈছে উন্নয়নৰ ফোঁপোলা স্বৰূপ। স্বয়ং শিক্ষা মন্ত্ৰীৰ গৃহ সমষ্টিত এজাক বৰষুণতে বোকা-পানীয়ে উপচি পৰি এক কদৰ্যময় নগৰলৈ পৰ্যবসিত গোগামুখ। নগৰখনৰ বাট-পথৰ সমস্যাই এতিয়া ৰাইজক বাৰুকৈয়ে জ্বলা-কলা খুৱাইছে। নিৰ্বাচনৰ সময়ত আধুনিক ৰূপত সজাই-পৰাই তোলাৰ সপোন দেখুওৱা চৰকাৰখনৰ বিগত সময়ৰ কাৰ্যকলাপে ক্ষুণ্ণ কৰি তুলিছে। কিন্তু নিৰ্বাচনী বৈতৰণী পাৰ হোৱাৰ পাছত ৰাইজৰ আশা-আকাংক্ষাক অংগুষ্ঠ প্ৰদৰ্শন কৰি অহাৰ অভিযোগ ৰাইজৰ মুখে মুখে। সততে দম্ভালি মাৰি ফুৰা একাংশ নেতা-পালিনেতাই ভাষণৰ ফুলজাৰি মৰাৰ উপৰি ভাষণত বিজেপি নেতৃত্বত উন্নয়নৰ গতি ত্বৰান্বিত হোৱা বুলি ঢেঁটু ফালি চিঞৰি থাকিলেও বাস্তৱত ইয়াৰ বিপৰীত ছবিহে দেখিবলৈ পোৱা গৈছে। ধেমাজি সমষ্টিৰ বিধায়ক তথা শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ গৃহ সমষ্টিত বাট-পথৰ বোকা-পানীৰ বাবে ৰাইজে দুৰ্ভোগ ভুগিব লগা হৈছে। উল্লেখ্য যে উত্তৰ অসমৰ ভিতৰত অন্যতম ব্যস্ত তথা বাণিজ্যিক চহৰ গোগামুখ। বৰষুণ দিলেই গোগামুখ, ঢকুৱাখনা, মাজুলীলৈ যোৱা ৰাজ্যিক গড়কাপ্তানি পথটো সম্প্ৰতি বোকা-পানীৰ লগতে পথটোত প্ৰকাণ্ড প্ৰকাণ্ড গাঁত সৃষ্টি হোৱাত যাতায়াতৰ ক্ষেত্ৰত ৰাইজৰ লগতে পথচাৰীয়ে দুৰ্ভোগ ভুগিব লগা হৈছে। অতিকৈ গুৰুত্বপূৰ্ণ পথটোত কেইবাখনো বিদ্যালয়, মহাবিদ্যালয় তথা গোগামুখ চিকিৎসালয়লৈ অহা-যোৱা কৰা ছাত্ৰ-ছাত্ৰীসকলো সৰ্বস্বান্ত হোৱা পৰিলক্ষিত হৈছে। গোগামুখ নগৰখন সম্প্ৰতি বোকা-পানীয়ে উপচি এক কদৰ্যময় নগৰীলৈ পৰ্যবসিত হোৱা পৰিলক্ষিত হৈছে। গোগামুখ নগৰখনত নলা-নৰ্দমা নিৰ্মাণ নকৰা ফলত বোকা-পানীৰে উপচি এক কদৰ্যময় পৰিৱেশ সৃষ্টি হয়। ফলত ৰাইজে জীয়াতু ভুগিবলগীয়া হৈছে বুলি অভিযোগ তুলিছে। ইফালে স্থানীয় বিধায়ক তথা শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৰ গৃহ সমষ্টিতে ৰাইজে দুৰ্ভোগ ভুগিব লগা হোৱাত তীব্ৰ ক্ষোভ প্ৰকাশ কৰিছে। নিৰ্বাচনৰ সময়ত সমষ্টিবাসীক গোগামুখ নগৰখন সজাই পৰাই তোলাৰ লগতে নলা-নৰ্দমাসমূহ নিৰ্মাণৰ আশ্বাস আৰু প্ৰতিশ্ৰুতি প্ৰদান কৰিছিল যদিও পৰৱৰ্তী সময়ত কোনো ধৰণৰ পদক্ষেপ গ্ৰহণ নকৰাত স্থানীয় ৰাইজে ক্ষোভ প্ৰকাশ কৰিছে। সেইদৰে গোগামুখ নগৰৰ মাজেৰে যোৱা ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথৰ লগতে গোগামুখ, ঢকুৱাখনা আৰু মাজুলীলৈ যোৱা ৰাজ্যিক গড়কাপ্টানি পথটোত প্ৰকাণ্ড প্ৰকাণ্ড গাঁত সৃষ্টি হোৱাত মৰণফান্দত পৰিণত হৈছে। যাতায়াতৰ ক্ষেত্ৰত সম্প্ৰতি জৰাজীৰ্ণ ৰূপ ধাৰণ কৰাত দিনক দিনে পথ দুৰ্ঘটনা বৃদ্ধি পোৱাৰ লগতে যান-বাহন চলাচলত ব্যাঘাত জন্মিছে। গোগামুখ, ঢকুৱাখনা, মাজুলীলৈ যোৱা ৰাজ্যিক গড়কাপ্টানি পথটো গোগামুখবাসীৰ বাবে অতি গুৰুত্বপূৰ্ণ পথ যদিও স্থানীয় দল-সংগঠনৰ বেপেৰোৱা নীতিৰ বাবেই নীৰৱ ভূমিকা গ্ৰহণ কৰা বুলি সৰ্বত্ৰ চৰ্চা চলিছে।



## নাজিৰাত 'সেৱা সপ্তাহ'ৰ আয়োজন

দৈনিক অসমৰ প্ৰতিনিধি

**শিমলুগুৰি, ১৯ ছেপ্টেম্বৰ ঃ** নাজিৰা সমজিলাখনক সম্পূৰ্ণৰূপে যক্ষ্মামুক্ত কৰাৰ লক্ষ্যৰে তথা যক্ষ্মাত আক্ৰান্ত ৰোগীসকলক পৰিপুষ্টি প্ৰদানৰ উদ্দেশ্যে 'সেৱা সপ্তাহ'ৰ অংশস্বৰূপে অহা ২২ ছেপ্টেম্বৰত 'নি-ক্ষয় মিত্ৰ'সকলৰ সহযোগিতাত বিধানসভা সমষ্টি পৰ্যায়ত আনুষ্ঠানিকভাৱে ৰোগীসকলৰ মাজত পুষ্টিকৰ খাদ্যৰ টোপোলা বিতৰণ কৰা হ'ব। এই অনুষ্ঠানটি অহা ২২ ছেপ্টেম্বৰত নাজিৰা বিধানসভা সমষ্টিৰ বাবে নাজিৰা নাট্য মন্দিৰত অনুষ্ঠিত হ'ব।নি-ক্ষয় মিত্ৰ হিচাপে পঞ্জীয়নভুক্ত হ'বলৈ জিলা যক্ষ্মাৰোগ নিয়ন্ত্ৰণ গোটৰ লগতে জিলা যক্ষ্মাৰোগ বিষয়া ডাঃ দ্বিজেন কোচৰ সৈতে যোগাযোগ কৰিব পাৰিব। আনহাতে, এই সন্দৰ্ভত বিতংকৈ জানিবৰ বাবে ৭০০২৭-৬৭২৩০ আৰু ৯৬৭৮১-৭১৫২৭ নম্বৰত ম'বাইল ফোনযোগে যোগাযোগ কৰিব পাৰিব বুলি কোৱা হৈছে।

## মুম্বাইত ৰহস্যজনকভাৱে মৃত্যু ডিমৌৰ যুৱকৰ

দৈনিক অসমৰ প্ৰতিনিধি

**ডিমৌ, ১৯ ছেপ্টেম্বৰ ঃ** ডিমৌ কুশল পথৰ এজন যুৱকে ৰহস্যজনক পৰিস্থিতিত মুম্বাইত প্ৰাণ হেৰুওৱা ঘটনাই শোকৰ ছাঁ পেলাইছে ডিমৌত। চলিত বৰ্ষৰ জুলাই মাহত ভাৰতীয় ষ্টেট বেংকৰ মুম্বাইৰ বেলাপুৰস্থিত মুখ্য কাৰ্যালয়ত চাকৰিত যোগদান কৰিছিল ডিমৌৰ চিন্ময় দিহিঙীয়া নামৰ যুৱকজনে। ডিমৌ কুশল পথ নিবাসী অৱসৰপ্ৰাপ্ত প্ৰশাসনিক বিষয়া ভীমকান্ত দিহিঙীয়াৰ কনিষ্ঠ পুত্ৰ চিন্ময় দিহিঙীয়াই এছ বি আইৰ চাকৰিসূত্ৰে মুম্বাইত এক ভাৰাঘৰত থাকিবলৈ লৈছিল। ১৮ ছেপ্টেম্বৰৰ পুৱা উক্ত ভাৰাঘৰতে ডিমৌৰ যুৱকজনৰ মৃতদেহ উদ্ধাৰ হোৱা বুলি পৰিয়ালৰ লোকে খবৰ লাভ কৰে।

## আশ্ৰয় শিবিৰত সৰুপথাৰৰ দুই সহস্ৰাধিক বানপীড়িত

দৈনিক অসমৰ প্ৰতিনিধি

**ধনশিৰি, ১৯ ছেপ্টেম্বৰ ঃ** চুবুৰীয়া নাগালেণ্ডত অলপতে হোৱা ধাৰাসাৰ বৰষুণৰ ফলত ফেনে-ফুটুকাৰে বাঢ়ি অহা ধনশিৰি আৰু দৈয়াং নদীৰ জলস্তৰ ক্ৰমাত নিম্নগামী হৈছে। আনহাতে, সৰুপথাৰ সমজিলাৰ বান পৰিস্থিতিৰ বিশেষ পৰিবৰ্তন হোৱা নাই। উল্লেখ্য যে চৰকাৰী তথ্য মতে চলিত ভৰীয়া বানত সমজিলাখনৰ ২৯খন গাঁৱৰ প্ৰায় ২,৩৮৯ঘৰকাৰী লোক আৰু প্ৰায় ২,২০৬টা পশুধন বানৰ কবলত পৰে। প্ৰশাসনে বানাক্ৰান্ত লোকসকলৰ বাবে সমজিলাখনৰ কেইবাঠাইতো মুঠ ৮টা আশ্ৰয় শিবিৰ মুকলি কৰি সাহায্য বিতৰণ অব্যাহত ৰাখিছে। অঞ্চলটোৰ বহু ধান খেতিৰ ক্ষেত্ৰৰপৰা পানী ওলাই নোযোৱাৰ ফলত কৃষি নষ্ট হোৱাৰ আশংকাত ভুগিছে সমজিলাখনৰ একাংশ কৃষকে।

## জাঁজী-নগালেণ্ড সংযোগী ৰাষ্ট্ৰীয় ঘাইপথত সঘন দুৰ্ঘটনা

দৈনিক অসমৰ প্ৰতিনিধি

**আমগুৰি, ১৯ ছেপ্টেম্বৰ ঃ** অসমৰ চুবুৰীয়া ৰাজ্য নাগালেণ্ডক সংযোগ কৰা আমগুৰি নগৰৰ মাজেদি যোৱা জাঁজী-নগালেণ্ড সংযোগী ৬১ নং ৰাষ্ট্ৰীয় ঘাইপথটো বিভিন্ন স্থানত পুখুৰীসদৃশ দ গাঁতৰ সৃষ্টি হৈ সঘন দুৰ্ঘটনা সংঘটিত হৈ আহিছে। পথটোৰ মেৰামতিৰ দাবীত বীৰ লাচিত সেনা অসমৰ আমগুৰি আঞ্চলিক সমিতিয়ে আমগুৰি ৰাজহচক্ৰ বিষয়াৰ যোগেদি শিৱসাগৰ জিলা আয়ুক্তলৈ এখন স্মাৰকপত্ৰ প্ৰেৰণ কৰিছিল যদিও আজিও পথটো মেৰামতিত গুৰুত্ব আৰোপ নকৰাৰ অভিযোগ উত্থাপন হৈছে। উল্লেখ্য যে আমগুৰি তথা উপকণ্ঠ অঞ্চলৰ লগতে চুবুৰীয়া ৰাজ্য নাগালেণ্ডৰ কামিহাড়স্বৰূপ ৬১ নং ৰাষ্ট্ৰীয় ঘাইপথটো বৰ্তমান ক্ৰমাৎ বিধ্বস্ত হৈ পৰিছে। চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথলৈ দিনে-নিশাই বৃহৎ বৃহৎ গাড়ীয়ে অত্যধিক বোজা কঢ়িওৱাৰ ফলত দিনক দিনে ৰাষ্ট্ৰীয় ঘাইপথটোৰ বিভিন্ন অংশত গাঁতৰ সৃষ্টি হোৱা দেখিবলৈ পোৱা গৈছে। চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় পথ শীঘ্ৰেই নিৰ্মাণৰ নামত ৬১ নং ৰাষ্ট্ৰীয় ঘাইপথটো ধ্বংস হৈ যোৱাৰ আশংকা কৰি সংগঠনটোৱে কয় যে ৰাষ্ট্ৰীয় ঘাইপথটোৰেদি বৰ্তমান সৰু গাড়ী বা মটৰচাইকেল আদিৰে যাতায়াত কৰাত অসুবিধাৰ সৃষ্টি হৈছে। স্কুল-কলেজলৈ অহা-যোৱা কৰা ছাত্ৰ-ছাত্ৰীৰ সুৰক্ষাৰ প্ৰতিও প্ৰশ্ন উত্থাপন হৈছে। বীৰ লাচিত সেনা নামৰ সংগঠনটোৱে জিলা আয়ুক্তক ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণ বা বিভাগীয় কৰ্তৃপক্ষৰ যোগেদি ৬১ নং জাঁজী-হালোৱাটিং নাগালেণ্ড সংযোগী ৰাষ্ট্ৰীয় ঘাইপথটিত কোনো ধৰণৰ দুৰ্ঘটনা সংঘটিত হোৱাৰ আগতেই শীঘ্ৰে নিৰ্মাণৰ দাবী জনাই যদিও কোনো গুৰুত্ব আৰোপ কৰা নাই। বিশেষকৈ জাঁজীৰপৰা আমগুৰি সংযোগী অংশত এজাক বৰষুণ দিলেই গাঁতবিলাক পুখুৰীলৈ পৰ্যবসিত হয়। হালোৱাটিং নগৰত বজাৰৰ অংশত, হালোৱাটিং কেঁকুৰিত পথটো বিধ্বস্ত হৈ উঠিছে। বহুকেইটা দুৰ্ঘটনাত কেইবাজনো লোকে প্ৰাণ হেৰুৱাইছে। ইয়াৰ পাছতো ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণৰ কোনো গুৰুত্ব নাই। দুখন ৰাজ্যৰ সংযোগস্থল যাতায়াত, বাণিজ্য, অৰ্থনৈতিক, সামাজিক, নিৰাপত্তা আদি সকলো দিশতে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে যদিও পথটো মেৰামতিত গুৰুত্ব প্ৰদান কৰষ নাই। বীৰ লাচিত সেনা অসমৰ আমগুৰি আঞ্চলিক সমিতিয়ে শীঘ্ৰে পথটোৰ মেৰামতিৰ দাবী জনাইছে অন্যথা সংগঠনটোৱে ৰাষ্ট্ৰীয় ঘাইপথ অৱৰোধৰ দৰে কাৰ্যসূচী ল'বলৈ বাধ্য হ'ব বুলি সকীয়াই দিয়ে।

## বিলাসী বাহনেৰে ছাগলী চুৰি কৰা তিনিটাকৈ চোৰক আটক



দৈনিক অসমৰ প্ৰতিনিধি

**গৌৰীসাগৰ, ১৯ ছেপ্টেম্বৰ ঃ** শিৱসাগৰ জিলাৰ গৌৰীসাগৰ আৰক্ষী থানাৰ অন্তৰ্গত এলেকাসমূহত বিগত বহু মাহ ধৰি ছাগলী চোৰে সন্ত্ৰাস চলাই আহিছিল। অন্যান্য প্ৰান্তৰ লগতে থানাখনৰ অন্তৰ্গত দিখৌমুখতো সাধাৰণ খাটি খোৱা লোকৰ ছাগলী চুৰি কৰি মাধমাৰ শোধাই আহিছিল। ১৮ ছেপ্টেম্বৰত এখন এ এছ ০১ ডি এক্স ২৮০০ নম্বৰৰ চেভ্ৰলেট বাহনত অহা চোৰে দিখৌমুখৰ পৰা ১৩টাকৈ ছাগলী চুৰি কৰি পলায়নৰ চেষ্টা কৰোঁতে কেইজনমান যুৱক পাছে পাছে খেদি আহি গৌৰীসাগৰ তিনিআলিত বাহনখন আবদ্ধ কৰেহি। লগে লগে সেই স্থানত সমৱেত হোৱা প্ৰায় শতাধিক লোকে ছাগলী চোৰকেইটাক উত্তম-মাধ্যম শোধোৱাৰ উপৰি চুৰিকাৰ্যত ব্যৱহাৰ কৰা বাহনখনৰো বিস্তৰ ক্ষতিসাধন কৰে। বাহনখনত চাৰিটাকৈ ছাগলী চোৰ আহিছিল যদিও সুযোগ বুজি তাৰে এটা চোৰ পলায়ন কৰাৰ লগতে বাকী তিনিটাক ৰাইজে আটক কৰে। পাছত ঘটনাস্থলীত গৌৰীসাগৰ আৰক্ষী উপস্থিত হৈ ৰাইজৰ ৰোষৰপৰা চোৰকেইটাক উদ্ধাৰ কৰি বাহনসহ আৰক্ষী থানালৈ লৈ যায়। চুৰিকাৰ্যত ব্যৱহৃত বাহনখনত চুৰি কৰা ছাগলীৰ উপৰি চিৰিঞ্জ আৰু সুৰাৰ বটল উদ্ধাৰ হোৱাক লৈ চোৰকেইটা ড্ৰাগছ আসক্ত বুলি অনুমান কৰা হৈছে। আটকাধীন চোৰকেইটা ডিব্ৰুগড় জিলাৰ বিতু আহমেদ, আতাউৰ আহমেদ আৰু নাদিৰ খান বুলি আৰক্ষীয়ে জানিবলৈ দিয়ে ।আনহাতে, বাহনখনৰ নম্বৰ সম্পূৰ্ণ ভুৱা বুলি জানিব পৰা গৈছে। আন কোনো বাহনৰ নম্বৰ ব্যৱহাৰ কৰি চোৰকেইটাই চুৰিকাৰ্য সংঘটিত কৰি আহিছিল। চোৰকেইটাই দীৰ্ঘদিন ধৰি অঞ্চলটোত নিৰ্বিঘ্নে চুৰিকাৰ্য সংঘটিত কৰি অহালৈ লক্ষ্য কৰি ৰাইজে স্থানীয় কোনো লোকে চুৰিকাৰ্যত সহায় কৰি অহা বুলি সন্দেহ প্ৰকাশ কৰিছে। আৰক্ষীয়ে বৰ্তমান চোৰকেইটাক অধিক তথ্যৰ বাবে জেৰা অব্যাহত ৰাখিছে।

## মাজুলীত বিজেপিৰ বিশেষ সাংগঠনিক সভা



দৈনিক অসমৰ প্ৰতিনিধি

**মাজুলী, ১৯ ছেপ্টেম্বৰ ঃ** ভাৰতীয় জনতা পাৰ্টি, অসম প্ৰদেশৰ প্ৰভাৰী হৰিশ দ্বিবেদীৰ উপস্থিতিত মাজুলী জিলা বিজেপিৰ এখন বিশেষ সাংগঠনিক সভা ১৮ ছেপ্টেম্বৰত অটল বিহাৰী বাজপেয়ী ভৱন, গড়মূৰত অনুষ্ঠিত হয়। সভাৰ আৰম্ভণিতে বন্তি প্ৰজ্বলনৰ পাছত আদৰণী ভাষণ প্ৰদান কৰে জিলা বিজেপিৰ সভাপতি দীপক গোস্বামীয়ে। জিলা বিজেপিৰ প্ৰভাৰী সিদ্ধাংকু অংকুৰ বৰুৱাই সভাত উপস্থিতসকলৰ পৰিচয় লোৱাৰ পৰৱৰ্তী সময়ত বিধায়ক ভুবন গামে শুভেচ্ছামূলক বক্তব্য প্ৰদান কৰে। তেওঁ উপস্থিত সকলোকে আগন্তুক দিনত নিষ্ঠাসহকাৰে দলৰ হকে কাম কৰিবলৈ আহ্বান জনায়। ৰাজ্যিক প্ৰভাৰীগৰাকীয়ে দলৰ আভ্যন্তৰীণ বিভিন্ন দিশ আৰু সাংগঠনিক ভেটি সুদৃঢ় কৰাৰ ক্ষেত্ৰত সমৰ্পিত মনোভাৱেৰে কাম কৰিবলৈ পৰামৰ্শ আগবঢ়ায়। আগন্তুক দিনত দলটোক কেনেদৰে আগুৱাই নিব পৰা যায় আৰু সবল স্থিতি অক্ষুণ্ণ ৰখাৰ স্বাৰ্থত বুথ সমিতি আৰু মণ্ডল সমিতিসমূহ পৰিচালনা কৰাৰ দিশত পৰামৰ্শ আগবঢ়ায় আৰু সেৱা পষেকৰ কাৰ্যসূচী সফলতাৰে ৰূপায়ণৰ ক্ষেত্ৰত পূৰ্ণ সহযোগিতা আগবঢ়াবলৈ পৰামৰ্শ প্ৰদান কৰে। জিলা সমিতিৰ বিষয়ববীয়া, মণ্ডলৰ সভাপতি, সম্পাদক, ৰাজ্যিকৰ সদস্য, জিলা পৰিষদৰ সদস্য, আঞ্চলিক পঞ্চায়তৰ সভাপতি, উপ-সভাপতি উপস্থিত থকা সভাত ৰাজ্যিক বিজেপিৰ সম্পাদক লক্ষীপ্ৰসাদ তাছা উপস্থিত থাকে।

ঐতিহ্যমণ্ডিত যোৰহাট থিয়েটাৰৰ উদ্যোগ

## ডঃ ৰুবুল মাউতক লৈ মঞ্চস্থ হ'ব নাটক

দৈনিক অসমৰ প্ৰতিনিধি

**যোৰহাট, ১৯ ছেপ্টেম্বৰ ঃ** এটি সহজ-সৰল পৰিয়ালৰপৰা বিশ্বমুখী যাত্ৰা আৰম্ভ কৰি বিজ্ঞানৰ জগতখনৰে জড়িত হৈ সমগ্ৰ বিশ্বতে চিনাকি হৈ পৰা বিজ্ঞানী ডঃ ৰুবুল মাউতক লৈ ৰচনা কৰা এখন নাটক শাৰদীয় বতৰত মঞ্চস্থ হ'ব যোৰহাট থিয়েটাৰত। ডঃ ৰুবুল মাউতৰ 'মোৰো এটা সপোন আছিল' শীৰ্ষক আত্মজীৱনীমূলক গ্ৰন্থখনৰ আলমত অসমৰ বিশিষ্ট নাট্যকাৰ প্ৰশান্ত কটকীয়ে ৰচনা কৰা 'পাখি মেলি উৰে মন' নাটকখনৰ দুটাকৈ দৰ্শনী মঞ্চস্থ হ'ব ৩-৪ অক্টোবৰত। এই উপলক্ষে নাটকখনৰ শুভ মহুৰৎ যোৱা ৪ ছেপ্টেম্বৰৰ সন্ধিয়া সম্পন্ন হৈ যায়। যোৰহাট থিয়েটাৰৰ সভাপতি শান্তনু ঠাকুৰে বন্তি প্ৰজ্বলনেৰে আৰম্ভ কৰা কাৰ্যসূচীত অনিল বৰাই নাৰিকল ভাঙি মাংগলিক কাৰ্য সম্পন্ন কৰে আৰু প্ৰাক্তন সভাপতি যোগানন্দ বৰাই নাটকৰ পাণ্ডুলিপি পৰিচালকক আনুষ্ঠানিকভাৱে অৰ্পণ কৰে। নাটকখন দুয়োটি নিশা সংস্কৃতি অনুৰাগী পৰাগ বৰঠাকুৰৰ সোঁৱৰণত অনুষ্ঠিত কৰা হ'ব। নাট্যাৰম্ভ অনুষ্ঠানত যোৰহাট থিয়েটাৰৰ নিয়মীয়া দৰ্শক ডঃ ভবানী কান্ত শৰ্মা আৰু যোৰহাট চৰকাৰী উচ্চতৰ মাধ্যমিক বালিকা বিদ্যালয়ৰ বৰ্তমানৰ অধ্যক্ষা সান্ত্বনা গোস্বামীয়ে নাটকখন নতুন প্ৰজন্মৰ বাবে প্ৰেৰণামূলক হ'ব বুলি মত প্ৰকাশ কৰে। অধ্যক্ষা সান্ত্বনা গোস্বামীয়ে নাটখনৰ এটি বিশেষ প্ৰদৰ্শনী তেওঁৰ কৰ্মৰত বিদ্যালয়ৰ ছাত্ৰীসকলৰ বাবে মঞ্চস্থ কৰিবৰ বাবে যোৰহাট থিয়েটাৰক অনুৰোধ জনায়। এই অনুষ্ঠানৰ আঁত ধৰে সহঃ সম্পাদক বিপুল কলিতাই আৰু মঞ্চাধ্যক্ষ দিগন্ত হাজৰিকাই। উক্ত অনুষ্ঠানতে যোৰহাট থিয়েটাৰৰ সদস্য হিচাপে পঞ্চাছ বছৰ সম্পূৰ্ণ কৰা অসীম শৰ্মাক প্ৰাক্তন সম্পাদক সুৰজিত শৰ্মাই এখন ফুলাম গামোচাৰে সম্বৰ্দ্ধনা জনাই তেওঁ অভিনয় কৰা উল্লেখযোগ্য চৰিত্ৰসমূহৰ বিষয়ে আলোকপাত কৰে। নাট্যকাৰ প্ৰশান্ত কটকীয়ে নাটকখনৰ বিষয়বস্তু সম্পৰ্কে আভাস দাঙি ধৰি কয় যে নাটকৰ কাহিনী বৰ্তমান আমেৰিকাৰ হাৰ্ভাৰ্ড বিশ্ববিদ্যালয়ৰ গৱেষক বিজ্ঞানী ডঃ ৰুবুল মাউতৰ আত্মজীৱনীমূলক গ্ৰন্থ 'মোৰো এটা সপোন আছে'ৰপৰা লোৱা হৈছে।

## ৰক্তদান শিবিৰ

দৈনিক অসমৰ প্ৰতিনিধি

**মৰাণ, ১৯ ছেপ্টেম্বৰ ঃ** ডিব্ৰুগড় জিলাৰ বৰবৰুৱা উন্নয়ন খণ্ডৰ এলেকাধীন বকপৰাৰ ৰাজহুৱা প্ৰেক্ষাগৃহত যোৱা ১৭ ছেপ্টেম্বৰত ভাৰতবৰ্ষৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ জন্মদিন উপলক্ষে ডিব্ৰুগড় জিলা বিজেপিৰ উদ্যোগত অনুষ্ঠিত হয়। খোৱাং সমষ্টিৰ বিধায়ক চক্ৰধৰ গগৈৰ পৃষ্ঠপোষকতাত অনুষ্ঠিত ৰক্তদান শিবিৰত বিজেপি ডিব্ৰুগড় জিলা সমিতিৰ সভাপতি দুলাল বৰা, উপ-সভাপতি দুলাল গগৈ প্ৰমুখ্যে বিজেপি বৰবৰুৱা মণ্ডলৰ সভাপতি সীমান্ত গগৈ, লৰুৱা মণ্ডলৰ সভাপতি মৃণাল দাস আদি মণ্ডলৰ কৰ্মকৰ্তা উপস্থিত থাকে।প্ৰায় ৬০জনতকৈ অধিক লোকে ৰক্তদান কৰে।

## বেকাজানৰ চেনিজানত কাকডোঙা নদীৰ খহনীয়া

বিচ্ছিন্ন হৈ পৰিব পাৰে যাতায়াত ব্যৱস্থা ঃ কাণসাৰ নাই তিতাবৰ লোকনিৰ্মাণ বিভাগৰ



দৈনিক অসমৰ প্ৰতিনিধি

**তিতাবৰ, ১৯ ছেপ্টেম্বৰ ঃ** যিকোনো মুহূৰ্ততে যাতায়াত বিচ্ছিন্ন হৈ পৰিব পাৰে বৰহোলা পানীখেতি সংযোগী গড়আলি। ধাৰাসাৰ বৰষুণৰ ফলত তিতাবৰ সমজিলাৰ বেকাজানৰ কাকডোঙা নদীৰ বাঢ়নী পানীৰ খহনীয়াই এতিয়া অৱশিষ্ট ৰাখিছেগৈ তিতাবৰৰ বৰহোলা-পানীখেতি সংযোগী গড়আলি পথটোৰ। তিতাবৰ সমজিলা আৰু গোলাঘাট জিলাৰ লোকনিৰ্মাণ বিভাগৰ চূড়ান্ত অৱহেলাৰ বাবে এতিয়া অসম-নগালেণ্ড সীমান্তৰ অতিকৈ গুৰুত্বপূৰ্ণ আৰু সদাব্যস্ত পথটো যিকোনো মুহূৰ্তত যাতায়াত বিচ্ছিন্ন হোৱাৰ সম্ভাৱনাই দেখা দিছে যাৰ বাবে শংকিত হৈ পৰিছে অঞ্চলবাসী। ধাৰাসাৰ বৰষুণৰ ফলত এটা সৰু বক্স কালভাৰ্টেৰে খৰস্ৰোতা কাকডোঙা নদীৰ বাঢ়নী পানী পাৰ হৈ যাব পৰা নাই। যাৰ বাবে পথৰ ওপৰেৰে পানী বাগৰি মূল পথটোৰ আধা অংশ খহাই নিয়ে। পানীয়ে পথটো খহাই নি একেবাৰে বিধবস্ত কৰি পেলাইছে। তদুপৰি বানে কালভাৰ্টটো খহাই নিয়াৰ পথটো এটা কাষত সম্পূৰ্ণ ছিঙি পেলায়। ৰাতি পথটোৰেদি যান-বাহন যাতায়াত কৰিলেই যিকোনো মূহুৰ্তত দুৰ্ঘটনা সংঘটিত হোৱাৰ সম্ভাৱনা আছে। উল্লেখ্য যে পথটো খহাই নিয়াৰ পাছতো তিতাবৰ আৰু গোলাঘাট লোকনিৰ্মাণ বিভাগ কোনোৱে দুৰ্ঘটনা ৰোধ কৰিবলৈ কোনোধৰণৰ সতৰ্কতামূলক ব্যৱস্থা গ্ৰহণ কৰা নাই। উল্লেখ্য যে পথটোৰ তিতাবৰ লোকনিৰ্মাণ বিভাগৰদ্বাৰা পূৰ্বে মেৰামতি কৰিছিল যদিও বৰ্তমান বেকাজান পঞ্চায়তখন গোলাঘাট সমষ্টিত নতুনকৈ অন্তৰ্ভুক্ত হোৱাত এতিয়া কোনোৱে দায়িত্ব নলয়। যাৰ পৰিপ্ৰেক্ষিতত পথটোৰ দুয়োকাষে অতি বিপজ্জনকভাৱে খহনীয়া সৃষ্টি হোৱাৰ পাছত বিগত এবছৰ ধৰি গড়আলিটোৰ চেনিজান গাঁৱৰ অংশত খহনীয়া প্ৰতিৰোধৰ বাবে শৈলবান্ধ বা গাৰ্ডৱালৰ ব্যৱস্থা কৰা নাই যাৰ পৰিণতিত এতিয়া মূল পথটো খহাই নিয়াৰ উপৰি কালভাৰ্টটো ছিঙি পেলোৱাৰ উপক্ৰম হৈছে। চেনিজান গাঁৱৰ ৰাইজে অভিযোগ কৰা মতে পূৰ্বতে নদীৰ ওপৰত এখন কাঠৰ দলং আছিল কিন্তু ২০০৫ চনত পকীকৰণৰ সময়ত দলং উঠাই তাৰ ঠাইত মাত্ৰ ১২ ফুট বহল এটা বক্স কালভাৰ্ট নিৰ্মাণ কৰে। বাৰিষা বাঢ়নী পানী পাৰ হৈ যাব নোৱৰাৰ ফলত অঞ্চলটোত কৃত্ৰিম বান সৃষ্টি হোৱাৰ উপৰি পথৰ ওপৰত পানী বাগৰি যোৱা পথটোৰ পঞ্চাশ মিটাৰ খহাই নি ভাবুকিৰ সৃষ্টি কৰিছে। সম্প্ৰতি নদীৰ খহনীয়া আৰু কৃত্ৰিম বানপানী ৰোধ কৰিবলৈ এখন আৰ চি চি দলং নিৰ্মাণ কৰিবলৈ বিত্তমন্ত্ৰী অজন্তা নেওগক ৰাইজে আহ্বান জনাইছে।

## ডিব্ৰুগড়ত ইউনুছ তামুলীৰ বিৰুদ্ধে এজাহাৰ জাতীয় সংগ্ৰামী সেনাৰ

দৈনিক অসমৰ প্ৰতিনিধি

**ডিব্ৰুগড়, ১৯ ছেপ্টেম্বৰ ঃ** গো-মূত্ৰ খাই বুৰঞ্জী লিখা বুলি ইউনুছ তামুলীয়ে সামাজিক মাধ্যমত লিখা পোষ্টৰ বিৰুদ্ধে গৰজি উঠিছে জাতীয় সংগ্ৰামী সেনা। ১৮ ছেপ্টেম্বৰত বিতৰ্কিত ইউনুছ তামুলীৰ বিৰুদ্ধে ডিব্ৰুগড় সদৰ থানাত এজাহাৰ দাখিল কৰি কঠোৰ শাস্তি প্ৰদান কৰিবলৈ দাবী জনাইছে জাতীয় সংগ্ৰামী সেনাৰ ডিব্ৰুগড় জিলা সমিতিৰ সভাপতি মণিকাঞ্চন বৰাই। এজাহাৰখনত সংগঠনটোৰ নেতাজনে কয় যে এইখন অসমত স্বৰ্গদেউসকলে ৬০০ বছৰ ধৰি ৰাজত্ব কৰিছিল। বিশেষকৈ কোঁচ ৰজা, চুতীয়া ৰজা, মৰাণ আদি বিভিন্ন ৰজাৰ গৌৰৱ গাথাৰে আমি গৌৰৱান্বিত এনে মহান ৰজাসকলৰ জীৱন গাথাৰে অসমত বিভিন্ন বুৰঞ্জী লিখা হৈছিল। এই বুৰঞ্জীসমূহ অসমীয়াৰ আৱেগ। তেনে জাতীয় আৱেগক ভেঙুচালি কৰি ইউনুছ তামুলী নামৰ ব্যক্তিজনে আমাৰ এই বুৰঞ্জী প্ৰণেতাসকলক গৰু মূত্ৰ খাই বুৰঞ্জী লিখিছিল বুলি সামাজিক মাধ্যমত এক মন্তব্য কৰা দেখিবলৈ পাইছোঁ। ইউনুছ তামুলীৰ এই ধৰণৰ মন্তব্যই বুৰঞ্জী প্ৰণেতাসকলৰ লগতে অসমীয়া জাতি সত্তাৰ প্ৰতিও এক চূড়ান্ত অপমান বুলি উল্লেখ কৰি এনে মন্তব্যৰ ফলত নৱ-প্ৰজন্ম তথা ভৱিষ্যৎ প্ৰজন্মৰ মাজত এক বিকৃত মানসিকতা গঢ় দিব বিচাৰিছে বুলি ক্ষোভ প্ৰকাশ কৰিছে। আনহাতে, ইউনুছ তামুলীৰ বিৰুদ্ধে যদিহে কঠোৰ ব্যৱস্থা গ্ৰহণ নকৰে, তেনেহ'লে ডিব্ৰুগড়ত তীব্ৰ প্ৰতিবাদৰ সন্মুখীন হ'ব লাগিব বুলি উল্লেখ কৰে তেওঁ।

## ছিপাঝাৰত মহিলাৰ সোণৰ চেইন থপিয়ালে চিলনী চোৰে

দৈনিক অসমৰ প্ৰতিনিধি

**ছিপাঝাৰ, ১৯ ছেপ্টেম্বৰ ঃ** ছিপাঝাৰৰ ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথৰ পদপথেৰে আজি প্ৰাতঃভ্ৰমণলৈ অহা এগৰাকী মহিলাৰ ডিঙিৰ সোণৰ চেইন পিছফালৰ পৰা থপিয়াই লৈ যায় বাইকত অহা দুই চিলনী চোৰে। ১৮ ছেপ্টেম্বৰৰ পুৱা ৰাষ্ট্ৰীয় ঘাইপথটোৰ ধনাই বৰা চ'ক অভিমুখে পদপথেৰে আন এগৰাকী মহিলাৰ সৈতে প্ৰাতঃভ্ৰমণলৈ অহা সৰস্বতী শইকীয়া নামৰ মহিলাগৰাকীৰ ডিঙিৰ সোণৰ চেইন পিছফালৰ পৰা থপিয়াই লৈ যায় নীলা ৰঙৰ বাইকত অহা দুই চিলনী চোৰে। ঘটনা সন্দৰ্ভত ভুক্তভোগী সৰস্বতী শইকীয়া নামৰ মহিলাগৰাকীয়ে ইতিমধ্যে ছিপাঝাৰ আৰক্ষী থানাত এখন এজাহাৰ দাখিল কৰিছে। ঘোঁৰাবান্ধা আৰ পি মাৰ্কেটৰ স্বত্বাধিকাৰী মহিলাগৰাকীৰ ঘৰ দক্ষিণচুবুৰি গাঁৱৰ মল্লপাৰাত।

## স্বাস্থ্য বিভাগৰ সেৱা সপ্তাহ ঃ ৰক্তদান শিবিৰ

দৈনিক অসমৰ প্ৰতিনিধি

**বেবেজীয়া, ১৯ ছেপ্টেম্বৰ ঃ** চৰকাৰৰ স্বাস্থ্য বিভাগে গ্ৰহণ কৰা 'সেৱা সপ্তাহ' শীৰ্ষক বিশেষ কাৰ্যসূচীৰ অংশস্বৰূপে অসম ৰাজ্যিক ৰক্ত সঞ্চালন পৰিষদে ১৭ ছেপ্টেম্বৰত ৰাজ্যজুৰি ৭৫টা ৰক্তদান শিবিৰৰ আয়োজন কৰে। উক্ত কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি নগাঁও জিলা প্ৰশাসন আৰু জিলা স্বাস্থ্য সমিতিৰ উদ্যোগত ২৩ ছেপ্টেম্বৰলৈকে আয়োজন কৰা 'সেৱা সপ্তাহ'ৰ শুভাৰম্ভণিৰ অংশস্বৰূপ জৈন শ্বেতাম্বৰ তেৰাপন্থ ভৱন, হয়বৰগাঁও, জি ডি নাৰ্চিংহোম, লুংচুং চাহ বাগিচা চিকিৎসালয়ত তিনিটা ৰক্তদান শিবিৰ সফলভাৱে সমাপন হয়। জিলা আয়ুক্ত দেৱাশিস শৰ্মাই শুভ উদ্বোধন কৰা ৰক্ত শিবিৰসমূহত সহকাৰী আয়ুক্ত তেজস অগ্নিহোত্ৰী, নগাঁও জিলা যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ তপন কুমাৰ শইকীয়া, জিলা ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ জিলা আঁচনি প্ৰবন্ধক অনিৰ্বাণ বৰঠাকুৰ প্ৰমুখ্যে কেইবাগৰাকীও গণ্য-মান্য ব্যক্তি উপস্থিত থাকে। উল্লেখ্য যে জিলা সহকাৰী তেজস অগ্নিহোত্ৰীয়ে লুংচুং চাহ বাগিচা চিকিৎসালয়ত আয়োজিত ৰক্তদান শিবিৰটিত ৰক্তদান কৰি শিবিৰটিত উপস্থিত ৰাইজক ৰক্তদানৰ প্ৰতি উৎসাহিত কৰে।

## বি টি চিৰ নিৰ্বাচন তামুলপুৰত নিৰাপত্তা ব্যৱস্থা

দৈনিক অসমৰ প্ৰতিনিধি

**তামুলপুৰ, ১৯ ছেপ্টেম্বৰ ঃ** আগন্তুক নিৰ্বাচনক লৈ তামুলপুৰ জিলা প্ৰশাসন বিশেষ তৎপৰতাৰে আগবাঢ়িছে। অহা ২২ ছেপ্টেম্বৰত অনুষ্ঠিত হ'বলগীয়া বিটিচি নিৰ্বাচনৰ বাবে তামুলপুৰ জিলা প্ৰশাসনে ইতিমধ্যে সকলো ধৰণৰ নিৰাপত্তা ব্যৱস্থা সাজু কৰি তুলিছে। সন্ধিয়া তামুলপুৰ চাৰ্কিট হাউছত জিলা আয়ুক্ত তথা জিলা নিৰ্বাচনী বিষয়া পংকজ চক্ৰৱৰ্তীৰ অধ্যক্ষতাত অনুষ্ঠিত এখন বিশেষ সভা। বিশেষকৈ আইন-শৃংখলাজনিত সভাখনত নিৰ্বাচনী পৰ্যবেক্ষক ক্ষিতীশ চন্দ্ৰ পেগু, তামুলপুৰ জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক দিগন্ত কুমাৰ চৌধুৰীসহ অতিৰিক্ত আৰক্ষী অধীক্ষক, অতিৰিক্ত জিলা আয়ুক্ত, সহকাৰী আয়ুক্ত, চক্ৰ বিষয়াকে ধৰি চি আৰ পি এফৰ কামাণ্ডেণ্ট পি ইপাউ, এছ এছ বিৰ ছেকেণ্ড-ইন-কামাণ্ডেণ্ট আৰ কে তেজকুমাৰ সিং আৰু তেওঁলোকৰ অন্যান্য বিষয়াসকল উপস্থিত থাকে। সভাত নিৰ্বাচনকালীন নিৰাপত্তা ব্যৱস্থা, আইন-শৃংখলা নিয়ন্ত্ৰণ, বিভিন্ন বিভাগৰ মাজত সমন্বয় আৰু অঞ্চল নিয়ন্ত্ৰণ সম্পৰ্কে বিস্তৃত আলোচনা হয়। স্থানীয় আৰক্ষী, চি আৰ পি এফ আৰু এছ এছ বিৰ বিষয়াসকলেও নিৰাপত্তা ব্যৱস্থাক সুদৃঢ় কৰাৰ বিষয়ে নিজা মতামত আগবঢ়ায়।

## কাকত-আলোচনী বিক্ৰীৰে জীৱিকাৰ বাট দেখুৱাইছে কোকৰাঝাৰৰ সোম পৰিয়ালে

দৈনিক অসমৰ প্ৰতিনিধি

**কোকৰাঝাৰ, ১৯ ছেপ্টেম্বৰ ঃ** কোকৰাঝাৰ ৰেল ষ্টেচনৰ প্লেটফৰ্মত চাহ দোকান এখন খুলি ১৯৬৫ চনৰ পৰা জীৱন সংগ্ৰাম চলাইছিল স্বৰ্গীয় মাখন লাল সোমে। লাহে লাহে চাহ দোকানখনতে চাহৰ জুতি ল'বলৈ অহা ৰেলযাত্ৰীসকলৰ হাতত বাতৰি কাকত তুলি দিবলৈ মনস্থ কৰে। ক্ৰমান্বয়ে মাখন লাল সোমে ষ্টেচনৰ প্লেটফৰ্মতে 'দ্য আছাম ট্ৰিবিউন কোম্পানী'ৰ ক'লা-বগা বাতৰি কাকত বিক্ৰীৰ চিন্তা-চৰ্চা কৰি কাকত বিক্ৰীৰ বাবে এজেন্সী ল'লে। সেয়াই আছিল স্বৰ্গীয় মাখন লাল সোমৰ বাতৰি কাকতৰ এজেন্সীৰ আৰম্ভণি। মাখন লাল সোম আজি আমাৰ মাজত নাই যদিও তেওঁৰ মৃত্যুৰ পাছত তিনি পুত্ৰই মূৰ পাতি লৈছিল উক্ত এজেন্সীৰ দায়িত্ব। ইয়াৰে তিনি পুত্ৰৰ এগৰাকী পুত্ৰ মৃণাল কান্তি সোমৰ দেহাৱসান ঘটে যদিও থমকি ৰোৱা নাই আন দুই পুত্ৰ ক্ৰমে মিহিৰ কান্তি সোম আৰু মলয় কান্তি সোমে। দুৰন্ত কৰ্ম উদ্যমী মলয় কান্তি সোম আৰু মিহিৰ কান্তি সোমৰ উমৈহতীয়া প্ৰচেষ্টাত এতিয়া বাতৰি কাকতৰ এজেন্সী কেৱল এজেন্সী হৈ থকা নাই, বহল ভিত্তিত গঢ় লৈ উঠিছে এক বৃহৎ ব্যৱসায়ীক প্ৰতিষ্ঠানলৈ। পিতৃৰ আশাসুধীয়া সপোনক সাকাৰ ৰূপ দিবলৈ সোম পৰিয়ালে প্ৰতিষ্ঠানটোক নামকৰণ কৰি ল'লে 'বড়োলেণ্ড নিউজ এজেন্সী' বুলি কোকৰাঝাৰ চহৰৰ মাজমজিয়াৰ শ্বহীদ বেদীৰ সমীপত তথা এইচ ডি এফ চি বেংকৰ কাষতে এতিয়া সকলোৰে পৰিচিত সোম পৰিয়ালৰ তাহানিৰপৰা আৰম্ভ কৰা বাতৰি কাকত বিক্ৰীৰ এক নতুন পৰিচয়। ব্যৱসায়ীক ভিত্তিত এজেন্সীয়ে জিলাখনৰ দোতমা, পাটগাঁও, ছালাকাটি, ফকিৰাগ্ৰাম, চিথিলা, তামাৰহাট, গোসাঁইগাঁও আৰু ধুবুৰী জিলাৰ বগৰীবাৰী আৰু সাপটগ্ৰামত বাতৰি কাকতৰ প্ৰচলন বিস্তাৰ কৰি তুলিছে। বৰ্তমান সোম পৰিয়ালৰ উক্ত এজেন্সীৰ অধীনত কোকৰাঝাৰ জিলাত ২২টা উপ-এজেন্সী, ৫০জন হ'কাৰ আৰু ষ্টাফ অসিত, অপূৰ্ব, বাদল, গোপাল, সজল আৰু সুমনকে ধৰি প্ৰায় আঢ়ৈ শতাধিক পৰিয়ালক আত্মসংস্থাপনৰ বাট দেখুওৱাত সফল হৈছে। বিশেষকৈ বড়োভূমিত বিগত কেইবাদশকজুৰি বাতৰি কাকতৰ প্ৰচলনৰে কোকৰাঝাৰৰ সোম পৰিয়ালৰ এজেন্সীয়ে সকলোৰে মাজত জনপ্ৰিয় হৈ পৰিছে। সাম্প্ৰতিক আধুনিকতাৰ ধামখুমীয়াত দৈনিক বাতৰি কাকত আৰু আলোচনী পঢ়ুৱৈৰ সংখ্যা কিঞ্চিৎ হ্ৰাস পালেও পঢ়ুৱৈ আৰু পাঠকক সদায় প্ৰেৰণা দি ধৰি ৰাখিছে মলয় কান্তি সোম আৰু মিহিৰ কান্তি সোমে। তেনেক্ষেত্ৰত বড়োভূমিত নানা ঘাত-প্ৰতিঘাতক নেওচি সোম পৰিয়ালে আজিৰ তাৰিখতো 'বাতৰি কাকতৰ প্ৰচালন' ধৰি ৰখাত সমাজখনৰ বাবে এক মহান চানেকী হৈ পৰিছে।



পকী পথ নিৰ্মাণত হোৱা অনিয়মৰ ফল ভুগিছে জনসাধাৰণে

## নিৰ্মাণৰ পাছতে ধূপধৰাত ভাগিল কেইবাটাও পথৰ অংশ, যাতায়াত ব্যাহত




দৈনিক অসমৰ প্ৰতিনিধি

**ধূপধৰা, ১৯ ছেপ্টেম্বৰ ঃ** ৰাজ্য চৰকাৰে গ্ৰামাঞ্চলৰ পথসমূহ সুচল কৰিবলৈ বিভিন্ন শিতানত কোটি কোটি টকা খৰচ কৰি আহিছে যদিও যেন প্ৰকৃতাৰ্থত সঠিকভাৱে ৰূপায়ণ হোৱা নাই। গোৱালপাৰা জিলাৰ ৩৬ নং দুধনৈ জনজাতীয় বিধানসভা সমষ্টিৰ বিভিন্ন স্থানত এতিয়া বহু পকী পথ যাতায়াতৰ অনুপযোগী হৈ পৰিছে ঠিকাদাৰৰ হেমাহিৰ বাবেও বুলি উল্লেখ কৰিব পাৰি লগতে ইয়াৰ জ্বলন্ত উদাহৰণ পোৱা গৈছে সমষ্টিৰ অধীনৰ জিলাৰ পূব প্ৰান্তত অৱস্থিত ধূপধৰা অঞ্চলত। শেহতীয়াকৈ অঞ্চলটোৰ কেইবাটাও গুৰুত্বপূৰ্ণ পকী পথ এক প্ৰকাৰ বিধ্বস্ত হৈ পৰাত ৰাইজক যাতায়াতে জীয়াতু ভোগাইছে। প্ৰাপ্ত তথ্য মতে ধূপধৰা চহৰৰ পৰাৰ কামৰূপৰ নগৰবেৰা সংযোগী লোক নিৰ্মাণ বিভাগৰ পথৰপৰা খুঁটাবাৰী বৰতোল-কলিতাপাৰা সংযোগী প্ৰায় দুই কিলোমিটাৰ পকী পথ ক্ৰমাত জৰাজীৰ্ণ হৈ পৰিছে। স্থানীয় লোকে জানিবলৈ দিয়া মতে আজিৰ পৰা প্ৰায় সাত বছৰ পূৰ্বে কেইবা লাখ টকাৰে পথটো নিৰ্মাণ কৰা হৈছিল যদিও মাত্ৰ দুবছৰ পিছতে যাতায়াতৰ অনুপযোগী হৈ পৰাৰ লগতে ঠিকাদাৰৰ গাফিলতিৰ বাবে আৰু অনিয়মৰ আশ্ৰয় লোৱাৰ বাবে পথৰ এই অৱস্থা বুলি উল্লেখ কৰে। অকল সেই পথেই নহয় আৰু এটি ব্যস্ত পকী পথ ঠিকাদাৰৰ হেমাহিৰ বাবে জৰাজীৰ্ণ ৰূপ লৈছে ধূপধৰা অঞ্চলৰ গুৰুত্বপূৰ্ণ পথ। প্ৰাপ্ত তথ্য মতে পদুপাৰা-আমবাৰী-খকাপাৰাৰপৰা ১৭ নং ৰাষ্ট্ৰীয় ঘাই সংযোগী পথৰ খেকাপাৰাৰপৰা মাছলাম হৈ কোঠাকুঠিলৈ যোৱা পকী পথটোও বিধ্বস্ত হৈ পৰিছে। সেই পথৰে অঞ্চলটোৰ কেইবাখনো গাওঁৰ ৰাইজে যাতায়াত কৰাত জীয়াতু ভুগিব লগা হৈছে। ইপিনে ধূপধৰা সমীপৰ ধনুভাঙাতো একে অৱস্থা পকী পথৰ। শেহতীয়াকৈ দেওশীলা আঞ্চলিক বজাৰৰ (খেকাপাৰা)ৰপৰা ধনুভাঙা ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ সাপ্তাহিক বজাৰ সংযোগী পথটোও বিধ্বস্ত হৈ পৰিছে। পথটোৰ কিছু অংশ কেঁচা যদিও বেছিভাগে পকী কৰা হৈছিল আজি কিছু বছৰ আগেয়ে। জানিব পৰা মতে উক্ত স্থানৰপৰা কিছু দূৰ কেঁচা পথৰ পিছত মুকলিপাৰালৈ ১ কিলোমিটাৰ পকী পথৰ পথছোৱা পকী আৰু পুনৰ মাছপাৰাৰপৰা গাঠিয়াপাৰা মজলীয়া বিদ্যালয় হৈ সেই বজাৰ সংযোগী পথ প্ৰায় ৩ কিলোমিটাৰ পকী যদিও ঠায়ে ঠায়ে জৰাজীৰ্ণ হৈ গাঁত সৃষ্টি হোৱাৰ ফলত যাতায়াতৰ ক্ষেত্ৰত অসুবিধাৰ সৃষ্টি কৰিছে। সেয়েহে অঞ্চলটোৰ এনে বিধ্বস্ত পথসমূহ নতুনকৈ নিৰ্মাণ কৰাৰ বাবে বিভাগক ৰাইজে আহ্বান জনাইছে।

## ৰক্তদান শিবিৰ সম্পন্ন

দৈনিক অসমৰ প্ৰতিনিধি

**ঘগ্ৰাপাৰ, ১৯ ছেপ্টেম্বৰ ঃ** দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ জন্মদিন উপলক্ষে ১৭ ছেপ্টেম্বৰত নলবাৰী চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ উদ্যোগত স্বৰ্গীয় ৰাজেন্দ্ৰ নাথ বুজৰবৰুৱা স্মৃতি ন্যাসৰ সহযোগত নাৰপাৰা প্ৰাথমিক বিদ্যালয়ত এটি ৰক্তদান শিবিৰ আৰু সজাগতা সভা অনুষ্ঠিত হৈ যায়। উক্ত অনুষ্ঠানত উপস্থিত থাকে নলবাৰী জিলাৰ জিলা আয়ুক্ত নিবেদন দাস পাটোৱাৰী, ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ চক্ৰ বিষয়া নম্ৰতা দাস, নলবাৰী চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ অধ্যক্ষ তথা মুখ্য অধীক্ষক ডাঃ বাবুল কুমাৰ বেজবৰুৱা, অধীক্ষক ডাঃ মাধৱ ৰাজবংশী, ৰাজেন্দ্ৰ নাথ বুজৰবৰুৱা স্মৃতি ন্যাসৰ সদস্য মুনীন্দ্ৰ বুজৰবৰুৱা, ৰোগ বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপিকা ডঃ তীৰ্থ চলিহাকে প্ৰমুখ্যে কৰি ডাক্তৰ-নাৰ্চ, কৰ্মচাৰী, মমী আহমেদ আদি। উক্ত ৰক্তদান শিবিৰত প্ৰায় ৩০গৰাকী ব্যক্তিয়ে ৰক্তদান কৰে।




## সাহপুৰ-ৰাজঘাটত দুৰ্গা পূজাৰ প্ৰস্তুতি

দৈনিক অসমৰ প্ৰতিনিধি

**চামতা, ১৯ ছেপ্টেম্বৰ ঃ** নলবাৰী জিলাৰ অন্যতম পুৰণি তথা ১০৬ বছৰীয়া ঐতিহ্যবাহী বুঢ়াদিয়া নৈৰ পাৰত স্থাপিত চামতাৰ সাহপুৰ-ৰাজঘাটত ধৰ্মপুৰ জ্ঞানদায়িনী সভাৰ উদ্যোগত অইন বেলিৰ দৰে এই বেলিও অহা ২২ ছেপ্টেম্বৰৰ পৰা ২ অক্টোবৰলৈ ১০দিনীয়া কাৰ্যসূচীৰে দুৰ্গা পূজাৰ আয়োজন কৰা হৈছে। পূজাখন সুকলমে পৰিচালনা কৰিবৰ বাবে ভাৰত চন্দ্ৰ তালুকদাৰক সভাপতি, ৰমেশ তালুকদাৰক কাৰ্যকৰী সভাপতি, ধৰণী বৰ্মন, ৰমেশ কলিতাক উপ-সভাপতি আৰু মণ্টু বৰ্মনক সম্পাদক হিচাপে লৈ এখন উদ্‌যাপন সমিতি গঠন কৰা হৈছে। কাৰ্যসূচী অনুসৰি ২২ ছেপ্টেম্বৰৰ পুৱা স্বচ্ছ অভিযানেৰে দুৰ্গা পূজা মহোৎসৱৰ আৰম্ভণি, ৬ বজাত স্তোত্ৰ পাঠ, ৮ বজাত ধৰ্মধ্বজা উত্তোলন কৰিব ধৰ্মপুৰ জ্ঞানদায়িনী দুৰ্গা পূজাৰ সভাপতি ভাৰত চন্দ্ৰ তালুকদাৰে। আবেলি ৪.৩০ বজাত ১০৬ সংখ্যক শাৰদীয় দুৰ্গা পূজা আৰু সভা মহোৎসৱৰ উদ্বোধনী অনুষ্ঠান উদ্বোধন কৰিব অসম চৰকাৰৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে। অনুষ্ঠানত মুখ্য অতিথি হিচাপে থাকিব উত্তৰ-পূব কৰ্কট চিকিৎসালয় আৰু গৱেষণা প্ৰতিষ্ঠানৰ অধ্যক্ষ গণেশ তামুলী। বিশিষ্ট অতিথি হিচাপে থাকিব ক্ৰমে নলবাৰী জিলা আয়ুক্ত নিবেদন দাস পাটোৱাৰী, পশ্চিম নলবাৰীৰ চক্ৰ বিষয়া ৰীমা কৌশিক, অৱসৰপ্ৰাপ্ত শিক্ষক নৃপেন বৰ্মন, মুনিন্দ্ৰ নাথ শৰ্মা। ২৪ ছেপ্টেম্বৰৰ পুৱা স্বচ্ছ অভিযান, স্তোত্ৰ পাঠ, ৯.৩০ বজাত তৃতীয় বিহিত পূজাৰ লগতে চন্দ্ৰঘণ্টা পূজা, দিনৰ ১.৩০ বজাত পুষ্পাঞ্জলি প্ৰদান, আবেলি ৪ বজাত বিয়ানাম প্ৰতিযোগিতা। সন্ধিয়া ৬ বজাত বন্তি প্ৰজ্বলন, নিশা ৯ বজাত গীতৰ সন্ধিয়া উদ্বোধন কৰিব বিশিষ্ট শিল্পী লোক শিল্পী ঘনকান্ত বৈশ্যই। ২৫ ছেপ্টেম্বৰৰ পুৱা স্বচ্ছ অভিযান, স্তোত্ৰ পাঠ, ৯.২৯ বজাত চতুৰ্থী বিহিত পূজাৰ লগতে কুষ্মাণ্ড পূজা। দিনৰ ১.৩০ বজাত পুষ্পাঞ্জলি প্ৰদান, আবেলি ৫ বজাত নৃত্যানুষ্ঠান। সন্ধিয়া ৭.৩০ বজাত নাম পৰিৱেশন। এনেদৰে ২৮ ছেপ্টেম্বৰৰ আবেলি ৪ বজাত ডঃ অৱনী কুমাৰ ভাগৱতীৰ সভাপতিত্বত অনুষ্ঠিত হ'ব বাৰ্ষিক মুখপত্ৰ 'জ্ঞানৰূপা' উন্মোচনী সভা। উন্মোচক হিচাপে থাকিব শৰাইঘাট মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ মণি শৰ্মা শাস্ত্ৰীয়ে। ২ অক্টোবৰৰ পুৱা দশমী বিহিত পূজা। আবেলি ওজাপালি, আতচবাজী প্ৰদৰ্শন, বন্তি প্ৰজ্বলন, নাগাৰানাম পৰিৱেশন, নিশা ১০ বজাত ৰূপজ্যোতি নাট্যসমাজৰ দ্বাৰা নাট্যাভিনয়ৰ পিছতে সামৰণি পৰিব ১০৬সংখ্যক সাহপুৰ ৰাজঘাট দুৰ্গা পূজা মহোৎসৱৰ।

## গোৱালপাৰাত বাঁহৰ খুঁটাৰে বিপজ্জনকভাৱে বিদ্যুৎ সংযোগ

দৈনিক অসমৰ প্ৰতিনিধি

**ধূপধৰা, ১৯ ছেপ্টেম্বৰ ঃ** যি সময়ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ডিজিটেল ভাৰতৰ সপোন দেখুৱাইছে, তেনে সময়ত ৰাজ্যৰ গ্ৰামাঞ্চলৰ ৰাইজ কিমানদূৰ এনে সুবিধা লাভ কৰিছে সেই কথা ওলাই পৰে এই মলুকতে। কিয়নো ভিন্ন প্ৰান্তত এতিয়াও বিদ্যুৎ সেৱাৰ নামত উপযুক্ত নিৰাপদ বিদ্যুৎ সংযোগৰ চিন্তাত দিন অতিবাহিত কৰি আহিছে গ্ৰাহক। গোৱালপাৰা জিলাৰ পূব প্ৰান্তত অৱস্থিত ধূপধৰাত বাঁহৰ খুঁটাৰে বিপদজনকভাৱে সংযোগ কৰা হৈছে বিদ্যুৎ। প্ৰাপ্ত তথ্য মতে ধূপধৰাস্থিত বৈদ্যুতিক উপ-সংমণ্ডলৰ অন্তৰ্গত কোঠাকুঠি বাপুজিনগৰ নৰপুৰৰ কেইবাটাও পৰিয়ালে আজিও বিদ্যুতৰ পকী খুঁটাৰ অভাৱত বিপদজনকভাৱে বাঁহৰ খুঁটাৰে বিদ্যুৎ সংযোগ কৰি আহিছে। স্থানীয় লোকে জানিবলৈ দিয়া মতে, এই ক্ষেত্ৰত উক্ত সংমণ্ডল কাৰ্যালয়ত আবেদন-নিবেদন কৰিও কোনো ধৰণৰ সুফল নোপোৱাত ক্ষোভ উজাৰিছে তেওঁলোকে। ইফালে তাত নিৰ্দিষ্ট অংশলৈ বিদ্যুতৰ সংযোগ আছে যদিও তাৰ বিপৰীতে বাকী অংশ সমূহত অদ্যাপিও বিদ্যুৎ সেৱাৰ সম্প্ৰসাৰণ নহ'ল। আনহাতে বিভাগে উক্ত পৰিয়াল কেইটাৰ পৰা মাহিলী বিদ্যুতৰ মাছুল সংগ্ৰহ কৰি আছে যদিও বাঁহৰ খুটাৰে অতি বিপদজনকভাৱে বিদ্যুৎ সংযোগ কৰা কাৰ্যৰ প্ৰতিহে কাণসাৰ নাই।

প্ৰদান কৰা হ'ব দীনমণি ভাণ্ডাৰ কায়স্থ বঁটা

## প্ৰতিযোগিতাৰ বাবে কাব্যগ্ৰন্থ আহ্বান সদৌ অসম কবি মঞ্চৰ

দৈনিক অসমৰ প্ৰতিনিধি


**শুৱালকুছি, ১৯ ছেপ্টেম্বৰ ঃ** অসমীয়া সাহিত্য জগতৰ অগ্ৰণী অনুষ্ঠান সদৌ অসম কবি মঞ্চই অসমৰ ন-পুৰণি কবিসকলক উৎসাহিত কৰাৰ মানসেৰে প্ৰতিবছৰে আয়োজন কৰি অহা অসম ভিত্তিত কাব্যগ্ৰন্থ প্ৰতিযোগিতাৰ বাবে কাব্যগ্ৰন্থ আহ্বান কৰিছে। এই প্ৰতিযোগিতাত নিৰ্বাচিত শ্ৰেষ্ঠ কাব্যগ্ৰন্থখনলৈ আগবঢ়োৱা হ'ব ২০২৫ চনৰ সমাজৰত্ন দীনমণি ভাণ্ডাৰ কায়স্থ বঁটা। এই বঁটাত থাকিব নগদ ধন, মানপত্ৰ, স্মাৰক আৰু এটি কিতাপৰ টোপোলা। ইচ্ছুক কবিসকলে ৯৪০১৩৬৭৩৮৭, ৯৪৩৫০২২৩৫৩ নম্বৰত যোগাযোগ কৰি আবেদনপত্ৰ সংগ্ৰহ কৰিব পাৰিব। এই প্ৰতিযোগিতাত সকলো স্তৰৰ লেখক-লেখিকাই অংশগ্ৰহণ কৰিব পাৰিব বুলি জনাইছে সদৌ অসম কবি মঞ্চৰ প্ৰধান সম্পাদক জিতু কাঞ্চনে। কবিসকলে ১ জানুৱাৰী, ২০২০ চনৰপৰা ১০ নৱেম্বৰ, ২০২৫ চনৰ ভিতৰত প্ৰকাশিত নিজৰ কাব্যগ্ৰন্থৰ তিনিটা কপি প্ৰ-পত্ৰত উল্লিখিত ঠিকনালৈ ২০ নৱেম্বৰ, ২০২৫ তাৰিখৰ আগত পোৱাকৈ পঠিয়াব লাগিব। উল্লেখ্য যে সমাজৰত্ন দীনমণি ভাণ্ডাৰ কায়স্থ চৰকাৰী দায়িত্বশীল পদবীত থাকিও সকলো সামাজিক, আধ্যাত্মিক অনুষ্ঠান-প্ৰতিষ্ঠানত সহায়ৰ হাত আগবঢ়াই অহাৰ লগতে আৰ্তজনক বিভিন্ন প্ৰকাৰে সহায় কৰি সকলো মানুহৰ সুখ-দুখৰ সমভাগী হৈ জনপ্ৰিয়তা লাভ কৰিছে এগৰাকী নিষ্ঠাৱান সমাজসেৱক হিচাপে। ইতিমধ্যে তেখেতৰ ৰাজহুৱা কৰ্মৰাজিৰ স্বীকৃতিস্বৰূপে কামৰূপ জিলা সাহিত্য সভাই সমাজৰত্ন বঁটা আৰু সদৌ অসম কবি মঞ্চই সেৱাৰত্ন বঁটাৰে সন্মানিত কৰিছে। এইগৰাকী সমাজসেৱকৰ নামেৰে কাব্যগ্ৰন্থ প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ কাব্যগ্ৰন্থখনলৈ সমাজৰত্ন দীনমণি ভাণ্ডাৰ কায়স্থ বঁটা আগবঢ়াই আহিছে সদৌ অসম কবি মঞ্চই।

## অসম-মেঘালয় সীমান্তৰ খাৰদাঙত পকী দলং নথকাত ৰাইজৰ যমৰ যাতনা



দৈনিক অসমৰ প্ৰতিনিধি

**দুধনৈ, ১৯ ছেপ্টেম্বৰ ঃ** ৰাজ্য চৰকাৰে অসমৰ চুকে-কোণে উন্নয়নৰ ঢাক-ঢোল বজাই থকাৰ সময়তে এক বিপৰীত ছবি উন্মোচিত হৈছে গোৱালপাৰা জিলাৰ অসম-মেঘালয় সীমান্তত। জিলাখনৰ পশ্চিম গোৱালপাৰা বিধানসভা সমষ্টিৰ অন্তৰ্গত খাৰদাং-ভেৰভেৰী মেন্দিপথাৰ সংযোগী কৃষ্ণাই নৈৰ ওপৰত এখন দলং নথকাৰ বাবে বছৰ বছৰ ধৰি যাতায়াতৰ ক্ষেত্ৰত যমৰ যাতনা ভুগিবলগা হৈছে। অসম-মেঘালয় সীমান্তৰ বৃহত্তৰ খাৰদাং আৰু মেন্দিপথাৰ ভেৰভেৰী অঞ্চলৰ সংযোগী একমাত্ৰ যোগাযোগৰ মাধ্যম হৈছে কৃষ্ণাই নৈৰ ওপৰত বাঁহৰ দলং তথা টুলুঙা নাও। খাৰদাং বৃহত্তৰ অঞ্চলৰ সৰ্বসাধাৰণ ৰাইজে বছৰ বছৰ ধৰি কেঁচা পথেৰে কৃষ্ণাই নৈৰ ওপৰত থকা বাঁহৰ সাঁকোৰে বিপদসংকুলভাৱে যাতায়াত কৰি আহিছে। উল্লেখ্য যে খৰালি কালত অঞ্চলবাসীয়ে বাঁহৰ সাঁকোৰে বিপদসংকুলভাৱে যাতায়াত কৰে যদিও বাৰিষাত মেঘালয়ৰ পৰা নামি অহা পানীৰ প্ৰবল সোঁতে দলংখন উটুৱাই লৈ যায়। ফলত টুলুঙা নাৱেৰে অঞ্চলবাসীৰ লগতে স্কুলীয়া ছাত্ৰ-ছাত্ৰীয়ে বিদ্যালয়লৈ অহা-যোৱা, ৰোগী, দোকান-পোহাৰ তথা মেন্দিপথাৰ, জিৰা, দুধনৈ, দামৰা আদি অঞ্চললৈ যাবলগীয়া হয়। বিগত বছৰ বছৰ ধৰি খাৰদাং-ভেৰভেৰী মেন্দিপথাৰ অঞ্চলবাসীয়ে কৃষ্ণাই নৈৰ ওপৰত এখন পকী দলং নিৰ্মাণ কৰি যাতায়াতৰ ব্যৱস্থা কৰি সুচল কৰি দিবলৈ চৰকাৰক আহ্বান জনাই আহিছে যদিও কোনো গুৰুত্ব প্ৰদান কৰা নাই। যাৰ ফলত বৃহত্তৰ অসম-মেঘালয় সীমান্তবাসীয়ে যাতায়াতৰ ক্ষেত্ৰত যাতনা ভুগি আহিছে। সেয়েহে পুনৰবাৰ খাৰদাং বৃহত্তৰ অঞ্চলবাসীয়ে খাৰদাং-মেন্দিপথাৰ সংযোগী কৃষ্ণাই নৈৰ ওপৰত পকী দলং নিৰ্মাণ কৰি যাতায়াত সুচল কৰি দিবলৈ অসমৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাক আহ্বান জনাইছে।



পৰিৱেশ সচেতনতাৰ ব্যতিক্ৰমী পদক্ষেপ

## মাটিৰে গছ-পাতৰ আকাৰ দি ধুবুৰীত সাজিছে দুৰ্গাৰ প্ৰতিমা

দৈনিক অসমৰ প্ৰতিনিধি

**ধুবুৰী, ১৯ ছেপ্টেম্বৰ ঃ** শাৰদীয় দুৰ্গা পূজাৰ মাজত মাত্ৰ কেইটামান দিন বাকী থকাৰ সময়তে ধুবুৰীতো প্ৰতিটো পূজা মণ্ডপে মণ্ডপে বাঢ়িছে প্ৰতিযোগিতামূলক মণ্ডপ নিৰ্মাণৰ ব্যস্ততা। ধুবুৰীৰ কলেজ ৰোডস্থিত বীণাপাণি পূজা মণ্ডপত এইবাৰ গছপুলি ৰোপণ কৰি পৰিৱেশ প্ৰদূষণ নিয়ন্ত্ৰণ কৰাৰ প্ৰদৰ্শন কৰি এক বাৰ্তা দিবলৈ প্ৰচেষ্টা চলাইছে উদ্যোক্তাসকলে। বীণাপাণি পূজা মণ্ডপত অনা দুৰ্গাৰ প্ৰতিমা মাটিৰে গছ-পাতৰ আকাৰ দি সজা দেখা গ'ল। ৮০ বছৰীয়া বীণাপাণি পূজা মণ্ডপত এইবাৰ প্ৰায় ১৫ হাজাৰতকৈ অধিক গছপুলি ৰোপণ আৰু প্ৰদৰ্শন কৰাৰ পাছত পূজা সমাপ্তি হোৱাৰ পাছত বিদ্যালয়-মহাবিদ্যালয়সমূহত গছপুলিবোৰ ৰোপণ কৰা হ'ব বুলি উদ্যোক্তাসকলে জানিবলৈ দিয়ে। উল্লেখ্য যে অসমত দেৱী পূজাক বিশেষ উৎসাহ-উদ্দীপনাৰে পালন কৰা দেখা যায়। সমান্তৰালভাৱে দেৱী দুৰ্গাক সনাতনী হিন্দু ধৰ্মাৱলম্বী লোকসকলে বিশেষ উৎসাহ-উদ্দীপনাৰে পালন কৰে। ধুবুৰী চহৰত উলহ-মালহেৰে অনুষ্ঠিত দুৰ্গোৎসৱত প্ৰায় এশৰো অধিক ঠাইত দুৰ্গোৎসৱ পালন কৰা দেখা যায়। অসমৰ লগতে বহিঃৰাজ্যৰপৰাও ধুবুৰীত পালন কৰা দুৰ্গা পূজাত বিভিন্ন লোকৰ সমাগম ঘটাও পৰিলক্ষিত হয়।

## স্মৃতি তৰ্পণ

### সৰুজনী কলিতা



নলবাৰী, দীঘেলী গাঁৱৰ জামতল চুবুৰিৰ বিশিষ্ট ধৰ্মপ্ৰাণ মহিলা, শ্ৰীমন্ত শংকৰদেৱ সংঘৰ একনিষ্ঠ সেৱিকা, আই মাতৃ কল্যাণ সমিতিৰ সদস্যাৰ লগতে নামাচাৰ্য সৰুজনী কলিতাৰ ৭৮ বছৰ বয়সত যোৱা ২৪ ভাদ, ১০ ছেপ্টেম্বৰ বুধবাৰে নিশা ৯.৩০ বজাত বৈকুণ্ঠ প্ৰয়াণ হয়। তেওঁ এগৰাকী সহজ-সৰল, কোমল অন্তৰৰ মহিলা আছিল। সকলো মানুহকেই অন্তৰৰে ভাল পাইছিল। কোনো কামকে হেলা নকৰি সকলোতেই আগবাঢ়ি গৈছিল, সকলোকে ভাল দিহা-পৰামৰ্শ প্ৰদান কৰিছিল। এনে এগৰাকী ব্যক্তিক হেৰুৱাই আমাৰ পৰিয়ালৰ লগতে গোটেই অঞ্চলবাসী মৰ্মাহত হৈছোঁ। ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা জনাইছোঁ তেওঁৰ আত্মাই বৈকুণ্ঠত স্থান লাভ কৰক। মৃত্যুৰ সময়ত তেওঁ পুত্ৰ-বোৱাৰী, জী-জোঁৱাই, নাতি-নাতিনীহসহ আত্মীয়-স্বজনক ইহসংসাৰত এৰি থৈ যায়।

বন্দনা বৰ্মন

## যোৰহাটৰ বৰ্ষাৰণ্য গৱেষণা প্ৰতিষ্ঠানৰ উপদেষ্টা গোটৰ বৈঠক সম্পন্ন

দৈনিক অসমৰ প্ৰতিনিধি

**টীয়ক, ১৯ ছেপ্টেম্বৰ ঃ** যোৰহাটৰ বৰ্ষাৰণ্য গৱেষণা প্ৰতিষ্ঠানত ১৭ ছেপ্টেম্বৰত ২৭সংখ্যক গৱেষণা উপদেষ্টা গোটৰ বৈঠক অনুষ্ঠিত হয়। এই বৈঠক হাইব্ৰিড পদ্ধতি অৰ্থাৎ অফলাইনৰ লগতে অনলাইনৰ যোগেদি অনুষ্ঠিত কৰা হয়। প্ৰতিষ্ঠানটোৰ সঞ্চালক ডঃ নীতিন কুলকাৰ্ণী উপস্থিত থাকি বৈঠকৰ সদস্য আৰু অন্যান্য অংশগ্ৰহণকাৰীক শাৰীৰিকভাৱে আৰু ভাৰ্চুৱেলী আদৰণি জনায়। এই গোটৰ সমন্বয়ক (গৱেষণা) ডঃ ৰাজীৱ কুমাৰ বৰাই প্ৰতিষ্ঠানটোৰ গৱেষণা, উন্নয়ন আৰু সম্প্ৰসাৰণৰ কাম-কাজৰ বিষয়ে অৱগত কৰে। এই বৈঠকত যোৰহাটৰ অসম কৃষি বিশ্ববিদ্যালয়ৰ অধ্যাপক ডঃ ৰমেন্দ্ৰ নাথ শৰ্মা; যোৰহাটৰ কেন্দ্ৰীয় মুগা-এৰী গৱেষণা আৰু প্ৰতিষ্ঠানৰ সঞ্চালক ডঃ কাৰ্তিক নেওগ; ডঃ অৰ্চনা মণি দাস, বিজ্ঞানী, চি এছ আই আৰ-নৰ্থ ইষ্ট ইনষ্টিটিউট অৱ ছাইন্স এণ্ড টেকন'লজী, যোৰহাট; ডঃ সঞ্জয় কুমাৰ ৰায়, প্ৰধান বিজ্ঞানী, আইচিএআৰ-ৰাষ্ট্ৰীয় মাটি জৰীপ আৰু ভূমি ব্যৱহাৰ পৰিকল্পনা যোৰহাট; মেঘালয়ৰ সাঁচি পৰামৰ্শদাতা আব্দুল কোৱাভিৰ ডঃ ধ্ৰুৱজ্যোতি দাস, ইমতেমছু আও, ডঃ সত্যম বৰদলৈ, প্ৰতিষ্ঠানটোৰ সকলো বিজ্ঞানী আৰু বিষয়া উপস্থিত থাকে। ভাৰ্চুৱেলী উপস্থিত থাকে অৰুণাচলৰ মুখ্য প্ৰধান বন সংৰক্ষক পি সুব্ৰমনিয়াম, মণিপুৰ বিশ্ববিদ্যালয়ৰ ডঃ বিবেক বৈষ্ণৱ, জি বি পি এন আই এইচ ই ছিকিমৰ ডাঃ ৰাজেশ যোশী, চি চি এফ, গৱেষণা প্ৰশিক্ষণ আৰু নিৰীক্ষণ, মিজোৰাম বন বিভাগৰ,আৰতি চৌধুৰী, তুৰা নৰ্থ ইষ্টাৰ্ন হিল ইউনিভাৰ্ছিটীৰ তুৰা কেম্পাছৰ ডঃ গোপাল শুক্লা; আৰু ভাৰতীয় বন গৱেষণা আৰু শিক্ষা পৰিষদ— ডেৰাডুনৰ সহকাৰী সঞ্চালকপ্ৰধান ডঃ পি এছ ৰাৱাটে ভাৰতীয় বন গৱেষণা আৰু শিক্ষা পৰিষদ ডেৰাডুনৰ সঞ্চালকপ্ৰধানক প্ৰতিনিধিত্ব কৰে।

## নতুন বলাইত শাৰদীয় গ্ৰন্থমেলা

দৈনিক অসমৰ প্ৰতিনিধি

**মৰাণ, ১৯ ছেপ্টেম্বৰ ঃ** আলোকসন্ধানী অধ্যয়ন চক্ৰৰ উদ্যোগত অহা ২৮, ২৯, ৩০ ছেপ্টেম্বৰ আৰু ১ অক্টোবৰত চাৰিদিনীয়া কাৰ্যসূচীৰে ডিব্ৰুগড় জিলাৰ খোৱাং বিধানসভা সমষ্টিৰ অন্তৰ্গত নতুন বলাই গাঁৱৰ বলাই জনজাতি উচ্চ মাধ্যমিক বিদ্যালয়ত আনকেইবছৰৰ দৰে এইবাৰো তপন হাজৰিকা সোঁৱৰণী শাৰদীয় গ্ৰন্থমেলা আয়োজন কৰিছে। গ্ৰন্থমেলাৰ লগত সংগতি ৰাখি ছাত্ৰ-ছাত্ৰীৰ মাজত বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। উল্লেখ্য যে শাৰদীয় দুৰ্গোৎসৱত পূজাৰ আনন্দৰ মাজতে শিক্ষা - সাংস্কৃতিক জ্ঞানৰ দিশৰ চৰ্চাও যাতে সমান্তৰালভাৱে আগবঢ়াই নিব পাৰি তাৰ লক্ষ্যৰে নতুন বলাই আলোকসন্ধানী অধ্যয়ন চক্ৰই প্ৰত্যেক বছৰে শাৰদীয় দুৰ্গা পূজাতে গ্ৰন্থমেলা অনুষ্ঠিত কৰি আহিছে।

## মাজুলীত শৈক্ষিক বঁটা প্ৰদান



দৈনিক অসমৰ প্ৰতিনিধি

**মাজুলী, ১৯ ছেপ্টেম্বৰ ঃ** মাজুলীৰ যাদৱপুৰ গুৱালাবাৰী গাঁৱৰ ৰাইজৰ সহযোগত যোৱা ১৬ ছেপ্টেম্বৰত যাদৱপুৰ নামঘৰত শৈক্ষিক বঁটা প্ৰদান অনুষ্ঠান অনুষ্ঠিত হয়। মাজুলী জিলা সূত সন্মিলনৰ সভাপতি পুলিন বৰাৰ সভাপতিত্বত অনুষ্ঠিত সভাখনৰ আঁত ধৰে তিলক ৰাজখোৱাই। শৈক্ষিক বঁটা প্ৰদানৰ অনুষ্ঠানটোত অসম সূত উন্নয়ন ব'ৰ্ডৰ উপাধ্যক্ষ তৰুণ বৰুৱা, মাজুলী জিলা সূত সন্মিলনৰ সভাপতি পুলিন বৰা আৰু সাধাৰণ সম্পাদক দেৱজিৎ বৰা আৰু ছাত্ৰ-ছাত্ৰী, অভিভাৱক তথা অঞ্চলটোৰ শিক্ষাপ্ৰেমী ৰাইজ উপস্থিত থাকে। সভাত চলিত বৰ্ষত উচ্চতৰ মাধ্যমিকত সৰ্বাধিক নম্বৰ লাভ কৰা ২নং কড়াল গাঁৱৰ বিজিত বাৰিক আৰু হাইস্কুল শিক্ষান্ত পৰীক্ষাত সৰ্বাধিক নম্বৰ লাভ কৰা গড়মূৰ খোনাচুকৰ অনুপ্ৰিয়া দত্তক শৈক্ষিক বঁটা প্ৰদান কৰা হয়। উল্লেখ্য যে সূত জাতিৰ কৃতী ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক বিকাশৰ বাবে সমাজকৰ্মী কমাৰগাঁও নিৱাসী তিলক ৰাজখোৱাই প্ৰয়াত পিতৃ-মাতৃ মাণিক ৰাজখোৱা আৰু ৰূপহী ৰাজখোৱাৰ সোঁৱৰণত দুটিকৈ শৈক্ষিক বঁটা প্ৰদান কৰি আহিছে।

### মেৰাপানীৰ ছীডফাৰ্মত নগালেণ্ডে তৈল খেজুৰৰ পুলি ৰোপণৰ প্ৰতিবাদ

## কৃষকৰ ৰুদ্ৰৰূপ দেখি পলাল নগালেণ্ডৰ আৰক্ষী



দৈনিক অসমৰ প্ৰতিনিধি

**মেৰাপানী, ১৯ ছেপ্টেম্বৰ ঃ** মেৰাপানীৰ ছীডফাৰ্মত নগাই তৈল খেজুৰৰ পুলি ৰোপণ কৰিবলৈ প্ৰস্তুতি চলোৱাক কেন্দ্ৰ কৰি দ্বিতীয় দিনাও নগাৰ বিৰুদ্ধে কৃষকৰ প্ৰতিবাদ অব্যাহত আছে। কালি বীজপাম, মেৰাপানী ভূমি অধিকাৰ সংগ্ৰাম সমিতি আৰু মেৰাপানীৰ ভেলৌগুৰিৰ বিভিন্ন গাঁৱৰ শ শ কৃষক ৰাইজে মেৰাপানীৰ ছীডফাৰ্ম পাঁচআলিত ঐক্যবদ্ধ সংগ্ৰামেৰে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। উল্লেখযোগ্য যে অসম-নগালেণ্ড সীমান্তৰ অসমৰ ভৌগোলিক মানচিত্ৰৰ ভিতৰৰ ভেলৌগুৰিৰ চীডফাৰ্মৰ ২০০০ হেজাৰ হেক্টৰ ভূমিত ৰোপণ কৰিবলৈ তৈল খেজুৰৰ পুলি মজুত কৰিছে নগালেণ্ডে। ইফালে অসম-নগালেণ্ড সীমান্তৰ বিৰদমান এলেকাৰ উক্ত ছীডফাৰ্ম ভূমিত বছৰ বছৰ ধৰি অসমৰ কৃষকে ভোগ-দখল কৰি অহাৰ পাছত উক্ত কৃষিভূমিত নাগাই তৈল খেজুৰৰ পুলি ৰোপণ কৰিবলৈ চেষ্টা কৰা কাৰ্যক মেৰাপানীৰ কৃষক ৰাইজে তীব্ৰ প্ৰতিবাদ জনাইছে। নগালেণ্ডৰ লোকে মেৰাপানীৰ ছীডফাৰ্মত মজুত ৰখা পাম অইলৰ পুলি ওভতাই নিয়া, ছীডফাৰ্মত অসমীয়া কৃষকক ভূমি অধিকাৰ দিয়া, জয়পুৰৰ ৮৩টা অসমীয়া পৰিয়ালৰ গৃহত বিদ্যুতৰ ব্যৱস্থা কৰা, জয়পুৰত চৰকাৰী আঁচনি, খোৱাপানী গৃহ নিৰ্মাণ আদিৰ বাবে ব্যৱস্থা কৰা আদি কেইবাটাও দাবীৰে কৃষকে প্ৰতিবাদ অব্যাহত ৰাখিছে। ইফালে কালি প্ৰতিবাদ সাব্যস্ত কৰিবলৈ লওঁতেই, অসম ভূমিত নাগা আৰক্ষীয়ে পহৰা দিয়া দেখা যায়। প্ৰতিবাদস্থলীত সমবেত ৰাইজ জাঙুৰ খাই উঠে। তেওঁলোকৰ ৰুদ্ৰৰূপ দেখি নগালেণ্ডৰ আৰক্ষী পলাই যাবলৈ বাধ্য হয়। লগে লগে নগালেণ্ড পুলিচ গ' বেক ধ্বনিৰে মেৰাপানীৰ ভেলৌগুৰি উত্তাল কৰি তোলে কৃষকসকলে। তাৎপৰ্যপূৰ্ণ বিষয়টো হ'ল যে মেৰাপানী সীমান্তৰ ভেলৌগুৰিৰ ছীডফাৰ্মক বিৰদমান এলেকা বুলি উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশনা জাৰি কৰাৰ পাছতো, উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশনাক উলংঘা কৰি নগালেণ্ডৰ কৃষি বিভাগে পাম অইলৰ খেতি কৰাকলৈ জাঙুৰ খাই উঠিছে মেৰাপানীবাসী। উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশনাক সন্মান জনাই অসমৰ ৰাইজে ন্যায়ালয়ৰ স্থিতাৱস্থাক বাহাল ৰখাৰ পাছতো নগা প্ৰশাসনে বাৰে বাৰে অসমৰ ভূমি আগ্ৰাসন চলোৱা কাৰ্যক স্থানীয় ৰাইজ আৰু কেইবাটাও জাতীয় সংগঠনে ছীডফাৰ্মৰ সমীপৰ ভেলৌগুৰি পাঁচআলিত অৱস্থান কৰি নাগাৰ বিৰুদ্ধে ঐক্যবদ্ধ আন্দোলনৰ এখন প্ৰতিবাদী সভা অনুষ্ঠিত কৰি প্ৰতিবাদ অব্যাহত ৰাখিছে। ইফালে নাগাই মজুত ৰখা পাম অইল বা তৈলখেজুৰৰ পুলি মেৰাপানীৰ ছীডফাৰ্মৰ পৰা আঁতৰাই নিনিয়া পৰ্যন্ত নাগাৰ বিৰুদ্ধে আন্দোলন অব্যাহত ৰাখিব বুলি প্ৰতিবাদকাৰীয়ে স্পষ্টকৈ জানিবলৈ দিয়ে। উল্লেখযোগ্য বিষয় যে ছীডফাৰ্ম, মেৰাপানী ভূমি অধিকাৰ সংগ্ৰাম সমিতি আৰু প্ৰতিবাদ কাৰী কৃষক ৰাইজৰ লগত, কৃষক মুক্তি সংগ্ৰাম সমিতি, ছাত্ৰ মুক্তি সংগ্ৰাম সমিতি, নাৰী মুক্তি সংগ্ৰাম সমিতি, বীৰ লাচিত সেনাৰ গোলাঘাট জিলা সমিতি, সদৌ অসম চুতীয়া ছাত্ৰ সন্থাৰ গোলাঘাট জিলা সমিতি, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ গোলাঘাট জিলা সমিতি, সদৌ অসম অনুসূচিত জাতি ছাত্ৰ সন্থাৰ গোলাঘাট জিলা সমিতি আৰু সমগ্ৰ দৈয়াং অঞ্চলৰ সংগ্ৰামী ৰাইজে ঐক্যবদ্ধভাৱে সংগ্ৰাম অব্যাহত ৰাখিছে।

## লখিমী গাঁৱলীয়া বেংকৰ স্মৃতিত বোকাখাতত 'লখিমী ভৱন'

দৈনিক অসমৰ প্ৰতিনিধি

**বোকাখাত, ১৯ ছেপ্টেম্বৰ ঃ** বিস্মৃতিৰ গৰ্ভত উজনি অসমৰ একালৰ বিত্তীয় প্ৰতিষ্ঠান 'লখিমী গাঁৱলীয়া বেংক'। এই বেংকৰ মুখ্য কাৰ্যালয় আছিল গোলাঘাটত। ২০০৬ চনত অসমৰ এনে সৰু বেংকসমূহক একত্ৰিত কৰি ভাৰতীয় ৰিজাৰ্ভ বেংকে 'অসম গ্ৰামীণ বিকাশ বেংক'ৰ সৈতে সংলগ্ন কৰিলে লখিমী গাঁৱলীয়া বেংকক। নাম নতুন হ'লেও পুৰণি কৰ্মচাৰীয়ে পাহৰিব নোৱাৰে অতীত। বহু কৰ্মচাৰীয়ে অৱসৰ ল'লে। বহুতো এতিয়াও কৰ্মৰত। কিন্তু উজনিৰ লখিমী গাঁৱলীয়া বেংকৰ কৰ্মচাৰীসকলে লখিমী নামটো চিৰস্থায়ী কৰিবলৈ লোৱা আত্মিক চিন্তাৰ বাস্তৱ প্ৰতিফলন ঘটিল বোকাখাতত। বোকাখাতত ১৬ ছেপ্টেম্বৰত উন্মোচন হ'ল 'লখিমী ভৱন'। 'লখিমী গাঁৱলীয়া বেংক'ৰ কৰ্মচাৰীৰ 'সঞ্চয় আৰু ঋণদান সমবায় সমিতি'ৰ দ্বাৰা কাৰ্যালয়, সভাকক্ষ, বিনোদনৰ হেতু ব্যৱহৃত হ'ব এই ভৱন। এগছি বন্তি জ্বলাই কাৰ্যসূচী শুভাৰম্ভ কৰে বোকাখাত প্ৰেছ ক্লাবৰ সভাপতি ভৱানন্দ কলিতাই। মূল গৃহৰ দ্বাৰ উদ্‌ঘাটন কৰে বোকাখাত উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ কমল গগৈয়ে। ধীৰেন শইকীয়াই আঁত ধৰা অনুষ্ঠানত এটি বৰগীত পৰিৱেশন কৰে বোধেশ্বৰী বৰাই। ধীৰেন শইকীয়াই এই অনুষ্ঠানৰ গঢ় দিয়াৰ ইতিহাস সভাক অৱগত কৰে। সভাত বোকাখাত পৌৰসভাৰ ১ নং ৱাৰ্ড কমিছনাৰ প্ৰাঞ্জল বৰুৱা, গোলাঘাট জিলা কবি সন্মিলনৰ সভাপতি অমৰ শৰ্মা, স্বেচ্ছাসেৱী সংগঠন গ্ৰাছৰ সভাপতি অংকুৰ বৰঠাকুৰ, বোকাখাত মহকুমা সাংবাদিক সংস্থাৰ সভাপতি বুবুল দত্ত, অনুষ্ঠানৰ বিশিষ্ট ব্যক্তি দধি নাথ, অমৰ কাকতি, ৰিপুঞ্জয় নাথ, পল্লৱ বৈৰাগী, অৰুণ হাজৰিকা, মচফিকুৰ ৰহমান হাজৰিকা, পুলিন বৰা, দিলীপ হাজৰিকাকে ধৰি বিশিষ্ট ব্যক্তিসকলৰ লগতে লখিমী গাঁৱলীয়া বেংকৰ পৰা অৱসৰ লোৱা, বৰ্তমানেও সেৱা আগবঢ়াই থকা শতাধিক লোক উপস্থিত থাকে।

### দক্ষিণ আঁহতগুৰিৰ চৈধ্যঘৰীয়াত ব্ৰহ্মপুত্ৰৰ প্ৰবল খহনীয়া

## জাহ যোৱাৰ উপক্ৰম নামঘৰ, শিৱ মন্দিৰকে ধৰি কেইবাটাও বাসগৃহ

দৈনিক অসমৰ প্ৰতিনিধি

**দেৰগাঁও, ১৯ ছেপ্টেম্বৰ ঃ** দেৰগাঁৱৰ দক্ষিণ আঁহতগুৰি গাঁও পঞ্চায়তৰ অন্তৰ্গত চিকাৰীঘাট সমীপৰ চকলা আৰু চৈধ্য ঘৰীয়াত ব্ৰহ্মপুত্ৰৰ খহনীয়াই লৈছে ভয়ংকৰ ৰূপ। ইতিমধ্যে বিগত বৰ্ষত অঞ্চলটোৰ বহুকেইখন গাঁও ব্ৰহ্মপুত্ৰৰ বুকুত জাহ যোৱাৰ পাছত চিকাৰীঘাটৰ পৰা দেৰগাঁও আৰু ধোদাং সংযোগী পকী পথৰ কাষতে বহুকেইটা পৰিয়ালে আশ্ৰয় গ্ৰহণ কৰি দিন অতিবাহিত কৰিছিল। এই পথৰ দাঁতিতে চৈধ্যঘৰীয়া নামঘৰ, ধূপাবৰ সত্ৰ আৰু ব্ৰহ্মপুত্ৰ সাৰ্বজনীন শিৱ মন্দিৰ স্থাপন কৰি অঞ্চলবাসীয়ে ধৰ্মীয় পৰম্পৰাও ৰক্ষা কৰি আহিছিল। কিন্তু পুনৰ এই স্থানতো শেহতীয়াকৈ ব্ৰহ্মপুত্ৰৰ খহনীয়াই ভয়ংকৰ ৰূপ ধাৰণ কৰি চৈধ্যঘৰীয়া নামঘৰ, ব্ৰহ্মপুত্ৰ সাৰ্বজনীন শিৱ মন্দিৰ, ধূপাবৰ সত্ৰ ব্ৰহ্মপুত্ৰৰ বুকুত জাহ যোৱাৰ উপক্ৰম হৈছে। পূৰ্বে মাজুলী সমষ্টিৰ আৰু শেহতীয়াকৈ নৱগঠিত দেৰগাঁও বিধানসভা সমষ্টিৰ অন্তৰ্গত অঞ্চলটোত কেইবাবছৰ ধৰি ব্ৰহ্মপুত্ৰৰ খহনীয়াই কাল ৰূপ ধাৰণ কৰি ভীমপাৰা, সাঁকোপাৰা, কৰৈগুৰি, বিলতীয়া, বাঘেধৰা আদি বহুকেইখন গাঁও নিশ্চিহ্ন কৰি পেলাইছে যদিও আজিলৈকে চৰকাৰীভাৱে অঞ্চলটোত কোনোধৰণৰ এই সমস্যা সমাধানৰ ক্ষেত্ৰত গুৰুত্ব নিদিলে। যাৰ ফলত যিকেইখন গাঁও বৰ্তমান বাকী আছিল সেইকেইখন গাঁও বৰ্তমান নিশ্চিহ্ন হোৱাৰ পথত। ৰাইজৰ অভিযোগ— কেৱল ভোটৰ সময়ত ৰাইজৰ কাষ চপা জনপ্ৰতিনিধিসকলে পাছত এবাৰো দেখা দিবলৈ সময় নাপায়। চৰকাৰ আহিছে আৰু গৈছে। প্ৰত্যেক চৰকাৰৰ দিনতে কেৱল আশা দি নিৰাশা কৰিছে সমস্যাৰে জৰ্জৰিত অঞ্চলটোৰ ৰাইজক। অঞ্চলটোত যোৱা তিনিদিনৰ পৰা খহনীয়াই কাল ৰূপ ধাৰণ কৰাত ওৰে ৰাতি উজাগৰে কটাইছে স্থানীয় লোকসকলে।এই ক্ষেত্ৰত দেৰগাঁও সমজিলা প্ৰশাসন তথা বিভাগীয় কৰ্তৃপক্ষই শীঘ্ৰে অঞ্চলটোত পদ্ধতিগতভাৱে খহনীয়া প্ৰতিৰোধৰ বাবে কাম কৰি খহনীয়াত সৰ্বস্বান্ত গাঁওকেইখনৰ অৱশিষ্টখিনি সুৰক্ষিত কৰাৰ ব্যৱস্থা কৰিবলৈ ৰাইজে দাবী জনাইছে।



## ডিমৌ জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ৰ নৱাগত আদৰণী সভা আৰু বাৰ্ষিক আলোচনী উন্মোচন

দৈনিক অসমৰ প্ৰতিনিধি

**ডিমৌ, ১৯ ছেপ্টেম্বৰ ঃ** ডিমৌ জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ৰ চলিত শিক্ষাবৰ্ষৰ নৱাগত আদৰণী সভাখন কালি অনুষ্ঠিত হৈ যায়। বিদ্যালয়খনৰ বিজ্ঞান শাখাৰ দ্বাদশ শ্ৰেণীৰ ছাত্ৰ অম্লানজ্যোতি চুতীয়াই আঁত ধৰা আৰু উদ্দেশ্যে ব্যাখ্যা কৰা সভাখন বিদ্যালয়ৰ ছাত্ৰ জ্ঞানম শইকীয়াই এটি বৰগীত পৰিৱেশন কৰি শুভাৰম্ভ কৰে। বিদ্যালয়ৰ অধ্যক্ষ জিতুল শেনছোৱাই সভাপতিত্ব কৰা সভাখনত বিদ্যালয়ৰ ছাত্ৰী ৰীচা শইকীয়াই নৱাগত ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি আদৰণী ভাষণ প্ৰদান কৰে। সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকি হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক বিতুল শইকীয়াই ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি প্ৰেৰণাদায়ক বক্তব্য আগবঢ়ায়। ডিমৌ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ লোকনাথ গগৈ আৰু ডিমৌৰ সমাজ সংগঠক, সাংস্কৃতিক কৰ্মী কুশল দত্তয়ো সভাত অতিথি হিচাপে থাকি শুভেচ্ছামূলক বক্তব্য আগবঢ়ায়। বিদ্যালয়ৰ ছাত্ৰী সুকন্যা বৰগোহাঁয়ে স্বৰচিত কবিতা আবৃত্তি আৰু ছাত্ৰ জ্ঞানম শইকীয়াই ভূপেন্দ্ৰ সংগীত পৰিৱেশন কৰা সভাতে ডিমৌ প্ৰেছ ক্লাবৰ সভাপতি উমেশ চেতিয়াই উন্মোচন কৰে প্ৰাচুৰ্য শইকীয়াই সম্পাদনা কৰা বিদ্যালয়খনৰ ২০২৪-২৫ বৰ্ষৰ বাৰ্ষিক আলোচনী ডিজেচিয়ান। নৱাগত আদৰণী সভাৰ মঞ্চত বিদ্যালয়ৰ উপাধ্যক্ষাদ্বয় গীতামণি কলিতা, বন্তি ফুকন, শৈক্ষিক তত্ত্বাৱধায়ক মুনীন গগৈ, শিক্ষক-শিক্ষয়িত্ৰী এন পৰিসীমা বড়া, দুলুমণি শইকীয়া আদি উপস্থিত থাকি ছাত্ৰ-ছাত্ৰীসকলক উৎসাহিত কৰে। মূল সভাৰ পাছতে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে মঞ্চত বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰি নৱাগত আদৰণিৰ দিনটো ৰং-ৰহইচেৰে উদ্‌যাপন কৰে।



## প্ৰবীণ সাংবাদিক, অৱসৰপ্ৰাপ্ত অধ্যক্ষ, সমাজকৰ্মী চন্দ্ৰকান্ত দাসৰ মৃত্যু

দৈনিক অসমৰ প্ৰতিনিধি



**মহুৰামুখ, ১৯ ছেপ্টেম্বৰ ঃ** বোকাখাত সমজিলাৰ মহুৰা মৌজাৰ ১নং গৰৈমাৰী গাঁৱৰ নিজামী, বৰটিকা অফলা উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক, বাদুলীপাৰ কনিষ্ঠ মহাবিদ্যালয়ৰ আৱসৰপ্ৰাপ্ত অধ্যক্ষ, সমাজকৰ্মী, সাহিত্যিক, প্ৰগতিশীল খেতিয়ক চন্দ্ৰ কাৰ দাসৰ (৬৮) ১৭ ছেপ্টেম্বৰৰ সন্ধিয়া নিজা বাসগৃহত মৃত্যু হয়। তেওঁ কিছুদিন ধৰি ৰোগাগ্ৰস্ত হৈ আছিল। প্ৰয়াত দাসে গোলাঘাটৰ মহকুমাধিপতি কাৰ্যালয়ত চিলিং মণ্ডল হিচাপে কৰ্মজীৱন আৰম্ভ কৰে যদিও গিখপৰা সমাজখনক শিক্ষা দীক্ষাৰে আগবঢ়াই নিয়াৰ মানসিকতাৰ বানেগৰকা, শৈক্ষিক দিশত পাছপৰি থকা বৰটিকা আৰু অফলা গাঁৱৰ শৈক্ষিক উত্তৰণত গুৰুত্ব আৰোপ কৰি দুয়োখন গাঁৱৰ ৰাইজৰ সহযোগত প্ৰতিষ্ঠা কৰে বৰটিকা অফলা উচ্চ মাধ্যমিক বিদ্যালয়। তেওঁ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক হিচাপে বিদ্যালয়খনত কিছু বছৰ কাৰ্যনিৰ্বাহ কৰি বাদুলীপাৰ কনিষ্ঠ মহাবিদ্যালয়ৰ অধ্যক্ষ হিচাপে যোগদান কৰি অৱশেষত সেইখন শিক্ষানুষ্ঠানৰ পৰা অৱসৰ গ্ৰহণ কৰে। প্ৰয়াত দানে শিক্ষকতাৰ সমান্তৰালভাৱে সাংবাদিকতা আৰু সাহিত্য চৰ্চাত মনোনিৱেশ কৰে। তেওঁ আজিৰ অসম, দৃষ্টিকোণ, নতুন দৈনিক, দৈনিক অগ্ৰদূত, অসমীয়া খবৰ, আজিৰ বাতৰি, নতুন সময়, আজিৰ সময়, ৰাইজৰ খবৰ আদি বাতৰি কাকতৰ লগত জড়িত আছিল। প্ৰয়াত দাসৰ প্ৰকাশিত গ্ৰন্থ কেইখন হ'ল — প্ৰতিমা মোৰ প্ৰিয়তমা, নল গজালিৰ প্ৰেমত কপিলী কাজলী, জীৱনে জীৱনৰ বুকুত শিপাবলৈ বিচাৰে আৰু মোৰ ল'ৰালি। তেওঁ শ্ৰেষ্ঠ গল্পকাৰৰ বঁটাও লাভ কৰিছিল। এগৰাকী প্ৰগতিশীল খেতিয়ক হিচাপেও দাস জনাজাত আছিল। তেওঁ গোলাঘাট জিলা ভিত্তিত ২০১৯ চনত শ্ৰেষ্ঠ কৃষক বঁটা আৰু অসম বিশ্ববিদ্যালয়ৰ দ্বাৰা প্ৰশংসিত কৃষক সন্মান লাভ কৰিছিল। প্ৰয়াত দাস অসম আন্দোলনৰ এজন সক্ৰিয় কৰ্মী আছিল। তেওঁ সুলভমূল্যৰ সামগ্ৰী সংগ্ৰাহক আৰু বিতৰক হিচাপেও জড়িত আছিল। সমাজকৰ্মী হিচাপে পৰিচিত দাস কমাৰগাঁও আঞ্চলিক সাংবাদিক সংস্থাৰ প্ৰাক্তন সভাপতি, উপদেষ্টা, মহুৰামুখ শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, কমাৰগাঁও প্ৰেছক্লাবৰ প্ৰতিষ্ঠাপক সভাপতি আছিল। মৃত্যুৰ সময়লৈকে তেওঁ মহুৰামুখ উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰাক্তন ছাত্ৰ মঞ্চৰ সভাপতি আছিল। তেওঁৰ মৃত্যুত মহুৰামুখ শাখা সাহিত্য সভা, মহুৰামুখ যুৱ নাট্য সংঘ, কমাৰগাঁও আঞ্চলিক সাংবাদিক সংস্থা, কমাৰগাঁও প্ৰেছ ক্লাব, কমাৰগাঁও আঞ্চলিক লেখিকা সমাৰোহ সমিতি, মহুৰামুখ প্ৰেছ ক্লাব, মহুৰামুখ উচ্চতৰ মাধ্যমিক বিদ্যালয়, গৰৈমাৰী উচ্চ মাধ্যমিক বিদ্যালয়, মহুৰামুখ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ মঞ্চ, গৰৈমাৰী উত্তৰণ যুৱক সংঘ, উত্তৰণ নাট্য সংঘ, গৰৈমাৰী প্ৰাথমিক বিদ্যালয়, একশৰণ ভাগৱতী সমাজৰ গৰৈমাৰী আঞ্চলিক সমিতি আদি অনুষ্ঠান-প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰিছে।

## নাহৰকটীয়াত ৰাজ্যিক কৃতী শিক্ষক ডঃ নিয়ত ৰেংকেনক সম্বৰ্ধনা

দৈনিক অসমৰ প্ৰতিনিধি

**টেঙাখাত, ১৯ ছেপ্টেম্বৰ ঃ** ডিব্ৰুগড় জিলাৰ নাহৰকটীয়া বিধান সভা সমষ্টিৰ নামফাকে গাঁৱত অৱস্থিত টাইফাকে উচ্চ বহুমুখী বিদ্যালয়ৰ প্ৰধান শিক্ষক ডঃ নিয়ত ৰেংকেনে ২০২৫ বৰ্ষৰ ৰাজ্যিক কৃতী শিক্ষকৰ বঁটা লাভ কৰি অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিছে। তেওঁ শিক্ষাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলক সমান্তৰালভাৱে সাংস্কৃতিক আৰু ক্ৰীড়াক্ষেত্ৰতো গুৰুত্ব প্ৰদান কৰি আহিছে। ছাত্ৰ-ছাত্ৰীসকলক আত্মনিৰ্ভৰশীল আৰু আত্ম বিশ্বাস গঢ়ি তুলিবলৈ যোগ আৰু আধ্যাত্মিক শিক্ষাও তেওঁ প্ৰদান কৰি আহিছে। ছাত্ৰ-ছাত্ৰীসকলক প্ৰকৃতিৰ গুৰুত্বপূৰ্ণ অৱদানবোৰৰ উপলব্ধি আৰু ব্যৱহাৰিক জ্ঞান প্ৰদান কৰিবলৈ তেওঁ ২০২২-২৩ বৰ্ষত বিদ্যালয়ৰ চৌহদত এখন ফল-মূলৰ বাগিচা গঢ়ি তোলে। বৰ্তমানে তেওঁ এই বাগিচাত ৩৮ বিধ বিভিন্ন ফল-মূলৰ গছ ৰোপণ কৰিছে, যত আছে থাইলেণ্ডৰ মিঠা তেঁতেলী, বগৰি আৰু ম্যানমাৰৰ লিচু আদি কৰিছে। বিদ্যালয়খন পিছপৰা অঞ্চলত অৱস্থিত যদিও বিগত বছৰবোৰত মেট্ৰিক পৰীক্ষাৰ ফলাফল ২০২৪ বৰ্ষত ৯২ শতাংশ আৰু ২০২৫ বৰ্ষত ৭৪ শতাংশ বুলি বিদ্যালয় কৰ্তৃপক্ষই জানিবলৈ দিয়ে। বৰ্তমানে বিদ্যালয়খনত মাত্ৰ ৭গৰাকী শিক্ষক-শিক্ষয়িত্ৰীয়ে প্ৰথম শ্ৰেণীৰ পৰা দশম শ্ৰেণীলৈ পাঠদান কৰে। শিক্ষকৰ অভাৱ পূৰণ কৰিবলৈ প্ৰধান শিক্ষ নিয়ত ৰেংকেনে শ্ৰেণীসমূহত দৈনিক পাঠদান কৰি বিদ্যালয়ৰ শৈক্ষিক পৰিৱেশ গঢ়ি ছাত্ৰ-ছাত্ৰীৰ লগতে অভিভাৱকৰ মন জয় কৰিবলৈ সক্ষম হৈছে। দূৰ-দূৰণিৰ পৰা যেনে জয়পুৰ বাগান, নাহৰকটীয়া চাহ বাগিচা, নদী পাৰ হৈ দিহিং কিনাৰ বঙালী গাঁও, টিয়কী কোঁৱৰ গাঁও আৰু নাহৰকটীয়া অঞ্চলৰ কপহুৰা, বাঘমৰা, চেৰেপাজান আদিৰ ছাত্ৰ-ছাত্ৰীসকলে টাইফাকে বিদ্যালয়ত অধ্যয়ন কৰিবলৈ আহে, ফলত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা যথেষ্ট বৃদ্ধি হোৱা পৰিলক্ষিত হৈছে। তেওঁৰ কৰ্মৰাজিক সন্মান জনাই হেল্পিং হেণ্ডৰ উদ্যোগত এক সম্বৰ্ধনা অনুষ্ঠানৰ আয়োজন কৰে। উক্ত অনুষ্ঠানত নাহৰকটীয়া সমজিলাৰ উপায়ুক্ত তথা অতিৰিক্ত আয়ুক্ত (শিক্ষা) সঞ্জীৱ নাথ আৰু নাহৰকটীয়া কৰ বিভাগৰ সহকাৰী আয়ুক্ত মাধুৰ্য শইকীয়া বিশিষ্ট অতিথি হিচাপে আৰু স্থানীয় গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে। উক্ত অনুষ্ঠানৰ লগত সংগতি ৰাখি নক্তে গাঁৱৰ মহিলাসকলেও ডঃ নিয়ত ৰেংকেনক সম্বৰ্দ্ধনা জনায়। উক্ত দিনাই নামফাকে অংগনৱাড়ী কেন্দ্ৰৰ লগতে কেন্দুগুৰি পঞ্চায়তৰ সভানেত্ৰী বিনু গগৈ, ২ নং ৱাৰ্ড সদস্যা লগতে ৮ নং ৱাৰ্ডৰ সদস্য খুনচিক নক্তেও ডঃ ৰেংকেনক সম্বৰ্দ্ধনা জনায়। উল্লেখযোগ্য যে নাহৰকটীয়া সমষ্টিৰ অন্তৰ্গত নামচাং চাহ বাগিচা মডেল স্কুলৰ অধ্যক্ষ দেৱজিত ঘোষে ৰাষ্ট্ৰীয় পৰ্যায়ত কৃতী শিক্ষকৰ বঁটা লাভ কৰি সমগ্ৰ অসমক গৌৰৱান্বিত কৰি তুলিছে। হেল্পিং হেণ্ডৰ উদ্যোগত আয়োজন কৰা এই অনুষ্ঠানত ৰাজ্যিক কৃতী শিক্ষক বঁটাপ্ৰাপ্ত ডঃ নিয়ত ৰেংকেন আৰু ৰাষ্ট্ৰীয় কৃতী শিক্ষকৰ বঁটাপ্ৰাপ্ত দেৱজিত ঘোষক স্থানীয় ৰাইজেও আদৰণি জনায়।

### নঙলামৰা দলং নিৰ্মাণৰ দাবীত পথ অৱৰোধ ৰাইজৰ

## নঙলামৰা দলং নিৰ্মাণৰ দাবীত পথ অৱৰোধ ৰাইজৰ

**দৈনিক অসমৰ প্ৰতিনিধি, শিমলুগুৰি, ১৯ ছেপ্টেম্বৰ ঃ** অবিভক্ত শিৱসাগৰ জিলাৰ তিনিটা বিধানসভা সমষ্টিৰ জনসাধাৰণৰ যাতায়াতৰ এটা গুৰুত্বপূৰ্ণ পথ চেপন-চুণপোৰা পথৰ নঙলামৰা ঘাটৰ দিচাং নদীৰ ওপৰত থকা নঙলামৰা দলংখনৰ ভগ্ন অৱস্থাই বিগত তিনিটা বছৰে জনসাধাৰণক জীয়াতু ভোগাই থকাৰ ফলত অৱশেষত ৰাইজে পথ অৱৰোধেৰে প্ৰতিবাদ সাব্যস্ত কৰে। লোকনিৰ্মাণ বিভাগ, জিলা প্ৰশাসন আৰু স্থানীয় জনপ্ৰতিনিধিক ৰাইজে আহুকলীয়া সমস্যাটো সমাধানৰ বাবে আবেদন-নিবেদন জনাই থকাৰ পাছতো এইবোৰলৈ কৰ্ণপাত নকৰাত যোৱা ১৬ ছেপ্টেম্বৰত হাঁহচ'ৰাৰ চুণপোৰাত সহস্ৰাধিক লোকে শীঘ্ৰে এই দলংখন নিৰ্মাণৰ দাবীত শিৱসাগৰ-সোণাৰি পথ অৱৰোধ কৰি প্ৰতিবাদ সাব্যস্ত কৰে। উল্লেখযোগ্য যে ২০২২ চনৰ ১৬ জানুৱাৰীত শিৱসাগৰৰ চেপন-চুণপোৰা সংযোগী পথৰ দিচাং দলংখনৰ এটা অংশ খহি পৰাৰ পাছৰে পৰা গধুৰ যান-বাহনৰ চলাচল বন্ধ হৈ আছিল। তাৰ পাছত লঘু যান-বাহন চলাচল অব্যাহত আছিল যদিও যোৱা ১৩ আগষ্টৰ পৰা দলংখনৰ চুণপোৰা ফালৰ পথৰ এটা অংশ খহি যোৱাৰ ফলত দুচকীয়া বাহনৰ বাদে সকলো ধৰণৰ যান-বাহন চলাচল বন্ধ কৰি দিয়া হয়। উল্লেখযোগ্য যে ২০২২ চনৰ জানুৱাৰীত দলংখনৰ উত্তৰ দিশৰ মূৰৰ এটা অংশ ভাগি পৰাৰ পাছত তৎকালীনভাৱে এখন বাঁহৰ দলং নিৰ্মাণ কৰাৰ পৰৱৰ্তী সময়ত এই অংশটো লোহাৰে নিৰ্মাণ কৰা হৈছিল যদিও গধুৰ যান-বাহনৰ চলাচল সম্পূৰ্ণ বন্ধ কৰি কেৱল লঘু যান-বাহনৰ বাবেহে খোলা ৰখা হৈছিল। পুনৰ ১৩ আগষ্টত খহনীয়াৰ কবলত পৰি দলঙৰ এটা মূৰৰ মাটি খহি যোৱাত গড়কাপ্তানী বিভাগে কেৱল দুচকীয়া বাহনৰ বাহিৰে অন্যান্য লঘু যান-বাহনৰ চলাচল বন্ধ কৰিবলগা পৰিস্থিতি সৃষ্টি হোৱাত এই পথেৰে যাতায়াত কৰা জনসাধাৰণৰ সন্মুখত এক অভাৱনীয় সমস্যাই দেখা দিয়ে। তাৎপৰ্যপূৰ্ণ যে উক্ত ভগ্নপ্ৰায় দলংখনৰ কাষত এখন নতুন দলং নিৰ্মাণৰ কাম প্ৰায় আঢ়ৈ বছৰৰ আগতে আৰম্ভ কৰা হৈছিল যদিও কামৰ দায়িত্বপ্ৰাপ্ত ঠিকাদাৰে আজি পৰ্যন্ত ত্ৰিশ শতাংশ কামো সম্পূৰ্ণ কৰিব নোৱাৰিলে। ঠিকাদাৰৰ মইমতালি তথা হেমাহিৰ বাবে ভগ্নপ্ৰায় দলঙেৰে যাতায়াত কৰি অতিষ্ঠ হৈ পৰাত স্থানীয় ৰাইজে আনকি নিজৰ ধন খৰচ কৰি কিছুদিনৰ আগতে দলংখনৰ কিছু ভগা অংশ মেৰামতিও কৰিছিল।

## কাজিৰঙাত চাহ পৰ্যটনৰ ক্ষেত্ৰত ব্যতিক্ৰমী প্ৰয়াস

### পৰম্পৰাগত পদ্ধতিৰে চাহপাত প্ৰস্তুত প্ৰণালী



দৈনিক অসমৰ প্ৰতিনিধি

**কাজিৰঙা, ১৯ ছেপ্টেম্বৰ ঃ** কাজিৰঙাৰ এগৰাকী উদ্যমী যুৱতী। নাম মইনা ক্ৰামচাপি। চাহ খেতি আৰু পৰ্যটন ব্যৱসায়ৰে জড়িত হৈ আন দহজনক স্বাৱলম্বিতাৰ বাট দেখুৱাবলৈ সক্ষম হোৱা এই মইনা ক্ৰামচাপিৰ এক ব্যতিক্ৰমী প্ৰয়াসে দৃষ্টি আকৰ্ষণ কৰিছে পৰ্যটকৰ। চাহ পৰ্যটনহু হয়, যি সময়ত বিশ্ব ঐতিহ্য ক্ষেত্ৰ কাজিৰঙাত বিকল্প পৰ্যটন সন্দৰ্ভত আলোচনা-চৰ্চা চলিছে, সমান্তৰালকৈ ভিন্নজনে নিজা নিজা উদ্যোগ লৈছে ঠিক তেনে সময়তে মইনা ক্ৰামচাপিয়ে ব্যক্তিগতভাৱে আৰম্ভ কৰিছে চাহ পৰ্যটন গঢ়ি তোলাৰ এই ব্যতিক্ৰমী প্ৰয়াস। বাগিচাত চাহপাত ছিঙাৰ পৰা পৰম্পৰাগতভাৱে হাতেৰে চাহপাত প্ৰস্তুত কৰা প্ৰণালী পৰ্যটকক প্ৰদৰ্শন কৰাৰ ব্যৱস্থা কৰি আহিছে মইনাই। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ গাতে লাগি থকা কাজিৰঙা-কাৰ্বি আংলং সীমান্তৱৰ্তী ইংলেপথাৰ এলেকাত বসবাস কৰা কাৰ্বি জনগোষ্ঠীয় এই যুৱতীগৰাকীয়ে নিজ মাতৃৰ সহযোগত বিগত কেইবাবছৰ ধৰি কৰি আহিছে হস্ত প্ৰস্তুত চাহৰ উৎপাদন। উদ্যমী যুৱতী মাইনাই 'দৈনিক অসম'ৰ আগত প্ৰকাশ কৰা মতে, যোৱা ৩০ বছৰ ধৰি তেওঁ আৰু পৰিয়ালটিয়ে চাহ খেতি কৰি আহিছে। চাহ বাগিচাখনৰ নাম— 'ক্ৰামচা টী প্লেনটেচন'। নিজৰ বাগিচাৰ কেঁচা চাহপাত বিক্ৰীৰ লগতে ঘৰতে প্ৰস্তুত কৰিছে গ্ৰীন টী, অৰ্থ'ড'ক্স, স্ম'ক টী আদি ভিন্ন প্ৰকাৰৰ চাহ। মাতৃ মীনা তকবিপিৰ লগতে আন ৫/৬ গৰাকী মহিলাক লগত লৈ পৰম্পৰাগত ঘৰুৱা পদ্ধতিৰে চাহৰ উৎপাদন। মইনাই কয়, 'আমি মেচিন ব্যৱহাৰ নকৰো। ঢেঁকী অথবা উৰালৰ সহায়ত চাহ পাত খুন্দো। কেতিয়াবা ৰ'দত অথবা ধোঁৱাত শুকুৱাই চাহপাত প্ৰস্তুত কৰো।' সাধাৰণতে অতীজৰে পৰাই পৰম্পৰাগতভাৱে এই পদ্ধতিৰে প্ৰস্তুত কৰা চাহ তেওঁলোকে নিজে খাবলৈ ব্যৱহাৰ কৰে বুলি উল্লেখ কৰি মইনাই কয়, যোৱা দুই/তিনি বছৰৰ পৰা আমি এনেদৰে হাতেৰে প্ৰস্তুত কৰা চাহপাত কিছু পৰিমাণে খুচুৰা বিক্ৰীৰ বাবে মুকলি কৰি দিছোঁ যদিও বৰ্তমানলৈকে চাহপাতৰ ব্ৰেণ্ডিং কৰা নাই।' ৬/৭ বিঘা চাহ খেতিৰ পৰা কিছু কেঁচা চাহপাত বিক্ৰী কৰাৰ বিপৰীতে প্ৰতি সপ্তাহত দুই/তিনি কিলো হস্ত প্ৰস্তুত চাহপাত বিক্ৰীৰ বাবে তৈয়াৰ কৰা হয় বুলিও জানিবলৈ দিছে মইনাই। সমান্তৰালকৈ চাহপাত হাতেৰে পৰম্পৰাগতভাৱে প্ৰস্তুত কৰাৰ যি প্ৰক্ৰিয়া, সেই প্ৰক্ৰিয়া পৰ্যটকক প্ৰদৰ্শনেৰে চাহ পৰ্যটন গঢ়ি তোলাৰ প্ৰয়াস কৰাৰ কথাও ব্যক্ত কৰে মইনাই। মইনাই কয়, তেওঁৰ ঘৰৰ লগতে এটা নিজা 'কেম্পছাইট' (অতিথিশালা) আছে। সেই কেম্পছাইটত আছে ১২ টা 'টেণ্ট' আৰু দুটা হোম ষ্টে'। নাম — 'কেম্প নাম্পি'। কাৰ্বি পাহাৰৰ নামনি এলেকাত তেওঁলোকৰ চাহ বাগিচাৰ মাজতে থকা 'কেম্পছাইট'টোত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান দৰ্শন কৰিবলৈ অহা দেশী-বিদেশী পৰ্যটকে আশ্ৰয় লয়। পৰ্যটকসকলে হাতেৰে চাহপাত প্ৰস্তুত কৰা প্ৰক্ৰিয়া চাবলৈ বিচাৰে। কিছু অৰ্থৰ বিনিময়ত মইনাই পৰ্যটকসকলক হাতেৰে চাহপাত প্ৰস্তুত কৰাৰ সমগ্ৰ প্ৰক্ৰিয়া প্ৰদৰ্শন কৰাৰ লগতে পৰ্যটকসকলক সেই প্ৰক্ৰিয়াৰ অভিজ্ঞতা লোৱাৰো সুবিধা প্ৰদান কৰে। চাহ পৰ্যটন গঢ় দিয়াৰ ইচ্ছাৰেই এনে ব্যৱস্থা হাতত লোৱা হৈছে বুলিও প্ৰকাশ কৰিছে মইনাই।

## ২২ ছেপ্টেম্বৰত বি টি আৰ নিৰ্বাচন ঃ আজি অন্ত পৰিব প্ৰচাৰ অভিযানৰ

# ২৬ লাখ ভোটাৰে নিৰ্ণয় কৰিব ৩২১ প্ৰাৰ্থীৰ ভাগ্য



কোকৰাঝাৰৰ পৰা মুকুট ৰয়

**১৯ ছেপ্টেম্বৰ ঃ** বিটিচিৰ ৪০টা পৰিষদীয় সমষ্টিৰ বাবে বেলটৰ জৰিয়তে অহা ২২ ছেপ্টেম্বৰত হ'ব নিৰ্বাচন। ইয়াকে কেন্দ্ৰ কৰি বিটিচিৰ প্ৰতিটো পৰিষদীয় সমষ্টিতে তুংগত উঠিছে নিৰ্বাচনী প্ৰচাৰ। অসম ৰাজ্যিক নিৰ্বাচন আয়োগে নিৰ্বাচনী অধিসূচনা জাৰি কৰাৰ পূৰ্বৰে পৰা শাসক-বিৰোধী উভয় শিবিৰে বিটিচিত অব্যাহত ৰাখিছে প্ৰচাৰ অভিযান। কাইলৈ বিয়লি অন্ত পৰিব বিটিচি নিৰ্বাচনৰ প্ৰচাৰ। আগন্তুক ২৪ ঘণ্টা পৰ্যন্ত বিটিচিৰ প্ৰতিটো পৰিষদীয় সমষ্টিতে শক্তি প্ৰদৰ্শন কৰিব শাসক-বিৰোধী উভয় শিবিৰে। ইয়াৰ বাবে উভয় শিবিৰে ইতিমধ্যে যুগুত কৰিছে প্ৰয়োজনীয় পৰিকল্পনা। বিশেষকৈ শাসকীয় বিজেপি, ইউপিপিএলৰ লগতে বিটিচিৰ প্ৰধান বিৰোধী দল বিপিএফ আৰু কংগ্ৰেছৰ বাবে অগ্নিপৰীক্ষাস্বৰূপ বিটিচিৰ এই নিৰ্বাচন। কিয়নো, বৰ্তমানো প্ৰমোদ বড়ো নেতৃত্বাধীন ইউপিপিএলৰ দখলত আছে বিটিচি। ২০২০ চনত যিদৰে শাসকীয় বিজেপিৰে ইউপিপিএলৰ প্ৰাক্-নিৰ্বাচনী মিত্ৰতা নাছিল, ঠিক একেদৰে এইবাৰো বিটিচি নিৰ্বাচনৰ বাবে প্ৰাক্-নিৰ্বাচনী মিত্ৰতা স্থাপন কৰা নাই দল দুটাই। সেইবাবে বিটিচিৰ শাসকদল ইউপিপিএলে এইবাৰো এককভাৱে বিটিচিৰ ৪০টা পৰিষদীয় সমষ্টিতে প্ৰক্ষেপ কৰিছে দলীয় প্ৰাৰ্থী। কেৱল দলীয় প্ৰাৰ্থী প্ৰক্ষেপ কৰাই নহয়, আগ্ৰাসী ৰূপত প্ৰতিটো সমষ্টিতে ভোটাৰ ৰাইজক আকৰ্ষণৰ লক্ষ্যৰে অব্যাহত ৰাখিছে নিৰ্বাচনী প্ৰচাৰ। সমানেই আগ্ৰাসী শাসকীয় বিজেপিও। অৱশ্যে কৌশলগত কাৰণত বিগ ব্ৰাদাৰ বিজেপিয়ে বিটি চিৰ কেৱল ৩২টা পৰিষদীয় সমষ্টিতহে প্ৰক্ষেপ কৰিছে দলীয় প্ৰাৰ্থী। লক্ষণীয়ভাৱে বিটিচিৰ ৮টাকৈ পৰিষদীয় সমষ্টিত দলীয় প্ৰাৰ্থী প্ৰক্ষেপৰ পৰা বিৰত আছে দলটো। যিসমূহ সমষ্টিৰ ভিতৰত আছে ইউপিপিএলৰ সভাপতি তথা বিটিচিৰ চীফ প্ৰমোদ বড়োৰ গৃহসমষ্টি গয়বাৰী আৰু বিপিএফপ্ৰধান হাগ্ৰামা মহিলাৰীৰ গৃহসমষ্টি দেবৰগাঁও। পৰিস্থিতিগত কাৰণত প্ৰমোদ বড়োৱে গয়বাৰী পৰিষদীয় সমষ্টিৰ লগতে দোতমা পৰিষদীয় সমষ্টিৰ পৰাও এইবাৰ অৱতীৰ্ণ হৈছে নিৰ্বাচনত। একেদৰে বিপিএফপ্ৰধান হাগ্ৰামা মহিলাৰীয়েও দেবৰগাঁও পৰিষদীয় সমষ্টিৰ লগতে চিৰাংদুৱাৰ পৰিষদীয় সমষ্টিতো আগবঢ়াইছে প্ৰতিদ্বন্দ্বিতা। তৎসত্ত্বেও কিন্তু শাসকীয় বিজেপি প্ৰাৰ্থী প্ৰক্ষেপৰ পৰা বিৰত থকা নাই দোতমা আৰু চিৰাংদুৱাৰ পৰিষদীয় সমষ্টিত। কেৱল সেয়াই নহয়, ইউপিপিএলৰ সমানে সমানে শাসকীয় বিজেপিয়েও আগ্ৰাসী ৰূপত অব্যাহত ৰাখিছে নিৰ্বাচনী প্ৰচাৰ। বৰঞ্চ বিটিচিৰ সমষ্টিবিশেষে শাসকীয় বিজেপিয়ে সৰ্বদিশতে গ্ৰহণ কৰিছে আগ্ৰাসী ৰূপ। অন্যতো বাদেই, মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালেই নহয়, ধাৰাবাহিক প্ৰচাৰ অভিযানত দিন-ৰাতি একাকাৰ কৰিছে অসম মন্ত্ৰীসভাৰ কেইবাজনো মন্ত্ৰী আৰু বিধায়ক তথা সাংসদে। এইক্ষেত্ৰত অৱশ্যে পিছপৰি থকা নাই হাগ্ৰামা মহিলাৰী নেতৃত্বাধীন বিপিএফো। বিটিচিৰ প্ৰতিটো পৰিষদীয় সমষ্টিতে প্ৰাৰ্থী প্ৰক্ষেপ কৰা বিপিএফো সৰ্বশক্তিৰে অৱতীৰ্ণ হৈছে নিৰ্বাচনত। কেৱল ইউপিপিএল বা বিপিএফ দলেই নহয়, বিটিচি নিৰ্বাচনত প্ৰথমবাৰৰ বাবে ৪০টা পৰিষদীয় সমষ্টিতে দলীয় প্ৰাৰ্থী প্ৰক্ষেপ কৰিছে বিৰোধী কংগ্ৰেছেও। ২০২০ চনত প্ৰথমবাৰৰ বাবে শ্ৰীৰামপুৰ পৰিষদীয় সমষ্টিৰ পৰা কংগ্ৰেছ প্ৰাৰ্থী বিজয়ী হ'লেও নিৰ্বাচনী ফলাফল ঘোষণাৰ পাছতেই বিজেপিত যোগদান কৰিছিল কংগ্ৰেছৰ একমাত্ৰ প্ৰাৰ্থীজনে। কাজেই বৰ্তমানো কংগ্ৰেছশূন্য হৈ আছে বিটিচি। শাসকীয় বিজেপি-ইউপিপিএলৰ লগতে বিপিএফৰ সমানে সমানে বিৰোধী কংগ্ৰেছৰ বাবেও বিটিচিৰ নিৰ্বাচন এইবাৰ এইকাৰণেই গুৰুত্বপূৰ্ণ যে লোকসভাৰ বিৰোধী উপ-দলপতি গৌৰৱ গগৈয়ে শেহতীয়াকৈ গ্ৰহণ কৰিছে প্ৰদেশ কংগ্ৰেছৰ সভাপতিৰ দায়িত্ব। গৌৰৱ গগৈয়ে দলৰ ৰাজ্যিক সভাপতি হিচাপে দায়িত্ব গ্ৰহণ কৰাৰ পাছত বিটিচি নিৰ্বাচনেই হৈছে দলটোৰ প্ৰথম নিৰ্বাচন। সেয়ে গৌৰৱ গগৈৰ বাবেও বিটিচিৰ সমাগত নিৰ্বাচন যে অগ্নিপৰীক্ষাস্বৰূপ সেয়া খাটাং। কিয়নো, বিটিচি নিৰ্বাচনৰ পাছতেই বিৰোধী কংগ্ৰেছ গৌৰৱ গগৈৰ নেতৃত্বতে অৱতীৰ্ণ হ'ব '২৬ৰ বিধানসভা নিৰ্বাচনতো। সেই সূত্ৰেই বিটিচি নিৰ্বাচনৰ ফলাফলৰ লগত সংপৃক্ত হৈ আছে '২৬ৰ বিধানসভা নিৰ্বাচনৰ অংক। কিয়নো, সমষ্টি পুনঃগঠনৰ পাছত বিটিচিৰ ৫ জিলাত আছে ১৫টাকৈ বিধানসভা সমষ্টি। '২৬ৰ বিধানসভা নিৰ্বাচনত বিটিচিৰ অন্তৰ্গত এই ১৫টা বিধানসভা সমষ্টি দখলৰ স্বাৰ্থতেই এতিয়া প্ৰতিটো ৰাজনৈতিক দলৰ বাবে সমাগত নিৰ্বাচনৰ মাধ্যমেৰে বিটিচি গঠন কৰাটো অত্যন্ত জৰুৰী। যিটো ৰাজনৈতিক দলৰ দখললৈ বিটিচি যাব, সেই দলটোৰ প্ৰভাৱ যে '২৬ৰ বিধানসভা নিৰ্বাচনতো পৰিব সেয়া নিশ্চিত। আৰু সেই বাবে শাসক-বিৰোধী উভয় শিবিৰে বিটিচি নিৰ্বাচনৰ বাবে এইবাৰ দলীয় প্ৰাৰ্থী বাছনিৰ ক্ষেত্ৰতো দেখুৱাইছে ৰাজনৈতিক পৰিপক্কতা। এইক্ষেত্ৰত নিশ্চিতভাৱে বিপিএফপ্ৰধান হাগ্ৰামা মহিলাৰী একপ্ৰকাৰ অন্যতম বাটকটীয়া। কিয়নো, বিগত ৫ বছৰে বিটিচিত বিৰোধী শিবিৰত অৱস্থান গ্ৰহণ কৰা হাগ্ৰামা মহিলাৰীয়ে নিৰ্বাচনৰ দিন ঘোষণাৰ পূৰ্বেই এইবাৰ প্ৰকাশ কৰে প্ৰথমখন দলীয় প্ৰাৰ্থী তালিকা। য'ত বিপিএফৰ ন-পুৰণি নেতাৰ লগতে বিভিন্ন পৰিষদীয় সমষ্টিত দলীয় প্ৰাৰ্থী হিচাপে দলটোৱে প্ৰক্ষেপ কৰে বৰ্তমানৰ বিধায়কৰ লগতে প্ৰাক্তন মন্ত্ৰী-বিধায়ককো। বিপিএফৰ বিধায়ক ৰবিৰাম নাৰ্জাৰীক বাদ দি দলীয় প্ৰাৰ্থী হিচাপে প্ৰক্ষেপ কৰা প্ৰাক্তন মন্ত্ৰী ৰিহণ দৈমাৰী, প্ৰাক্তন বিধায়ক চৰণ বড়ো, ইমানুৱেল মুছাহাৰী আদিক সংস্থাপনৰ বাবে দলটোত এই মুহূৰ্তত নাছিল কোনো সুযোগ। অথচ এইসকল নেতা যে নিজৰ নিজৰ সমষ্টিত হাই প্ৰ'ফাইল নেতা হিচাপেই পৰিচিত, সেয়া নিশ্চিত। সেইবাবেই এইসকল হাই প্ৰ'ফাইল নেতাক বিটিচি নিৰ্বাচনত দলীয় প্ৰাৰ্থী হিচাপে প্ৰক্ষেপ কৰি একপ্ৰকাৰ চমক সৃষ্টি কৰে বিপিএফৰ মুৰব্বী হাগ্ৰামা মহিলাৰীয়ে। বিপিএফৰ এনে চমকক প্ৰত্যাহ্বান জনাবলৈ বিটিচিৰ শাসকদল ইউপিপিএলেও মূৰকত বিধায়ক গোবিন্দ চন্দ্ৰ বসুমতাৰী, লৰেন্স ইছলাৰী, জলেন দৈমাৰী, ভূপেন বড়োৰ উপৰি প্ৰাক্তন মন্ত্ৰী চন্দন ব্ৰহ্ম আদিৰ দৰে হাই প্ৰ'ফাইল নেতাক দলীয় প্ৰাৰ্থী হিচাপে প্ৰক্ষেপ কৰিবলৈ একপ্ৰকাৰ বাধ্য হৈ পৰে। যাৰ জৰিয়তে দলটোৱে শক্তিশালীভাৱে অৱতীৰ্ণ হ'ব পাৰে নিৰ্বাচনী যুঁজত। কাৰণ প্ৰমোদ বড়ো নেতৃত্বাধীন ইউপিপিএলৰো লক্ষ্য পুনৰ বিটিচিৰ মছনদ দখল। বিপিএফ আৰু ইউপিপিএলৰ দলীয় প্ৰাৰ্থী তালিকাত হাই প্ৰ'ফাইল নেতাৰ নাম সন্নিৱিষ্ট হোৱাৰ লগে লগে শাসকীয় বিজেপিয়েও বিটিচি নিৰ্বাচনৰ দলীয় প্ৰাৰ্থী তালিকাত অন্তৰ্ভুক্ত কৰে বিজনীৰ বিজেপি বিধায়ক অজয় কুমাৰ ৰায়ৰ নাম। লগতে প্ৰাক্তন মন্ত্ৰী ৰেখাৰাণী দাস বড়ো, প্ৰাক্তন বিধায়ক বনেন্দ্ৰ কুমাৰ মুছাহাৰীৰ দৰে হাই প্ৰ'ফাইল নেতাৰ নামো তালিকাত অন্তৰ্ভুক্ত কৰিবলৈ বাধ্য হয় একপ্ৰকাৰ। কেৱল সেয়াই নহয়, প্ৰথমবাৰৰ বাবে বিটিচি নিৰ্বাচনত এইবাৰ দলীয় প্ৰাৰ্থী প্ৰক্ষেপ কৰিছে অসম গণ পৰিষদ, অসম জাতীয় পৰিষদ আৰু ৰাইজৰ দলেও। বদৰুদ্দিন আজমল নেতৃত্বাধীন এআইইউডিএফ, মমতা বেনাৰ্জী নেতৃত্বাধীন তৃণমূল কংগ্ৰেছকে ধৰি অন্যান্য দলেও সমষ্টিবিশেষে প্ৰক্ষেপ কৰিছে দলীয় প্ৰাৰ্থী। কাজেই আকৰ্ষণীয় হৈছে বিটিচিৰ নিৰ্বাচনী পৰিৱেশ। দুই-এক সৰু-সুৰা বিক্ষিপ্ত ঘটনাক বাদ দি সম্পূৰ্ণ শান্তিপূৰ্ণভাৱে সমষ্টিয়ে সমষ্টিয়ে অব্যাহত আছে নিৰ্বাচনী প্ৰচাৰ। এই নিৰ্বাচনী প্ৰচাৰৰ লগত যে '২৬ৰ বিধানসভা সমষ্টিৰ অংকও জড়িত হৈ আছে সেয়া প্ৰত্যেকটো ৰাজনৈতিক দলৰ নেতৃত্বৰ কুচকাৱাজতে সুস্পষ্ট। কিয়নো, সমষ্টি পুনঃগঠনৰ পাছত বিটিচিৰ অন্তৰ্গত প্ৰতিটো বিধানসভা সমষ্টিৰে সলনি হৈছে ভৌগোলিক চাৰিসীমা। ইয়াৰ বাবে বিটিচিৰ অন্তৰ্গত বিধানসভা সমষ্টিসমূহ এতিয়া প্ৰতিটো ৰাজনৈতিক দলৰ মূল লক্ষ্য। বিটিচিৰ অন্তৰ্গত ৫ জিলাত যদিও ১৫টা বিধানসভা সমষ্টি আছে সেইসমূহৰ ভিতৰত কেৱল ৬টা বিধানসভা সমষ্টিহে জনজাতিৰ বাবে সংৰক্ষিত। জনজাতিৰ বাবে সংৰক্ষিত বিধানসভা সমষ্টি ৬টা হৈছে ক্ৰমে বাক্সা, তামুলপুৰ, ওদালগুৰি, দোতমা, কোকৰাঝাৰ আৰু ছিদলী-চিৰাং। বিপৰীতে বিটিচিৰ ৯টা বিধানসভা সমষ্টিয়ে সংৰক্ষণমুক্ত। বিটিচিৰ সংৰক্ষণমুক্ত সমষ্টিসমূহ হৈছে ক্ৰমে মানাহ, গোৰেশ্বৰ, ভেৰগাঁও, টংলা, মাজবাট, গোসাইগাঁও, পৰ্বতঝোৰা, বাওখুংগ্ৰী আৰু বিজনী বিধানসভা সমষ্টি। আৰু এনেবোৰ কাৰণতে কেৱল বি টি চিৰ আঞ্চলিক দল ইউ পি পি এল, বিপিএফ কিম্বা অঞ্জলি দৈমাৰী নেতৃত্বাধীন এপিবিয়েই নহয়, সম্প্ৰতি প্ৰতিটো ৰাষ্ট্ৰীয় দলৰ নেতা-পালিনেতাই দিন-ৰাতি একাকাৰ কৰাই নহয়, সমষ্টিয়ে সমষ্টিয়ে পাতিছে বাহৰ। অৱশ্যে ইয়াৰ প্ৰভাৱ বিটিচিৰ সমাগত নিৰ্বাচনত পৰে নে নপৰে বা বিটিচিৰ ২৬ লক্ষাধিক ভোটাৰ ৰাইজে কাৰ পক্ষত জনাদেশ দিয়ে সেয়া জানিবলৈ নিশ্চিতভাৱে অপেক্ষা কৰিব লাগিব ২৬ ছেপ্টেম্বৰৰ ভোটগণনা প্ৰক্ৰিয়া সম্পন্ন হোৱা পৰ্যন্ত।

## সুখোৱাৰঝাৰত ছাগলীয়ে খেতি খোৱাক লৈ মাৰপিট, আহত ৩

দৈনিক অসমৰ প্ৰতিনিধি

**নগৰবেৰা, ১৯ ছেপ্টেম্বৰ ঃ** বৰপেটা জিলাৰ চেঙা সমষ্টিৰ আলোপতি চৰ থানাৰ অন্তৰ্গত সুখোৱাৰঝাৰ গাঁৱত যোৱা নিশা সংঘটিত হৈছে এক ভয়ংকৰ মাৰপিটৰ ঘটনা। গাঁওখনৰ সৰবত আলীৰ পৰিয়ালৰ লোকে প্ৰতিৱেশী ছবিৰণ নেছাৰ এটা ছাগলীয়ে খেতি খোৱাক কেন্দ্ৰ কৰি এই ঘটনা সংঘটিত কৰে। প্ৰাপ্ত খবৰ মতে, ছবিৰণ নেছাৰ ছাগলীয়ে সৰবত আলীৰ পাচলি খেতি খোৱাত ছাগলীটো সৰবত আলীয়ে ঘৰতে বান্ধি থয়। সন্ধিয়া ছবিৰণ নেছাই ছাগলীটো আনিবলৈ যোৱাত সৰবত আলীৰে কথা কটাকটি হয় আৰু পাছত সৰবত আলী আৰু পৰিয়ালৰ লোকে ছবিৰণ নেছাক বেয়াকৈ মাৰপিট কৰে। ইপিনে মাতৃক মাৰপিট কৰাৰ খবৰ পাই তেওঁৰ দুই পুত্ৰ ৰবিয়াল আলী আৰু ৰুহুল আমিন ঘটনাস্থলীত উপস্থিত হোৱাত দুয়োজনকে মাৰপিট কৰে। গুৰুতৰভাৱে আহত ছবিৰণ নেছা (৩৫), ৰবিয়াল আলী (২২) আৰু ৰুহুল আমিন (২০)ক নিশাই পৰিয়ালৰ লোকে আলোপতি ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰত ভৰ্তি কৰায়। ঘটনা সন্দৰ্ভত ইতিমধ্যে ভুক্তভোগী পৰিয়ালে সৰবত আলী, সৰভানু নেছা আৰু আছিৰণ নেছাৰ বিৰুদ্ধে আলোপতি চৰ থানাত এখন এজাহাৰ দাখিল কৰিছে। ছাগলী এটাই সামান্য পাচলি খেতি খোৱাক কেন্দ্ৰ কৰিয়েই এনেদৰে মাৰপিটৰ ঘটনা সংঘটিত হোৱাত উদ্বেগ প্ৰকাশ কৰিছে স্থানীয় লোকে।

## বাগানপাৰাৰ ৰাজহুৱা সভাত অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী

# বিবেক ভোট প্ৰদান কৰিবলৈ ভোটাৰক আহ্বান



দৈনিক অসমৰ প্ৰতিনিধি

**মুছলপুৰ, ১৯ ছেপ্টেম্বৰ ঃ** ভোটৰ অধিকাৰ গণতান্ত্ৰিক দেশৰ মৌলিক অধিকাৰ। ইয়াৰ জৰিয়তে ভোটাৰ ৰাইজে নেতা বা শাসক নিৰ্বাচনৰ সুবিধা লাভ কৰে। গতিকে আগন্তুক বি টি চি নিৰ্বাচনতো ৰাইজ সদলবলে ওলাই আহি নিজৰ ভোটাধিকাৰ সাব্যস্ত কৰক। বড়োভূমিত নিৰ্বাচনী তৎপৰতাৰ মাজতে আজি ২৫ নং বাগানপাৰা পৰিষদীয় সমষ্টিৰ জোপাদঙত এখনি ৰাজহুৱা সভাত অংশ লৈ অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে এই মন্তব্য কৰে। সভাত ৰাইজক বিজেপি দলৰ নীতি-আদৰ্শৰ কথা অৱগত কৰে অধ্যক্ষগৰাকীয়ে। সকলো ভোটাৰকে ভোট প্ৰদানৰ বাবে আহ্বান অধ্যক্ষগৰাকীৰ। প্ৰসংগক্ৰমে তেওঁ কয় যে বাগানপাৰাৰ বিজেপি প্ৰাৰ্থী ৰেখাৰাণী দাস বড়ো যদি বিজয়ী হয়, তেন্তে বাগানপাৰাৰ লোকসকলে আঁচনিৰ সুবিধাসমূহ লাভ কৰিব পাৰিব, বাগানপাৰা সমষ্টিৰ চৰকাৰী বিষয়াসকলক ৰেখাৰাণীয়ে নিয়ন্ত্ৰণত ৰাখিব পাৰিব। বি টি আৰত মুখ্য কাৰ্যবাহী সদস্যপদৰ চৰ্চাক লৈ সোধা এটা প্ৰশ্নৰ উত্তৰত অধ্যক্ষগৰাকীয়ে কয়— বি টি চিৰ শান্তি-সম্প্ৰীতি আৰু উন্নয়নৰ কথাতহে সকলোৱে গুৰুত্ব দিয়ক। মোক দলে এতিয়ালৈ বহুখিনি দিছে। বৰ্তমানৰ বিধানসভাৰ অধ্যক্ষৰ আসনখন অতি উচ্চ পৰ্যায়ৰ। আমি এতিয়া অসমখন বা বি টি চিখন কেনেকৈ উন্নতিৰ দিশলৈ নিব পাৰো সেই কথাহে চিন্তা কৰিব লাগে। দলে উপযুক্ত বুলি যাক বিবেচনা কৰিব পৰৱৰ্তী সময়ত সেইটোৱে হ'ব। ইয়াত কাৰোবাৰ ইচ্ছা থকা-নথকাৰ কথা নাই। যিজনক দিলে বি টি চিৰ ৰাইজৰ সমস্যা সমাধান হ'ব বুলি দলে বিবেচনা কৰে তেওঁকে দিব। ইপিনে মুখ্যমন্ত্ৰীয়ে নিৰ্বাচনী সভাত বিজেপিয়ে অকলে পৰিষদ গঠন কৰাৰ কথা কোৱাৰ বিপৰীতে সেই একেগৰাকী মুখ্যমন্ত্ৰীয়ে সংবাদ মাধ্যমৰ আগত ইউ পি পি এল আৰু বি পি এফক লগত লৈ চৰকাৰ গঠন কৰাৰ কথা কোৱা প্ৰসংগত বিশ্বজিৎ দৈমাৰীৰ গুৰুত্বপূৰ্ণ মন্তব্য কৰে। তেওঁ কয়— বিজেপি দলে নিৰ্বাচনত একক সংখ্যাগৰিষ্ঠতা পালেও চৰকাৰ গঠনৰ ক্ষেত্ৰত বি পি এফ বা ইউ পি পি এল বা এ পি বিৰ সহায় ল'ব। সকলোকক লৈহে বি টি চিত চৰকাৰ হ'ব। প্ৰসংগক্ৰমে তেওঁ সকলোকে বিবেক ভোট দিবলৈ আহ্বান জনায়। তেওঁ কয়— বাগানপাৰা সমষ্টিৰ প্ৰতিজন প্ৰাৰ্থী সমকক্ষ। কিন্তু কাক ভোট দিলে ৰাইজৰ প্ৰকৃত সমস্যা সমাধান হ'ব সেইটো চাই দিলে হ'ল।

## ছালাকাটিৰ হালোৱাদলত কবিতা বসুমতাৰীৰ নিৰ্বাচনী সভাত মুখ্যমন্ত্ৰী

# এইবাৰ পদুম ফুলৰ চৰকাৰ হোৱাটো নিশ্চিত



দৈনিক অসমৰ প্ৰতিনিধি

**কোকৰাঝাৰ, ১৯ ছেপ্টেম্বৰ ঃ** 'বি টি চিত আগতে নাঙলৰ চৰকাৰ হৈছে আৰু ট্ৰেক্টৰৰ চৰকাৰ হৈছে, কিন্তু পদুম ফুলৰ চৰকাৰ এবাৰো হোৱা নাই। গতিকে এইবাৰ সকলোৱে পদুম ফুলৰে চৰকাৰ বিচাৰিছে যেতিয়া পদুম ফুলৰ চৰকাৰ হোৱাটো একেবাৰে নিশ্চিত।' —আজি কোকৰাঝাৰৰ ছালাকাটি সমষ্টিৰ হালোৱাদলত বিজেপি প্ৰাৰ্থী কবিতা বসুমতাৰীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলাই মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই এনেদৰে কয়। তেওঁ কয়— বি টি চিত এইবাৰ বিজেপিৰ চৰকাৰ আহিলে ৰাজ্যৰ অইন ঠাইৰ দৰে বি টি চিত অৰুণোদয় পাব, প্ৰধানমন্ত্ৰীৰ আৱাস, মহিলা উদ্যমিতা, মাটিৰ পট্টা, মহিলা আত্মসহায়ক গোটে দহ হাজাৰ টকা আৰু চৰকাৰী চাকৰি পাব। ভাষণ প্ৰসংগত ডঃ শৰ্মাই আৰু কয়— 'বি টি চিৰ ২২ বছৰ হৈ গ'ল যদিও আমাৰ ৰাইজে বি টি চিত কোনো চৰকাৰী আঁচনি পোৱা নাই আৰু আঁচনিৰ নাম শুনা নাই। বি টি চিত প্ৰত্যেক বছৰে আমি টকা দিছোঁ, ক্ষমতা দিছোঁ আৰু দায়িত্ব দিছিলোঁ, যাতে ৰাইজৰ কাম কৰে আৰু সমাজখনক আগবঢ়াই নিব পাৰে। কিন্তু বি টি চিৰ ৪০টা সমষ্টিতে মই ঘূৰি দেখিলোঁ ৰাইজৰ কাম হোৱা নাই, ৰাইজ বঞ্চিত হৈ আছে। বি টি চিৰ য'লৈকে যাওঁ ৰাইজক সুধিলে সকলোৱে অৰুণোদয়, ঘৰ, মহিলা উদ্যমিতা, আত্মসহায়ক গোটৰ দহ হাজাৰ টকা, বিনামূলীয়া চাকৰি আৰু মাটিৰ পট্টা আদি নোপোৱা বুলিহে কয়। সেয়ে যদি এইবাৰ নাঙল আৰু ট্ৰেক্টৰক ভোট দিয়ে তেন্তে আঁচনি নাই পোৱাতে থাকিব লাগিব।' বি টি চিত পদুম ফুলৰ চৰকাৰ হ'লে চৰকাৰী আঁচনি সকলোৱে পাব আৰু অহা এক নৱেম্বৰত অৰুণোদয় আৰু আত্মসহায়ক গোটক দহ হাজাৰ টকা নিজ হাতেৰে দি থৈ যোৱাৰ ব্যৱস্থা কৰিম বুলি প্ৰতিশ্ৰুতি দিয়ে। মুখ্যমন্ত্ৰীয়ে ভি চি ডি চিক হাতীৰ সৈতে তুলনা কৰি ভি চি ডি চিক গাঁতৰ ভিতৰত পুতি থ'ব বুলি কয়। মুখ্যমন্ত্ৰীয়ে বি টি চিত চাৰিওফালে বিজেপিৰ পক্ষত ঢৌ অহা বুলি কয়। ইপিনে মুখ্যমন্ত্ৰীয়ে সাংবাদিকৰ প্ৰশ্নোত্তৰত বি টি চি নিৰ্বাচন গুৰুত্বপূৰ্ণ হয় যদিও একপ্ৰকাৰ '২৬ৰ বিধানসভা নিৰ্বাচনৰ সৈতে কথা নাই বুলি কয়। বি টি চি নিৰ্বাচনত ট্ৰেক্টৰ, নাঙল আৰু পদুম যিয়েই নিজিকক কিয় বি টি চিত প্ৰতিদ্বন্দ্বিতা এন ডি এৰ ভিতৰত হৈ আছে। ইয়াত এন ডি এ বনাম ইণ্ডিয়া হোৱা নাই। কিয়নো এই গোটেই দল এন ডি এৰ লগত আছে। কেৱল কংগ্ৰেছক বাদ দি হাগ্ৰামা মহিলাৰী আৰু প্ৰমোদ বড়ো বিজেপিৰ লগত জড়িত আৰু আমি নিজে বিজেপি। গতিকে বি টি চি নিৰ্বাচন আমাৰ এন ডি এৰ মাজতে প্ৰতিযোগিতা হৈ আছে আৰু কোনেও কাকো বেয়া কথা কোৱা নাই বুলি কয় মুখ্যমন্ত্ৰীয়ে। সাংবাদিকৰ আগত মুখ্যমন্ত্ৰী ডঃ শৰ্মাই বি টি চি নিৰ্বাচনৰ পাছতে বিধানসভাৰ নিৰ্বাচনক লৈ বিজেপিয়ে ৰাজনৈতিক কৌশল ঠিক কৰিম বুলি জনায়। ইয়াত বি পি এফ আৰু ইউ পি পি এল দুয়োটা দল লগত থাকিলে ভাল বুলি দোহাৰি কয়— বিজেপিৰ লগত দুয়োটা দলৰ যদি কোনো অসুবিধা নাই তেন্তে বি টি চিৰ ১৫টা আসনৰ ৬/৭ আসনত বিজেপিয়ে প্ৰতিদ্বন্দ্বিতা কৰিব আৰু বাকী আসনকেইখন এৰি দিয়া হ'ব বুলি স্পষ্ট কৰি দিয়ে। আজি ছালাকাটিত বিজেপি দলৰ প্ৰাৰ্থী কবিতা বসুমতাৰীৰ হৈ নিৰ্বাচনী প্ৰচাৰত মুখ্যমন্ত্ৰীক সংগ দিয়ে বিহপুৰীয়া সমষ্টিৰ বিধায়ক অমিয় কুমাৰ ভূঞা, প্ৰাক্তন বিধায়ক অশ্বিনী ৰায় সৰকাৰ আৰু জিলা বিজেপিৰ সভাপতি লাচিম বড়োৱে।

### চাইবাৰ ক্ৰাইম

## বিশ্বনাথত এজনক গ্ৰেপ্তাৰ

দৈনিক অসমৰ প্ৰতিনিধি

**বিশ্বনাথ চাৰিআলি, ১৯ ছেপ্টেম্বৰ ঃ** বহুজনৰ নামত সামাজিক মাধ্যমত ভুৱা একাউণ্ট খুলি নিদ্ৰা হৰণ কৰিছিল বিশ্বনাথৰ বালিপুখুৰীৰ ৰূপম বৰুৱা নামৰ যুৱকজনে। এই দুষ্কাৰ্যক নিজৰ পেছা হিচাপে লৈছিল ৰূপমে। ভুৱা একাউণ্টৰ গৰাকীৰ লগত যোগাযোগ কৰি চাৰি-পাঁচ হাজাৰ টকা লোৱাৰ অভিযোগ থকাৰ লগতে একাউণ্ট ডি-এক্টিভেটো কৰি দিয়াৰ অভিযোগ আছে ৰূপমৰ বিৰুদ্ধে। সমাজৰ শিক্ষক, সাংবাদিক, মহিলা কোনো সাৰি যোৱা নাছিল ৰূপমৰ পৰা। 'এশ গৰু মাৰিলে বাঘৰো মৰণ'ৰ দৰে কাৰ্য কৰি ধৰা পৰিল ৰূপম। ৰূপমৰ অসৎ উপায়েৰে ধন ঘটা কাৰ্য অৱশেষত পোহৰলৈ আহিল আৰক্ষীৰ অনুসন্ধানত। আজি বিশ্বনাথৰ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি আদালতৰ জৰিয়তে জে'ল-হাজোতলৈ প্ৰেৰণ কৰে ৰূপমক।

### ভূমি পট্টাৰ দাবী

## মুখ্যমন্ত্ৰীলৈ ভোজপুৰী পৰিষদৰ স্মাৰক-পত্ৰ

দৈনিক অসমৰ প্ৰতিনিধি

**বকলীয়াঘাট, ১৯ ছেপ্টেম্বৰ ঃ** সদৌ অসম ভোজপুৰী পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ আহ্বানক্ৰমে জনগোষ্ঠীটোৰ কেইবাটাও দীৰ্ঘদিনীয়া দাবী পূৰণৰ বাবে আজি প্ৰতিখন জিলাৰ পৰা অসমৰ মুখ্যমন্ত্ৰীলৈ স্মাৰক-পত্ৰ প্ৰেৰণ কৰা হয়। সংগঠনটোৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক গণেশ পাছোৱানৰ নেতৃত্বত পৰিষদৰ এটা দলে আজি বোকাজানৰ মহকুমাধিপতিৰ জৰিয়তে মুখ্যমন্ত্ৰীলৈ স্মাৰক-পত্ৰ প্ৰেৰণ কৰে। স্মাৰক-পত্ৰৰ জৰিয়তে সংগঠনটোৱে অসমত বসবাস কৰি থকা ভোজপুৰী লোকসকলক জাতিগত প্ৰমাণ-পত্ৰ প্ৰদান, 'বসুন্ধৰা'ৰ জৰিয়তে ভূমিপট্টা প্ৰদানৰ লগতে 'কা'ৰ জৰিয়তে অন্য ৰাষ্ট্ৰৰ পৰা ভাৰতলৈ প্ৰব্ৰজিত নাগৰিকক নাগৰিকত্ব প্ৰদানৰ বিৰোধিতা কৰি অসমক এই আওতাৰ পৰা বাদ দিয়াৰ দাবী।

# দৰঙৰ গান্ধীস্মৃতি উঃ মাঃ বিদ্যালয়ৰ তিনি কৃতী শিক্ষক-শিক্ষয়িত্ৰীক সম্বৰ্ধনা



দৈনিক অসমৰ প্ৰতিনিধি

**মঙলদৈ, ১৯ ছেপ্টেম্বৰ ঃ** দৰং জিলাৰ হাজৰিকাপাৰাৰ একমাত্ৰ উচ্চ শিক্ষাৰ অনুষ্ঠান গান্ধীস্মৃতি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ তিনিগৰাকী শিক্ষকে এই বছৰ জিলা কৃতী শিক্ষকৰ বঁটা লাভেৰে অঞ্চলটিলৈ সন্মান কঢ়িয়াই অনাত বিদ্যালয়খনত ব্যাপক উৎসাহ-উদ্দীপনাৰ সৃষ্টি হৈছিল। আজি বিদ্যালয়খনৰ শিক্ষক-কৰ্মচাৰী, ছাত্ৰ একতা সভা আৰু ৰাইজে বঁটাপ্ৰাপক শিক্ষক তিনিগৰাকীক সম্বৰ্ধনা জনায়। তদুপলক্ষে আয়োজিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত অসমীয়াৰ স্বাভিমান গামোচা, স্মাৰক, কিতাপ, কলম, ফুলৰ থোপা, ছাত্ৰ-ছাত্ৰীয়ে অংকন কৰা প্ৰতিচ্ছবি আদি উপহাৰ প্ৰদান কৰা হয়। উল্লেখযোগ্য যে দৰং জিলা প্ৰশাসনে আয়োজন কৰা ৬৪ সংখ্যক শিক্ষক দিৱসত বিদ্যালয়খনৰ অধ্যক্ষা ৰেখামণি বৰুৱা, জ্যেষ্ঠ বিজ্ঞান শিক্ষক দীপেন মেধি, জ্যেষ্ঠ শিক্ষক হৰেন কলিতাক কৃতী শিক্ষকৰ বঁটা প্ৰদান কৰা হৈছিল। আজি বিদ্যালয়খনত আয়োজিত সম্বৰ্ধনা সভাখনত ছাত্ৰ-ছাত্ৰীসকলে পৰিৱেশন কৰা এটি সমৱেত সংগীতেৰে আৰম্ভ হয়। উল্লেখযোগ্য যে বিদ্যালয়খনৰ প্ৰতিষ্ঠাৰ পাছৰ সুদীৰ্ঘ কালত কৃতিত্বপূৰ্ণ সেৱাৰ বাবে একেলগে তিনিগৰাকী শিক্ষকে কৃতী শিক্ষকৰ সন্মান লাভ কৰা বিদ্যালয়খনৰ ইতিহাসত এয়ে প্ৰথম। শিক্ষয়িত্ৰী ৰঞ্জনা দেৱী আৰু অৰ্চনা নন্দিতা শৰ্মাই আঁত ধৰা সভাত শিক্ষয়িত্ৰী জ্যোতিৰেখা ডেকা, পম্পী কলিতা, ছাত্ৰী জেৰী ডেকাই গীত পৰিৱেশন কৰে। অনুষ্ঠানত বঁটাপ্ৰাপক জ্যেষ্ঠ শিক্ষক, ভাৰপ্ৰাপ্ত উপাধ্যক্ষ হৰেন কলিতাই কয় যে সুদীৰ্ঘ দিনৰ শিক্ষকতাৰ মাজেৰে ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক উত্তৰণৰ লগতে তেওঁলোকক জ্ঞানসমৃদ্ধ কৰাৰ বাবে আত্মনিয়োগ কৰাৰ স্বীকৃতি আৰু প্ৰাপ্তিৰ আনন্দই অনাগত দিনবোৰত অধিক দায়িত্বশীল কৰি তুলিব। তেওঁ শিক্ষক-শিক্ষয়িত্ৰীসকল দেশৰ ভৱিষ্যৎ প্ৰজন্মক সুনাগৰিক আৰু মানৱ সম্পদ হিচাবে গঢ়ি তোলাৰ ক্ষেত্ৰত উদ্ভাৱনী দৃষ্টিভংগীৰে আত্মনিয়োগ কৰাৰ বাবে আহ্বান জনায়। শিক্ষকসকলক প্ৰদান কৰা কৃতী শিক্ষকৰ সন্মানে শিক্ষক সমাজক অধিক দায়িত্বশীল কৰি তোলে বুলি তেওঁ কয়। অনুষ্ঠানত অধ্যক্ষ ৰেখামণি বৰুৱা আৰু বঁটাপ্ৰাপক শিক্ষক দীপেন মেধিয়ে বক্তব্য প্ৰদান কৰে। বিদ্যালয়খনৰ ছাত্ৰ একতা সভাৰ সভাপতি মুকুল বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত সম্বৰ্ধনা সভাত জ্যেষ্ঠ শিক্ষক ৰাজেন শৰ্মা, নগেন শৰ্মা, সৌৰভ কুমাৰ, শিক্ষয়িত্ৰী গায়ত্ৰী গোস্বামী আৰু ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক নয়ন নীলিমেও শিক্ষক তিনিগৰাকীয়ে তেওঁলোকৰ কৰ্তব্যনিষ্ঠা আৰু সেৱাৰ মনোভাবেৰে বিদ্যালয়খনৰ লগতে অঞ্চলটিলৈ সন্মান কঢ়িয়াই অনাৰ বাবে আটাইৰে শলাগ লয়। অসম সংগীতেৰে সভাৰ সামৰণি পৰে।

## ওদালগুৰিত সংবাদ মাধ্যমৰ সন্মুখত এবছুৰ কেন্দ্ৰীয় সভাপতি দ্বীপেন বড়োৰ ঘোষণা

# বি টি আৰৰ স্বাৰ্থত নিৰ্বাচনত চুক্তি স্বাক্ষৰকাৰী দলক সমৰ্থন জনাব এবছুৱে



দৈনিক অসমৰ প্ৰতিনিধি

**ওদালগুৰি, ১৯ ছেপ্টেম্বৰ ঃ** পঞ্চম বি টি চি নিৰ্বাচনৰ প্ৰাক্‌ক্ষণত আজি এক গুৰুত্বপূৰ্ণ সংবাদমেল সম্বোধন কৰে এবছুৰ কেন্দ্ৰীয় সভাপতি দ্বীপেন বড়োৱে। জিলা এবছুৰ কাৰ্যালয়ত অনুষ্ঠিত সংবাদমেলত সম্বোধন কৰি বড়োৱে কয় যে যোৱা ২০২০ চনৰ নিৰ্বাচনৰ পাছত বি টি আৰত বাস কৰা সকলো জনগোষ্ঠীৰ মাজত মিলা-প্ৰীতি আৰু ভাতৃত্ববোধৰ এক নতুন দিগন্ত সূচনা হৈছে। এবছুৱে সমন্বয়ৰক্ষী সমিতি গঠন কৰি বুজাবুজি আৰু ভাতৃত্ববোধেৰে এক সমাজ হিচাপে কাম কৰি আছে। আগন্তুক ২০২৫ চনৰ বি টি চি নিৰ্বাচন সমাগত। এনে সময়তে এটা ৰাজনৈতিক দলে আনটোক আক্ৰমণ কৰা, বিক্ষিপ্ত ঘটনা সংঘটিত কৰা ঘটনা সংঘটিত হৈছে। আনকি কালি কোকৰাঝাৰ জিলাৰ দোতমা আঞ্চলিক সমিতি এলেকাৰ এবছুৰ এক শাখা কাৰ্যালয় দুষ্কৃতিকাৰীয়ে লণ্ডভণ্ড কৰাৰ লগতে তাত থকা বাহনৰো ক্ষতিসাধন কৰিছে। ঘটনা সন্দৰ্ভত কোকৰাঝাৰ জিলা আৰক্ষী অধীক্ষকক ফোনযোগে শূন্য সহনশীলভাৱে দোষীক কৰায়ত্ত কৰি শাস্তিৰ দাবী জনাইছো। কোনো কাৰণতে জাতীয় স্বাভিমানৰে জড়িত জাতীয় সংগঠনৰ কাৰ্যালয়ত আক্ৰমণ কৰাটো সহ্য নকৰে আৰু মানি নলয়। বি টি আৰৰ বিভিন্ন প্ৰান্তত সংঘটিত বিক্ষিপ্ত ঘটনাসমূহ শীঘ্ৰে বন্ধ হ'ব লাগে। ৰাজনৈতিক দলসমূহেও গণতান্ত্ৰিকভাৱে নিৰ্বাচনত অংশগ্ৰহণ কৰিব লাগে আৰু নিৰ্বাচনৰ সিদ্ধান্ত ৰাইজে দিব। মই প্ৰশাসন, জিলা আয়ুক্ত, অসম চৰকাৰ, ৰাজ্যিক নিৰ্বাচন আয়োগ, ৰাজ্যপাল সকলোকে আইন-শৃংখলা পৰিৱেশ কঠোৰ কৰাৰ বাবে এবছুৱে আহ্বান জনাইছে। ২২ ছেপ্টেম্বৰত ৰাইজে নিৰ্ভয়ে কোনো শংকা অবিহনে যাতে ভোটদান কৰিব পাৰে তাৰ বাবে ব্যৱস্থা কৰিব লাগে। আগন্তুক নিৰ্বাচন সন্দৰ্ভত এবছুৰ স্পষ্ট মত এয়ে যে ২০২০ চনত যি বি টি আৰ চুক্তি স্বাক্ষৰিত হৈছিল তাৰ কিছু দফা ৰূপায়ণ হ'ল আৰু কিছু দফা ৰূপায়ণ হ'বলৈ বাকী আছে। সংবিধানৰ ১২৫ সংখ্যক সংশোধনীৰ যোগেদি বি টি আৰৰ সীমা বৃদ্ধি, সমষ্টি ৬০টালৈ বৃদ্ধি কৰা, ভি চি ডি চি নিৰ্বাচনৰ বিষয়টো সন্নিৱিষ্ট হৈ আছে। আগন্তুক লোকসভাত উক্ত সংশোধনীৰ আশা কৰা হৈছে। যোৱা পাঁচ বছৰ বি টি আৰ চুক্তি স্বাক্ষৰকাৰীক ৰাইজে দিলে। আগন্তুক পাঁচ বছৰৰ বাবে যাতে পুনৰ চুক্তি স্বাক্ষৰকাৰীক ৰাইজে ক্ষমতালৈ আনে তাক আমি আহ্বান জনাইছো। এবছুৰ মূল লক্ষ্য হৈছে বি টি আৰ চুক্তিৰ দফা ৰূপায়ণ। গতিকে চুক্তি স্বাক্ষৰকাৰীৰ চৰকাৰ পুনৰবাৰ অহাটো আমি বিচাৰোঁ। ইয়াৰ পূৰ্বে বি পি এফ-ইউ পি পি এলক একলগ হ'বলৈ আমি আহ্বান জনাইছিলোঁ। কিন্তু হাগ্ৰামা মহিলাৰী আলোচনালৈ নাহিল আৰু প্ৰমোদ বড়ো আলোচনালৈ আহিল। যাৰ ফলত দুই দলৰ একত্ৰীকৰণ নহ'ল। যিহেতু চুক্তি ৰূপায়ণৰ বিষয়টো এক ৰাজনৈতিক বিষয়, তাৰ স্বাৰ্থত আঞ্চলিক শক্তিয়ে বি টি আৰৰ ষ্টিয়েৰিং ধৰক আৰু দিল্লী-দিছপুৰে সহায় কৰক। আজিৰ এই সংবাদমেলত এবছু নেতা কৰ্ণেলিয়াছ দৈমাৰী, আনন্দ দৈমাৰী, ৰমিত' কুমাৰ বসুমতাৰী উপস্থিত থাকে।

## নতুন ৰূপৰ ‘দৈনিক অসম’লৈ স্বাগতম

দৈনিক অসমৰ প্ৰতিনিধি

**বৰপেটা ঃ ১৯ ছেপ্টেম্বৰ ঃ** অসমীয়া জাতীয় জীৱনক যোৱা ৬১ বছৰ ধৰি উজ্জীৱিত কৰি ৰখা সিংহপুৰুষ ৰাধাগোৱিন্দ বৰুৱাৰ ‘মানস পুত্ৰ’ দৈনিক অসমৰ নতুন যাত্ৰালৈ খিলঞ্জীয়া সুৰক্ষা বাহিনী অসমে আদৰণি জনাইছে। খিলঞ্জীয়া সুৰক্ষা বাহিনী অসমৰ প্ৰচাৰ সচিব যুগান্ত বায়নে এটা বিবৃতিত জাতিৰ সেৱাত উৎসৰ্গিত দৈনিক অসমে আহিবলগীয়া দিনবোৰতো অসমৰ প্ৰতিটো খিলঞ্জীয়া জাতি-জনগোষ্ঠীৰ স্বাধিকাৰ আৰু স্বাভিমানক সবল ৰূপত দাঙি ধৰাৰ লগতে প্ৰতিটো সমস্যা সমাধানৰ এক সঠিক আৰু শুদ্ধ পথৰ সন্ধান দিবলৈ সমৰ্থ হ’ব বুলি আশা প্ৰকাশ কৰিছে। খিলঞ্জীয়া সুৰক্ষা বাহিনী অসমে অসম আন্দোলনৰ সময়ত দৈনিক অসমে প্ৰতিষ্ঠা কৰা সাহসী সাংবাদিকতাৰ ধাৰা অব্যাহত ৰাখি এখন বিদেশী মুক্ত, সেউজ অসম নিৰ্মাণৰ বাবে অসমৰ সংগ্ৰামী ৰাইজক অনুপ্ৰেৰণা যোগাই থাকিব বুলিও আশা প্ৰকাশ কৰিছে।

## ছিপাঝাৰত মহিলাৰ সোণৰ চেইন থপিয়াই নিলে চিলনী চোৰে

দৈনিক অসমৰ প্ৰতিনিধি,

**ছিপাঝাৰ, ১৯ ছেপ্টেম্বৰ ঃ** ছিপাঝাৰৰ ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথৰ পদপথেৰে কালি প্ৰাতঃভ্ৰমণলৈ অহা এগৰাকী মহিলাৰ ডিঙিৰ সোণৰ চেইন পিছফালৰ পৰা থপিয়াই লৈ যায় বাইকত অহা দুই চিলনী চোৰে। ঘটনাৰ বিৱৰণী মতে, কালি পুৱা ৰাষ্ট্ৰীয় ঘাইপথটোৰ ধনাই বৰা চ’ক অভিমুখে পদপথেৰে আন এগৰাকী মহিলাৰ সৈতে প্ৰাতঃভ্ৰমণলৈ অহা সৰস্বতী শইকীয়া নামৰ মহিলাগৰাকীৰ ডিঙিৰ সোণৰ চেইন পিছফালৰ পৰা থপিয়াই লৈ যায় নীলা ৰঙৰ বাইকত অহা দুই চিলনী চোৰে। মহিলাগৰাকীয়ে জনোৱা মতে, মঙলদৈৰ দিশৰ পৰা বাইকেৰে অহা দুই চিলনী চোৰৰ এজন ততালিকে মহিলা দুগৰাকীৰ পিচফালে বৈ মোবাইল চোৱাৰ ভাও জোৰে। সেই সময়ত আনজন ষ্টাৰ্ট হৈ থকা বাইকখনত বহি আছিল। ঘটনাটো সংঘটিত কৰিয়েই ধনাই বৰা চ’কত পথটোৰ বিভাজককেৰে (divider) পুনৰ তীব্ৰ বেগেৰে দুই চিলনী চোৰ আঁতৰি যায় মঙলদৈৰ দিশে। লগে লগে দুয়োগৰাকী মহিলাই সহায় বিচাৰি চিঞৰ-বাখৰ কৰিছিল যদিও সেই সময়ত ঘাইপথটো একপ্ৰকাৰ জনশূন্য হৈ আছিল। ঘটনা সন্দৰ্ভত ভুক্তভোগী সৰস্বতী শইকীয়া নামৰ মহিলাগৰাকীয়ে ইতিমধ্যে ছিপাঝাৰ আৰক্ষী থানাত এখন এজাহাৰ দাখিল কৰিছে। ঘোঁৰাবান্ধা আৰ পি মাৰ্কেটৰ স্বত্বাধিকাৰী মহিলাগৰাকীৰ ঘৰ দক্ষিণচুবুৰি গাঁৱৰ মল্লপাৰাত।



## গোৱালপাৰালৈ দৈনিক সমাগম সহস্ৰাধিক পৰ্যটকৰ

### দেশী-বিদেশী পৰিভ্ৰমী চৰাইৰ কলৰৱত মুখৰ চৌদিশ

# ‘গোলাপী স্বৰ্গ’ত পৰিণত উৰপদ বিল

দৈনিক অসমৰ প্ৰতিনিধি

**কৃষ্ণাই, ১৯ ছেপ্টেম্বৰ ঃ** গোৱালপাৰা জিলাৰ আগিয়াত অৱস্থিত ঐতিহাসিক উৰপদ বিল সম্প্ৰতি আকৰ্ষণৰ কেন্দ্ৰবিন্দু হৈ পৰিছে। বিলখনৰ আকৰ্ষণে দূৰ-দূৰণিৰ পৰ্যটকক এতিয়া হাতবাউলি মাতে গোৱালপাৰাৰ আগিয়ালৈ। পদুম আৰু ভেট ফুলৰ সমাহাৰেৰে গোলাপী স্বৰ্গলৈ পৰিণত হোৱা গোৱালপাৰাৰ ঐতিহাসিক উৰপদ বিলে পৰ্যটন ক্ষেত্ৰত নিজৰ স্থান দখল কৰিবলৈ সক্ষম হৈছে। বন্ধৰ দিন অথবা পুৱা-গধূলি প্ৰকৃতিৰ সৌন্দৰ্য উপভোগ কৰিবলৈ প্ৰতিদিনে ইয়ালৈ আগমন ঘটে সহস্ৰাধিক লোকৰ। গোলাপী স্বৰ্গত কিছু সময় অতিবাহিত কৰি আটায়ে লাভ কৰে অনাবিল আনন্দ। আনহাতে বাৰিষা আহিলেই বগা-গুলপীয়া পদুম ফুলৰ লগতে গুলপীয়া ভেটফুলে এক নতুন আৱৰণ দিয়ে এই উৰপদ বিলক। যেন পদুমৰ পাহিত প্ৰকৃতি ৰাণীয়ে হাঁহে। গীত গায়, নাচে। ভেট ফুলৰ গুলপীয়া আচ্ছাদনত যেন সেই সুখ দুগুণে চৰে। বিলখনত পুৱাৰ ৰাঙলী বেলি আৰু আবেলিৰ হেঙুলীয়া বেলিৰ আভাই গোলাপী আচ্ছাদনৰ লগত ৰঙৰ সমাহাৰেৰে প্ৰকৃতিৰ লগত ধেমালি কৰে। এনে মধুৰ স্থানৰ সৌন্দৰ্য চাবলৈ কাৰ মন নাযাব বাৰু? সেয়ে দিনে দিনে গোৱালপাৰাৰ আগিয়াৰ নাম বৰকৈ উৰি ফুৰিছে সামাজিক মাধ্যমত। গোৱালপাৰা চহৰৰ পৰা প্ৰায় দহ কিলোমিটাৰ আঁতৰত আগিয়াৰ চামগুৰিত অৱস্থিত উপৰবিলখনে প্ৰায় দহ বিঘা মাটিকালি আৱৰি আছে। এই দহ বিঘা মাটিত যেতিয়া একেলগে পদুম-ভেট ফুল ফুলিব, তেতিয়াই কল্পনা কৰক ইয়াৰ ৰূপ কেনে হ’ব? এনে ঠাইলৈ আপোনাৰো আহিবলৈ মন নাযাবনে? তাৰ মাজতে নৌকা বিহাৰ কৰাৰো সুবিধা লাভ কৰিব। বিলৰ মাজত সজাই ৰখা টঙীঘৰৰ পৰা ল’ব পাৰিব গোলাপী চাদৰৰ মাদকতা। দেখিব ৰাঙলী কিম্বা হেঙুলীয়া বেলিৰ সুন্দৰ মাদকতা। গগনচুম্বী থকা হেঙুলীয়া আকাশৰ পিছতেই যেন লাগি আছে শাৰী শাৰী সেউজীয়া পাহাৰ। সেয়ে দিনক দিনে উৰপদ বিলৰ কথা যিমানে প্ৰচাৰ হৈছে, সিমানে এই স্থানলৈ বাঢ়িছে পৰ্যটকৰ সংখ্যা। অসমৰ পৰ্যটন মানচিত্ৰৰ বুকুত নিজৰ নাম অন্তৰ্ভুক্ত কৰি উৰপদ বিলে দিছে এক নতুন সম্ভাৱনা। ইফালে উৰপদ বিলৰ বেদখলে চিন্তিত কৰি তুলিছে প্ৰকৃতিপ্ৰেমীক। অৱশ্যে বিল পৰিচালনা সমিতিয়ে বিলখনক বচাই ৰখাৰ অংগীকাৰ কৰি পৰ্যটকক আকৰ্ষণ কৰিব পৰাকৈ বিলৰ চৌপাশে সজাই-পৰাই তোলাৰ ব্যৱস্থাও কৰিছে। পৰ্যটনৰ প্ৰচুৰ সম্ভাৱনা থকা বিলখনক পৰ্যটনস্থলীলৈ পৰ্যৱসিত কৰাৰ ক্ষেত্ৰত অসম চৰকাৰৰ এতিয়া বিশেষ গুৰুত্ব প্ৰদান কৰা দেখা গৈছে। গোৱালপাৰাৰ ঐতিহাসিক উৰপদ বিলৰ ঐতিহ্য সুৰক্ষিত কৰি ৰখাৰ স্বাৰ্থত চৰকাৰে বিলখনক বনাঞ্চলৰূপে ঘোষণা কৰাৰ এক কেবিনেট সিদ্ধান্তক আদৰণি জনাইছে প্ৰকৃতিপ্ৰেমীয়ে। পুৱা-গধূলি এতিয়া বিলত বন বিভাগৰ চলে প্ৰাত্যহিক টহল। এইটো সময়তে উৰপদ বিললৈ আগমন ঘটে বিভিন্ন দেশী-বিদেশী পৰিভ্ৰমী চৰাইৰ। বিলখনত এতিয়াও পুঠি, দৰিকণা, শ’ল, মাগুৰ, কাৰৈ আদিকে ধৰি বিভন্ন থলুৱা মাছ উভৈনদী হৈ আছে। গোলাপী স্বৰ্গ কেৱল যে সৌন্দৰ্যৰে ভৰপূৰ তেনে নহয়, ঐতিহাসিক এই বিলখন বহুতৰ বাবে জীৱন আৰু জীৱিকাৰো আধাৰ। উৰপদ বিলৰ কাষৰীয়া অঞ্চলৰ লোকে বিলখনতে মৎস্য চিকাৰ কৰি পোহপাল দি আহিছে পৰিয়াল। গোৱালপাৰা জিলাৰ উল্লেখযোগ্য আৰু বৃহৎ বিল হৈছে বালিজানা উন্নয়ন খণ্ডৰ অন্তৰ্গত উৰপদ বিল, কুমৰী বিল আৰু হাছিলা (হাঁহিলা) বিল। ইয়াৰে দুখন বিল অবৈধ দখলত ইতিমধ্যে চৰকাৰে বুলডজাৰ চলাইছে। উৰপদ বিলৰো বহু স্থানত আছে অবৈধ দখল। যিসমূহ বেদখল মুক্ত কৰিবলৈ চৰকাৰলৈ বাৰম্বাৰ গোহাৰি জনাইছে সচেতন ৰাইজে। সঁচাকৈ উৰপদ বিলৰ এই মনোৰম পৰিৱেশে দিয়ে অন্য এক মানসিক প্ৰশান্তি। গুৱাহাটীৰ কংক্ৰীটৰ মায়াজালৰ পৰা আঁতৰি প্ৰকৃতিৰ সুবাস ল’বলৈ উৰপদ বিলত উপস্থিত হোৱা সৌৰভ ঠাকুৰীয়াই ‘দৈনিক অসম’ৰ আগত এনেদৰে মন্তব্য কৰে। পাহাৰ, নৈ-বিল— এইবোৰক এৰি আমি জীৱনৰ বাটত খোজ দিব পাৰিম ঠিকে, কিন্তু সেই বাটত বেছি দিন জীয়াই থাকিব নোৱাৰিম। নিৰ্মল বতাহ, সুন্দৰ প্ৰকৃতিৰ ৰূপ চাবলৈ হ’লে এনে বিলসমূহ আমি জীয়াই ৰাখিব লাগিব।

## কামপুৰত নাৱেৰে বিপদসংকুল যাত্ৰা শিক্ষাৰ্থীৰ

### ফুটব্ৰিজ নিৰ্মাণৰ দাবী

**দৈনিক অসমৰ প্ৰতিনিধি, কামপুৰ, ১৯ ছেপ্টেম্বৰ ঃ** বঢ়মপুৰ সমষ্টিৰ অন্তৰ্গত কামপুৰৰ চাইবুক গাঁৱত কপিলী নৈৰ বুকুৰে বহু শিক্ষাৰ্থীয়ে দৈনিক বিপদসংকুলভাৱে যাত্ৰা কৰিব লগা হৈছে । কপিলী নৈৰ বুকুত কামপুৰত আৰু কামপুৰৰ পৰা প্ৰায় ২০ কিলোমিটাৰ নিলগত যমুনামুখ যাতায়াতৰ বাবে দুটা স্থানত দলং আছে যদিও গাৰোখুন্দা অঞ্চলটো মধ্য স্থানত অৱস্থিত হোৱা বাবে যাতায়াতত কিছু সমস্যাৰ সৃষ্টি হয়। যাৰ পৰিপ্ৰেক্ষিতত বছৰ বছৰ ধৰি চাইবুক গাঁৱৰ ঘাটেৰে নাও পাৰ হৈ অঞ্চলটোৰ ৰাইজে যমুনামুখলৈ যাতায়াত কৰে। উল্লেখ্য যে বানবিধ্বস্ত শোচনীয় বাট-পথৰ বাবে বৰ্তমান যমুনামুখলৈ যান-বাহনৰ চলাচল তেনেই কম হোৱাৰ ফলত বহু শিক্ষাৰ্থীয়ে মৰণত শৰণ দি নাৱত উঠি যমুনামুখৰ বিদ্যালয়লৈ যাতায়াত কৰে। ইফালে নাও পাৰ হ’লেই নাৱৰীয়াক দৈনিক ১০ৰ পৰা ২০ টকাও দিব লগা হয়। অঞ্চলবাসী ৰাইজে উক্ত স্থানত ডাঙৰকৈ নহ’লেও অন্ততঃ ই-ৰিক্সা এখন অহা-যোৱা কৰিব পৰাকৈ হ’লেও এখন সৰু দলং বা ফুটব্ৰীজ নিৰ্মাণ কৰিবলৈ চৰকাৰক দাবী জনাইছে।

**অনিশ্চিত ভৱিষ্যতক লৈ চিন্তিত**

## বাতৰি কাকত, আলোচনী বিলাই পৰিয়াল পোহপাল টংলাৰ ৰাজু-বাবুল-সুবীৰৰ

দৈনিক অসমৰ প্ৰতিনিধি

**টংলা, ১৯ ছেপ্টেম্বৰ ঃ** চাইকেল চলাই বোকা- পানী গচকি গচকি দিনৌ চাইকেলেৰে বিভিন্ন কাকত-আলোচনী যোগান ধৰি দেশ-বিদেশৰ খবৰ বিলোৱা ৰাজু জোৱাদ্দাৰ, বাবুল শৰ্মা আৰু সুবীৰ ৰয় টংলা চহৰৰ চিনাকি নাম। ১৯৮৬ চনৰ পৰা বৰ্তমানলৈকে নেৰানেপেৰাকৈ ‘দৈনিক অসম’, ‘আছাম ট্ৰিবিউন’ৰ লগতে বিভিন্ন বাতৰি কাকত-আলোচনী যোগান ধৰি জ্ঞানৰ অগ্ৰগতিৰ লগতে পোহৰ বিলাই আহিছে তেওঁলোকে। কিন্তু তেওঁলোকক আমি সন্মান দিছোঁনেহু তেওঁলোকে পাবলগীয়া টকা হাতত তুলি দিছোনে হু গ্ৰাহক তথা পাঠকসকলৰ পৰা তিতা-কেঁহা সহ্য কৰি ৰ’দ-বতাহ নেওচি বতৰা বিলোৱাটো তেওঁলোকৰ একান্ত কৰ্তব্য। ৰাজু জোৱাদ্দাৰে ১৯৮৬ চনৰ পৰা বৰ্তমানলৈকে সমগ্ৰ টংলা চহৰৰ লগতে উপকণ্ঠ অঞ্চলতো জ্ঞানৰ বতৰা বিলাই ফুৰিছে। ২০০৫ চনৰ পৰা মণ্ডল এজেঞ্চীৰ হৈ বাবুল শৰ্মা (৩৫)ই মণ্ডল এজেঞ্চীৰ স্বত্বাধিকাৰী প্ৰয়াত তৰণী কান্ত মণ্ডলৰ ঘৰত থাকি চাইকেল মাৰি টংলা চহৰৰ ঘৰে ঘৰে বাতৰি কাকত-আলোচনী আদি দেশ- বিদেশৰ খবৰ বিলাই আহিছে। সেইদৰে



৪৮ বছৰ ধৰি নৃপেন্দ্ৰ কুমাৰ সাহা এজেঞ্চীৰ হৈ ৬৮ বছৰীয়া সুবীৰ ৰায়ে বাতৰি কাকত-আলোচনী আদি দেশ-বিদেশৰ খবৰ বিলাই আহিছে। পত্নী গীতা ৰায় আৰু জীয়ৰী টংলা মহাবিদ্যালয়ৰ ছাত্ৰী এনাক্ষী ৰায়ৰ সৈতে পেটে-ভাতে খাই জীৱন সংগ্ৰামত ব্ৰতী সুবীৰ ৰায়। বৰ্তমান সময়ত বাতৰি কাকতৰ পাঠকৰ সংখ্যা হ্ৰাস পোৱাত খুবেই অনুতপ্ত ৰাজু জোৱাদ্দাৰ,বাবুল শৰ্মা আৰু সুবীৰ ৰায় বাতৰি কাকত-আলোচনী যোগান ধৰি নিজৰ পৰিয়াল পোহপাল দিছে। ৰাজুৱে একমাত্ৰ পুত্ৰক স্নাতক পৰ্যন্ত পঢ়াইছে। হকাৰৰ বৃত্তিত নিয়োজিত হৈয়েই। বাতৰি কাকতৰ পাঠকৰ সংখ্যা হ্ৰাস পোৱাত বাতৰি কাকত যোগনিয়াৰ ৰাজু, বাবুল আৰু সুবীৰহঁতৰ সংসাৰত আউল লাগিছে। কাৰণ বৰ্তমান সময়ত বাতৰি কাকত যোগনিয়াৰ হৈ সংসাৰ চলোৱা অসুবিধা হৈছে। তেওঁলোকৰ আৰ্থিক নিৰাপত্তা আজি কোন দিশে? পেটত গাঁঠি মাৰি জ্ঞানৰ বতৰা বিলাই ফুৰাটো সন্মানজনক বৃত্তি হ’লেও কাকত কৰ্তৃপক্ষৰ পৰা যি পাৰিশ্ৰমিক পায় সেয়া সন্তোষজনক নহয়। বাতৰি কাকত-আলোচনীৰ পাঠকৰ সংখ্যা হ্ৰাস পোৱাত হতাশাত ভোগা এসময়ত আত্মনিৰ্ভৰশীল ৰাজুহঁতক কোনোবাই সহায়-সহযোগ কৰিবনে?পুনৰ আগৰ দৰে পাঠকৰ সংখ্যা বাঢ়ক,বাতৰি কাকত-আলোচনীৰ বিশ্বাসযোগ্যতা অটুট ৰাখক,জ্ঞান বিস্ফোৰণৰ যুগত ইলেক্ট্ৰনিক মাধ্যমৰ লগতে বাতৰি কাকত-আলোচনীয়েও সমানে ফেৰ মাৰক তাকো কামনা কৰিছে তেওঁলোকে। টংলা প্ৰেছ ক্লাবৰ তৰফৰ পৰা ইতিমধ্যে ৰাজুক তেওঁ কৰি অহা সেৱাৰ বাবে সাংবাদিক ধনেশ্বৰ ৰাভা সোঁৱৰণী বঁটা প্ৰদান কৰা হৈছে।

## বৰপেটা মহাবিদ্যালয়ত কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ নামভৰ্তি সজাগতা অনুষ্ঠান

দৈনিক অসমৰ প্ৰতিনিধি




**বৰপেটা, ১৯ ছেপ্টেম্বৰ ঃ** কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে কালি বৰপেটা মহাবিদ্যালয়ত থকা অধ্যয়ন কেন্দ্ৰৰ সহযোগত মহাবিদ্যালয়খনত নামভৰ্তি সম্পৰ্কীয় এটি সজাগতা অনুষ্ঠান আয়োজন কৰে। বৰপেটা মহাবিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰী, শিক্ষাৰ্থীৰ লগতে সমাজৰ বিভিন্ন স্তৰৰ লোক উপস্থিত থকা এই অনুষ্ঠানত সভাপতিত্ব কৰে বৰপেটা মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ বিৰিঞ্চি কুমাৰ দাসে। আদৰণী ভাষণত অধ্যক্ষ ডঃ দাসে কয় যে মুক্ত বিশ্ববিদ্যালয়ৰ ধাৰণাটোৱে সমাজৰ সেইসকল লোকক সহায় কৰিছে যিসকলে বিভিন্ন কাৰণত পৰম্পৰাগত পদ্ধতিত উচ্চ শিক্ষা লাভৰপৰা বঞ্চিত হৈ আছিল। কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক, অধ্যাপক ডঃ প্ৰাণজিৎ বৰাই নিজৰ বক্তব্যত কয় যে অসমৰ মুঠ নামভৰ্তি অনুপাত বৃদ্ধিৰ ক্ষেত্ৰত কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে বিশেষ ভূমিকা পালন কৰি আহিছে। তেওঁ এই বিশ্ববিদ্যালয়ে নতুনকৈ আৰম্ভ কৰিবলৈ লোৱা কেইটামান পাঠ্যক্ৰম সম্পৰ্কেও আভাস দিয়ে। অনুষ্ঠানটোত মূল বক্তৃতা প্ৰদান কৰি বিশ্ববিদ্যালয়খনৰ সহকাৰী পঞ্জীয়ক ডঃ বিৰিঞ্চি বৰাই দূৰ আৰু মুক্ত শিক্ষাৰ গুৰুত্ব আৰু প্ৰয়োজনীয়তা সম্পৰ্কে বহলাই ব্যাখ্যা কৰে। সম্প্ৰতি ৰাষ্ট্ৰীয় শিক্ষানীতি-২০২০-ত যি দ্বৈত ডিগ্ৰীৰ ব্যৱস্থাৰ পোষকতা কৰা হৈছে, তেনে দ্বৈত ডিগ্ৰী কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ জৰিয়তে লাভ কৰাটো সম্ভৱ বুলি তেওঁ জানিবলৈ দিয়ে। তেওঁ লগতে মুক্ত বিশ্ববিদ্যালয়ৰ ডিগ্ৰীৰ গুৰুত্ব পৰম্পৰাগত বিশ্ববিদ্যালয়ৰ ডিগ্ৰীৰ গুৰুত্বতকৈ কম বুলি থকা ধাৰণাটো ভুল বুলি মত প্ৰকাশ কৰে। অনুষ্ঠানটোত কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ বিত্ত বিষয়া কমলেশ্বৰ কলিতায়ো বক্তব্য আগবঢ়ায়।

## বোকা-পানীৰে কদৰ্যময় হৈ পৰিছে মিৰ্জাৰ পথ, নলা-নৰ্দমা ঃ অতিষ্ঠ ৰাইজ

দৈনিক অসমৰ প্ৰতিনিধি

**পলাশবাৰী, ১৯ ছেপ্টেম্বৰ ঃ** পলাশবাৰী আৰক্ষী থানাৰ অন্তৰ্গত মিৰ্জাৰ ১৭ নং ৰাষ্ট্ৰীয় ঘাই পথ বৰ্তমান বোকা-পানী আৰু গাঁতেৰে প্ৰায় পথাৰৰ দৰে হৈ পৰিছে। বহুদিন ধৰি এই পথছোৱা কদৰ্যময় হৈ পৰাত সঘনাই এই পথছোৱাত দুৰ্ঘটনা সংঘটিত হোৱাই নহয়, বহু লোক মৃত্যুমুখত পৰিবলগীয়া হৈছে। বহুদিন ধৰি এই পথছোৱা মেৰামতি নকৰাৰ পৰিণতিত পথটি শোচনীয় হৈ পৰিছে। আনকি এই পথছোৱাৰ কাষত থকা নলা-নৰ্দমাবোৰো প্ৰায় বোকা-পানী, জাবৰ-জোঁথৰ আদিৰে ভৰি পৰাত মিৰ্জাৰ ৰাষ্ট্ৰীয় ঘাইপথত জমা হোৱা পানী ওলাই যোৱাত অসুবিধাৰ সৃষ্টি হৈছে। মাজে-সময়ে মিৰ্জাৰ লোক নিৰ্মাণ বিভাগে এই নলা-নৰ্দমাবোৰ চাফ-চিকুণ কৰি আহিছে যদিও বিশেষ কামত অহা নাই। যাৰবাবে সাধাৰণ এজাক বৰষুণ আহিলেই মিৰ্জাৰ পথছোৱাৰ লগতে নলা-নৰ্দমাৰ দুৰ্গন্ধত ৰাইজ অতিষ্ঠ হৈ পৰে। উল্লেখ যে এই পথছোৱাৰ প্ৰায় কাষতে পলাশবাৰী আৰক্ষী থানা, পলাশবাৰী ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়,দক্ষিণ কামৰূপ মহাবিদ্যালয়, দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়, শিক্ষণ প্ৰশিক্ষণ মহাবিদ্যালয়, মিৰ্জা ছোৱালী হাইস্কুল, পলাশবাৰী ৰাজহচক্ৰ চৌহদত নতুনকৈ সংলগ্ন হোৱা সম-জিলাৰ কাৰ্যালয়,পলাশবাৰী আৰ বি উচ্চতৰ আৰু বহুমুখী বিদ্যালয়কে বহু অনুষ্ঠান-প্ৰতিষ্ঠান আছে। নিতৌ এই অনুষ্ঠান- প্ৰতিষ্ঠানলৈ



অহা ছাত্ৰ-ছাত্ৰী, শিক্ষক, কৰ্মচাৰীকে ধৰি এই পথছোৱাৰে আন ঠাইলৈ যাতায়াত কৰে যদিও আজিলৈ এই ৰাষ্ট্ৰীয় ঘাইপথছোৱাৰ উন্নতিসাধন নকৰিলে বিভাগীয় কৰ্তৃপক্ষই।

**৩৫৭টা ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন**

## বিটিচি নিৰ্বাচন ঃ গোসাঁইগাঁৱৰ পাঁচটা সমষ্টিত ২,৭৫,২৮০ ভোটাৰ

দৈনিক অসমৰ প্ৰতিনিধি

**গোসাঁইগাঁও, ১৯ ছেপ্টেম্বৰ ঃ** বিটিচি পৰিষদীয় নিৰ্বাচনত গোসাঁইগাঁও মহকুমাৰ পাঁচটা পৰিষদীয় সমষ্টিত এইবাৰ সৰ্বমুঠ ২,৭৫,২৮০গৰাকী ভোটাৰে ভোট সাব্যস্ত কৰিব। প্ৰাপ্ত তথ্য মতে গোসাঁইগাঁও মহকুমা প্ৰশাসনে পৰিচালনা কৰা বিটিচিৰ ২ গুমা (মুকলি) সমষ্টিত ৩২,৫৭১গৰাকী পুৰুষ ভোটাৰৰ বিপৰীতে ৩০,৮৯৮ মহিলা ভোটাৰক লৈ মুঠ ৬৩,৪৬৯গৰাকী ভোটাৰে ভোটদান সাব্যস্ত কৰিব পাৰিব। একেদৰে মহকুমাৰ ৩নং শ্ৰীৰামপুৰ (অজনজাতি) সমষ্টিত আছে পুৰুষ ভোটাৰ ২৩,৫৮২ গৰাকী আৰু মহিলা ভোটাৰ ২৩,৫৭৭গৰাকী। সমষ্টিত মুঠ ভোটাৰৰ সংখ্যা হ’ল ৪৭,১৫৯ গৰাকী। ৪ নং যমদুৱাৰ (জনজাতি) সমষ্টিত পুৰুষ ভোটাৰ ২৪,২৪৭গৰাকী আৰু মহিলা ভোটাৰ ২৩,৬০৩গৰাকী আৰু তৃতীয় লিংগৰ আছে এগৰাকী ভোটাৰ। সমষ্টিত মুঠ ৪৭,৮৫১ গৰাকী ভোটাৰে সমাগত নিৰ্বাচনত ভোটদান কৰিবলৈ সক্ষম হ’ব। একেদৰে ৫ নম্বৰ শৰাইবিলত ২৯,২৯০গৰাকী পুৰুষৰ বিপৰীতে ২৯,০৪৮গৰাকী মহিলা ভোটাৰ থকা সমষ্টিত মুঠ ৫৮,৩৩৮ ভোটাৰে ভোটদান সাব্যস্ত কৰিব। ৬ নম্বৰ কচুগাঁও (জনজাতি) সমষ্টিত পুৰুষ ভোটাৰ ২৮,৯১৮গৰাকী আৰু মহিলা ভোটাৰ ২৮,৫৪৫গৰাকী। মুঠ ৫৭,৪৬৩গৰাকী ভোটাৰে ভোটদান কৰিবলৈ সুযোগ লাভ কৰিছে। আনহাতে গোসাঁইগাঁও মহকুমা প্ৰশাসনে পৰিচালনা কৰা পাঁচটা সমষ্টিতে ভোটগ্ৰহন কেন্দ্ৰৰ বিতং তথ্য জিলা ৰিটাৰ্নিং বিষয়াই সদৰি কৰিছে। সদ্যহতে প্ৰকাশ কৰা তথ্য মতে ২ নং গুমা সমষ্টিত ৭৭টা ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হৈছে। একেদৰে ৩ শ্ৰীৰামপুৰ সমষ্টিত ৫৯টা, ৪ নং যমদুৱাৰত ৬৬টা, ৫ নং শৰাইবিল সমষ্টিত ৭৪টা আৰু ৬নং কচুগাঁও জনজাতি সংৰক্ষিত সমষ্টিত ৮১টা ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হৈছে।

# দাৰিদ্ৰ্য-অৱহেলা নেওচি ঐতিহ্যপূৰ্ণ পুতলা নাচ জীয়াই ৰখাৰ প্ৰয়াস




**গন্ধিয়াৰ প্ৰণৱ শৰ্মাৰ জীৱন সংগ্ৰামৰ কাহিনী**

দৈনিক অসমৰ প্ৰতিনিধি

**পশ্চিম নলবাৰী, ১৯ ছেপ্টেম্বৰ ঃ** সময়ৰ সোঁতত হেৰাই যাবলৈ ধৰা অসমৰ প্ৰাচীন পৰিৱেশ্য পুতলা নাচক ধৰি ৰখাৰ চেষ্টাত ব্ৰতী হৈ আছে নলবাৰীৰ এগৰাকী প্ৰচাৰ বিমুখ শিল্পী। নলবাৰী জিলাৰ পশ্চিম নলবাৰী অঞ্চলৰ গন্ধিয়াৰ গাঁৱৰ প্ৰণৱ শৰ্মা নামৰ শিল্পীগৰাকীয়ে হেৰাই যোৱা এই শিল্প সত্তাটোক জীয়াই ৰখাৰ প্ৰয়াসত ব্ৰতী হৈ আছে। গাঁওখনৰ এইজনা বহুমুখী প্ৰতিভাৰ শিল্পীয়ে একেধাৰে অভিনয় শিল্পী, বাদ্যশিল্পী, কণ্ঠশিল্পী, পুতলা নাচৰ শিল্পী হৈয়ো আজি শিল্পী পেন্সনৰ পৰা বঞ্চিত হৈ আছে। শিল্পী সত্তাক কোনো কাৰণতে বিসৰ্জন দিব নিবিচৰা প্ৰয়াত চন্দ্ৰকান্ত শৰ্মা আৰু মাতৃ গোলাপী দেৱীৰ কনিষ্ঠ পুত্ৰ প্ৰণৱ শৰ্মাই অতি দৰিদ্ৰতাৰ বোজা কঢ়িয়াই গন্ধিয়া বালিকা প্ৰাথমিক বিদ্যালয়ত শিক্ষাজীৱন আৰম্ভ কৰি চামতাৰ কামৰূপ মহাবিদ্যালয়ত উচ্চ শিক্ষা গ্ৰহণ কৰিছিল। ইয়াতে মহাবিদ্যালয়ৰ অধ্যাপক ডঃ পৰাগ কুমাৰ ভট্টাচাৰ্যৰ সান্নিধ্যত অধ্যাপক ভট্টাচাৰ্যই লিখা ডঃ নিৰ্মল প্ৰভা বৰদলৈয়ে সুৰ কৰা গীত আকাশবাণী, গুৱাহাটী অনাতাঁৰ কেন্দ্ৰত পৰিৱেশ কৰি সেই তেতিয়াই নিজৰ পৰিচয় দাঙি ধৰিছিল। ইপিনে, নিজৰ শিল্পীসত্তাক সঠিকভাৱে আগুৱাই নিয়াত সময়ে বাধা প্ৰদান কৰিছিল যদিও লোক- সংস্কৃতিৰ গতিধাৰাক নিজৰ সুন্দৰ মনৰ ভিতৰত জাগ্ৰত কৰি ৰাখিছিল আৰু ১৯৮৭ চনত পূবেৰুণ নাট্য গোষ্ঠী (ঠুটিকাটা) যাত্ৰাপাৰ্টীত যোগদান কৰি দুবছৰৰ বাবে সংগীত পৰিচালক আৰু কণ্ঠশিল্পী হিচাপেও শিল্পী সাধনাৰ পৰিচয় দিছিল। ১৯৯১ চনত পশ্চিম নলবাৰী ন-সূৰুয শিল্পী গোষ্ঠীৰ জন্ম দি অসমৰ দিহিঙে-দিপাঙে সংগীত পৰিৱেশন কৰিছিল। গন্ধিয়াৰ আল্লিবাৰী সত্ৰত ৰাষ্ট্ৰপতিৰ পুৰস্কাৰপ্ৰাপ্ত শিক্ষয়িত্ৰী নীহাৰিকা গোস্বামীৰ ‘মইনা পাৰিজাত’ অনুষ্ঠানত সংস্কৃতিৰ মৌ-জোল পান কৰিছিল। সেয়াই আছিল আৰম্ভণি। প্ৰাথমিক বিদ্যালয়ত থকাৰ সময়ৰ পৰা শিশুনাট, গীত-নৃত্য আদিৰ জৰিয়তেই প্ৰণৱ শৰ্মাই নিজক আগুৱাই নিছিল। গাঁৱৰ বাৰ্ষিক শ্ৰীশ্ৰী মা কান্দেনী মন্দিৰৰ সভাত নলবাৰীৰ মোহখলীৰ পুতলা দলৰ পুতলা প্ৰদৰ্শন বাধ্যতামূলক আছিল। অন্য সমনীয়াৰ লগত প্ৰণৱ শৰ্মাই পুতলা নাচ প্ৰদৰ্শন উপভোগ কৰি শিশুমনৰ হেঁপাহৰে ঘৰতে কাপোৰেৰে পুতলা সজাই ‘পুতলা নাচ’ প্ৰদৰ্শন কৰিছিল। বায়নে যেনেকৈ পুতলানাচৰ আৰম্ভণিৰে নাটশৈলীক আগুৱাই নিছিল প্ৰণৱ শৰ্মাই তেনেদৰে চেষ্টা কৰিছিল। মনত দুৰ্বাৰ হেঁপাহ মনতে পুহি ৰাখি ২০০৬ চনত গায়ন-বায়ন আৰু পেঁপা সংগত কৰি আনুষ্ঠানিকভাৱে গন্ধিয়াৰ বুকুত জন্ম দিলে ‘বাসুদেৱ পুতলা নাচৰ দল’ক। সময়ৰ অগ্ৰগতিত সমাজখনত প্ৰাচীন কলাই কিদৰে জাতীয় জীৱনত প্ৰভাৱ পেলাই সমাজত সাংস্কৃতিক পৰিক্ৰমাৰ পৰিৱেশ সৃষ্টিৰ সমল যোগাই সমাজ পৰিৱৰ্তনৰ এক মাধ্যম হিচাপে আত্মপ্ৰকাশ কৰিব পাৰে আৰু সেই গতিশীল পথত নিজক বিলীন কৰাৰ অন্তৰ্নিহিত আহ্বান তাৰ প্ৰতি আগ্ৰহী আছিল প্ৰণৱ শৰ্মা। শৈশৱৰ পৰা গাঁৱৰ সাংস্কৃতিক পৰিৱেশৰ মাজত নিজকে আগুৱাই নিয়াৰ দুৰ্বাৰ আগ্ৰহ আৰু হেঁপাহক পঢ়াৰ মাজে মাজে আগুৱাই নিছিল। প্ৰাচীন শিল্প পুতলানাচৰ লোক পৰিৱেশ্য কলাক বোকোচাত বান্ধি অসমৰ ইমূৰৰ পৰা সিমূৰলৈ পুতলা নাচৰ পূৰ্বৰ গৰিমা অক্ষুণ্ণ ৰাখিবলৈ তেওঁ যি যাত্ৰা আৰম্ভ কৰিলে সেই যাত্ৰাৰ প্ৰতি নামনি অসমৰ নৱ প্ৰজন্মৰ একাংশ আকৰ্ষিত হৈ আগুৱাই আহিল। শ্ৰীকৃষ্ণৰ জন্মাষ্টমী, বিপ্ৰ দামোদৰ, দক্ষ যজ্ঞ,অসমীয়া সংস্কৃতি আদি নাটকৰ সমলত ৰাজ্যৰ চুকে- কোণে পুতলা নাচৰ প্ৰদৰ্শন কৰিছে প্ৰণৱ শৰ্মাৰ দলে গুৱাহাটীৰ পাণ্ডুত সুৰজিৎ একাডেমীৰ উদ্যোগত অনুষ্ঠিত নেচনেল পাপেট ফেষ্টিভেলত অংশগ্ৰহণ কৰাৰ উপৰি শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত ২০২০ চনৰ ৫ জানুৱাৰীত অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা দপ্তৰে আয়োজন কৰা ‘কলাক্ষেত্ৰ ৰামধেনু উৎসৱ’ত নাট প্ৰদৰ্শন কৰি সমাদৃত হৈছিল তেওঁলোক। প্ৰাচীন শংকৰী যুগৰ এই পুতলা শিল্পক আজি ১৮ বছৰে শৰ্মাই জীয়াই ৰাখিছে। ১৮ বছৰে বাসুদেৱ পুতলা নাচৰ দলটোৱে সংস্কৃতিৰ গতিধাৰাক আগুৱাই নিছে যদিও চৰকাৰৰ পৰা ন্যূনতম সহায়-সাহায্য লাভ কৰা নাই বুলি ক্ষোভ উজাৰে শিল্পীগৰাকীয়ে। প্ৰণৱ শৰ্মাৰ ‘বাসুদেৱ পুতলা নাচ’ৰ ১২জনীয়া দলটোৰ লগত জড়িত হোৱা কলা-কুশলীসকল হ’ল— জিতেন শৰ্মা, ৰূপজ্যোতি শৰ্মা, মানৱজ্যোতি শৰ্মা, দীনেশ শৰ্মা, নৱ কুমাৰ শৰ্মা, প্ৰশান্ত শৰ্মা, ননীগোপাল শৰ্মা,পৰশমণি শৰ্মা, ডিম্পু শৰ্মা, জ্যোতিৰ্ময় শৰ্মাআৰু সত্য পাল। প্ৰাক্‌শংকৰী প্ৰাচীন পৰিৱেশ্য কলাৰ অন্যতম শিল্পক বোকোচাত বহন কৰা শিল্পীসকলৰ অন্যতম প্ৰণৱ শৰ্মাক অসম চৰকাৰৰ সাংস্কৃতিক বিভাগৰ জৰিয়তে প্ৰাচীন শিল্পৰ শিল্পী হিচাপে স্বীকৃতি প্ৰদান কৰিলে নৱপ্ৰজন্মই প্ৰাচীন পৰিৱেশ্য কলাবিধৰ প্ৰতি আকৰ্ষিত হ’লহেতেন। চিকিৎসাধীন ৰুগীয়া পত্নী, দুই পুত্ৰ সন্তানৰ পিতৃ শৰ্মাক চৰকাৰৰ তৰফৰ পৰা পৰা স্বীকৃতি প্ৰদান কৰিবলৈ নলবাৰীৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে আহ্বান জনাইছে।

পঞ্চম দিনাও অব্যাহত মৰাণ জনগোষ্ঠীৰ অৰ্থনৈতিক অৱৰোধ

# তিনিচুকীয়া, ডিব্ৰুগড়লৈ চলিব ইন্ধন পৰিবাহী বাহন

## আন্দোলনস্থলীত উপস্থিত বিধায়ক বলিন চেতিয়া

দৈনিক অসমৰ প্ৰতিনিধি

**তিনিচুকীয়া, ১৯ ছেপ্টেম্বৰ ঃ** সদৌ মৰাণ ছাত্ৰ সন্থাৰ উদ্যোগত মৰাণ জনগোষ্ঠীৰ কেউটা ভাতৃ-ভগ্নী সংগঠনৰ সহযোগত মৰাণসকলৰ জনজাতিকৰণ আৰু জনগোষ্ঠীটোক ষষ্ঠ অনুসূচীভুক্ত স্বায়ত্তশাসন প্ৰদানৰ দাবীৰে আৰম্ভ কৰা অৰ্থনৈতিক অৱৰোধৰ আজি পঞ্চমটো দিনত ব্যাপক প্ৰভাৱ পৰা পৰিলক্ষিত হৈছে তিনিচুকীয়া জিলাখনৰ লগতে কাষৰীয়া জিলা ডিব্ৰুগড়ত। সহস্ৰাধিক মালবাহী বাহনৰ মাজতে শ শ পেট্ৰ'ল-ডিজেল কঢ়িওৱা বাহন আবদ্ধ হৈ থকাৰ বাবে তিনিচুকীয়া জিলাখনৰ অধিকাংশ তেল ডিপো বন্ধ হৈ থকাৰ লগতে কাষৰীয়া জিলা ডিব্ৰুগড়ত ইন্ধনৰ নাটনিৰ সৃষ্টি হৈছে। সেয়েহে সাধাৰণ জনতাৰ সমস্যাৰ প্ৰতি লক্ষ্য ৰাখি তিনিচুকীয়া আৰু ডিব্ৰুগড় জিলাৰ তেলৰ ডিপোসমূহলৈ পেট্ৰ'ল-ডিজেল কঢ়িয়াই নিয়া বাহনসমূহ জাবলৈ দিয়া হ'ব বুলি এটা বিবৃতিত সদৰি কৰে সদৌ মৰাণ ছাত্ৰ সন্থাৰ সভাপতি পলিন্দ্ৰ বড়া আৰু সাধাৰণ সম্পাদক জয়কান্ত মৰাণে। তেওঁলোকে উল্লেখ কৰে যে "জনজাতিকৰণ আৰু ষষ্ঠ অনুসূচীভুক্ত স্বায়ত্ত শাসনৰ দাবীত চলি থকা অৰ্থনৈতিক অৱৰোধ কাৰ্যসূচী ৰাইজৰ সঁহাৰি তথা সহযোগিতাৰে সুকলমে চলি আছে। এই সংগ্ৰাম সাধাৰণ ৰাইজক অসুবিধা দিয়াৰ বাবে নহয় বুলি কোৱা হৈছে। সদৌ মৰাণ ছাত্ৰ সন্থা বা মৰাণ জনজাতিৰ কেউটা সংগঠনে নিশ্চিতভাৱে ৰাইজৰ অসুবিধাক প্ৰশ্ৰয় নিদিয়ে। এই সংগ্ৰাম চৰকাৰৰ প্ৰতাৰণা আৰু বঞ্চনাৰ বিৰুদ্ধে বুলি উল্লেখ কৰি বিবৃতিটোত এই সংগ্ৰামত জনজীৱনৰ প্ৰভাৱ পৰিব পৰা খাদ্য সামগ্ৰী সৰবৰাহৰ কোনো বাধানিষেধ আৰোপ কৰা নাই, চাহ ফেক্টৰীলৈ কেঁচাপাতৰ সৰবৰাহ, উৎপাদন, ৰপ্তানিৰ ক্ষেত্ৰত বাধা দিয়া হোৱা নাই, জনসাধাৰণৰ মৌলিক প্ৰয়োজনীয় সামগ্ৰী সৰবৰাহত সহযোগিতা অব্যাহত আছে বুলি কোৱা হৈছে। তদুপৰি জিলাখনত পেট্ৰ'ল, ডিজেলৰ নাটনিৰ বিষয়টোত ৰাইজৰ অসুবিধা নোহোৱাকৈ কিছু বাট মুকলি কৰিব পৰা যাব নেকি এই সম্পৰ্কে বিবেচনা কৰি থকা হৈছে বুলিও বিবৃতিটোত কোৱা হয়। 'কেন্দ্ৰীয় চৰকাৰে জনগোষ্ঠীটোক প্ৰতাৰণা কৰি দৈনিক হাজাৰ হাজাৰ লিটাৰ তেল, ব্যাপক হাৰত কয়লা, কাঠ আদিৰ দৰে খনিজ আৰু বনজ সম্পদ লুণ্ঠন কৰি নি আছে, ইয়াৰ পিছত খিলঞ্জীয়া মৰাণসকলৰ ভেটি উচ্ছন্ন হৈছে। গতিকে এইসমূহ সম্পদৰ ওপৰত খিলঞ্জীয়াৰ আধিপত্য বিচাৰিছোঁ। সেইবাবে এনে সামগ্ৰী ৰপ্তানিত আমি কিছু বাধা প্ৰদান কৰিছোঁ, এইক্ষেত্ৰত ৰাইজে আমাৰ প্ৰতি সহযোগিতা আগবঢ়াব বুলি আশাবাদী, সম্পদৰ ওপৰত থলুৱা স্বাধিকাৰ থকা উচিত। আমাৰ স্পষ্ট বাৰ্তা— আমাক সুৰক্ষা লাগে, সাংবিধানিক অধিকাৰ, মৰ্যাদা লাগে, অধিকাৰৰ দাবীত আমাৰ সংগ্ৰাম চলিব। সংগ্ৰামখনত ৰাইজৰ নিশ্চিতভাৱে দুই-এটা অসুবিধা হ'লেও ৰাইজক অসুবিধা দিয়াৰ আমি পক্ষপাতী নহয়। গতিকে কিছু দিশত আমি শিথিলতা প্ৰথমদিনাৰে পৰা আগবঢ়াই আছোঁ।' — বিবৃতিটোত নেতাদ্বয়ে এনেদৰে কয়। ইফালে, আজি মাকুম জংচনত শিবিৰ পাতি থকা মৰাণ জনগণৰ কাষত শদিয়াৰ বিধায়ক বলীন চেতিয়া উপস্থিত হয়। বিধায়কগৰাকীয়ে ২৩ ছেপ্টেম্বৰত দিছপুৰত মুখ্যমন্ত্ৰীৰ সৈতে আলোচনাত মিলিত হ'বলৈ মৰাণ সংগঠনৰ নেতৃত্বক আহ্বান জনায়। মৰাণসকলৰ জনজাতিকৰণ প্ৰাপ্য বুলিও মন্তব্য কৰে বিধায়কজনে।



# অৰুণাচল প্ৰদেশৰ পৰা দুই কিশোৰীক উদ্ধাৰ, দুজনক গ্ৰেপ্তাৰ

দৈনিক অসমৰ প্ৰতিনিধি

**ফিল'বাৰী, ১৯ ছেপ্টেম্বৰ ঃ** ডুমডুমা আৰক্ষীয়ে অৰুণাচল প্ৰদেশৰ ইটানগৰৰ পৰা দুগৰাকী কিশোৰী উদ্ধাৰ কৰিবলৈ সক্ষম হৈছে। কিশোৰী দুগৰাকীক গৃহকৰ্মীৰ নিযুক্তি দিয়াৰ প্ৰলোভনেৰে অৰুণাচল প্ৰদেশলৈ নিয়া হৈছিল। দুয়োগৰাকী কিশোৰী ডুমডুমা থানা এলেকাৰ বাসিন্দা। অভিযোগ পঞ্জীয়নৰ ৭২ ঘণ্টাৰ ভিতৰত অৰুণাচল প্ৰদেশৰ ইটানগৰৰ পৰা তেওঁলোকক উদ্ধাৰ কৰা হয়। উপ-পৰিদৰ্শক প্ৰাঞ্জল ফুকনৰ নেতৃত্বত, ডুমডুমা থানাৰ আৰক্ষীৰ এটা দলে অৰুণাচল প্ৰদেশ আৰক্ষীৰ সহযোগত এই অভিযান চলাইছিল। এই সংক্ৰান্তত আৰক্ষীয়ে দুজন অভিযুক্তকো গ্ৰেপ্তাৰ কৰে। তেওঁলোক হ'ল মেগেলা, তলাপৰ নাৰায়ণ তাঁতী ওৰফে অজয় (৩০) আৰু তলাপ, পুলিবাৰীৰ অমৰ নায়ক (৩০)। অমৰ বৰ্তমান ফিল'বাৰী আৰক্ষী থানা এলেকাৰ বস্তি লাইনৰ বাসিন্দা। উল্লেখযোগ্য যে, ১৪ ছেপ্টেম্বৰতো ডুমডুমা আৰক্ষীয়ে অৰুণাচল প্ৰদেশৰ তেজুৰ পৰা অপহৃত স্কুলীয়া ছাত্ৰী এগৰাকীক অভিযোগ পঞ্জীয়নৰ ৪৮ ঘণ্টাৰ ভিতৰত উদ্ধাৰ কৰিছিল আৰু ঘটনাত জড়িত চাৰিজন অভিযুক্তক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছিল।

ধেমাজিৰ বৰদলনিত সঘন বিদ্যুৎ কৰ্তন

# বিভাগৰ কাৰ্যালয় ঘেৰাওৰ ভাবুকি তিনি সংগঠনৰ

দৈনিক অসমৰ প্ৰতিনিধি

**ধেমাজি, ১৯ ছেপ্টেম্বৰ ঃ** বৰদলনি অঞ্চলত বিগত বহুদিন ধৰি পুৱাৰ পৰা নিশালৈকে সঘনে বিদ্যুৎ কৰ্তন কৰি অহাত জাঙুৰ খাই উঠিছে অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ বৰদলনি আঞ্চলিক সমিতি, বৰদলনি আঞ্চলিক ছাত্ৰ সন্থা, বৰদলনি আঞ্চলিক কৃষক মুক্তি সংগ্ৰাম সমিতিৰ লগতে বিভিন্ন দল-সংগঠন। এক বিবৃতিত সংগঠনকেইটাই কয় যে ধেমাজি জিলাৰ বৰদলনি অঞ্চলত আজি কিছুদিনৰ পৰাই বিদ্যুৎ বিভাগে চূড়ান্ত গাফিলতি কৰি আহিছে। আজি কিছুদিনৰ পৰা পুৱাৰ পৰা দুপৰীয়া পৰ্যন্ত, কেতিয়াবা পাছবেলা আৰু সন্ধিয়া পৰ্যন্ত বিদ্যুৎ কৰ্তন কৰি জনসাধাৰণৰ জীৱন যাত্ৰাত ব্যাঘাত জন্মাই আহিছে। ২৪ ঘণ্টাই বিদ্যুৎ যোগানৰ প্ৰতিশ্ৰুতি দিয়া চৰকাৰে বৰদলনি অঞ্চলত দিনটোত ৫ ঘণ্টাও বিদ্যুৎ যোগান ধৰাত বিফল হৈছে বুলি বিবৃতিটোত অভিযোগ কৰা হৈছে। বৰদলনি অঞ্চলৰ উল্লিখিত সংগঠনকেইটাৰ লগতে বৰদলনিবাসী ৰাইজে বিভিন্ন সময়ত বিদ্যুৎ বিভাগৰ কৰ্মচাৰী-বিষয়াৰ সৈতে যোগাযোগ কৰি আহিছে যদিও কোনো ধৰণৰ সুফল লাভ কৰা নাই, তাৰ পৰিৱৰ্তে বিভাগীয় কৰ্মচাৰীৰ দায়িত্বজ্ঞানহীন মন্তব্যহে শুনি আহিবলগীয়া হৈছে বুলি প্ৰমাণ কৰি সংগঠনকেইটাই কয় যে এসপ্তাহৰ ভিতৰত যদি বিদ্যুৎ বিভাগৰ এই গাফিলতি দূৰ নহয় বা বিষয়া-কৰ্মচাৰীৰ ব্যৱহাৰ ভাল নহয়, তেন্তে ধেমাজিৰ বিদ্যুৎ বিভাগৰ কাৰ্যালয় ঘেৰাও কৰাৰ লগতে গণ আন্দোলন গঢ়ি তোলা হ'ব। বৰদলনিত বিদ্যুতৰ যোগান নিয়মীয়া নহ'লে ভয়াৱহ আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰা হ'ব বুলিও বিবৃতিটোত সকীয়াই দিছে।



# সৰুপথাৰৰ গুৰুত্বপূৰ্ণ পথৰ বিধ্বস্ত অৱস্থা, জনসাধাৰণৰ দুৰ্ভোগ

দৈনিক অসমৰ প্ৰতিনিধি

**ধনশিৰি, ১৯ ছেপ্টেম্বৰ ঃ** সৰুপথাৰ সমজিলাৰ অন্তৰ্গত দুয়োটা মৌজাৰ সৈতে সংযোগ স্থাপন কৰা প্ৰধান পথসমূহৰ অন্যতম ৰেংমা পথ আৰু টেঙাহোলা গড়কাপ্টানী পথ সংযোগী বৰপাভজান আৰু মৰাণগাঁৱৰ মাজেৰে যোৱা পথটোৰ এছোৱাৰ বৰ্তমানৰ বিধ্বস্ত অৱস্থাই জনসাধাৰণক দুৰ্ভোগ জগাইছে। উল্লেখ্য যে প্ৰায় ৩ কিলোমিটাৰ দৈৰ্ঘ্যৰ উক্ত পথটো সৰুপথাৰ আৰু বৰপথাৰ দুয়োটা মৌজাৰ লোকৰ যাতায়াতৰ চমু পথ হিচাপে দীৰ্ঘদিন ধৰি ব্যৱহাৰ হৈ আহিছে। সৰুপথাৰত থকা অসামৰিক চিকিৎসালয়লৈ জৰুৰী অৱস্থাত ৰোগী অনা-নিয়াৰ বাবেও উক্ত পথটো বিভিন্ন সময়ত ব্যৱহাৰ হৈ আহিছে। তদুপৰি উক্ত পথেদি বৰপাভজান, মৰাণগাঁও, টেঙাহোলা, লতাজৰী, হেজাৰী, জালজৰী, লাংঠা, নাহৰণি, ছেৰাগুৰি আদি বিভিন্ন গাঁৱৰ জনসাধাৰণেও যাতায়াত কৰি আহিছে। পথটোৰ একাংশ কেইবছৰমানৰ পূৰ্বে লোকনিৰ্মাণ বিভাগে নিৰ্মাণ কৰে যদিও ৰেংমা পথৰ দিশে পাঁচশ মিটাৰ অংশ উক্ত নিৰ্মাণকাৰ্যৰ পৰা বাদ দিয়ে। বহু বছৰৰ পূৰ্বেই প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনাৰ অধীনত নিৰ্মাণ কৰা সেই পাঁচশ মিটাৰ অংশটো বৰ্তমান জহি-খহি যোৱাৰ উপক্ৰম ঘটিছে। পথছোৱা পুনৰ নিৰ্মাণৰ বাবে স্থানীয় লোকসকলে সময়ে সময়ে সংশ্লিষ্ট কৰ্তৃপক্ষৰ ওচৰত দাবী উত্থাপন কৰি আহিছে যদিও এই পৰ্যন্ত কোনো ফল লাভ নকৰাত বিষয়টোৰ ক্ষেত্ৰত গুৰুত্ব প্ৰদান কৰিবৰ বাবে স্থানীয় বিধায়কক আহ্বান জনাইছে।

# ডিমৌ নদীৰ আৰ্চি মাজৰবাৰী অংশত দলং নাই, গঞাৰ হাৰাশাস্তি



দৈনিক অসমৰ প্ৰতিনিধি

**চিমেন চাপৰি, ১৯ ছেপ্টেম্বৰ ঃ** ডিমৌ-চিলাসৃতি অঞ্চলৰ মাজেৰে বৈ যোৱা ডিমৌ নদীৰ নামনি অংশত দলং নিৰ্মাণৰ বাবে মাজৰবাৰী, কুলীবজাৰ, চিলাসুঁতি ভগৱান, কৰৈবাৰী, চিমেনমুখ, চিমেন চলা, শিৱনগৰ, দক্ষিণ শিৱ নগৰ, বোকাবিল, গৌৰাংগপুৰ, ছাবচেণ্টাৰ, মহাৰাণীপুৰ অঞ্চলৰ গঞাই বাৰম্বাৰ দাবী জনাই আহিছে যদিও আজিকোপতি দলং নিৰ্মাণ বৈ নুঠিল। নিৰ্বাচনৰ সময়ত সেয়া প্ৰতিবাৰেই জনপ্ৰতিনিধিসকলে দলং নিৰ্মাণৰ প্ৰতিশ্ৰুতি দিয়ে যদিও সেয়া বাস্তৱায়িত নহয়। স্বাধীনতাৰ ৭৯ বছৰৰ পিছতো এখন দলং নিৰ্মাণ নহ'ল চিলাপথাৰ অঞ্চলৰ মাজেৰে বৈ অহা ডিমৌ নদীৰ আৰ্চি মাজৰবাৰী অংশত। এই পথেৰে নিতৌ অহা-যোৱা কৰে হাজাৰ হাজাৰ লোক। বাৰিষা কালত পাহাৰৰ পৰা বৈ অহা খৰস্ৰোতা পানীত মৃত্যুৰ ঘটনাও ঘটে। অঞ্চলটোৰ অৰ্ধশতাধিক গাঁৱৰ বাসিন্দাই মৰণক শৰণ দি নদী পাৰ হৈ যাতায়াত কৰি আহিছে। নদীৰ এবুকু পানী ভাঙি নিতৌ অহা-যোৱা কৰে ছাত্ৰ-ছাত্ৰী তথা সৰ্বসাধাৰণে। বছৰৰ বাৰমাহেই বিপদসংকুলভাৱে যাতায়াত কৰি আহিছে গঞাই। বৰ্ষাকালত সম্পূৰ্ণভাৱে বন্ধ হৈ পৰে পথছোৱাৰে যাতায়াত। কাণসাৰ নাই চৰকাৰৰ। উল্লেখযোগ্য যে দলং নিৰ্মাণ নোহোৱাৰ ফলত চিমেনমুখ, চিলাসুঁতি আৰু মুক্তিয়াৰ গাঁও পঞ্চায়তৰ অৰ্ধশতাধিক জনবসতিপূৰ্ণ গাঁৱৰ বাসিন্দাই ডিমৌ হৈ ৰাষ্ট্ৰীয় ঘাইপথেৰে চিলাপথাৰ, ধেমাজি আদি ঠাইলৈ আহ-যাহ কৰিব লগা হৈ আহিছে। দলং নিৰ্মাণ হ'লে তেওঁলোকে প্ৰায় পঁয়ত্ৰিশ কিলোমিটাৰ চমু পথ অতিক্ৰম কৰি চিলাপথাৰলৈ যাতায়াত কৰিবলৈ সক্ষম হ'ব। অনাগত বিধানসভা নিৰ্বাচনৰ পূৰ্বে ডিমৌ নদীৰ নামনি আৰ্চি মাজৰবাৰী অংশত দলং নিৰ্মাণ কৰিবলৈ সাংসদ প্ৰদান বৰুৱা আৰু বিধায়ক ভুৱন পেগুক স্থানীয় বিভিন্ন সংগঠন আৰু ভুক্তভোগী গঞাই দাবী জনাইছে।

# ডিমৌৰ ৰজাবাৰীত সুৰা পৰিবাহী ট্ৰাক দুৰ্ঘটনাগ্ৰস্ত

দৈনিক অসমৰ প্ৰতিনিধি

**ডিমৌ, ১৯ ছেপ্টেম্বৰ ঃ** ডিমৌৰ দিচাং ৰজাবাৰীত ৩৭ নং ৰাষ্ট্ৰীয় পথত কালি নিচেই পুৱা দুৰ্ঘটনাত পতিত হয় এখন সুৰা পৰিবাহী ট্ৰাক। গুৱাহাটীৰ পৰা ডিব্ৰুগড় অভিমুখে আহি থকা ট্ৰাকখনে দিচাং দলং অতিক্ৰমি নিয়ন্ত্ৰণ হেৰুৱাই ৰাষ্ট্ৰীয় পথৰ পৰা দ খাৰৈত বাগৰি পৰে।

# দেৰগাঁৱৰ সাংবাদিক মহেন্দ্ৰ নাথ হাজৰিকাক সম্বৰ্ধনা

দৈনিক অসমৰ প্ৰতিনিধি

**দেৰগাঁও, ১৯ ছেপ্টেম্বৰ ঃ** দেৰগাঁৱৰ প্ৰবীণ সাংবাদিক, কৃতী শিক্ষক মহেন্দ্ৰ নাথ হাজৰিকাক ১৭ ছেপ্টেম্বৰত তেওঁৰ বাসগৃহত সম্বৰ্ধনা জনোৱা হয়। দেৰগাঁও বাপুজী মন্দিৰ আৰু সমজিলা প্ৰশাসনৰ উদ্যোগত কেন্দ্ৰীয়ভাৱে বাপুজী মন্দিৰত আয়োজন কৰা সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উদ্‌যাপন সমিতিৰ হৈ প্ৰবীণ সাংবাদিকজনক গামোচা, চেলেং, সম্বৰ্ধনা পত্ৰৰে সম্বৰ্ধনা জ্ঞাপন কৰে। উদ্‌যাপন সমিতিৰ হৈ শান্তমণি শৰ্মা, বিচিত্ৰভূষণ কলিতা, ইন্দুভূষণ মহন্ত, মিলনজ্যোতি খাটনীয়াৰ, কৰুণাকান্ত ৰাজবংশী আৰু মাধুৰ্য মোহন হাজৰিকাই অনুষ্ঠানটোত ভাগ লয়।

বিহু সুৰক্ষা সমিতিৰ উদ্যোগ, ১৯২ গৰাকী শিক্ষাৰ্থীৰ অংশগ্ৰহণ

# বোকাখাতত বিহু বিষয়ক শৈক্ষিক কৰ্মশালা

দৈনিক অসমৰ প্ৰতিনিধি

**বোকাখাত, ১৯ ছেপ্টেম্বৰ ঃ** বিহু সুৰক্ষা সমিতি অসমৰ উদ্যোগত বিহু বিষয়ক পাঠ্যক্ৰমৰ শিক্ষাদানৰ বাবে বোকাখাত জিলা সমিতিৰ সহযোগিতাত ১৮ ছেপ্টেম্বৰৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে বোকাখাত নাট্য মন্দিৰত বিহু বিষয়ক এটা বিশেষ প্ৰশিক্ষণ অনুষ্ঠিত হয়। ৰাজ্যৰ ৩৩খন জিলাৰ পৰা অহা মুঠ ১৯২গৰাকী বিহুৱা আৰু বিহুৱতীয়ে অংশগ্ৰহণ কৰা এই প্ৰশিক্ষণৰ আজি সামৰণি পৰে। দুদিনীয়া এই প্ৰশিক্ষণত প্ৰথম দিনা পতাকা উত্তোলনেৰে কাৰ্যসূচী আনুষ্ঠানিকভাৱে মুকলি কৰে বিহু সুৰক্ষা সমিতি অসমৰ সভাপতি যতীন গগৈ আৰু বোকাখাত জিলা সমিতিৰ সভাপতি মনো বৰাই। বন্তি প্ৰজ্বলন কৰে ৰাজ্যিক সম্পাদক ৰেৱ বৰা আৰু স্মৃতি তৰ্পণ কৰে লোকশিল্পী ধনেশ্বৰ শইকীয়াই। প্ৰশিক্ষণত সমল ব্যক্তি হিচাপে দুয়োদিনা প্ৰশিক্ষণ প্ৰদান কৰে অসম কৃষি বিশ্ববিদ্যালয়ৰ প্ৰাক্তন ডীন ড° প্ৰদীপ নেওগ, উচ্চতৰ মাধ্যমিক শিক্ষা সদনৰ প্ৰাক্তন সচিব ড° কমলজ্যোতি গগৈ আৰু কমাৰবন্ধা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ লোকনাথ ভূঞাৰ লগতে বিভিন্ন স্থানৰ পৰা অহা সমল ব্যক্তিসকলে। উল্লেখ্য যে ২০২১ চনতে অসমৰ শিক্ষা বিভাগে একাদশ আৰু দ্বাদশ শ্ৰেণীৰ পাঠ্যক্ৰমত বিহু বিষয়টো অন্তৰ্ভুক্ত কৰিছিল। বোকাখাতত অনুষ্ঠিত দুদিনীয়া এই প্ৰশিক্ষণত ৰাজ্য ১৯২গৰাকী বিহুৱা আৰু বিহুৱতীক এই পাঠ্যক্ৰমৰ আধাৰত ৰাজ্যখনৰ ৯৪৬খন উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ একাদশ আৰু দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীক পৰৱৰ্তী সময়ত বিহু বিষয়ক পাঠদান কৰিব পৰাকৈ প্ৰশিক্ষণ প্ৰদান কৰা বুলি জানিবলৈ দিছে বিহু সুৰক্ষা সমিতিয়ে। প্ৰশিক্ষণৰ শেষত আজি বিয়লি আয়োজিত সামৰণী অনুষ্ঠানত অসম ৰাজ্যিক সাংবাদিক সন্থাৰ সভাপতি তথা বোকাখাত নাট্যমন্দিৰৰ সম্পাদক জ্যেষ্ঠ সাংবাদিক জিতু শৰ্মা ৰাজখোৱা, প্ৰাথমিক শিক্ষক সন্মিলনীৰ সভাপতি কনক দলে আৰু বোকাখাত নাট্যমন্দিৰ পৰিচালনা সমিতিক বিহু সুৰক্ষা সমিতি অসমৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয়। সামৰণী অনুষ্ঠানতে প্ৰশিক্ষণ গ্ৰহণ কৰা ১৯২গৰাকী শিক্ষাৰ্থীকো মানপত্ৰ প্ৰদান কৰা হয়।

# বোকাখাতৰ খতিয়াখলি গাঁৱত অজগৰ উদ্ধাৰ

দৈনিক অসমৰ প্ৰতিনিধি

**বোকাখাত, ১৯ ছেপ্টেম্বৰ ঃ** বোকাখাত সম জিলাৰ খতিয়াখলি গাঁৱৰ অতুল হাজৰিকা নামৰ ব্যক্তিজনৰ বাৰীৰ পৰা আজি বিয়লি এডাল প্ৰকাণ্ড অজগৰ সাপ উদ্ধাৰ হয়। বাসগৃহৰ কাষতে থকা এজোপা কলগছত উঠি থকা অৱস্থাত সাপডাল প্ৰত্যক্ষ কৰে হাজৰিকাৰ পৰিয়ালৰ সদস্যই। পৰৱৰ্তী সময়ত পূব অসম বন্যপ্ৰাণী সংমণ্ডলৰ বোকাখাত বনাঞ্চলৰ বনকৰ্মীয়ে সাপডাল উদ্ধাৰ কৰি কাজিৰঙাৰ পাণবাৰী সংৰক্ষিত বনাঞ্চলত মুকলি কৰি দিয়ে।

অপৰিকল্পিত নলাৰ বন্ধ পানীয়েও সৃষ্টি কৰিছে প্ৰদূষণ

# টিংখাঙৰ ৰাজগড়ত পথৰ দাঁতি আৱৰ্জনাৰ দম

দৈনিক অসমৰ প্ৰতিনিধি



**টিংখাং, ১৯ ছেপ্টেম্বৰ ঃ** ডিব্ৰুগড় জিলাৰ ৰাজগড়ৰ পথৰ দাঁতিত একাংশ ব্যৱসায়ীয়ে দৈনিক আৱৰ্জনা পেলাই অহাৰ ফলত পূতিগন্ধময় অৱস্থাৰ সৃষ্টি হৈছে। বিশেষকৈ অঞ্চলটোৰ মাজেৰে যোৱা অৰুণাচল প্ৰদেশৰ সংযোগী টেঙ্গ ৫১নং বি ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিৰ বিভিন্ন ঠাইত স্থানীয় একাংশ ব্যৱসায়ীয়ে দৈনিক আৱৰ্জনা পেলাই আহিছে। তদুপৰি অঞ্চলটোৰ মৰাণ নাহৰকটীয়া সংযোগী প্ৰধান পথটোৰ বিভিন্ন ঠাইত আৱৰ্জনাৰ লগতে মাছৰ বাকলি পেলোৱাৰ ফলত উৎকট দুৰ্গন্ধৰ সৃষ্টি হৈছে। যাৰ বাবে পথটোৰে অহা-যোৱা কৰা লোকসকল ভীষণ সমস্যাৰ সন্মুখীন হ'ব লগা হৈছে। পথাচাৰীয়ে মুখত কাপোৰ বান্ধি অহা-যোৱা কৰিব লগাৰ দৰে পৰিস্থিতিৰ সৃষ্টি হোৱাৰ পাছতো স্থানীয় প্ৰশাসনে নিৰ্লিপ্ত ভূমিকা গ্ৰহণ কৰা বুলি অভিযোগ উত্থাপন হৈছে। উল্লেখ্য যে পথটোৰ নিচেই কাষত স্থানীয় ব্যৱসায়ীসকলে আৱৰ্জনা বাধাহীনভাৱে পেলাই আহিছে। শেহতীয়াভাৱে পথটোৰ দাঁতিত সৃষ্টি হোৱা দুৰ্গন্ধই জনস্বাস্থ্যৰ প্ৰতি চৰম ভাবুকিৰ সৃষ্টি কৰিছে। আনহাতে জিলাখনৰ অন্যতম ক্ষুদ্ৰ বাণিজ্যিক নগৰ হিচাপে পৰিচিত ৰাজগড়ৰ প্ৰায়বোৰ নলা-নৰ্দমাৰ পানী ওলাই যোৱাৰ সুচল ব্যৱস্থা নাই। অঞ্চলটোত নিৰ্মাণ কৰা অপৰিকল্পিত নলাসমূহৰ জমা হৈ থকা পানীৰ পৰা ভয়াৱহ প্ৰদূষণৰ সৃষ্টি হৈছে। পথৰ কাষৰ পানী জমা হৈ থকা নলাসমূহৰ ওপৰতে একাংশ ব্যৱসায়ীয়ে মাছ-মাংস, ফলমূলৰ লগতে শাক-পাচলি বিক্ৰী কৰি আহিছে। জনস্বাস্থ্যৰ প্ৰতি চৰম ভাবুকিৰ সৃষ্টি কৰা নলাসমূহত মহৰ ব্যাপক বংশবৃদ্ধি হৈছে। জানিব পৰা মতে, পানী জমা হৈ থকা নলাসমূহ নিয়মীয়াভাৱে দীৰ্ঘদিন ধৰি পৰিষ্কাৰ কৰা হোৱা নাই।

অনুমতি অবিহনে পৰিদৰ্শনৰ সুবিধা

# চিএছআইআৰৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে চিএছআইআৰ-নেইষ্টৰ 'মুকলি দিৱস'

দৈনিক অসমৰ প্ৰতিনিধি

**যোৰহাট, ১৯ ছেপ্টেম্বৰ ঃ** ভাৰতৰ বিজ্ঞানী তথা ঔদ্যোগিক গৱেষণা পৰিষদ (চিএছআইআৰ)ৰ ৮৪সংখ্যক প্ৰতিষ্ঠা দিৱস উপলক্ষে চিএছআই আৰ-উত্তৰ-পূব বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানে (চিএছআইআৰ-নেইষ্ট) অহা ২২ ছেপ্টেম্বৰত পুৱা ৯.৩০ বজাত পৰা সন্ধিয়া ৫ বজালৈ 'মুকলি দিৱস' ঘোষণা কৰিছে। এই বিশেষ দিনটোত প্ৰতিষ্ঠানখন ছাত্ৰ-ছাত্ৰী, শিক্ষক, চৰকাৰী বিষয়া, কৃষক, উদ্যোগপতি আৰু সৰ্বসাধাৰণে পূৰ্বৰ অনুমতি নোলোৱাকৈয়ে প্ৰতিষ্ঠানটো পৰিদৰ্শন কৰিব পাৰিব। এই সময়ছোৱাত পৰিদৰ্শনকাৰীসকলে চিএছআইআৰৰ অধীনত থকা এই জাতীয় প্ৰতিষ্ঠানটোৰ গৱেষণামূলক কাম-কাজ, আধুনিক প্ৰযুক্তি আৰু কৃষক, উদ্যোগপতি তথা অন্যান্য ক্ষেত্ৰৰ উন্নয়নৰ বাবে নেইষ্টে বিকাশ ঘটোৱা প্ৰযুক্তি তথা সা-সুবিধাসমূহ পৰিদৰ্শন কৰাৰ সুযোগ পাব। লগতে ইয়াৰ বিজ্ঞানীসকলৰ সৈতে মত বিনিময় কৰাৰ লগতে প্ৰতিষ্ঠানখনৰ দ্বাৰা উদ্ভাৱিত বিভিন্ন বৈজ্ঞানিক আৰু প্ৰযুক্তিগত উন্নতি সম্পৰ্কে জানিব পাৰিব। এই অনুষ্ঠানৰ উদ্দেশ্য হৈছে বিজ্ঞানৰ বিষয়ে সচেতনতা বৃদ্ধি কৰাৰ লগতে যুৱপ্ৰজন্মৰ মাজত বিজ্ঞান আৰু গৱেষণাৰ প্ৰতি আগ্ৰহ জগোৱা আৰু সামগ্ৰিক সমাজক এইক্ষেত্ৰত জড়িত কৰোৱা।

# কাকতিবাৰীত দিহানাম প্ৰতিযোগিতাৰ আয়োজন

দৈনিক অসমৰ প্ৰতিনিধি

**মাহমৰা, ১৯ ছেপ্টেম্বৰ ঃ** মাহমৰাৰ কাকতিবাৰী সন্মিলিত বৈষ্ণৱ সমাজৰ উদ্যোগত অহা ১১ অক্টোবৰত কাকতিবাৰীত চৰাইদেউ জিলা ভিত্তিত দিহানাম প্ৰতিযোগিতাৰ লগতে এখনি ধৰ্মালোচনা সভাৰ আয়োজন কৰা হৈছে। আবেলি 'আধ্যাত্মিক উৎকৰ্ষ সাধনত দিহানাম, হৰিনামৰ প্ৰাসংগিকতা আৰু যুৱ সমাজত ইয়াৰ প্ৰভাৱ' শীৰ্ষক এখনি ধৰ্মালোচনা সভা অনুষ্ঠিত হ'ব। সন্ধিয়ালৈ অনুষ্ঠিত হ'বলগীয়া দিহানাম প্ৰতিযোগিতাখন উদ্বোধন কৰিব সমাজকৰ্মী সূৰুয দিহিঙীয়াই। প্ৰতিযোগিতাত অংশ ল'বলৈ ইচ্ছুকে ৬০০২১ ১৪৩৮৫ অথবা ৭৮৯৬৩ ৭৩৪২১ত ফোন নম্বৰত যোগাযোগ কৰিব পাৰিব বুলি কোৱা হৈছে।

শ্বহীদ পিয়লি ফুকন মহাবিদ্যালয়

# আলোচনা-সত্ৰৰ আয়োজন

দৈনিক অসমৰ প্ৰতিনিধি

**শিৱসাগৰ, ১৯ ছেপ্টেম্বৰ ঃ** সুধাকণ্ঠ ডঃ ভূপেন হাজৰিকাৰ জন্মশতবৰ্ষৰ লগত সংগতি ৰাখি শিৱসাগৰ জিলাৰ নামতিত অৱস্থিত শ্বহীদ পিয়লি ফুকন মহাবিদ্যালয়ত ইংৰাজী ২৬ ছেপ্টেম্বৰত 'ভূপেন হাজৰিকাৰ জীৱন, কৃতি আৰু দৰ্শন' শীৰ্ষক বিষয়ত এখনি আলোচনা-সত্ৰৰ আয়োজন কৰা হৈছে। মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত, মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষ আৰু শিক্ষক গোটৰ সহযোগত আলোচনা-সত্ৰখনি শিৱসাগৰ জিলাৰ আন্তঃমহাবিদ্যালয় শিক্ষাৰ্থীৰ মাজত অনুষ্ঠিত হ'ব।

গেলেকীৰ নগালেণ্ড সীমাৱৰ্তী আঠখেল শিঙিবিল পথৰ দুৰৱস্থা

# মাটি ভৰ্তি বস্তাৰে গাত পোতাৰ চেষ্টা ঠিকাদাৰৰ

দৈনিক অসমৰ প্ৰতিনিধি

**শিমলুগুৰি, ১৯ ছেপ্টেম্বৰ ঃ** নাজিৰাৰ গেলেকীৰ অসম-নগালেণ্ড সীমাৱৰ্তী আঠখেল শিঙিবিল পথৰ দুৰৱস্থাই অতিষ্ঠ কৰিছে স্থানীয় বাসিন্দাক। নৱনিৰ্মিত পথছোৱাত তিনি বছৰ সম্পূৰ্ণ নৌহওঁতেই সৃষ্টি হৈছে গাঁতৰ। এখন দলঙত সৃষ্টি হোৱা গাঁতত বস্তাত মাটি ভৰাই পুতাৰ চেষ্টা ঠিকাদাৰৰ। আমগুৰিৰ দত্ত উপাধিৰ এজন ঠিকাদাৰে পথছোৱাৰ নিৰ্মাণৰ দায়িত্ব লাভ কৰিছিল। এখন পকী দলঙত সৃষ্টি হোৱা গাঁত পুতিবলৈ ঠিকাদাৰে চলোৱা এই চেষ্টাত সকলোৰে চকু থিয় হৈছে। দলঙৰ কাষেৰে বৈ যোৱা দৈখনা নৈৰ পলস বস্তাত ভৰাই পকী দলঙৰ গাঁত পোতাৰ চেষ্টা কৰিছে ঠিকাদাৰে।

# নাজিৰাত দিখৌ নৈৰ ব্যাপক খহনীয়া



দৈনিক অসমৰ প্ৰতিনিধি

**শিমলুগুৰি, ১৯ ছেপ্টেম্বৰ ঃ** বিগত কিছুদিনৰ পৰা নাজিৰাৰ বিভিন্ন স্থানত অব্যাহত আছে দিখৌ নৈৰ খহনীয়া। কাণসাৰ নাই ৰাজ্যৰ জলসম্পদ বিভাগৰ। নাজিৰাৰ বিহুৱৰ, শিমলুগুৰি, তেঁতেলিগুৰি ইত্যাদি স্থানত দিখৌ নৈয়ে ব্যাপক খহনীয়াৰ সৃষ্টি কৰিছে। খহনীয়াৰ ফলত বিহুৱৰ গড়মূৰ পজাবস্তিত চপৰাচপৰে খহিছে দিখৌ নৈৰ গৰা। বিনিদ্ৰ ৰজনী কটাবলগীয়া হৈছে নৈপৰীয়া ৰাইজে। আনহাতে দিখৌ নৈত শিল, বালিৰ অবাধ খননে এই অঞ্চলসমূহলৈ বিপদ চপাই আনিছে বুলি মন্তব্য কৰে স্থানীয় ৰাইজে। আনহাতে শিমলুগুৰিৰ বুধবৰীয়া বজাৰৰ লগতে তেঁতেলিগুৰিতো দিখৌৰ ক্ৰমবৰ্দ্ধিত খহনীয়াই এই অঞ্চলৰ প্ৰতি ভাবুকি কঢ়িয়াই আনিছে। অপৰিকল্পিতভাৱে কিছুদিনৰ আগতে নিৰ্মাণ কৰা তেঁতেলিগুৰিৰ পৰা মাষ্টৰচুক সংযোগী মথাউৰি তথা পথটোৰ বহু অংশ নিম্নমানৰ কামৰ বাবেই দিখৌ নৈৰ বুকুত বিলীন হোৱাত উক্ত অঞ্চলৰ ৰাইজ যাতায়াতৰ ক্ষেত্ৰত বহু অসুবিধাৰ সন্মুখীন হৈছে। জলসম্পদ বিভাগে খহনীয়া ৰোধৰ বাবে বিশেষ ব্যৱস্থা এতিয়ালৈকে গ্ৰহণ নকৰাত ৰাইজ শংকিত আৰু ক্ষুব্ধ হৈ পৰিছে।

দেৰগাঁৱৰ মিলিজুলি যুৱক সংঘৰ উদ্যোগ

# চাৰিদিনীয়া কাৰ্যসূচীৰে জন্মাষ্টমী উদযাপন

দৈনিক অসমৰ প্ৰতিনিধি

**দেৰগাঁও, ১৯ ছেপ্টেম্বৰ ঃ** দেৰগাঁৱৰ জেলেহুৱা মিলিজুলি যুৱক সংঘৰ উদ্যোগত জেলেহুৱা গাঁও চাৰিআলিৰ সমীপত ১৩ ছেপ্টেম্বৰৰ পৰা ১৬ ছেপ্টেম্বৰলৈকে চাৰিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে শ্ৰীকৃষ্ণৰ জন্মাষ্টমী উদ্‌যাপন কৰা হয়। ৰূপালী জয়ন্তী বৰ্ষ হিচাপে উদ্‌যাপন কৰা কাৰ্যসূচী অনুসৰি প্ৰথম দিনা পুৱা পৰিৱেশ নিকাকৰণেৰে কাৰ্যসূচীৰ পাতনি মেলা হয়। জগন্নাথ ৰায় সোঁৱৰণী ৰংগমঞ্চ উন্মোচনৰ পিছতে অনুষ্ঠিত হয় ছাত্ৰ-ছাত্ৰীসকলৰ মাজত চিত্ৰাংকন প্ৰতিযোগিতা। সন্ধিয়ালৈ শিশুসকলৰ মাজত অনুষ্ঠিত কৰা হয় 'বাল কৃষ্ণ' প্ৰতিযোগিতা। ইয়াৰ পাছতে ৰমেন হাজৰিকাৰ পৰিচালনাৰে শিশু-চেমনীয়াসকলৰ দ্বাৰা কৃষ্ণ লীলা প্ৰদৰ্শন কৰা হয়। দ্বিতীয় দিনা আসন প্ৰতিষ্ঠা কৰাৰ পাছতে বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। সন্ধিয়া অনুষ্ঠিত হয় দিহানামৰ প্ৰতিযোগিতা। তৃতীয় দিনা নিশা নাট্যকাৰ ক্ষিতীশ বৰাৰ ৰচনা আৰু গিৰীন্দ্ৰ ডেকাৰ পৰিচালনাৰে মঞ্চস্থ কৰা হয় সামাজিক নাটক 'কয়দী'। নাটকখনি আনুষ্ঠানিকভাৱে উদ্বোধন কৰে বেচৰকাৰী সংস্থা 'সেৱা'ৰ অধ্যক্ষ বিৰেক বৰাই। অন্তিম দিনা বিয়লি নাম-প্ৰসংগ আৰু সন্ধিয়া বিশেষ সম্বৰ্ধনা অনুষ্ঠানৰ পাছতেই অনুষ্ঠিত হয় বঁটা বিতৰণী অনুষ্ঠান। অনুষ্ঠানত নাট্যকাৰ, পৰিচালক তথা জেলেহুৱা গাঁও পৰিচালনা সমিতিৰ সভাপতি গোপাল চন্দ্ৰ বৰা, শিক্ষাব্ৰতী শিৱ হাজৰিকা প্ৰমুখ্যে কেইবাগৰাকীও গণ্য-মান্য ব্যক্তি উপস্থিত থাকে। সাংস্কৃতিক কৰ্মী, সাংবাদিক কুমুদ বৰাই আঁত ধৰা বঁটা বিতৰণী অনুষ্ঠানটিত জন্মাষ্টমী উপলক্ষে আয়োজিত বিভিন্ন প্ৰতিযোগিতাৰ স্থানপ্ৰাপ্তসকলক পুৰস্কাৰ প্ৰদান কৰা হয়। নিশা ৰাকেশ নেওগ আৰু পলাশ হাজৰিকা (দিকু)ৰ পৰিচালনাৰে পৰিৱেশন কৰা হয় মহাপুৰুষীয়া আৰ্হিৰ ভাওনা 'গান্ধাৰীৰ কৃষ্ণ দৰ্শন'।



৩ পৃষ্ঠাৰ পৰা

# যোৰহাটত হাতত বন্তি লৈ ওলাই আহিল সহস্ৰজন

বিভিন্ন বাদ্যযন্ত্ৰ বজাইছিল। দুন্দুভিনন্দনভাৱে তবলা, কীবৰ্ড, হাৰমনিয়াম বজাইছিল। কিন্তু পৰৱৰ্তী সময়ত এই যুৱকজন কণ্ঠশিল্পী হিচাপে উভলি উঠিছিল। এই যুৱকজনেই হ'ল অসমৰ বাইজৰ হিয়াৰ আমঠু জুবিন গাৰ্গ। জুবিন গাৰ্গৰ মৃত্যুত অসমৰ লগতে যোৰহাটতো শোকৰ ছাঁ পৰিছে। প্ৰিয় শিল্পীগৰাকীৰ মৃত্যুৰ খবৰ বিয়পি পৰাৰ লগে লগে হেজাৰ হেজাৰ গুণমুগ্ধ ৰাজপথলৈ ওলাই আহে। বিভিন্ন সংগঠন, অনুষ্ঠান যোৰহাটৰ ৰাজপথলৈ ওলাই আহি প্ৰিয় শিল্পীগৰাকীৰ মৃত্যুত চাকি-বন্তি প্ৰজ্বলন কৰে। সকলোৱে শিল্পীগৰাকীৰ গীত গুণগুণাই। বহু গুণমুগ্ধই জুবিন দা অমৰ হওক, জুবিন দা জিন্দাবাদ ধ্বনিৰে আকাশ-বতাহ মুখৰিত কৰি তোলে। নিশা পৰ্যন্ত যোৰহাট ৰাজপথ লোকাৰণ্য হৈ পৰে। উল্লেখ্য যে যোৱা ৯ আগষ্টত জুবিন গাৰ্গ শেষ বাৰৰ বাবে যোৰহাটলৈ আহিছিল। তিনিচুকীয়াত অনুষ্ঠিত এটি অনুষ্ঠানত অংশগ্ৰহণ কৰি তেওঁ বাহিৰে বাহিৰে হোটেল প্ৰিজমৰ ৪০১ নম্বৰ ৰুমত এনিশা কটাইছিল।

উল্লেখ্য যে যোৰহাটৰ বঙাল পুখুৰীৰ তিনিআলিত জুবিনৰ দেউতাকৰ দুকঠা চাৰিলেচা মাটিৰ সৈতে দুটা ঘৰ আছিল। এটা আছাম টাইপ আৰু এটা আৰ চি চি ঘৰ। এই দুয়োটা ঘৰতেই জুবিনৰ কলেজীয়া সময় পাৰ হৈছিল। ২০০৪ চনত স্থানীয় বিদ্যা দত্ত নামৰ এজন লোকে এই ঘৰ দুটা ক্ৰয় কৰে। মন কৰিবলগীয়া কথা যে ঘৰ দুটাৰ মাজত এজোপা পাইন গছ আছিল। জুবিন গাৰ্গ যোৰহাটলৈ আহিলেই এই ঘৰ দুটালৈ আহে আৰু বহু সময় পাইন গছজোপা সাবটি ধৰিছিল। ২০২৪ চনৰ শেষৰ ফালে পাইন গছজোপা প্ৰাকৃতিকভাৱেই মৰি যায়। গছজোপাৰ মৰাৰ বেজাৰতো জুবিনে চকুপানী টুকিছিল। জুবিনৰ পৰিয়াল মূলতে শিৱসাগৰ জিলাৰ জাঁজী তামোলীচিগাৰ। জুবিনৰ মাতৃ ইলি বৰঠাকুৰ এগৰাকী দক্ষ নৃত্যশিল্পী, অভিনেত্ৰী আৰু সুগায়িকা আছিল। জুবিনৰ ভগ্নী দুগৰাকী। জংকী বৰঠাকুৰ আৰু মমন বৰঠাকুৰ। জংকী এগৰাকী গায়িকা আৰু অভিনেত্ৰী আছিল। দুৰ্ভাগ্যজনকভাৱে ২০০২ চনত তেজপুৰত ঘটা এটা শোকাৰহ মটৰ দুৰ্ঘটনাত জংকীৰ মৃত্যু ঘটে। ইয়াৰ পাছতে জুবিনে জংকীৰ স্মৃতি শিশু নামৰ এটা এলবাম মুক্তি দিয়ে। আনগৰাকী ভগ্নী মমন অসম নাট্যম নৃত্যশিল্পী। ২০০২ চনৰ ৪ ফেব্ৰুৱাৰীত জুবিন গাৰ্গ ফেশ্বন ডিজাইনাৰ গৰিমা শইকীয়াৰ সৈতে বিবাহ পাশত আৱদ্ধ হয়। জুবিনৰ জেঠায়েক বেণু শৰ্মা, বৰ্তক মোহিনী বৰঠাকুৰ, খুৰাক প্ৰয়াত কালীমোহন বৰঠাকুৰ, শশীমোহন বৰঠাকুৰ, লাচিত বৰঠাকুৰ, প্ৰয়াত ৰাজীৱ লোচন বৰঠাকুৰ, ৰাজু বৰঠাকুৰ, প্ৰয়াত মনোজ কুমাৰ বৰঠাকুৰ, অনন্ত বৰঠাকুৰ, প্ৰণৱ বৰঠাকুৰ, পেহীয়েক কল্পনা শৰ্মা, গীতালি বৰঠাকুৰ, পাপিয়া বৰঠাকুৰ দাস, বীণাপাণি অধ্যাপক।

**ঘনিষ্ঠ লোকৰ মন্তব্য ঃ** জুবিনৰ পেহীয়েক তথা বৰ্তমান যোৰহাট বালিগাঁও সৰ্বাইবন্ধাৰ বাসিন্দা, বিশিষ্ট লেখিকা বীণাপাণি অধ্যাপকে কয়— জুবিন মোৰ বৰ মৰমৰ ভতিজা আছিল। আমাৰ বৃহৎ পৰিয়ালটোৰ অমূল্য সম্পদ আছিল সি। কেতিয়াবা ৰাতি দুই-তিনি বজাত আহি আমাৰ ঘৰ ওলাইহি। চৰুত যি পাই তাকে খায়। বৰ বিশৃংখল স্বভাৱৰ আছিল সি। ঢুকুওৱাৰ সময়তো সি বিশৃংখলভাৱেই ঢুকাল।

জুবিনৰ অন্তৰংগ বন্ধু শান্তনু বৰুৱাই কয়— জগন্নাথ বৰুৱা মহাবিদ্যালয়ত পঢ়ি থকাৰেপৰা তাক অন্তৰংগভাৱে লগ পাইছোঁ। ১৯৮৮ চনত তামুলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰপৰা মেট্ৰিক পাছ কৰি জুবিনে জগন্নাথ বৰুৱা মহাবিদ্যালয়ত নামভৰ্তি কৰিছিল আৰু ১৯৯১ চনত হায়াৰ ছেকেণ্ডাৰী পাছ কৰাৰ পাছত তেওঁলোকৰ পৰিয়াল গুৱাহাটীলৈ স্থায়ীভাৱে থাকিবলৈ গুচি অহাৰ কাৰণে জুবিনেও যোৰহাটৰ জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰপৰা বি বৰুৱা কলেজলৈ বিদ্যায়তনিক ঠিকনা সলনি কৰিব লগা হৈছিল। বি বৰুৱা কলেজত বিজ্ঞানৰ স্নাতক ডিগ্ৰীৰ শিক্ষা গ্ৰহণ কৰিছিল যদিও সংগীতৰ ক্ষেত্ৰখনৰ লগত সম্পৰ্কিতৰূপে নিজকে নিয়োজিত কৰিব লগা হোৱাত তেওঁ কলেজীয়া শিক্ষা সমাপ্ত কৰিব নোৱাৰিলে, তেওঁৰ স্নাতক শিক্ষা আধৰুৱা হৈ থাকিল। জুবিন বৰ খেয়ালী মনৰ আছিল। জুবিনৰ ভগ্নী জংকী এগৰাকী প্ৰতিশ্ৰুতিসম্পন্ন কণ্ঠশিল্পী আছিল। সি জংকীৰ সৈতে বাদ্যযন্ত্ৰ সংগত কৰিছিল। তেতিয়াৰে পৰাই সি ৰজাৰ দৰেই আছিল, ৰজাৰ দৰেই মৃত্যু মুখত পৰিল। একেদৰে, জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ডঃ অঞ্জনা চলিহাই কয় যে ২০১৮ চনত এদিন সন্ধিয়া জুবিন আমাৰ ঘৰলৈ আহিছিল। আহিয়েই দুৱাৰমুখত ৰৈ মোৰ মুখলৈ চাই কৈছিল বাইদেউ মই জুবিন গাৰ্গ। ছাৰ ক'ত আছে। মই ছাৰক চাবলৈ আহিলোঁ। মই তেতিয়া কৈছিলোঁ— তোমাৰ চিনাকি দিব নালাগে জুবিন। তুমি আমাৰ হিয়াৰ আমঠু। সেই সময়ত জুবিনে এগিলাচ ঠাণ্ডা পানী বিচাৰিলত মই উঠি যাব খোজোতেই সি নিজেই পাকঘৰলৈ গৈ এগিলাচ পানী লৈ আকৌ বহি আমাৰ সৈতে কথা বতৰা আৰম্ভ কৰিছিল। অঞ্জনা চলিহাই কথা প্ৰসংগত কয় যে মোৰ স্বামী মুকুল চলিহা জুবিনৰ শিক্ষাগুৰু আছিল। এদিন জুবিনে ইউনিফৰ্ম পিন্ধি নহাৰ বাবে জুবিনক শ্ৰেণী কোঠাৰপৰা বাহিৰ কৰি দিছিল মুকুল চলিহাই। জুবিনৰ এই মৃত্যুৱে আমাক মৰ্মাহত কৰিলে বুলি ডঃ অঞ্জনা চলিহাই উল্লেখ কৰি শিল্পীগৰাকীৰ চিৰশান্তি কামনা কৰে। যোৰহাট থিয়েটাৰৰ সম্পাদক তথা বিশিষ্ট অভিনেতা পবিত্ৰ বৰুৱাই কয় যে জুবিন গাৰ্গৰ মৃত্যু অসমৰ জাতীয় জীৱনৰ অপূৰণীয় ক্ষতি। আচলতে জুবিনৰ মৃত্যু হ'ব এই কথা আমি ভাবিবই নোৱাৰোঁ। জুবিনৰ বয়েকেইটা বিহু গীতত মই কণ্ঠ মিলাইছিলোঁ। জুবিনৰ মৃত্যুত মই অতিকৈ মৰ্মাহত। জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ডঃ দিলু বিজয় শৰ্মাই কয়— জুবিনে জে বি কলেজত পঢ়িছিল যদিও শ্ৰেণীকোঠাত বৰ বেছি সময় বহি নাথাকিছিল। অনবৰতে কিবা এটা কৰাৰ তাড়নাত সি ঘূৰি ফুৰিছিল।

**যোৰহাট সংগীত বিদ্যালয় বন্ধ**

অসম তথা ভাৰতৰ সংগীত জগতৰ উজ্জ্বল নক্ষত্ৰ, জনপ্ৰিয় কণ্ঠশিল্পী, একাধাৰে গীতিকাৰ, সুৰকাৰ, সংগীতকাৰ, পৰিচালক জুবিন গাৰ্গৰ মৃত্যুত যোৰহাটতো শোকৰ ছাঁ পৰে। যোৰহাট সংগীত বিদ্যালয়ৰ একালৰ শিক্ষাৰ্থী, জুবিন গাৰ্গৰ অকাল বিয়োগত, যোৰহাট সংগীত বিদ্যালয়ৰ পৰিয়ালবৰ্গ অতিশয় মৰ্মাহত। তেওঁৰ মৃত্যুত যোৰহাট সংগীত বিদ্যালয়ে গভীৰ শোক প্ৰকাশ কৰিছে আৰু আজিৰ বিদ্যালয়ৰ শ্ৰেণীসমূহৰ শিক্ষাদান বাতিল কৰিছে বুলি জনাইছে প্ৰণৱ বৰঠাকুৰে।

**জুবিনৰ মৃত্যুত জাঁজী তামুলীছিগাৰ পিতৃগৃহত শোকাকুল পৰিৱেশ ঃ বিভিন্ন অনুষ্ঠানৰ শ্ৰদ্ধাঞ্জলি**

**জাঁজীৰ পৰা দিগন্ত শৰ্মা ঃ** অসমৰ কোটি কোটি জনতাৰ হিয়াৰ আমঠু, সংগীত জগতৰ ভোটাতৰা জুবিন গাৰ্গৰ ছিংগাপুৰত আকস্মিক মৃত্যু হোৱাৰ খবৰে সমগ্ৰ অসমৰ লগতে তেওঁৰ জাঁজী তামুলীছিগাৰ লুখৰাখন গাঁৱত থকা পিতৃগৃহত শোকাকুল পৰিবেশৰ সৃষ্টি হৈছে। এই আকস্মিক দুখবৰৰ সত্যতাত জানিবৰ বাবে জুবিনৰ গুণমুগ্ধই তামুলীছিগাৰ ঘৰখনত ভিৰ কৰে। জুবিনৰ ককাকৰ ককাই-ভাই আছিল তিনিজন। কুমুদ বৰঠাকুৰ, মহেন্দ্ৰ বৰঠাকুৰ আৰু মাণিক বৰঠাকুৰ। কুমুদ বৰঠাকুৰৰ পুত্ৰ আছিল মোহিনী মোহন বৰঠাকুৰ অৰ্থাৎ জুবিনৰ দেউতাক। এই গোটেইকেইটা পৰিয়াল কৰ্মসূত্ৰে অসমৰ বিভিন্ন স্থানত প্ৰতিষ্ঠিত হ'ল। মোহিনী মোহন বৰঠাকুৰে যোৰহাটৰ বঙালপুখুৰীত বাসগৃহ তৈয়াৰ কৰিলে। সেই সূত্ৰে জুবিনৰ তামুলীছিগাৰ পিতৃঘৰৰ প্ৰতি এক বিশেষ টান আছিল আৰু মন গ'লেই এই ঘৰখনলৈ আহি আত্মীয়-স্বজনক লগ কৰিছিল। বৰ্তমান জুবিনৰ পিতৃগৃহত থাকে সৰুজন ককাকৰ জীয়েক দেৱযানী বৰঠাকুৰ শৰ্মা অৰ্থাৎ জুবিনৰ পেহীয়েক। দেৱযানী বৰঠাকুৰে জনোৱা মতে শৈশৱত জুবিন তামুলীছিগাৰ ঘৰখনলৈ আহিলে পুখুৰীত সাঁতুৰিবলৈ যায়। জুবিনে সাঁতুৰি ভাল পাইছিল। গাঁৱৰ পৰিৱেশ ভাল পাইছিল। কৰ্মব্যস্ততাৰ বাবে এই ঘৰখনলৈ আহিবলৈ তেওঁৰ সময় নাছিল যদিও খবৰ ৰাখিছিল ফোনযোগে। পেহীয়েক দেৱযানী বৰঠাকুৰৰ এটা দুৰাৰোগ্য ৰোগৰ চিকিৎসাৰ খৰচ জুবিনেই বহন কৰিছিল দুই লাখ টকা। আজি জুবিনৰ বিয়োগৰ খবৰে পিতৃগৃহত থকা এই পৰিয়ালটো শোকত ভাগি পৰিছে। আনহাতে, জুবিনৰ মৃত্যুত বিভিন্ন ঠাইত শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত হৈছে। জাঁজী আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত আজি জামুগুৰি চাপৰিত এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত জাঁজী আঞ্চলিক ছাত্ৰ সন্থা, জাঁজী প্ৰেছ ক্লাব, জামুগুৰি ফুটবল কোচিং চেণ্টাৰ, জাঁজী আঞ্চলিক অলংকৃতা মহিলা সমাজ, জাঁজী নাট্য সমাজ কলা ভৱন, জাঁজী শাখা সাহিত্য সভা, জাঁজী শাখা কবি সন্মিলন, তামুলীছিগা সাৰ্বজনীন পূজা মন্দিৰ, লাহোৱাল পূজা মন্দিৰ, জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়, জাঁজী চন্দধৰ গগৈ শংকৰদেৱ, শিশু নিকেটন, জামুগুৰি ডি, ফিটনেছ চেণ্টাৰ, শিৱসাগৰ জিলা গ্ৰাম্য সাংবাদিক সংঘ, শিৱসাগৰ জিলাৰ গ্ৰাম্য ঔষধ ব্যৱসায়ী সংস্থা, ফুলপানীছিগা আঞ্চলিক ৰাস উদযাপন সমিতি, কৃষক ন্যাস, জাঁজী লেখিকা সংস্থা, উত্তৰ পুৰুষৰ মঞ্চ, জামুগুৰি আধ্যাত্মিক চিন্তা-চৰ্চা কেন্দ্ৰ, স্থানীয় বিভিন্ন শিক্ষানুষ্ঠান আদিয়ে প্ৰয়াত জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ আগত বন্তি প্ৰজ্বলন কৰি শ্ৰদ্ধাঞ্জলি জনায়।


**OFFICE OF THE MANAGING DIRECTOR**
**ASSAM STATE DEVELOPMENT CORPORATION FOR SC LTD. SWAHID DILIP HUZURI PATH, SARUMOTORIA, DISPUR, GUWAHATI-06**
Email id: scdcassam@gmail.com

No. SCDC/Tech/Edu/Bohona/297N/2023-24/34

**RE-TENDER PRESS NOTICE / IFB**
(INVITATION FOR BIDS)

The Managing Director, ASDC for SC Ltd., Sorumotoria, Dispur, Guwahati-06 invites bids from the approved and eligible contractors registered with ASDC for SC Ltd. in Two-Bid system through e-Procurement portal for **"Infrastructure Development of Bohona High School"** from eligible Bidder having experience in similar nature of work. The above-mentioned tender which was earlier floated vide e-tender no. SCDC/Tech/HS/Tender/285-A/2023-24/44, Dt: 11/04/2023, has been cancelled by the cancellation notice no. SCDC/Tech/Edu/Bohona/297N/2023-24/33, dt: 15/09/2025

Bidders may download the e-Bid document available at https://assamtenders.gov.in from 19/09/2025 15.00 hrs to 03/10/2025 upto 14.00 hrs for details of the bid.

**Sd/-**
**Managing Director,**
**ASDC for SC Ltd.**

*DIPR/CF/DA/2012/20 Sept-25*



No. SEC. 41/2025/33 Dated 19th September,2025

**PRESS RELEASE**

In accordance with Notification No. SEC.41/2025/21 dated 26/08/2025, the General Election to the Bodoland Territorial Council, 2025 will be held in the districts of Baksa, Chirang, Kokrajhar, Tamulpur and Udalguri on **22/09/2025 (Monday)** from **7:30 AM to 4:00 PM.**

**Important statistics of the poll are as follows:**

1. **No. of Constituencies** : 40
   - ST: 30
   - Non-ST: 05
   - Open: 05
2. **Total No. of Districts** : 5
   - Baksa
   - Chirang
   - Kokrajhar
   - Tamulpur
   - Udalguri
3. **Name of Poll Districts** :Baksa, Chirang, Kokrajhar, Tamulpur, Udalguri.
4. **Date of Poll** : 22/09/2025 (Voting time: 7:30 AM to 4:00 PM).
5. **Date of Fresh Poll, if any** : 24/09/2025 (Voting time: 7:30 AM to 4:00 PM).
6. **Date of Counting** : 26/09/2025 (From 8:00 AM)
7. **Total Contesting Candidates** : 316
8. **Total Voters break up** : 26,58,153
   - Male: 13,23,536
   - Female: 13,34,600
   - Third Gender: 17
9. **No. of Polling Stations** : 3,359
   - Baksa: 575
   - Chirang: 510
   - Kokrajhar: 942
   - Tamulpur: 395
   - Udalguri: 937
10. **Polling Stations managed by Female Polling Personnel** : 187
   - Baksa: 1
   - Chirang: 15
   - Kokrajhar: 41
   - Tamulpur: 30
   - Udalguri: 100

To ensure free, fair and peaceful conduct of the BTC Election, 2025, the State Election Commissioner convened a meeting with the DGP, Assam; senior officials of the Home & Political Department; IGP, BTR; District Commissioners; and Sr. Superintendents of Police of BTR districts. The meeting stressed on taking all necessary measures to prevent any untoward incidents on the poll day and to ensure a conducive environment for free and fair elections.

Two-hourly voter turnout updates will be published on the Commission's website http://voterturnoutsec.assam.gov.in on the day of poll (22/09/2025) after receiving data from the respective District Commissioners.

Sd/- Secretary
Assam State Election Commission
Panjabari :: Guwahati-37

*DIPR/D/DA/246/20-Sep-25*


৪ পৃষ্ঠাৰ পৰা

# অসমীয়া মানুহৰ স্বাৰ্থত যিকোনো পৰ্যায়লৈ যাম

ফেন ক্লাবৰ মোৰ কমৰেডসকলক মই আহ্বান জনাইছোঁ— তেওঁলোকে যাতে অকণো সময় নষ্ট নকৰাকৈ ঠায়ে ঠায়ে জনমত গঠন কৰে। ছ'চিয়েল মিডিয়াত আমাৰ নতুন প্ৰজন্ম খুবেই সক্ৰিয়। ছ'চিয়েল মিডিয়া ভালদৰে ব্যৱহাৰ কৰি এই বিলখনৰ বিৰুদ্ধে কেম্পেইন কৰিব লাগে। স্কুল-কলেজলৈ গৈ ল'ৰা-ছোৱালীবোৰক কথাবোৰ বুজাই দিব লাগে। ৰাইজক যুক্তিসহকাৰে বুজাই দিব লাগে। কেৱল আৱেগত নহয়, যুক্তিপূৰ্ণভাৱে বুজাই দিলে সকলো লোক একগোট হৈ ওলাই আহিব বুলি মোৰ বিশ্বাস। চলচ্চিত্ৰ সমাজ, অসমে ইতিমধ্যেই শুনানিত উপস্থিত হৈ এই বিলখনৰ বিৰোধিতা কৰিছে। মই নিজে ব্যক্তিগতভাৱে যিমান পাৰি সিমান মানুহক একগোট কৰিবলৈ চেষ্টা কৰিম। বিশেষকৈ আমাৰ শিল্পী সমাজে যাতে সবলভাৱে এই আন্দোলনত নামি পৰে— তাৰ বাবে মই যুঁজিম। এই যুঁজখন যুঁজিবলৈ মই সাজু। প্ৰয়োজন হ'লে ৰাস্তালৈ যাবলৈকো সাজু। বিদেশী বিদেশীয়েই — তাত কোনো বেলেগ অংক থাকিব নোৱাৰে। ১৯৭১ চনৰ পাছৰ কোনো বিদেশীৰ বোজা আমি নলওঁ— তাত কোনো বেলেগ কথা থাকিব নোৱাৰে। হিন্দু-মুছলিম, উজনি অসম-নামনি অসম,ব্ৰহ্মপুত্ৰ উপত্যকা-বৰাক উপত্যকা— এইবোৰ হিচাপ পাছে-পৰে কৰিলেও হ'ব— এতিয়া কেৱল অসম আৰু অসমীয়াৰ কথা ভাবিব লাগে। চৰকাৰে কথাটো আকৌ এবাৰ ভাবি চাওক— আমাক জোকাই নল'ব। যিবোৰ মানুহে এইটো ইছুৰ আঁৰ লৈ অসমত বাস কৰা অসমীয়া আৰু বঙালী লোকসকলৰ মাজত সংঘাত সৃষ্টি কৰিবলৈ লাগি আছে, যিবোৰ মানুহে ব্ৰহ্মপুত্ৰ উপত্যকা আৰু বৰাক উপত্যকাৰ মাজত বিভাজন সৃষ্টি কৰিবলৈ চেষ্টা কৰি আছে— তেওঁলোককো মই সকীয়াই দিছোঁ যে এইবোৰ ল'ৰা-ধেমালি কৰি তেওঁলোকে যাতে আমাক আৰু আমনি নকৰে। সহ্যৰো এটা সীমা থাকে। সেই সীমা পাৰ হ'লে অসমৰ স্বাৰ্থত, অসমীয়া মানুহৰ স্বাৰ্থত আমি যিকোনো পৰ্যায়লৈ যাবলৈ কুণ্ঠাবোধ নকৰিম— চিধা কথা। জয় আই অসম।

# জুবিন

আৰু সততাৰ শিখা তেওঁ বুকুৰ মাজত অনিৰ্বাপিত কৰি ৰাখিব পাৰিব লাগিব। যৌৱনৰ চঞ্চলতা, চিন্তাৰ ধূসৰতা আৰু মনৰ দোদুল্যমানতাৰ বাবে জুবিনে কেতিয়াবা বিচ্যুতিৰ পথত ভৰি দিয়া যেন কাৰোবাৰ অনুভৱ হ'লেও আমি ভাবোঁ এই মুহূৰ্তত তেওঁক সমালোচনাৰে থকা-সৰকা কৰাতকৈ উচিত হ'ব সুপৰামৰ্শৰে প্ৰকৃত পথলৈ উভতি অহাৰ সাহস, আত্মবিশ্বাস আৰু প্ৰেৰণা যোগোৱা। ভৱিষ্যতে অসমৰপৰা আঁতৰি গৈ জুবিন গাৰ্গ অইন 'এজন 'অনু মালিক' হয়নে অসমৰ মানুহৰ বুকুৰ ভাষা আৰু সংস্কৃতিৰ ঐতিহ্য গভীৰ আৱেগ আৰু উৎসাহেৰে সমগ্ৰ বিশ্বতে বিয়পাই দিয়াৰ দায়িত্ব লয়, সেই কথা বহুলাংশে নিৰ্ভৰ কৰিব আমাৰ ওপৰতো। সেই কথাষাৰো আমাৰ মনত ৰখা ভাল।'

মই পুনৰ সোঁৱৰাই দিব বিচাৰিছোঁ যে এই কথাখিনি লিখা হৈছিল, তেৰ-চৈধ্য বছৰ আগৰ জুবিনৰ বিষয়ে।

**(দুই)**

ডঃ ভবেন্দ্ৰনাথ শইকীয়া এগৰাকী সৃজনশীল ব্যক্তি, যি কথা-বাৰ্তা, আচৰণ, খোৱা-লোৱা সকলো ক্ষেত্ৰতে আছিল পৰিশীলিত, শৃংখলাবদ্ধ আৰু অবিতৰ্কিত। কিন্তু বহু সৃজনশীল ব্যক্তিৰ জীৱনৰ কথা জানিলে শইকীয়াক এক ব্যতিক্ৰমী 'ৰোল মডেল' যেন লাগে। সৃজনশীল ব্যক্তিৰ typical চৰিত্ৰৰ বিষয়ে যিবোৰ তথ্য সাধাৰণতে পোৱা যায়, তাৰ ওপৰত নিৰ্ভৰ কৰি প্ৰখ্যাত মনোবিজ্ঞানী Mihaly Csikszentmihalgi য়ে তেওঁৰ CREATIVITY নামৰ গ্ৰন্থখনত সৃজনশীল ব্যক্তিৰ চাৰিত্ৰিক বৈশিষ্ট্য হিচাপে কেইটামান কথালৈ আঙুলিয়াই দিছে। সৃজনশীল লোকসকলে এফালে কল্পনা আৰু ফেণ্টাচী আৰু আনফালে বাস্তৱ— এই দুয়োটা দিশত পেণ্ডুলামৰ দৰে অহা-যোৱা কৰি থাকে। তেওঁলোকে এনে এখন জগতত বিচৰণ কৰাৰ বাসনা অনুভৱ কৰে, যিখন বৰ্তমানতকৈ বেলেগ। সেয়েহে বহুতে তেওঁলোকৰ পৰামৰ্শ, চিন্তাধাৰাৰ বৰ্তমানৰ বাস্তৱৰ সৈতে কোনো সম্পৰ্ক নাই বুলি উন্নাসিকতাৰে অৱজ্ঞাৰ দৃষ্টিৰে চাব বিচাৰে। সৃজনশীল লোকে দায়িত্বশীল আৰু দায়িত্বহীনতা; শৃংখলা আৰু শিশুসুলভতাৰ মাজত এনে আশ্চৰ্যজনক সাৱলীলতাৰে অহা-যোৱা কৰে যে তেওঁলোকক লৈ সাধাৰণ মানুহ হয় বিভ্ৰান্ত, তেওঁলোকক বুজিব নোৱাৰে। তেওঁলোক হয় বৈপৰীত্যৰ সমাহাৰ, এই মুহূৰ্তত বহিৰ্মুখী আৰু পিছমুহূৰ্ততে অন্তৰ্মুখী। তেওঁলোক হয় বিদ্ৰোহী আৰু স্বাধীনচিতীয়া। সমালোচনা আৰু কঠোৰ নীতি-নিয়মেৰে তেওঁলোকক আঘাত কৰিব পাৰি; কিন্তু সৈমান কৰিব নোৱাৰিব। অতি সংবেদনশীলতাৰ বাবে অইনে অনুভৱ কৰিব নোৱাৰা তুচ্ছ কথায়ো তেওঁলোকক লৈ যাব পাৰে নিৰ্মল আনন্দৰ উচ্চতম শিখৰলৈ। সেইদৰে সাধাৰণ আঘাতেও কেতিয়াবা নিক্ষেপ কৰিব পাৰে যন্ত্ৰণাৰ অতল সমুদ্ৰত। এই অতি সংবেদনশীলতাই কেতিয়াবা তেওঁলোকক টানি লৈ যায় মাদক দ্ৰব্য অথবা নকৰিবলগীয়া কামৰ মাজলৈ, কেতিয়াবা তেওঁলোক হৈপৰে আত্মহনন অথবা ডিপ্ৰেছনৰ চিকাৰ। পোছাক-পৰিচ্ছদতো তেওঁলোকৰ এই বৈপৰীত্য দৃষ্টিগোচৰ হয়। কোৱা হয় যে তিনিগৰাকী ব্যক্তিৰ পোছাক-পৰিচ্ছদৰ ক্ষেত্ৰত সমাজে এক বিশেষ স্বাধীনতা প্ৰদান কৰে আৰু সেই তিনিগৰাকী ব্যক্তি হ'ল ভিক্ষাৰী, সাধু আৰু সৃজনশীল ব্যক্তি অথবা প্ৰকৃতাৰ্থত শিল্পী। মুঠতে ক'বলৈ গ'লে typical চাৰিত্ৰিক প্ৰৱণতাৰ ফালৰপৰা অধিকাংশ সৃজনশীল বক্তিয়েই হ'ল সামাজিক খেলখনৰ 'ফাউল' কৰা ব্যক্তিজন, কাৰোবাৰ এই প্ৰৱণতা দৃশ্যমান হয়, কাৰোবাৰ মনৰ ভিতৰত অদৃশ্য হৈ থাকে, কোনোবাই অনুশীলনেৰে দমন কৰে অথবা ৰূপান্তৰ কৰে 'উৰ্দ্ধপাতনেৰে (Sublimation)। সংস্কৃতিও প্ৰকৃততে এখন খেলৰ নিচিনা, য'ত আচৰণ নিয়ন্ত্ৰিত কৰে কিছুমান নীতি-নিয়মে। সমাজৰ বাবে সংস্কৃতি বিশৃংখলতা বা যিয়ে মন যায়, তাকে যাতে কৰিব নোৱাৰে, তাৰ বিৰুদ্ধে এক প্ৰতিৰক্ষা কৱচ। সংস্কৃতিয়ে কিছু নীতি-নিয়ম নিৰ্দ্ধাৰণ কৰে আৰু দাবী কৰে যে সেই নীতি-নিয়মৰ দ্বাৰা সকলো পৰিচালিত হ'ব। কিন্তু তাৰ মাজতো কিছুমানে 'ফাউল' কৰে। তেওঁৰ শাস্তি কি হ'ব, সেই কথা বহু পৰিমাণে নিৰ্ভৰ কৰিব সেই 'ফাউল' খেল অথবা সমাজখনৰ বাবে কিমান ক্ষতিকাৰক।

জুবিন গাৰ্গো এজন 'ফাউল' কৰা শিল্পী, কিন্তু মোৰ দৃষ্টিত সেই 'ফাউল' সমাজখনৰ বাবে যিমান ক্ষতিকাৰক, তাতোকৈও অধিক ক্ষতিকাৰক তেওঁৰ শৰীৰ আৰু সৃষ্টিৰ প্ৰভাৱৰ বাবে। এই 'ফাউল'-এ তেওঁৰ পৰা সৃষ্টি আনন্দ কাঢ়ি নিব নোৱাৰে আৰু এই কথাও ঠিক যে এজন সৃজনশীল ব্যক্তিৰ বাবে সৃষ্টিৰ আনন্দতকৈ আৰু একোৱেই মূল্য অধিক হ'ব নোৱাৰে, কিন্তু তাৰ পাছতো তেওঁ যিহেতু কোনো নিৰ্জন দ্বীপত গৈ সংগীতৰ চৰ্চা কৰা নাই, সেয়েহে তেওঁৰ শুভাকাংক্ষীয়ে নিশ্চয় এইখিনি আশা কৰিব যে তেওঁৰ সৃষ্টিৰ প্ৰভাৱত মানুহ সুন্দৰ, ঐশ্বৰ্যশালী আৰু গৌৰৱান্বিত হৈ উঠক আৰু সেই প্ৰভাৱ অক্ষুণ্ণ ৰখাৰ বাবেই তেওঁ হ'ব লাগিব কিছু আপাত দৃষ্টিত 'স্বাভাৱিক', 'দায়িত্বশীল আৰু পৰিশীলিত।'

**(তিনি)**

জুবিনৰ সাংস্কৃতিক অনুষ্ঠানত আজিকালি সংগীতৰ মাধুৰ্যতকৈও অধিকাংশ শ্ৰোতা-দৰ্শকে এক অভিনৱ উন্মাদনাৰ বাবে অধীৰ আগ্ৰহেৰে অপেক্ষা কৰে আৰু জুবিনেও যেন তেওঁৰ আচৰণেৰে অকস্মাতে সেই আগ্ৰহৰ প্ৰতি সঁহাৰি জনাই এক শিশুসুলভ বেপৰোৱা আনন্দ অনুভৱ কৰে। সংগীতৰ এক আদিম আৰু জনপ্ৰিয় কাম হ'ল কোনো এক পৰিৱেশৰ সৈতে খাপ খোৱা বাতাৱৰণৰ সৃষ্টি কৰা। সংগীত ঘৰত বহি অকলশৰে শুনা আৰু ৰাজহুৱা সাংস্কৃতিক অনুষ্ঠানত সকলোৰে সৈতে একেলগে উপভোগ কৰাৰ মাজত পাৰ্থক্য আছে। একেই সংগীতেই ভিন ভিন পৰিৱেশত ভিন ভিন ধৰণে ক্ৰিয়া কৰে। যেতিয়া এক বৃহৎসংখ্যক লোকে একেলগে একেটা ঘটনাৰ মুখামুখি হয়, একে ধৰণে ভাবিবলৈ, অনুভৱ কৰিবলৈ আৰম্ভ কৰে, তেনে পৰিৱেশত মেজিকৰ দৰে এক স্বাধীন, অনিয়ন্ত্ৰিত আৱেগৰ সৃষ্টি হয়, যাক Emile Darkheim য়ে অভিহিত কৰিছে 'সামূহিক প্ৰাণচঞ্চলতা বা উদ্দীপনা' (collective effervescence) বুলি, যিয়ে যিকোনো মুহূৰ্তত অংশগ্ৰহণকাৰীৰ মানসিকতা আৰু ঘটনাৰ প্ৰাবল্যৰ ওপৰত নিৰ্ভৰ কৰি উদ্দীপনাৰ সীমা অতিক্ৰমি উন্মাদনাৰ সীমাত প্ৰৱেশ কৰাৰ সম্ভাৱনা থাকে। এয়া এক স্বাভাৱিক মানসিকতা বা দুৰ্বলতাৰ ফল। ধৰ্মীয় অনুভূতি, দেশপ্ৰেম, খেলৰ প্ৰাংগণৰ দৰে এনে পৰিঘটনা জনপ্ৰিয় সাংস্কৃতিক অনুষ্ঠানত সুলভ, যদিহে সেই অনুষ্ঠান হয় 'জনপ্ৰিয়' শিল্পীৰ। সংগীতৰ শ্ৰৱণৰ কেইবাটাও স্তৰ থাকে। কিছুমানে গীত শুনি কিদৰে তাৰ সুৰ উঠা-নমা কৰিছে, গীতৰ কি গুণে আমাৰ স্নায়ুকেন্দ্ৰলৈ সঞ্চাৰিত কৰে এক অনুভৱ, তাৰ প্ৰতি দৃষ্টি নিবদ্ধ কৰে, আন এচাম আছে সংগীতৰ বিশেষজ্ঞ, যিয়ে শ্ৰৱণৰ সময়ত মন কৰে কিদৰে এক বিশেষ 'কাজে' সেই গীতক কৰি তুলিছে অনন্য, অইনতকৈ বেলেগ, কিয় সেই গীত গুৰুত্বপূৰ্ণ, সংগীতৰ ইতিহাসত তাৰ স্থান ক'ত ইত্যাদি ইত্যাদি। আৰু এক স্তৰ আছে, সেয়া হ'ল, সাধাৰণ সংগীতৰ শ্ৰোতা, মুকলি সাংস্কৃতিক অনুষ্ঠানৰ শ্ৰোতা-দৰ্শক। তেওঁলোকে সংগীত শুনে শব্দ চয়ন, সুৰৰ বিন্যাস, বাদ্যযন্ত্ৰৰ সহযোগ আৰু পৰিৱেশন পদ্ধতিয়ে তেওঁলোকৰ মনত সৃষ্টি কৰা অনুভৱৰ তীব্ৰতা আৰু দৃশ্যৰ সৌন্দৰ্য প্ৰাণভৰি উপভোগ কৰিবৰ বাবে। এনে দৰ্শকৰ সন্মুখত যদি ৰাজহুৱা স্থানত গীত পৰিৱেশন কৰা হয়, তেনেহ'লে ই সৃষ্টি কৰে সামূহিক প্ৰাণচঞ্চলতাৰ। জুবিনৰ ক্ষেত্ৰত তেওঁৰ কণ্ঠ, সুৰ, 'বলিয়ালি'— এই সকলোবোৰে সৃষ্টি কৰা অভিব্যক্তিৰ আবেদনৰ বাবে কেতিয়াবা এই সামূহিক প্ৰাণচঞ্চলতাই ৰূপ লয় উন্মাদনাৰ। সেয়া সাংস্কৃতিক অনুষ্ঠানৰ শৃংখলতাৰ বাবে স্বাস্থ্যপ্ৰদ নহ'ব পাৰে, কিন্তু তাৰ অস্বাভাৱিকতা একো নাই। সাংস্কৃতিক অনুষ্ঠানৰ বিশৃংখলতা গাড়ীৰ দুৰ্ঘটনাৰ দৰে। চালকজনৰ সুৰাপান বা ব্যক্তিগত আচৰণ দুৰ্ঘটনাৰ এটা কাৰক হ'ব পাৰে, কিন্তু সেয়া একমাত্ৰ কাৰক নহয়, ৰাস্তাৰ অৱস্থা, অন্য চালকৰ ব্যৱহাৰ, ট্ৰেফিক, বতৰ আদি অন্যান্য বহু কাৰকৰ বাবেই গাড়ীৰ দুৰ্ঘটনা সংঘটিত হ'ব পাৰে, যাৰ বাবে গাড়ীৰ চালকজনেই সকলো সময়তে দায়ী নহয়।

**(চাৰি)**

মই অকপটে স্বীকাৰ কৰোঁ যে জুবিনৰ প্ৰতি মোৰ এক ছফ্‌ট কৰ্ণাৰ আছে, সেয়া তেওঁৰ অকল কণ্ঠ বা সৃষ্টিৰ বাবেই নহয়, জুবিনে অদমনীয় জেদেৰে এতিয়াও এনে এক জীৱন-যাপন কৰিছে, যি জীৱন বিচাৰিলেও আমি যাপন কৰিব নোৱাৰোঁ।

যিকোনো সৃজনশীল ব্যক্তিৰ দৰেই তেওঁ সৰল অথচ অহংকাৰী, মুখাখন খুলি নথয়, দায়িত্বশীলতা আৰু প্ৰতিক্ৰিয়াৰ শংকাই নিজস্ব প্ৰতিভাৰে ৰাজহুৱা স্থান দখল কৰা বহু প্ৰখ্যাত ব্যক্তিক সহজ-সৰল সঁচা কথা কোৱাৰ পৰাও বিৰত ৰাখে। তাৰ বিপৰীতে জুবিন সেই এণ্ডাৰছনৰ অবিস্মৰণীয় সাধু 'উলংগ সম্ৰাটৰ নতুন পোছাক' নামৰ সাধুটোৰ শিশুটোৰ দৰে, যিয়ে সকলোকে হতচকিত কৰি সম্ৰাটৰ নগ্নতাৰ কথা প্ৰকাশ কৰে। সেয়েহে এই সকলো বিতৰ্কৰ পাছতো মই জুবিনৰ অলেখ মনপৰশা গীতত মাজে মাজে নিমজ্জিত হোৱাৰ আকুলতা অনুভৱ কৰিম। জুবিনক সদায় অন্তৰৰ কাষতে ৰাখিম।

(জুবিন গাৰ্গৰ প্ৰতিভা আৰু ব্যক্তিত্বৰ মূল্যায়নেৰে লিখা এটা লেখাৰ নিৰ্বাচিত অংশ।)


**ভাৰতীয় ষ্টেট বেংক**
বিপন্ন সম্পদ আদায় শাখা
২য় মহলা, চিগ্নেচাৰ স্কোয়াৰ, এম. আৰ.ডি. ৰোড, বামুনিমৈদাম, গুৱাহাটী-৭৮১০২১
ফোন-০৩৬১-২৬৫০৩২৮, ই-মেইল- sbi.18399@sbi.co.in

**পৰিশিষ্ট-৪-এ**
**আইন ৮ (৬) অনুসৰি**
**স্থাৱৰ সম্পত্তি বিক্ৰীৰ বাবে বিক্ৰীৰ জাননী**

**বিত্তীয় সম্পত্তি নিৰাপত্তা আৰু পুনঃগঠন তথা নিৰাপত্তাৰ সুদ আইন ২০০২ৰ অধীনত বলবৎ হোৱা স্থাৱৰ সম্পত্তি বিক্ৰীৰ বাবে ই-নিলাম বিক্ৰীৰ জাননী নিৰাপত্তা সুত (বলবৎকৰণ) নিয়ম ২০০২ ৰ নিয়মাবলী ৮(৬)ৰ অনুসৰি পঢ়ক।**

সাৰ্বজনীনভাৱে আৰু বিশেষভাৱে ঋণগ্ৰাহক/জামিনদাৰ/বন্ধকদাৰক জাননী প্ৰদান কৰা হৈছে যে তলত বৰ্ণিত স্থাৱৰ সম্পত্তি যি ছিকিউৰ্ড ক্ৰেডিটৰৰ ওচৰত বন্ধক/চাৰ্জৰ অধীন কৰা হৈছিল, উক্ত সম্পত্তিৰ ভৌতিক অধিকাৰ ১২-০৭-২০২৩ তাৰিখে ৰাজ্যিক বেংক অৱ ইণ্ডিয়াৰ অনুমোদিত অধিকাৰীয়ে চিকিউৰ্ড ক্ৰেডিটৰ হিচাপে গ্ৰহণ কৰিছে। উক্ত সম্পত্তি **"য'ত আছে", "যি আছে" আৰু "যেনে আছে" ভিত্তিত ১০-১০-২০২৫ তাৰিখে বিক্ৰী কৰা হ'ব, মুঠ ধাৰ্য্য ২২,৯৫,১৪১.০০ (কেৱল বাইশ লাখ পঁচানব্বৈ হেজাৰ একশ একচল্লিশ) টকা**, যি ০৭-০২-২০২৩ তাৰিখলৈকে বকেয়া আছিল, লগতে আগন্তুক সুদ আৰু আন সম্পূৰক খৰচ আদায়ৰ বাবদত, যি মিণ্টু ৰায় ঋণগ্ৰাহক)ৰ পৰা ৰাজ্যিক বেংক অৱ ইণ্ডিয়াৰ (ছিকিউৰ্ড ক্ৰেডিটৰ) নিকটত পাওনাত আছে। সংৰক্ষিত মূল্য, আমানত ধন, নিবিদা বৃদ্ধি পৰিমাণ আৰু আমানত ধন গ্ৰহণৰ অন্তিম তাৰিখ তলত উল্লেখ কৰা হৈছেঃ-

সম্পতি আই ডিঃ **SBIN00038081283R**
সংৰক্ষিত মূল্য ঃ- ১৪,০৬,০০০.০০ টকা আৰু আমানত ধন ১,৪০,৬০০.০০ টকা।
তলত বৰ্ণিত স্থাৱৰ সম্পত্তিৰ পৰিমাণ ০ বিঘা ২ কঠা ৩ লেচা (দলিলত উল্লিখিত অনুসৰি, কিন্তু স্থান পৰিদৰ্শনত পূৰ্ব দিশৰ সীমান্তত পথৰ ব্যৱস্থা ৰাখি প্ৰকৃত মাটিৰ জোখ হৈছে ১ কঠা ১৭ লেচা)। উক্ত জমিত এটা একতলা আৰচিচি ভৱন নিৰ্মাণাধীন অৱস্থাত আছে। প্ৰথম তলা স্তৰলৈকে ভৱনটোৰ গাঁথনি সম্পূৰ্ণ হোৱা উক্ত সম্পত্তিৰ দাগ নং ৫৪৯, পট্টা নং ১৩৮ত অন্তৰ্গত গাঁও- সত্ৰ বৰলা, ডাক- আমদাহ, মৌজা- পাকাঁ, সৰ্থেবাৰী ৰাজহ চক্ৰ, জিলা- বৰপেটা, অসমত অৱস্থিত, যি মিণ্টু ৰায়ৰ নামেৰে পঞ্জীয়ন আছে। সম্পত্তিৰ চাৰিসীমা ঃ -উত্তৰঃ গোপীনাথ সভা মন্দিৰ, পূবঃ ভোগেশ্বৰ দাস, দক্ষিণঃ কুশল ৰায়, পশ্চিমঃ নিৰঞ্জন ৰয়।

বিক্ৰীৰ সম্পূৰ্ণ নিয়ম আৰু চৰ্তাৱলীৰ বাবে অনুগ্ৰহ কৰি ষ্টেট বেংক অব ইণ্ডিয়া, ছিকিউৰ্ড ক্ৰেডিটৰ দ্বাৰা ব্যৱস্থাপনা কৰা লিংকত চাওক ৱেবছাইট ঃ https://sbi.co.in/web/sbi-in-the-news/auction-notices/sarfaesi-and-others আৰু ৱেবছাইটঃ https://baanknet.com

| বেংকৰ ৱেবছাইট | ই-নিলামৰ ৱেবছাইট | সম্পত্তি চিত্ৰ |
|---|---|---|

দিনাংকঃ১৬.০৯.২০২৫
স্থান ঃ গুৱাহাটী
অনুমোদিত বিষয়া
বিপন্ন সম্পদ আদায় শাখা, গুৱাহাটী



**ভাৰতীয় ষ্টেট বেংক**
**আঞ্চলিক বাণিজ্য কাৰ্যালয়**
**ন আলী, যোৰহাট, এএছইবি বিল্ডিঙৰ বিপৰীতে, পিন-৭৮৫০০১** (অসম)

**স্থাৱৰ সম্পত্তিৰ বিক্ৰীৰ বাবে বিক্ৰী জাননী**
**(ভাৰতীয় ষ্টেট বেংকৰ ওচৰত বন্ধকত আছে)**

ইয়াৰ দ্বাৰা সাধাৰণভাৱে জনসাধাৰণক আৰু ঋণীসকল আৰু জামিনদাৰসকলক বিশেষকৈ জাননী দিয়া হৈছে যে ছিকিউৰ্ড ক্ৰেডীটৰৰ ওচৰত বন্ধকীকৃত/নিৰিখিত নিম্ন উল্লেখিত স্থাৱৰ সম্পত্তি, ভাৰতীয় ষ্টেট বেংক, সুৰক্ষিত ঋণদাতাৰ অনুমোদিত বিষয়াৰ দ্বাৰা দৈহিক অধিগ্ৰহণ কৰা হৈছে আৰু শ্ৰী পুতুল গোৱালাৰ পৰা ভাৰতীয় ষ্টেট বেংক, সুৰক্ষিত ঋণদাতাৰ ১০.০৯.২০২৫ তাৰিখলৈ ১৮,৪৩,৭২১.৬০ টকা (ওঠৰ লাখ তিৰাল্লিশ হেজাৰ সাতশ একৈছ টকা আৰু ষাঠি পইচা মাত্ৰ) আৰু অতিৰিক্ত সুত, খৰচ, মূল্য আদি আদায়ৰ বাবে "য'ত আছে', "যি আছে" আৰু "যেনে আছে"তেনেই ভিত্তিত ০৪.১০.২০২৫ তাৰিখে বিক্ৰী কৰা হ'ব। সংৰক্ষিত মূল্য হ'ব ১৭,৩৬,০০০.০০ টকা আৰু আমানত ধন জমা হ'ব ১০% @১,৭৩,৬০০.০০ টকা।


**সম্পত্তিৰ বিৱৰণ তলত দিয়া ধৰণেঃ**
সম্পত্তিৰ আইডি: SBIN78195836804
**১) বাহন (ট্ৰেভেলাৰ বাছ) বেয়াৰিং পঞ্জীয়ন নং AS-05-AC-1710, ইঞ্জিন নং D71004753, চেছিছনংঃ MC1L4AAAMP000154**
বিক্ৰীৰ বিশদ চৰ্ত আৰু নিয়মাবলীৰ বাবে অনুগ্ৰহ কৰি ভাৰতীয় ষ্টেট বেংক, সুৰক্ষিত ঋণদাতাৰ ৱেবছাইটত প্ৰদান কৰা লিংক চাওঁক ঃ
https://sbi.co.in/web/sbi-in-the-news/auction-notices/sarfaesi-and-others
https://baanknet.com/

| এছবিআইৰ ৱেবছাইট | ই-নিলামৰ ৱেবছাইট |
|---|---|

দিনাংকঃ১০.০৯.২০২৫
স্থান ঃ গোলাঘাট
অনুমোদিত বিষয়া
ভাৰতীয় ষ্টেট বেংক, গোলাঘাট



**MALE DEAD BODY**



The above is the photograph of one dead body of unknown person, aged about 40 yrs, was reported to have recovered on Train no 15669 (Nagaland Express) at PF No. 01 of Dibrugarh (Banipur) Railway Station on 18.09.2025. This refers to GRPS UD C/No 60/25 dtd. 18.09.2025.

**The Descriptive roll of the dead body.**
(a) Complexion - Swarthy.
(b) Age - 40 yrs
(c) Built - Thin
(d) Height -5 ft 6 inch
(e) Cloths -Red & Black stripes half jersey and red colour half pant.

All out efforts may be taken to trace out the family members of the dead person at the earliest and result thereof may be intimated to the EO ASI Prafulla Rabha M/No 7002446381 for further necessary action.

**Sr. Superintendent of Police, Dibrugarh, Assam.**

*DIPR/D/DA/245/20 Sept-25*



**PRESS NOTICE**

The Superintending Engineer, P.W.D, Guwahati Building Circle-II, Chandmari, Guwahati-3 on behalf of the Governor of Assam invites bids for the following work having experience of similar nature of work from APWD registered contractors. Details of the bids may be seen at e-procurement portal website: www.assamtenders.gov.in and also in the office of the undersigned during office hours. The bidders must be enrolled in www.assamtenders.gov.in for participating in the bidding process.

| Name of work | Approx. Value of Work (Rs.) | Category of APWD (B) registered contractor |
|---|---|---|
| Up-gradation works in Finance (Economic Affairs) Department officers chamber and Spl. Secretary to the Govt. of Assam, Finance Department at Assam Secretariat, F-Block, 1 floor, Dispur | Rs.55,98,653.00 | Class-I (A/ B/ C), Class- II(within this circle) |

Note:-
1. Any modification of tender may be seen in the portal www.assamtenders.gov.in.
2. The prospective bidder must visit the work site before submission of tender.

**Sd/-**
**Superintending Engineer, P.W.D.**
**Guwahati Building Circle-II**
**Chandmari, Guwahati-3**

*DIPR/C/DA/247/20 Sept-25*

## ‘চকীদাৰে উজাগৰে থাকি চুৰি চালে’



### ৰাহুল গান্ধীৰ ভোট চুৰিৰ অভিযোগৰ প্ৰত্যুত্তৰ দিলে বিজেপিয়ে

**দিল্লী, ১৯ ছেপ্টেম্বৰ ঃ** কালি এখন সংবাদ মেলযোগে কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে কৰ্ণাটকত নিৰ্বাচন আয়োগৰ সহযোগত বিজেপিয়ে ভোটাৰ তালিকাৰ পৰা ছয় হাজাৰৰো অধিক ভোটাৰৰ নাম অনৈতিকভাৱে কৰ্তনৰ চেষ্টা চলোৱা বুলি দাবী কৰাৰ পাছত আজি পুনৰ ভোট চুৰিৰ অভিযোগ তুলিছে। ‘এক্স’ত বিজেপি আৰু নিৰ্বাচন আয়োগৰ প্ৰতি অভিযোগৰ আঙুলি টোঁৱাই লোকসভাত বিৰোধীৰ নেতাগৰাকীয়ে লিখিছে— নিৰ্বাচনত চকীদাৰ সাৰে আছিল আৰু চুৰিকাৰ্য চাই আছিল, লগতে চোৰকো সুৰক্ষা প্ৰদান কৰি আছিল। এনে অভিযোগৰ সমৰ্থনত ৰাহুল গান্ধীয়ে ৩৭ ছেকেণ্ডৰ এটা ভিডিঅ’ ‘এক্স’ত প্ৰকাশ কৰিছে। ইয়াৰ পাছতে ৰাহুল গান্ধীক উভতি ধৰিছে বিজেপিয়ে। কেন্দ্ৰীয় মন্ত্ৰী গিৰিৰাজ সিঙে অভিযোগ কৰিছে যে কংগ্ৰেছ নেতাগৰাকীয়ে কেতিয়াবা মুছলমানসকলক উচটাই আৰু কেতিয়াবা বিভ্ৰান্তিকৰ প্ৰচাৰ চলাই দেশত গৃহযুদ্ধসদৃশ পৰিৱেশ সৃষ্টি কৰিব বিচাৰে। ৰাহুল গান্ধীয়ে হতাশাত ভোগা বুলিও মন্তব্য কৰিছে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে। আনহাতে, বিজেপি সংসদ ৰবিশংকৰ প্ৰসাদে প্ৰতিক্ৰিয়া প্ৰকাশ কৰি ৰাহুল গান্ধীয়ে বিৰোধী নেতাৰ পদটোকে অপমানিত কৰা বুলি মন্তব্য কৰে। তেওঁ কয় যে নিৰন্তৰ মিথ্যাচাৰ আৰু বিকৃত তথ্যৰে অভিযোগ তুলি কংগ্ৰেছ নেতাগৰাকীয়ে গণতান্ত্ৰিক পৰম্পৰাৰ প্ৰতি বিশ্বাসঘাতকতা কৰিছে।

### একেৰাহে ছবছৰ ধৰি প্ৰতিদ্বন্দ্বিতা কৰা নাছিল নিৰ্বাচনত

# নিৰ্বাচন আয়োগে বাতিল কৰিলে অন্য ৪৭৪টা ৰাজনৈতিক দলৰ পঞ্জীয়ন

**নতুন দিল্লী, ১৯ ছেপ্টেম্বৰ ঃ** নিৰ্বাচন আয়োগে বিগত ছবছৰ ধৰি নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা নকৰা আৰু আয়োগৰ অন্য কেতবোৰ নিয়ম উলংঘা কৰা অন্য ৪৭৪টা ৰাজনৈতিক দলৰ পঞ্জীয়ন বাতিল কৰি দলকেইটাক নিজৰ তালিকাৰ পৰা বাহিৰ কৰিছে। এনে কাৰণতে নিৰ্বাচন আয়োগে ইতিপূৰ্বে ৩৩৪টা ৰাজনৈতিক দলক পঞ্জীয়নভুক্ত ৰাজনৈতিক দলৰ তালিকাৰ পৰা বাদ দিছিল। আনহাতে, কালি আৰু ৪৭৪টা ৰাজনৈতিক দলক তালিকাৰ পৰা বাদ দিয়া হৈছে। সম্প্ৰতি নিৰ্বাচন আয়োগে পঞ্জীয়ন বাতিল কৰা দেশৰ ৰাজনৈতিক দলৰ সংখ্যা হৈছে ৮০৮। নিৰ্বাচন আয়োগে আজি এই তথ্য প্ৰকাশ কৰে। নিৰ্বাচন আয়োগে প্ৰকাশ কৰা তথ্য অনুসৰি ৮০৮টা ৰাজনৈতিক দলক তালিকাৰ পৰা বাদ দিয়াৰ পাছত দেশত এতিয়াও এনে ২,০৪৬টা ৰাজনৈতিক দল আছে। এনে ৰাজনৈতিক দলক আইন অনুসৰি পঞ্জীয়নভুক্ত অস্বীকৃতিপ্ৰাপ্ত ৰাজনৈতিক দল চমুকৈ আৰ ইউ পি পি হিচাপে আখ্যা দিয়া হয়। উল্লেখযোগ্য যে ‘জনপ্ৰতিনিধি আইন, ১৯৫১’ৰ ২৯(ক) ধাৰাৰ অধীনত নিৰ্বাচন আয়োগে ৰাজনৈতিক দলবোৰৰ পঞ্জীয়ন কৰি তালিকাভুক্ত কৰে। পঞ্জীয়ন হোৱাৰ পাছত দলবোৰে নিৰ্বাচনী প্ৰতীক আৰু কৰ ৰেহাই লাভৰ দৰে সুবিধা পায়। কিন্তু নিৰ্বাচন আয়োগৰ তালিকাভুক্ত কোনো ৰাজনৈতিক দলে একেৰাহে ছবছৰ ধৰি নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা নকৰিলে তেনে ৰাজনৈতিক দলক আয়োগৰ তালিকাৰ পৰা বাদ দিয়া হয়। অৰ্থাৎ পঞ্জীয়ন বাতিল কৰা হয়।




### আছাম ৰাইফলছৰ বাহনত আক্ৰমণ

## মণিপুৰত নিহত দুজন জোৱান, চাৰিজন আহত

**ইম্ফল, ১৯ ছেপ্টেম্বৰ ঃ** গোষ্ঠী সংঘৰ্ষত জৰ্জৰিত মণিপুৰত আজি এটা ভয়ংকৰ আক্ৰমণৰ ঘটনা সংঘটিত হৈছে। ৰাজ্যখনৰ বিষ্ণুপুৰ জিলাৰ নম্বোল ছাবাল লাথকাই নামৰ অঞ্চলত নিৰাপত্তা বাহিনীৰ এটা কনভয়ত ধাৰাসাৰ গুলীবৰ্ষণ কৰে অচিনাক্ত বন্দুকধাৰীয়ে। খবৰ অনুসৰি সন্ধিয়া প্ৰায় ৫.৫০ বজাত আছাম ৰাইফলছৰ জোৱানৰ দল এটাক লৈ ইম্ফলৰ পৰা বিষ্ণুপুৰলৈ গৈ থকা এখন বাহনলৈ লক্ষ্য কৰি দুৰ্বৃত্তৰ এটা দলে উপৰ্যুপৰি গুলীবৰ্ষণ কৰে। অচিনাক্ত বন্দুকধাৰী দলটোৱে ইমান আকস্মিকভাৱে আক্ৰমণ কৰিছিল যে বাহনখনত থকা অসম ৰাইফলছৰ জোৱানসকলে মোকাবিলা কৰাৰ সুযোগেই পোৱা নাছিল। এই প্ৰতিবেদন যুগুত কৰাৰ সময়লৈ অহা খবৰ অনুসৰি ঘটনাত দুজন আছাম ৰাইফলছৰ জোৱান নিহত হোৱাৰ লগতে চাৰিজনকৈ জোৱান আহত হৈছে। আহতসকলৰ মাজত এজনৰ অৱস্থা সংকটজনক। আক্ৰমণত কোন জড়িত আছে সেয়াও এতিয়ালৈ স্পষ্ট হোৱা নাই। কিন্তু ঘটনাৰ পাছতে অঞ্চলটোত সুৰক্ষা ব্যৱস্থা বৃদ্ধি কৰা হৈছে আৰু আক্ৰমণকাৰীৰ সন্ধানত অভিযান আৰম্ভ হৈছে। গুলীবিদ্ধ সুৰক্ষা বাহিনীৰ জোৱানসকলক ততাতৈয়াকৈ নিকটৱৰ্তী চিকিৎসালয়লৈ প্ৰেৰণ কৰা হৈছে। সমগ্ৰ বিষয় তদন্তৰ বাবে ঘটনাস্থলীত উপস্থিত হৈছে আৰক্ষী আৰু ফৰেনছিকৰ দল।

### চ্যৱনপ্ৰাছৰ বিজ্ঞাপনক লৈ পতঞ্জলি-ডাবৰৰ যুঁজ

## যোগগুৰু বাবা ৰামদেৱৰ কোম্পানীক ন্যায়ালয়ৰ সকীয়নি

**নতুন দিল্লী, ১৯ ছেপ্টেম্বৰ ঃ** দিল্লী উচ্চ ন্যায়ালয়ে আজি পতঞ্জলি-ডাবৰ চ্যৱনপ্ৰাছ বিজ্ঞাপন গোচৰৰ শুনানি গ্ৰহণ কৰে। আজিৰ শুনানি কালত ন্যায়ালয়ে যোগগুৰু বাবা ৰামদেৱৰ পতঞ্জলি কোম্পানীক ন্যায়ালয়ত দাখিল কৰা আবেদন প্ৰত্যাহাৰ কৰাৰ নিৰ্দেশ দিয়ে। এনে নকৰিলে কোম্পানীটোৱে উচিত মূল্য ভৰিব লাগিব বুলি সকীয়াই দিয়ে ন্যায়ালয়ে। উল্লেখ্য যে ২০২৪ চনৰ ডিচেম্বৰত দেশৰ আটাইতকৈ পুৰণি উপভোক্তা সামগ্ৰী নিৰ্মাতা কোম্পানী ডাবৰ আৰু পতঞ্জলিৰ বিবাদ আৰম্ভ হৈছিল। ডাবৰে পতঞ্জলিৰ চ্যৱনপ্ৰাছৰ



বিজ্ঞাপন প্ৰচাৰ অভিযানৰ বিৰুদ্ধে দিল্লী উচ্চ ন্যায়ালয়ত এখন আবেদন দাখিল কৰিছিল। আবেদনখনত ডাবৰে অভিযোগ কৰিছিল যে নিজৰ চ্যৱনপ্ৰাছৰ বিজ্ঞাপন প্ৰচাৰ অভিযানত পতঞ্জলিয়ে কৰা দাবী বিভ্ৰান্তিকৰ, মানহানিকাৰক আৰু এনে প্ৰচাৰে ডাবৰৰ ভাবমূৰ্তি বিনষ্ট কৰিছে। বিজ্ঞানপনটোত পতঞ্জলিয়ে গ্ৰাহকক বৰ্তমান বজাৰত পোৱা ৪০ বনৌষধিৰে প্ৰস্তুত কৰা সাধাৰণ চনৱপ্ৰাছক লৈ কিয় সন্তুষ্ট হৈছে বুলি প্ৰশ্ন কৰি তেওঁলোকৰ চ্যৱনপ্ৰাছ গ্ৰহণ কৰিবলৈ আহ্বান জনাইছিল। পতঞ্জলিৰ এই বিজ্ঞাপনক লৈ ডাবৰে দাখিল কৰা আবেদনৰ শুনানি লৈ দিল্লী উচ্চ ন্যায়ালয়ৰ এজনীয়া বিচাৰপীঠে পতঞ্জলিৰ বিজ্ঞাপন প্ৰচাৰত নিষেধাজ্ঞা আৰোপ কৰিছিল। বিচাৰপীঠৰ এই নিষেধাজ্ঞাক প্ৰত্যাহ্বান জনাই পতঞ্জলিয়েও ন্যায়ালয়ত আবেদন দাখিল কৰিছিল।

## ‘বিদ্ৰোহৰ নামত হাতত অস্ত্ৰ তুলি লোৱাটো আছিল সৰ্ববৃহৎ ভুল’

### মাওবাদীৰ বোধোদয়! পত্ৰযোগে স্বীকাৰোক্তি

**ৰায়পুৰ, ১৯ ছেপ্টেম্বৰ ঃ** সাংগ্ৰামৰ নামত হাতত বন্দুক তুলি লোৱাটো আছিল ডাঙৰ ভুল। শীৰ্ষ মাওবাদী নেতাই দিছে এই স্বীকাৰোক্তি। কেন্দ্ৰীয় গৃহ মন্ত্ৰণালয়ৰ নিৰ্দেশমৰ্মে চলা অভিযানত দেশৰ বিভিন্ন অঞ্চল নক্সালমুক্ত হোৱাৰ সময়তে ছত্তীশগড়ৰ শীৰ্ষ পৰ্যায়ৰ মাওবাদী নেতা তথা ভাৰতীয় কমিউনিষ্ট পাৰ্টী (মাওবাদী)ৰ পলিট ব্যুৰ’ৰ সদস্য খন্নোজুনা বেণুগোপাল ওৰফে অভয় ওৰফে ভূপতিয়ে এখন ব্যক্তিগত পত্ৰ জাৰি কৰিছে। পত্ৰখনত বিদ্ৰোহী গোটৰ নেতাগৰাকীয়ে লিখিছে যে মাওবাদী আন্দোলনত অস্ত্ৰ হাতত তুলি লোৱাটো আছিল সৰ্ববৃহৎ ভুল। ইয়াৰ বাবে পত্ৰখনৰ জৰিয়তে মাওবাদী নেতাগৰাকীয়ে ৰাজহুৱাকৈ ক্ষমা বিচাৰিছে। চাৰি দশক ধৰি দেশত অব্যাহত থকা মাওবাদীৰ বিদ্ৰোহত কোনো শীৰ্ষ নেতাই কৃতকৰ্মৰ বাবে ৰাজহুৱাকৈ ক্ষমা বিচৰাৰ ঘটনা এয়াই প্ৰথম।

### ■ ৰাষ্ট্ৰসংঘৰ মজিয়াত চীন-পাকিস্তানৰ মুখথেকেচা ■

## বেলুছ লিবাৰেচন আৰ্মীক নিষিদ্ধকৰণৰ প্ৰস্তাৱত ভেটো দিলে আমেৰিকাই



**নিউয়ৰ্ক, ১৯ ছেপ্টেম্বৰ ঃ** পাকিস্তানৰ শ্বাহবাজ শ্বৰীফ চৰকাৰৰ নিদ্ৰা হৰণ কৰা বেলুচিস্তানৰ বিদ্ৰোহী গোট বেলুছ লিবাৰেচন আৰ্মী (বি এল এ)ক নিষিদ্ধকৰণৰ দাবীৰে ৰাষ্ট্ৰসংঘত প্ৰস্তাৱ দাখিল কৰি মুখথেকেচা খালে পাকিস্তান আৰু চীনে। ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদত বি এল এ আৰু সংগঠনটোৰ আত্মঘাতী গোট মজিদ ব্ৰিগেডক নিষিদ্ধ কৰিবলৈ পাকিস্তান আৰু চীনে এটা প্ৰস্তাৱ দাখিল কৰিছিল। কিন্তু সুৰক্ষা পৰিষদৰ বৈঠকত আমেৰিকাই ভেটো দিয়াত প্ৰস্তাৱ গৃহীত নহ’ল। বৈঠকত পাকিস্তানে দাবী কৰিছিল যে বি এল এ, মজিদ ব্ৰিগেড, আল-কায়দা,টেহৰীক এ তালিবান পাকিস্তান আদি সন্ত্ৰাসবাদী সংগঠনে আফগানিস্তানত ঘাটী পাতি সীমান্তত আক্ৰমণ চলাই আছে। লগতে এই সংগঠনসমূহ পাকিস্তানৰ সুৰক্ষাৰ ক্ষেত্ৰতো সৰ্ববৃহৎ প্ৰত্যাহ্বান হৈ থিয় দিছে। গতিকে সংগঠনকেইটাক ৰাষ্ট্ৰসংঘৰ সুৰক্ষা পৰিষদে নিষিদ্ধ ঘোষণা কৰিব লাগে। কিন্তু বৈঠকত আমেৰিকাৰ লগতে ব্ৰিটেইনেও প্ৰস্তাৱৰ বিৰোধিতা কৰে। বৈঠকত আমেৰিকাই স্পষ্ট কৰি দিয়ে যে বি এল এৰ বিৰুদ্ধে চীন-পাকিস্তানে দাবী কৰা ধৰণে পৰ্যাপ্ত প্ৰমাণ নাই। শেহতীয়াকৈ ৰাষ্ট্ৰপতি ড’নাল্ড ট্ৰাম্পৰ প্ৰিয়ভাজন হ’ব বিচৰা পাক চৰকাৰৰ প্ৰস্তাৱৰ ৰাষ্ট্ৰসংঘৰ সুৰক্ষা পৰিষদত আমেৰিকাই বিৰোধিতা কৰা বিষয়টো বিশ্ব কূটনীতিত গুৰুত্বপূৰ্ণৰূপে বিবেচিত হৈছে।

## আফগানিস্তানৰ বিশ্ববিদ্যালয়ত নিষিদ্ধ হ’ল মহিলা লেখকৰ কিতাপ

**কাবুল, ১৯ ছেপ্টেম্বৰ ঃ** আফগানিস্তানৰ তালিবান চৰকাৰে এটা নতুন নিষেধাজ্ঞা আৰোপ কৰিছে। আফগানিস্তানৰ সকলো বিশ্ববিদ্যালয়ত মহিলাই লিখা কিতাপ নিষিদ্ধ কৰিছে তালিবান চৰকাৰে। লগতে ৰাষ্ট্ৰখনৰ শিক্ষানুষ্ঠানবোৰত মানৱ অধিকাৰ আৰু যৌন নিৰ্যাতন সম্পৰ্কীয় অধ্যয়নো নিষিদ্ধ কৰা হৈছে। তালিবান চৰকাৰে আফগানিস্তানত মুঠ ৬৮০খন কিতাপ শ্বৰীয়ৎ আইন আৰু তালিবানৰ নীতিবিৰোধী হোৱা বাবে চিন্তনীয় আখ্যা দি নিষিদ্ধ ঘোষণা কৰিছে। ইয়াৰে কমেও ১৪০খন কিতাপ মহিলা লেখকে ৰচনা কৰা। তদুপৰি আফগানিস্তানৰ বিশ্ববিদ্যালয়বোৰত ১৮টা বিষয়ৰ পাঠদানত অনুমতি দিয়া নাই তালিবান চৰকাৰে।

### ২০১৫ চনৰ প্ৰলয়ংকৰী ভূমিকম্পতকৈও বিধ্বংসী হ’ল জেন-জি আন্দোলন

## নেপালত বিনষ্ট ২,১০০ কোটি টকাৰ ব্যক্তিগত সম্পত্তি



**কাঠমাণ্ডু, ১৯ ছেপ্টেম্বৰ ঃ** নেপালত অলপতে হোৱা জেন-জি আন্দোলনত দেশখনৰ বহু ব্যক্তিগত সম্পত্তি ধ্বংস হ’ল। ইয়াৰ বাবেই নেপালৰ ইতিহাসৰ আটাইতকৈ বৃহৎ বীমা দাবী (ক্লেইম) পঞ্জীয়ন হৈছে। জেন-জি আন্দোলনত নেপালত ধ্বংস হোৱা ব্যক্তিগত সম্পত্তিৰ মুঠ বীমা দাবীৰ পৰিমাণ হৈছে ২১ বিলিয়ন অৰ্থাৎ ২,১০০ কোটি নেপালী টকা। নেপালৰ বীমা নিয়ন্ত্ৰক সংস্থা নেপাল বীমা প্ৰাধিকৰণে শেহতীয়াকৈ প্ৰকাশ কৰা তথ্য অনুসৰি দেশখনৰ সম্পত্তি বীমা কোম্পানীবোৰে ১৬ ছেপ্টেম্বৰলৈকে বীমাকৰ্তাসকলৰপৰা ১,৯৮৪টা দাবী লাভ কৰিছে। নেপাল বীমা প্ৰাধিকৰণে প্ৰকাশ কৰিছে যে জেন-জি আন্দোলনত ২০১৫ চনত নেপালত হোৱা প্ৰলয়ংকৰী ভূমিকম্পতকৈও অধিক সম্পত্তিৰ লোকচান হ’ল।

## দিশা পাটানীৰ ঘৰলৈ গুলীচালনা অন্য দুজন অভিযুক্তক গ্ৰেপ্তাৰ

**বৰেলী, ১৯ ছেপ্টেম্বৰ ঃ** উত্তৰ প্ৰদেশৰ বৰেলীস্থিত বলীউড অভিনেত্ৰী দিশা পাটানীৰ বাসগৃহত গুলীচালনাৰ ঘটনাৰে জড়িত আৰু দুজনক আজি দিল্লী আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে। আৰক্ষীয়ে প্ৰকাশ কৰা মতে, গ্ৰেপ্তাৰ হোৱা লোক দুজনৰ নাম নকুল সিং আৰু বিজয় তোমৰ। দুয়োৰে ঘৰ হাৰিয়ানাৰ বামাপটত। যোৱা ১১ ছেপ্টেম্বৰত অভিনেত্ৰী দিশা পাটানীৰ বাসগৃহত গুলীচালনাৰ ঘটনাক কেন্দ্ৰ কৰি চাঞ্চল্যৰ সৃষ্টি হৈছিল। ঘটনা সংঘটিত কৰি দুজন দুৰ্বৃত্তই মটৰ চাইকেলেৰে আঁতৰি যোৱাৰ দৃশ্য চি চি টিভিত বন্দী হৈছিল। সেই দৃশ্যক আধাৰ কৰিয়েই অৱশেষত দুৰ্বৃত্তদ্বয়ক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে। ইয়াৰ পূৰ্বে উত্তৰ প্ৰদেশ আৰক্ষীৰ বিশেষ টাস্ক ফ’ৰ্চ আৰু দিল্লী আৰক্ষীয়ে যোৱা ১৭ ছেপ্টেম্বৰত গাজিয়াবাদত চলোৱা এক অভিযানত তাৰুণ আৰু ৰবীন্দ্ৰ নামৰ অন্য দুজন দুৰ্বৃত্ত নিহত হৈছিল।

### ২৬ লাখ কোটি টকাৰ সম্পত্তি ■ ব্যক্তিগত বিমান, ৭০০খনতকৈও অধিক বিলাসী গাড়ীৰ গৰাকী



## বিশ্বৰ সবাতোকৈ ধনাঢ্য পৰিয়াল

**আবু ধাবি, ১৯ ছেপ্টেম্বৰ ঃ** বজাৰ বিশ্লেষক সংস্থা ব্লুমবাৰ্গৰ প্ৰতিবেদন অনুসৰি আবু ধাবিৰ এটা পৰিয়ালেই হৈছে বিশ্বৰ সবাতোকৈ ধনাঢ্য পৰিয়াল। এই পৰিয়ালটোৰ সম্পত্তিৰ মূল্য হৈছে ৩০৫ বিলিয়ন ডলাৰ, অৰ্থাৎ ভাৰতীয় হিচাপত ২৬ লাখ কোটি টকা। ব্লুমবাৰ্গে বিশ্বৰ সবাতোকৈ ধনাঢ্য হিচাপে চিনাক্ত কৰা আবু ধাবিৰ আল নাহ্যান পৰিয়ালৰ সদস্য সংখ্যা ৫৬। পৰিয়ালটোত আছে ১৮জন ভাতৃ আৰু ১১গৰাকী ভগ্নী। তেওঁলোকৰ সন্তানৰ সংখ্যা ৯ আৰু আছে ১৮গৰাকী নাতি-নাতিনী। প্ৰায় ৪০০০ কোটি টকা মূল্যৰ এটা প্ৰাসাদত তেওঁলোকে বাস কৰে। তেওঁলোকৰ পাৰ্কিং লটত আছে ৭০০খনতকৈও অধিক বিলাসী গাড়ী। তদুপৰি পৰিয়ালটোৰ আছে চাৰিখন ব্যক্তিগত বিমান আৰু ৫০০০ কোটি টকা মূল্যৰ এখন প্ৰমোদ তৰী বা জাহাজ। পৰিয়ালটোৰ সমগ্ৰ বিশ্বতে বিয়পি আছে সম্পত্তি। ১২খনৰো অধিক ফুটবল খেলপথাৰৰ গৰাকী তেওঁলোক। ব্লুমবাৰ্গৰ সমীক্ষা অনুসৰি আবু ধাবিত আল নাহ্যান পৰিয়ালৰ সম্পত্তিৰ এটা অংশই পাকিস্তানৰ দৰে দেশৰ দাৰিদ্ৰ্য নিমিষতে দূৰ কৰিব পাৰে। সংযুক্ত আৰব আমিৰশ্বাহীৰ ৰজা ছলমান বিন আব্দুল আজিজ আল ছৌদেই হৈছে আবু ধাবিৰ বিখ্যাত আল নাহ্যান পৰিয়ালৰ মুৰব্বী। তেওঁৰ সন্তান শ্বেইখ মহম্মদ বিন জায়েদ আল নাহ্যান হৈছে সংযুক্ত আৰব আমিৰশ্বাহীৰ ৰাষ্ট্ৰপতি তথা ৰাষ্ট্ৰখনৰ মুৰব্বী।

## এ বি ভি পিৰ দখলত দিল্লী বিশ্ববিদ্যালয়ৰ ছাত্ৰ একতা সভা

**নতুন দিল্লী, ১৯ ছেপ্টেম্বৰ ঃ** দিল্লী বিশ্ববিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত ক্ৰমাগতভাৱে তৃতীয়বাৰ বৃহৎ বিজয় সাব্যস্ত কৰিছে অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদে। আজি ঘোষিত নিৰ্বাচনৰ ফল অনুসৰি ছাত্ৰ একতা সভাৰ প্ৰধান সাতটা পদৰ তিনিটাতে এ বি ভি পিৰ প্ৰাৰ্থী জয়ী হৈছে। বিপৰীতে এটা পদত জয়ী হৈছে কংগ্ৰেছৰ ছাত্ৰ সংগঠন এন এছ ইউ আইৰ প্ৰাৰ্থী। অধ্যক্ষ পদত জয়ী হৈছে এ বি ভি পিৰ প্ৰাৰ্থী আৰ্য়ান মান। সাধাৰণ সম্পাদক আৰু যুটীয়া সাধাৰণ সম্পাদক পদত জয়ী হোৱা এ বি ভি পিৰ প্ৰাৰ্থী দুগৰাকী ক্ৰমে কুনাল চৌধুৰী আৰু দীপিকা ঝা। লক্ষণীয়ভাৱে এইবাৰ দিল্লী বিশ্ববিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচন একপ্ৰকাৰ বিধ্বস্ত হৈ পৰিছে ষ্টুডেণ্ট ফেডাৰেচন অৱ্ ইণ্ডিয়া (এছ এফ আই) আৰু অল ইণ্ডিয়া ষ্টুডেণ্টছ এছ’চিয়েচন (এ আই এছ এ) নামৰ সংগঠন দুটা।

### ইণ্ডিয়ান অ’ভাৰছীজ কংগ্ৰেছৰ মুৰব্বী ছেম পিত্ৰোদাৰ মন্তব্যক লৈ বিতৰ্ক

## পাকিস্তান মোৰ নিজৰ ঘৰৰ দৰে



**নতুন দিল্লী, ১৯ ছেপ্টেম্বৰ ঃ** কংগ্ৰেছৰ আন্তঃৰাষ্ট্ৰীয় সংগঠন ‘ইণ্ডিয়ান অ’ভাৰছীজ কংগ্ৰেছ’ৰ অধ্যক্ষ ছেম পিত্ৰোদাই শেহতীয়াকৈ কৰা কেতবোৰ মন্তব্যক লৈ বিতৰ্কৰ সৃষ্টি হৈছে। সংবাদ সংস্থা আই এ এন এছৰ সৈতে হোৱা এটা সাক্ষাৎকাৰত ছেম পিত্ৰোদাই আজি কয় যে তেওঁ পাকিস্তানলৈ গৈছিল। তাত তেওঁ নিজৰ ঘৰত থকাৰ দৰে অনুভৱ কৰিলে। সাক্ষাৎকাৰটোত পিত্ৰোদাই বাংলাদেশ আৰু নেপালৰো প্ৰশংসা কৰে। তেওঁ কয়, ‘মই বাংলাদেশলৈ গ’লোঁ, নেপাললৈও গ’লোঁ। তাতো মই ঘৰত থকাৰ দৰেই অনুভৱ কৰিলোঁ। বিদেশৰ ভূমিত আছোঁ বুলি মোৰ এবাৰো অনুভৱ নহ’ল।’ এই মন্তব্য কৰি ছেম পিত্ৰোদাই চুবুৰীয়া ৰাষ্ট্ৰবোৰৰ সৈতে আলোচনাত গুৰুত্ব দিবলৈ কেন্দ্ৰীয় চৰকাৰক আহ্বান জনায়। তেওঁ কয় যে ভাৰতৰ বৈদেশিক নীতি পাকিস্তানকে ধৰি চুবুৰীয়া ৰাষ্ট্ৰবোৰৰ সৈতে সম্পৰ্ক মজবুত কৰাৰ জৰিয়তে আৰম্ভ হোৱা উচিত। ছেম পিত্ৰোদাৰ এই মন্তব্যক বিজেপিয়ে তীক্ষ্ণ সমালোচনা কৰিছে। বিজেপিয়ে কয় যে ৰাহুল গান্ধীৰ ঘনিষ্ঠ আৰু কংগ্ৰেছৰ বৈদেশিক মুৰব্বী ছেম পিত্ৰোদাই এনে মন্তব্য কৰি দেশৰ হিতক দুৰ্বল কৰিব খুজিছে। সেয়ে ২০০৮ চনৰ মুম্বাই সন্ত্ৰাসবাদী আক্ৰমণৰ ঘটনাৰ পাছত কংগ্ৰেছে পাকিস্তানৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা নল’লে।




*দিল্লীৰ জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ত ‘কা’, ‘এন আৰ চি’ আৰু ‘ৰাষ্ট্ৰীয় জনসংখ্যাপঞ্জী’ক লৈ প্ৰতিবাদ।*

## বৃটেইনৰ সম্ৰাটৰপৰা পোৱা ‘উপহাৰ’ক স্থায়িত্ব দিলে প্ৰধানমন্ত্ৰীয়ে

### নিজ নিৱাসৰ চৌহদত ৰুলে কদম গছৰ পুলি



**নতুন দিল্লী, ১৯ ছেপ্টেম্বৰ ঃ** ব্ৰিটেইনৰ সম্ৰাট কিং চাৰ্লছ তৃতীয়ৰ পৰা অলপতে উপহাৰস্বৰূপে পোৱা কদম গছৰ পুলি আজি নতুন দিল্লীৰ ৭ লোককল্যাণ ফাৰ্মস্থিত নিজৰ চৰকাৰী আৱাস চৌহদত ৰোপণ কৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে ৭৫ সংখ্যক ওপজা দিনত কদমৰ পুলিটো ব্ৰিটেইনৰ সম্ৰাটে উপহাৰস্বৰূপে প্ৰেৰণ কৰিছিল। প্ৰধানমন্ত্ৰী মোডীৰ ‘এজোপা বৃক্ষ, মাতৃৰ নামত’ৰ শীৰ্ষক অভিযানৰ দ্বাৰা প্ৰেৰিত হৈ উপহাৰস্বৰূপে গছপুলিটো প্ৰেৰণ কৰিছিল। চলিত বৰ্ষৰ জুলাইত ব্ৰিটেইন ভ্ৰমণলৈ যোৱা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে কিং চাৰ্লছ তৃতীয়ক উপহাৰস্বৰূপে এটা গছপুলি আগবঢ়াইছিল। এইবাৰ সম্ৰাটেও জন্মদিনৰ উপহাৰস্বৰূপে কদমৰ পুলি আগবঢ়োৱাৰ পাছত ভাৰতত থকা ব্ৰিটেইনৰ ৰাজদূতে ‘এক্স’ত এটা পোষ্টযোগে প্ৰধানমন্ত্ৰী মোডীয়ে জুলাইত দিয়া উপহাৰৰ কথা স্মৰণ কৰে।



# প্ৰাণৰ জুবিন



## গানে-জুবিনে জোৱাৰ আনে

**দিগন্ত ভাৰতী**

অ' জাতি গুণগুণাই কি ক'বা গানত
ৰজনজনাই দিবলে' গোৱা সমৱেত সুৰত
তেহে ব'ব উছৰৰ ধল লুইতৰে পাৰত
গানে-জুবিনে জোৱাৰ আনে

যি কওঁ কৈ যাওঁ চিধা কথা
শুনোতাই মোক ভালেই পায়
সমালোচনাৰো অনল জ্বলে
মোকে জ্বলাই জিলিকায়
যি কোৱা কৈ যোৱা চিধা কথা
শুনোতাই চোন ভালেই পায়
সমালোচনাৰো অনল জ্বলে
তোমাক জ্বলাই জিলিকায়

তৰুণ হেঁপাহে দোলায়
চিৰ নতুন আঁচনি তোমাৰে পৰিচয়
গানে-জুবিনে জোৱাৰ আনে
গানে-জুবিনে লহৰ তোলে
দুই ৰঙৰ দুখনি ভৰিৰ জোতা
বৰ্ণবাদক গচকিলা
গামোচা-গামোচা মূৰত মেৰাই
অসমখনক মূৰত ল'লা
দুই ৰঙী দুখনি ভৰিৰ জোতা
বৰ্ণবাদক গচকি থওঁ
গামোচা-গামোচা মূৰত মেৰাই
অসমখনক মূৰতে লওঁ
মাটিৰ মৰমে কন্দুৱায়
জাতি-মাটিৰ কথা লৈ
কোনো আপোচ নাই
গানে-জুবিনে লহৰ তোলে
গানে-জুবিনে জোৱাৰ আনে
গানে-জুবিনে জীৱন আনে।





## নৱপ্ৰজন্মক গান ভাল পাবলৈ বাধ্য কৰিছিল

**মনীষা হাজৰিকা**

**সা**ংঘাতিক প্ৰতিভাধৰ শিল্পী জুবিন গাৰ্গ। অসমৰ নৱপ্ৰজন্মক অসমীয়া গীত গাবলৈ শিকোৱা মানুহজনেই জুবিন গাৰ্গ। নৱপ্ৰজন্মক গান শুনিবলৈ আৰু ভাল পাবলৈ বাধ্য কৰিছিল জুবিনে। ইয়াতকৈ ডাঙৰ অৱদান আৰু কি থাকিব পাৰে। এটা জাতিৰ নতুন প্ৰজন্মক গান ভাল পাবলৈ শিকোৱা এই ল'ৰাজনে নিজেও নাজানিছিল নিজৰ প্ৰতিভাৰ উচ্চতা। সেয়ে গুৰুত্ব নিদিলে নিজকে ভালকৈ ৰাখিবলৈ। যেতিয়াই লগ পাইছিলো জুবিন গাৰ্গক স্বাস্থ্যৰ যত্ন ল'বলৈ কৈছিলো। সৰুৰে পৰা জুবিনক মই পাইছো। জয়ন্ত হাজৰিকাৰ গীত খুব ভাল পাইছিল জুবিনে। গাইছিলো। অলপতে মুম্বাইলৈ যাওতে পুত্ৰ ৰাজাক কৈছিল নতুনকৈ জয়ন্ত হাজৰিকাৰ গীত গোৱাৰ কথা। পিছে হৈ নুঠিলগৈ। মই ব্যক্তিগতভাৱে জয়ন্ত হাজৰিকাৰ জন্মদিনৰ অনুষ্ঠান পালনৰ প্ৰস্তুতিত ব্যস্ত থকাৰ সময়তে এটা ব্যক্তিগত ছেটেলাইট চেনেলত দুঃখবৰটো পাই ভাগি পৰিছো। লগে লগে সকলো কাৰ্যসূচী বাতিল কৰিলো। অসমৰ ৰাইজক অসমীয়া গান ভাল পাবলৈ শিকোৱা জুবিন গাৰ্গ নোহোৱা হোৱাটো অসমবাসীৰ দুৰ্ভাগ্য। কিয় যে এনেকুৱা শিল্পী নোহোৱা হৈ যায়।



জুবিন গাৰ্গৰ ভগ্নী কণ্ঠশিল্পী জংকী বৰঠাকুৰৰ ২০০২ চনত এটা পথ দুৰ্ঘটনাত মৃত্যু হৈছিল। ভগ্নীৰ স্মৃতিত জুবিনে 'শিশু' নামৰ এলবামটো উছৰ্গা কৰিছিল। এলবামটোৰ 'মুগ্ধ হিয়া মোৰ কোনে চুই যায়' গানটোত জংকীৰ কণ্ঠস্বৰ ব্যৱহাৰ কৰা হৈছিল।

১৯৯২ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ যুৱ মহোৎসৱত জুবিন গাৰ্গে লাভ কৰিছিল স্বৰ্ণ পদক। ৱেষ্টাৰ্ন চং চল' পাৰফৰ্মেন্স শিতানত তেওঁ এই সফলতা লাভ কৰিছিল।

আকাশবাণী ডিব্ৰুগড়ৰ বাবে জুবিনে এটা হীৰুদাৰ গান বাণীবদ্ধ কৰিছিল। সেই গানটো আছিল 'কিনো মায়াৰে বান্ধিলা।'

## জাতিৰ ঠিকনা



'মাৰ্কেটৰ ৰজা হোৱাতকৈ হৃদয়ৰ ৰজা হ'ব পৰাটোহে শিল্পীৰ বাবে আনন্দদায়ক আৰু সন্তুষ্টিৰ কাৰক।

**স্ব**ৰ্গৰ ৰখীয়া হোৱাতকৈ নৰকৰ ৰজা হোৱাই শ্ৰেয়— এইশাৰী কথাতে লুকাই আছে মানুহৰ স্বাধীনতাৰ আকাংক্ষা। আজিৰ তাৰিখত অসমৰ অপ্ৰতিদ্বন্দ্বী, জনপ্ৰিয়তম ব্যক্তিগৰাকীৰ নামেই জুবিন গাৰ্গ। এনে জনপ্ৰিয়তাক চম্ভালা কোনো মানুহৰ বাবেই

**প্ৰণৱ কুমাৰ বৰ্মন**

সম্ভৱ নহয়। জুবিন গাৰ্গে ইচ্ছা কৰা হ'লে সৰ্বভাৰতীয় পৰ্যায়তো এনে গুৰুত্ব আৰু জনপ্ৰিয়তাৰ উচ্চ শিখৰত থাকিব পাৰিলেহেঁতেন। কিন্তু তেওঁৰ স্বাধীনতাকামী মানসিকতাৰ বাবে স্বৰ্গৰ ৰখীয়া হৈ থাকিবলৈ নুখুজিলে। কাৰণ ১৪ পৃষ্ঠাত চাওক



ইউকেলিপ্টাছ গছৰ দৰে ওখ হ'ব খোজো মই
চিৰদিন চিৰন্তন
আকাশ চুব খোজো মই
কিন্তু কিছুমান ভয়ানক শব্দই
মোৰ অস্তিত্বক বিলীন কৰি
মোক শেষ কৰি জন্ম দিব খোজে কিছুমানক
যাৰ কোনো জন্ম লোৱাৰ অধিকাৰ নাই
তথাপি
যুঁজাৰু মই জন্মগত
আমৰণ মোৰ সংকল্প
অস্তিত্ব অপৰাজিত...

জুবিনৰ 'শব্দ' এলবামৰ গীত

## সংস্কৃত-কণ্ঠ জুবিন

**ৰঞ্জন বেজবৰুৱা**

(১)

**আ**মি ভূপেন হাজৰিকাৰ 'পিতৃত্ব' আৰু জুবিন গাৰ্গৰ 'বন্ধুত্ব'ৰ সুগন্ধি লৈ ডাঙৰ হোৱা যুগসন্ধিৰ প্ৰজন্ম। ভূপেনদাৰ শ্ৰেষ্ঠ গীতৰ ভাণ্ডাৰটো স্তিমিত হৈ অহাৰ পাছত প্ৰায় তিনি দশক ধৰি কেইবাহেজাৰ বিচিত্ৰ ভাব আৰু ৰসৰ গীত গাই, প্ৰায় অকলেই অসমীয়া নতুন সংগীতক সবল নেতৃত্ব দিয়া, এক জটিল সময়ৰ অক্লান্ত সুৰ-সৈনিক, অসমীয়া ভাষা আৰু অসমীয়া মাতষাৰক সঠিক ন্যায্যতা দিয়া, শুদ্ধ উচ্চাৰণ আৰু প্ৰকাশেৰে তাক গভীৰ মৰ্যাদা প্ৰদান কৰা 'গানৰ ৰজা' জুবিন গাৰ্গলৈ শ্ৰদ্ধা জনাইছোঁ।

জুবিন আছিল সুৰ-কণ্ঠ-গায়কীৰ ৰজা। অসমীয়া আধুনিক সংগীতৰ ইতিহাসলৈ এই তেওঁৰ মহৎ অৱদান। ১৪ পৃষ্ঠাত চাওক

**ক**লম তুলি লৈছোঁ হয়, পিছে লিখিমেই বা কি? লিখিবলৈ আজি মোৰ সাহেই বা ক'ত? মনে কৈছে কান্দ, চিঞৰি চিঞৰি কান্দ! চকুপানীৰে তিয়াই লৈ যা শুকাই যোৱা সোঁৱৰণী বালিখিনি। কিন্তু কান্দিবলৈ মোৰ শকতিয়েই বা আজি ক'ত?

**সায়ন্তন শইকীয়া**

## ইউকেলিপ্টাছৰ অভিমান

নিজৰেই দুচকু তুলি নিজকেই চোৱাৰ মোৰ আজি ধৈৰ্য নাই, ৰ'দক কোনপিনে গ'লে বিচাৰি পাম সেয়া জানিবলৈও মোৰ মন নাই, বৰষুণৰ টোপালৰ শব্দ মই শুনা নাই, তাতে শুনিছোঁ কেৱল আইতাৰ থোকা-থুকি মাত। চৌদিশে আজি ইমানেই মৌনতা! নাহৰ পাতৰ কঁপনিও মই শুনিব পৰা নাই। মোৰ অন্তৰৰ মাজেদি বৈ যোৱা তেনেই চিনাকি সৰৱ সুৰৰ নৈখনৰ মাতো মই আজি চিনি পোৱা নাই। কি? কেনে আছোঁ সুধিছা তুমি বন্ধু? কি দৰে গাম বাৰু বন্ধু! কি দৰে গাম আৰু 'সাগৰৰ দৰে গভীৰ তুমি অনা মৰমকে লৈ আছোঁহি জীয়াই' বুলি। 'সাগৰ' আৰু 'জীয়াই' ঃ একেবাৰে খাপ নাখায় চোন। সাগৰৰ প্ৰতি যি আকৰ্ষণ দেৱকান্ত বৰুৱা আৰু ভূপেন হাজৰিকাই দি গৈছিল, সেই সকলো মোৰ পৰা কাঢ়ি লৈ গ'ল ১৪ পৃষ্ঠাত চাওক

**স**ময়খিনি হিন্দী গানৰ আছিল। ভূপেন দাৰ স্বদেশৰ পাছত হয়তো আৰু কেছেট ওলোৱা নাছিল। ৮৮-৯২লৈ এক বৃহৎ শূন্যতা। নতুন অসমীয়া গান খুব কম সংখ্যকেহে গাইছিল। ধাৰ কৰিব লগা হৈছিল হিন্দী গায়ক অসমীয়া গান গাবলৈ। ইয়াৰ বাবে জিতুল সোণোৱালে চেষ্টা কৰিছিল নতুন দুই এক গান দিবলৈ। তথাপি

## 'ৰং' হীন সময়

**জয়জিৎ ডেকা**



শ্ৰোতাৰ মনৰ তৃষ্ণা দূৰ কৰিবলৈ ই পৰ্যাপ্ত নাছিল। কিন্তু হঠাৎ চুলি দীঘল খীনকায় যুৱক এজনৰ আৱিৰ্ভাব হ'ল। বি বৰুৱাত পঢ়ে। অলপ বিশৃংখল। কিন্তু প্ৰতিভাধৰ। গালে অনামিকা। অসমৰ আকাশে-বতাহে মুখৰিত হ'ল—গানে কি আনে সুৰৰ সপানে সপানে। গালে এন্ধাৰ হ'ব নোৱাৰোঁ... গালে এক নতুন সোৱাদৰ সুৰ -মায়া। পশ্চিমীয়া সুৰ ধাৰ কৰা বুলি বিতৰ্ক হ'ল, সকীয়নী আহিল প্ৰত্যাহ্বান গ্ৰহণ কৰি মুক্তি দিলে- সোণেৰে সজোৱা পঁজা জহি-খহি যায়। মানুহৰ পিয়াহ আঁতৰিল। তাৰ পাছত গান আৰু গান। কেৱল গান। মৰি যাবলৈ ধৰা কেছেট উদ্যোগটোক জীৱন দিলে। গান বজাৰ চলিল। তেওঁক চাবলৈ মানুহৰ উৎসুকতা বাঢ়িল। তেওঁ আন কোনো নহয় জুবিন গাৰ্গ। ৯৬ মানৰ পৰা বিহুগীতৰ কেছেটে বজাৰ ল'ব আৰম্ভ কৰিলে। মৰমজান, জানমনি, অঞ্জনা ক'ত কি? এনেকুৱা এখন কেছেট নাই য'ত তেওঁৰ ফটো নাই, গান নাই। অসমীয়া গানৰ পথাৰখনত বহুতো খেতিয়কে খুটি খাব পৰা হ'ল। এক অঘোষিত আন্দোলন। গুৰি ধৰোঁতা কিন্তু জুবিন গাৰ্গেই। চলি থাকিল পাখি, যন্ত্ৰ, মুখা, ৰকলৈকে। হাজাৰ হাজাৰ গান আৰু গান।

খহি যাব ধৰা অসমীয়া ১৪ পৃষ্ঠাত চাওক



'হিয়া দিয়া নিয়া'ৰ পূৰ্বে জুবিনে ৰাইছকুৰ্ণী বৰাৰ এখন ছবিৰ এটা গানত কণ্ঠদান কৰিছিল যদিও সেই ছবিখন মুক্তি নাপালে। ছবিখনৰ নাম আছিল 'মৰমে মৰম জানে'।

জুবিন গাৰ্গে কণ্ঠদান কৰা একমাত্ৰ নাগাৰা নামৰ এলবামটোৰ নাম 'কৃষ্ণযজ্ঞ'।

## বুকুভগা শূন্যতা...



**কমল বৰুৱা**

কি এক 'শব্দ'হীন হাহাকাৰ! 'মুক্তি' জিনা মৃত্যুৰ!

**জু**বিন গাৰ্গ আমাৰ শৈশৱ, যৌৱন সামৰি বৈ যোৱা এক নিৰৱধি সাংগীতিক নদী। সেই এক সুৱদী নদীৰ মৃত্যু হোৱা বুলি ক'বলৈ আজি 'শব্দ'ৰ অভাৱ। বৈ থকা হে প্ৰিয় নদী, গানৰ অনন্ত নদী। বুকুৱে বুকুৱে বাজক তোমাৰ গীতৰ সোঁতাল সুৰ, যিদৰে বাজি আছিল বছৰজুৰি, প্ৰজন্মৰ পাছত প্ৰজন্ম সামৰি। মৃত্যু কেতিয়াবা সুলভ হ'লেও, মৃত্যু গ্ৰহণযোগ্য সত্য হ'লেও আমাৰ জীৱনৰ আটাইতকৈ জনপ্ৰিয় আৰু শক্তিশালী কণ্ঠশিল্পী জুবিন গাৰ্গৰ এনে অকাল মৃত্যু কল্পনাতীত। যেন শিল্পৰূপী মৃত্যুও আজি মূক! জ্যোতিপ্ৰসাদ, বিষ্ণু ৰাভা, ১৪ পৃষ্ঠাত চাওক

## ধুমুহাৰ স'তে মোৰ বহু যুগৰে নাচোন

**সোণমণি দাস**

**যা**ৰ কণ্ঠ শুনি আমাৰ জীৱন-যৌৱনৰ প্ৰতিটো পল-অনুপল কটাইছিলোঁ, সেই কণ্ঠ আজি ৰুদ্ধ হ'ল। আমাৰ প্ৰজন্মক সপোনৰ পাখি মেলি উৰিবলৈ শিকোৱা কণ্ঠটো আজি ক'ৰবাত হেৰাই গ'ল। স্বপ্ন য'ত নাই জীৱনো নাই বুলি দিগন্তলৈ চাবলৈ শিকোৱা কণ্ঠটো আজি নাই। বিশ্ব শিল্পী ভূপেনদা যোৱাৰ পাছত ক'ৰবাত আমাৰ মনবোৰ, আমাৰ স্বাভিমানবোৰ জুবিন গাৰ্গক লৈ ইউকেলিপ্টাছ গছৰ দৰে থিয় হৈ আছিল। ভাবিব পৰা নাই মানুহজন কেনেকৈ হঠাৎ নোহোৱা হৈ গ'ল। এই মুহূৰ্তত এনে লাগিছে যেন চাৰিওফালে তেওঁৰ গীতৰ কথাবোৰে কাণখনত খুন্দা মাৰি ধৰিছে। তেওঁ কোৱাৰ দৰে প্ৰতিটো প্ৰহৰ, প্ৰতিটো সময়তে আমাৰ প্ৰজন্মটোৱে জীৱনৰ সুখ, দুখ, খং আৰু অভিমানক সহজতে আঁকোৱালি ১৪ পৃষ্ঠাত চাওক

## নিয়তিৰ পাখি পিন্ধি মায়া এৰি গুচি গ'ল...

তিনিটা দশক অসমৰ সংগীত আকাশৰ এটি উজ্জ্বল জ্যোতিষ্ক হৈ মন্ত্ৰমুগ্ধ কৰি ৰখা শিল্পীজনেই জুবিন গাৰ্গ। এটা নতুন যুগৰ সূচনা।



**যুগললোচন দাস**

**সৌ**সিদিনা সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী আৰম্ভ হৈছিলহে। সেইদিনা জুবিন গাৰ্গ অসমত নাছিল। মোম্বাইত আয়োজিত সুধাকণ্ঠৰ জন্ম শতবাৰ্ষিকীৰ অনুষ্ঠানত উপস্থিত থাকি জুবিনে পৰিৱেশন কৰিছিল ভূপেন হাজৰিকাৰ এটি কালজয়ী গীত' প্ৰতিধ্বনি শুনো মই প্ৰতিধ্বনি শুনো...।

কিন্তু আজি কিহৰ এই প্ৰতিধ্বনি শুনিলো। বিশ্বাস কৰিব নোৱাৰা, কৰ্ণ কুহৰত সোমাব নোখোজা এক অসহনীয় প্ৰতিধ্বনি আকাশ- বতাহত বিয়পি আহিল সুদূৰ ছিংগাপুৰৰ পৰা। জুবিন গাৰ্গ নাই। নাই বুলিলে এনেকৈ হঠাতে মানুহ এজন নোহোৱা হৈ যাব পাৰেনে...! কিন্তু মৃত্যু চিৰসত্য। সহ্য কৰিব নোৱাৰিলেও ই চিৰসত্য। নিয়তিৰ ওচৰত মানুহ অসহায়। জুবিনৰ এনে মৃত্যু কাৰো মনে সহি ল'ব পৰা নাই। সুৰ আৰু কণ্ঠৰ এখন মহাসাগৰৰ এনেদৰে সমাধি ঘটিব পাৰে বুলি বিশ্বাস কৰিবলৈ সঁচাকৈয়ে টান। তিনিটা দশক অসমৰ সংগীত আকাশৰ এটি উজ্জ্বল জ্যোতিষ্ক হৈ মন্ত্ৰমুগ্ধ কৰি ৰখা শিল্পীজনেই জুবিন গাৰ্গ। এটা নতুন যুগৰ সূচনা। এটা নতুন ধাৰাৰ আগমন আৰু অসমীয়া সংগীতক জনপ্ৰিয় কৰি তোলা জুবিন গাৰ্গ অদ্বিতীয়-অনন্য। কণ্ঠৰ মায়াজালেৰে শিশু, কিশোৰ, যুৱক-যুৱতী, আদহীয়া, পৌঢ়, বয়স্ক সকলোকে মুগ্ধ কৰা কণ্ঠটোৰ নামেই হ'ল জুবিন গাৰ্গ। ১৪ পৃষ্ঠাত চাওক



# প্ৰাণৰ জুবিন





## মোৰ শব্দ হেৰাই গৈছে...

**অংগৰাগ পাপন মহন্ত**

**ম**ই আশ্চৰ্যচকিত! ইমান সোনকালে এটা প্ৰজন্মৰ কণ্ঠ গুচি গ'ল। শব্দ হেৰাই গৈছে মোৰ... এজন বন্ধুক হেৰুৱাইছোঁ, এজন ভাতৃক হেৰুৱাইছোঁ। এটা বৃহৎ শূন্যতা! মাথোঁ প্ৰাৰ্থনা কৰিম তেওঁৰ আত্মাই শান্তি পাওক... চিৰশান্তি !

## 'ৰং' হীন সময়

**১৩ পৃষ্ঠাৰ পৰা** চলচ্চিত্ৰ উদ্যোগটোক তেওঁ গুৰি ধৰিলে। হ'ল আন্দোলন। কেৱল অসমীয়া বুলি নিজৰ সম্পদ বুলি কিছুমান স্বাভিমান আমি জীয়াই ৰাখিব লাগিব। জনপ্ৰিয়তাৰ লগত বিতৰ্ক থাকিবই। বিতৰ্কৰ উৰ্ধ্বত কোনো নহয়। পৃথিৱীৰ বিখ্যাত, জনপ্ৰিয় মানুহবোৰকে চাওকচোন।

জুবিন গাৰ্গহীন এটা সংস্কৃতিৰ বিপ্লৱ বৰ্তমান কিমান সম্ভৱ! ভাবিবলৈ কিমান কষ্টকৰ তেওঁ আৰু গান গাব নোৱাৰে। জুবিন গাৰ্গৰ কণ্ঠহীন অসম এখন কল্পনা কৰিব পাৰোনে! কাৰ বাবে এজন শিল্পীয়ে সমগ্ৰ উজাৰি নিজৰ জাতিটোক ভাল পাব পাৰে আৰু কিহৰ বাবে! তেওঁৰ পাবলগীয়া আৰু বহুত আছিল। তেওঁ মানুহৰ মাজত থকা মানুহ, ঢুকি পোৱা মানুহ, আপোনাৰ শুভ চিন্তাবোৰ জাতিটোক দিয়া ভাল হ'ব। জাতিটোৰ ভাল হ'ব। নহ'লে জাতিটো কাক লৈ বাচি থাকিব।

ভাল কাম, ভাল নাম। চকু মুদি শুনকচোন আপোনাৰ চৌপাশে এবাৰলৈ হলেও তেওঁৰ মাতটো বাজি উঠিব।

জুবিন গাৰ্গ সদায় আমাৰ হৈ আমাৰ মাজত থাকক...

## জাতিৰ ঠিকনা

**১৩ পৃষ্ঠাৰ পৰা** সৰ্বভাৰতীয় পৰ্যায়ত কোম্পানীৰ মোহৰ হোৱাৰ সলনি অসমৰ সাংস্কৃতিক জগতৰ জাতীয় নায়ক হোৱাৰ গৌৰৱ আৰু অহংকাৰ জুবিন গাৰ্গৰ বাবে অধিক গুৰুত্বপূৰ্ণ। 'মাৰ্কেট'ৰ ৰজা হোৱাতকৈ 'হাৰ্ট'ৰ ৰজা হ'ব পৰাটোহে শিল্পীৰ বাবে আনন্দদায়ক আৰু সন্তুষ্টিৰ কাৰক। জুবিন গাৰ্গৰ শিশুসুলভ অহংকাৰ, শিল্পীসুলভ খেয়াল সেইবাবে আমাৰ বাবে হৈ উঠে ভাললগা। যদি আজি এজন হেমাংগ বিশ্বাস থাকিলহেঁতেন অথবা ভাৰতীয় গণনাট্য সংঘ সক্ৰিয় হৈ থাকিলহেঁতেন, এজন অন্য জুবিন গাৰ্গক সমাজে পোৱাৰ সম্ভাৱনা আৰু উজ্জ্বল হৈ উঠিলহেঁতেন। জুবিন গাৰ্গে নিজে নজনাকৈ বা নুবুজাকৈ অসমৰ আৰু অসমীয়াৰ এটা নিৰ্ভৰযোগ্য ঠিকনা বা পৰিচয় হৈ পৰিছিল।

## শ্বেলীৰ দৰেই সাগৰৰ বুকুত বিলীন হ'ল জুবিন

**ইমৰান শ্বাহ**

**বি**শ্ববিশ্ৰুত কবি শ্বেলীৰ দৰে সাগৰৰ বুকুত বিলীন হৈ গ'ল আমাৰ শিল্পী জুবিন গাৰ্গ। এই সময়ৰ পৰম প্ৰতিভাধৰ সংগীত শিল্পী জুবিন গাৰ্গৰ আকস্মিক আৰু অকাল বিয়োগত আমি মৰ্মাহত। কবি শ্বেলীৰ মৃত্যুৰ দৰেই আমাৰ শিল্পী জুবিনৰো চিৰবিদায় সাগৰৰ বুকুতে। ৰাজ্যখনৰ প্ৰতিটো গুৰুত্বপূৰ্ণ ঘটনাপ্ৰৱাহৰ সৈতে জুবিন হৈ পৰিছিল একাত্ম। ঘটনাপ্ৰৱাহৰ সৈতে জুবিন হৈ পৰিছিল একাত্ম। তেওঁ প্ৰকাশ কৰা প্ৰতিক্ৰিয়াৰ ধৰণো আছিল মন কৰিবলগীয়া। আমাৰ অসমীয়া ভাষাটোক কেন্দ্ৰীয় চৰকাৰে ধ্ৰুপদী ভাষাৰ স্বীকৃতি দিয়াৰ সময়ত জুবিনে অসমীয়া ভাষাক নতুনকৈ ধ্ৰুপদী ভাষাৰ আখ্যা দিয়াৰ কি প্ৰয়োজন বুলি মন্তব্য কৰিছিল। সেয়া আছিল আমাৰো মনৰ কথা। সেই স্থিতি আছিল ব্যতিক্ৰম। কবি শ্বেলীৰ সৃষ্টিকৰ্মৰ যি স্পিৰিট দেখিবলৈ পোৱা গৈছিল, সেই স্পিৰিট আছিল জুবিন গাৰ্গৰ মাজতো। জুবিনৰ অকাল মৃত্যু জাতিটোৰ বাবে অপূৰণীয় ক্ষতি।



## বুকুভগা শূন্যতা...

**১৩ পৃষ্ঠাৰ পৰা** ভূপেন হাজৰিকাৰ পাছত বহুমুখী প্ৰতিভাৰ যিগৰাকী অসমীয়া শিল্পীসত্তাই আমাক সদায় গান, চিনেমা আদিৰে মোহাচ্ছন্ন কৰি ৰাখিছিল, সেয়া আছিল জুবিন গাৰ্গ। কিমান গান গালে, কিমান গান লিখিলে তাৰ হিচাপ নাই। যিবোৰ গানে মানুহক নিসংগতাত দিছে সংগ, দুখৰ বৰষুণত আৱৰি ধৰিছে হৈ এটি ছাতি। আৰু যে কত কি! এক অদমনীয় সত্তাৰ অধিকাৰী, এক শ্ৰেষ্ঠ অসম সন্তানৰ কীৰ্তি আমি জীৱনকালত দেখিবলৈ পোৱাটোও আমাৰ এক সৌভাগ্যয়ে আছিল। এক নিঃসীম বুকুভগা শূন্যতা সৃষ্টিৰে কাৰ্যক্ষম এই শক্তিশালী সত্তাটো এনেকৈ গুচি যোৱাটোৰে আমাৰ যুগৰ এক অতুলনীয় গায়কী বিশালতাৰো অন্ত পেলালে। বৰ মৰ্মান্তিক!

অসমক পাগলৰ দৰে ভালপোৱা জুবিন গাৰ্গ অসম আৰু অসমীয়াৰ এক চিৰপৰিচয় হৈ ৰ'ব। প্ৰায় সকলো প্ৰকাৰৰ গান গোৱা, বহুতো ভাষাৰ গীতত কণ্ঠদান কৰা জুবিন গাৰ্গ নিজেই এক শেষ নোহোৱা গান, যি সদায় বাজি ৰ'ব মন-গহনত, গানৰ এক নদী হৈ বৈ ৰ'ব আমাৰ জীৱনত।

জীয়াই থাকা হে শিল্পী
জীয়াই ৰাখিম হে শিল্পী।





'যৌৱনে আমনি কৰে' ছবিখনত প্ৰথম গীত গাইছিল জুবিন গাৰ্গে। গীতটো আছিল 'বুকু দুৰু দুৰু'। সংগীত ভূপেন উজীৰৰ। গীতটোৰ কথা আছিল হেমন্ত দত্তৰ।

..................................

'মায়া' এলবামত জুবিনৰ জনপ্ৰিয় গান 'জোনাকে কাণে কাণে' লিখিছিল পিতৃ কপিল ঠাকুৰে।

## জুবিন গাৰ্গ অমৰ হওক

**নগেন শইকীয়া**

**হ**ঠাৎ এটি টেলিফোন আহিল। সুধিলে, জুবিন গাৰ্গৰ বিষয়ে আপুনি কিবা এটা ক'বনে? মই তেতিয়া কঁকালৰ বিষত পৰি আছোঁ। মই কথাটো ভাবিব নোৱাৰি। জুবিন গাৰ্গৰ যিসকল অনুগামী দুখী হৈ পৰিছে ময়ো এতিয়া তেওঁলোকৰে এজন। আৰু এটা বৰ দুখৰ কথা যে বহু সময়ত অনেকে জুবিন গাৰ্গৰ উতনুৱা গীত-মাতবিলাক দেখে আৰু সমালোচনা কৰে। কিন্তু তেওঁলোকে আনকি আমাৰ অসমৰ লোক-সংগীতেই কেৱল নহয়, বিশেষকৈ ধৰ্মীয় গীত-মাতো শুনিছে। জুবিনক সেইসকলৰ কোনেও খন্তেকৰ বাবেও পাহৰিব নোৱাৰে। মোৰ মনত পৰিছে মোৰ এটা কাহিনী এটা গোটে চলচ্চিত্ৰ ৰূপ দিওঁতে জুবিনে তাত যিটি গীত পৰিৱেশন কৰিছে মই সেই গীতটিৰ কথাও পাহৰিব নোৱাৰোঁ। আমি এতিয়া জুবিনক নতুনকৈ আৱিষ্কাৰ কৰিবৰ কাৰণে চেষ্টা কৰিব লাগিব। এইটোৱেই যেন আমাৰ পণ হয়।

একো নুবুজাকৈ ক'লোঁ, মই এতিয়া লিখা সম্ভৱ নহ'ব। তাৰ এঘণ্টামান পাছত এজনে ক'লে যে জুবিন গাৰ্গে ছিংগাপুৰৰ সাগৰত স্কুবা ডাইভিং কৰিবলৈ গৈ প্ৰাণ হেৰুৱালে। তেতিয়া স্বাভাৱিকতে মোৰ কণ্ঠ-শব্দ যেন হেৰুৱাই পেলালোঁ। জুবিন গাৰ্গে নিঃসন্দেহে বিভিন্ন সময়ত মানুহৰ মনত আতংক সৃষ্টি নকৰা নহয়। কিন্তু তেওঁ যে এনেভাৱে অসমৰ জনসাধাৰণক আনকি ভাৰতবৰ্ষৰ জনসাধাৰণক এটা ভয়ংকৰ খবৰ দিব এই কথা

## আমাৰ মৰমৰ জুবিন

**ৰীতা চৌধুৰী**

**এ**ই মুহূৰ্তত শিপালৈকে জোকাৰি যোৱা যি অবিশ্বাস্য বাস্তৱৰ আঘাত আৰু যাক ধাৰণ কৰিবলৈ অক্ষম শোক— তাক প্ৰকাশ কৰিবলৈ মোৰ কলম অসমৰ্থ।

ছিংগাপুৰলৈ যোৱাৰ দুদিন আগতে জুবিন আমাৰ ঘৰলৈ আহিছিল— মোৰ প'ডকাষ্টৰ অতিথি হৈ। তাৰ আটাইতকৈ দীঘল আৰু শেষ সাক্ষাৎকাৰটো সেইটোৱেই আছিল। কথাৰ মাজতে সি কৈছিল— 'সাগৰত একো নাই।' যোৱাৰ পৰত সি মোক বাৰে বাৰে আঁকোৱালি লৈছিল। তাৰ ঠুনুকা যেন লগা গাটো তেতিয়া তিৰ্‌তিৰ্‌কৈ কঁপি আছিল। গাটো তপত আছিল। তাৰ শৰীৰ যে ভালে নাই, সেই স্পৰ্শতেই মই গম পাইছিলোঁ। হাৰিব নজনা ল'ৰাটোৱে হাঁহিমুখেৰে মাত লগাই গুচি গৈছিল।

### কোনে জানে আকৌ কিমান শতিকা আমি অপেক্ষা কৰিব লাগিব সময়ৰ এনে উপহাৰলৈ!

আমাৰ মৰমৰ ল'ৰাটোক অসুস্থ অৱস্থাত ছিংগাপুৰলৈ কিয় গান গাবলৈ লৈ গ'ল? সময়ে কেতিয়াবাহে পৃথিৱীক উপহাৰ দিয়া এনে আপুৰুগীয়া এটা জীৱনৰ অৱহেলা আৰু দায়িত্বজ্ঞানহীনতাৰ ফলত হোৱা এই অসময়-প্ৰস্থান অসহনীয়।

কোনে জানে আকৌ কিমান শতিকা আমি অপেক্ষা কৰিব লাগিব সময়ৰ এনে উপহাৰলৈ!

মোক সি কৈ গৈছিল, 'যদি আকৌ জন্ম হ'ব লাগে, জুবিন গাৰ্গ হিচাপেই জন্ম ল'বলৈ বিচাৰোঁ।'

অগণিতজনৰ হৃদয়ৰ কেন্দ্ৰত চিৰস্থায়ী স্থান লাভ কৰা সময়াতীত এই সত্তা মৃত্যুহীন। অবিনাশী।

## জুবিন নাই... ভাবিবই নোৱাৰি

**লোকনাথ গোস্বামী**

**অ**সমৰ সাংস্কৃতিক জগতৰ এক অতুলনীয় প্ৰতিভা জুবিন গাৰ্গৰ আকস্মিক আৰু অস্বাভাৱিক মৃত্যুত মই মৰ্মাহত হৈছোঁ। কম বয়সতে তেওঁ আমাৰ মাজৰ পৰা বিদায় ল'লে, যি কথা মুঠেই মানি ল'ব নোৱাৰি। এক জাতীয় অমূল্য সম্পদ জুবিন। এনে এক সম্পদ হঠাতে হাতৰ পৰা হেৰাই যোৱাটো ভাবিবই নোৱাৰি। আমি সংবাদ মাধ্যমৰ জৰিয়তে জানিব পাৰিছিলোঁ যে কিছুদিনৰ পৰা জুবিন গাৰ্গ অসুস্থ আৰু দুৰ্বল হৈ আছিল। এনে এগৰাকী শিল্পী অসুস্থ দেহাৰে কেনেকৈ তালৈ গ'ল, কেনেকৈ এনে ঘটনা ঘটিবলৈ পালে সেয়া আমাৰ বাবে প্ৰশ্নবোধক হৈ থাকিল। আচলতে জুবিনৰ দৰে এগৰাকী শিল্পীক সকলো ফালৰ পৰা সুৰক্ষা দিয়াটো আমাৰ সকলোৰে দায়িত্ব আছিল। এইক্ষেত্ৰত ক'ৰবাত গাফিলতি ৰৈ গ'ল নেকি? কথাবোৰে আমাক উদ্বিগ্ন কৰি তুলিছে। জুবিনে খুব কম বয়সতে আমাক বহুত দিলে। তাৰ বাবেই অসমবাসীয়ে তেওঁক সদায়ে মনত ৰাখিব।

## নিয়তিৰ পাখি পিন্ধি মায়া এৰি

**১৩ পৃষ্ঠাৰ পৰা** 'অনামিকা'ৰে 'আশা' জগাই 'মায়া' সৃষ্টিৰে হাৰ্টথ্ৰব হৈ পৰা শিল্পীজনেই জুবিন গাৰ্গ। পবিত্ৰ মাৰ্ঘেৰিটাৰ সম্পাদনাত ৯০দশকত জন্মলাভ কৰা মাহেকীয়া আলোচনী 'মায়া' ৰ জোনালীস্থ কাৰ্যালয়ৰ আড্ডাত সান্নিধ্য ঘটিছিল জুবিনৰ। আলোচনীখনৰ প্ৰথম সংখ্যাটিৰ বেটুপাত শুৱনি কৰিছিল জুবিনৰ এখন হাঁহি থকা ফটোৱে। পবিত্ৰ মাৰ্ঘেৰিটা আৰু সহ সম্পাদক মোৰ 'আজিৰ অসম'ৰ সতীৰ্থ প্ৰাঞ্জল ফুকনৰ অনুৰোধত লিখা ক্ৰীড়াভিত্তিক গল্পটো লৈ কাৰ্যালয়ত সোমোৱাৰ লগে লগে মোক সুধিছিল—এইবাৰ শচীন নে শ্বেন ৱাৰ্নৰ গল্প লিখিছা, নে ৰোমাণ্টিক গল্প?

মই শিশুসুলভ জুবিনৰ মুখলৈ চাই মাথোঁ হাঁহিছিলোঁ। সেই কাৰ্যালয়তেই আছিল এন কে প্ৰডাকশ্বনৰ ৰেকৰ্ডিং ষ্টুডিঅ'। নিশা গান ৰেকৰ্ডিং কৰি তাতেই কটাই দিয়ে। লগত থাকে প্ৰয়াত ভগ্নী জংকী বৰঠাকুৰ আৰু ৰবছন বৰুৱা, বিতোপন বৰা। পবিত্ৰ থাকেই সকলো সময়তে। জুবিন গুৱাহাটীলৈ স্থায়ী ভাৱে থাকিবলৈ অহাৰ এয়া আৰম্ভণিৰ সময়ৰ কথা। জুবিনৰ তেতিয়া মুক্ত বিচৰণ। বাটে- পথে সকলোৱে দেখে-মাতে। কোনো অহংকাৰ নাই। মই 'আজিৰ অসম' কাকতৰ তেতিয়া সাংস্কৃতিক পৃষ্ঠাটো সম্পাদনা কৰোঁ। জুবিনৰ কোনো গীতৰ কেছেটৰ ৰিলিজ অনুষ্ঠানত মাতিলেই দৌৰি যাওঁ। পল্টন বজাৰৰ হোটেল 'নন্দন'ত সম্ভৱ 'আশা' নামৰ কেছেটতো ৰিলিজ হৈছিল। উন্মোচক হিচাপে আছিল প্ৰয়াত আৰক্ষী অধীক্ষক শংকৰ বৰুৱা। তেওঁ জুবিনক বিশ্ব সংগীতৰ এজন মহান শিল্পী জুবিন মেহটাৰ লগত তুলনা কৰি কৈছিল—আমাৰ জুবিন বহু দূৰলৈকে আগ বাঢ়ি যাব।

এবাৰ 'চেণ্টিনেল' কাকতৰ অফিচৰ ওচৰত গাড়ীখন বেয়া হোৱাত তাতেই বহি থকা দেখা আমি গৈ কথা পাতিছিলো। তেতিয়া জুবিন ইমান খ্যাত হৈ পৰা নাছিল। 'অনামিকা' ওলোৱাৰ পাছত বিহুফাংচনবোৰত গান গাবলৈ মাতিবলৈ আৰম্ভ কৰিছিল। ১৯৯২ চনত আমাৰ ৰহাৰ ব'হাগী মেলা উৎসৱলৈ মাতিছিল। ৰাইজে জুবিনক বিহু গাবলৈ বাৰে বাৰে অনুৰোধ কৰাত গাইছিল—আনে মৰম দিলে মৰম মৰম নালাগে, তুমি মৰম নিদিয়া মানে...। খুব সম্ভৱ এই ফাংচনখনৰ পিছৰ পৰাই জুবিনে বিহুবোৰ গাবলৈ লৈছিল। গুৱাহাটী গ্ৰন্থমেলাত এবাৰ জুবিনৰ লগত মই নন্দনপ্ৰতিম শৰ্মা বৰদলৈয়ে পৰিচালনা কৰা 'নিউজ লাইভ' ৰ বাবে পোনপটীয়া সম্প্ৰচাৰ অনুষ্ঠানত ভাগ লৈছিলোঁ। পিছলৈ জুবিন নিজৰ কৰ্মক্ষেত্ৰখন ব্যাপক বিস্তাৰ ঘটাৰ বাবে আমাৰ লগত যোগাযোগ কমি আহিছিল যদিও ফোন আৰু য'তেই লগ পাওঁ চিনাকি মিঠা হাঁহিটোৰে মাতষাৰ দিছিল। প্ৰয়াত মুনিন বৰুৱাৰ প্ৰায়বোৰ ছবিৰ প্ৰেছমীট হৈছিল পূব শৰণীয়াৰ প্ৰয়াত পবিত্ৰ কুমাৰ ডেকাৰ ঘৰৰ অস্থায়ী চিত্ৰ সাংবাদিক সন্থাৰ কাৰ্যালয়ত। 'হিয়া দিয়া নিয়া', 'দাগ' আদি ছবিৰ লগত মুনিনদাৰ প্ৰায়বোৰ ছবিৰ সংগীত পৰিচালক জুবিন। তদুপৰি জুবিনে নিজে পৰিচালনা কৰা প্ৰথম ছবি 'তুমি মোৰ মাথোঁ মোৰ'ৰ প্ৰচাৰৰ ক্ষেত্ৰত আমিও যথেষ্ট সহায় কৰিছিলোঁ। আৰম্ভণিৰ পৰা প্ৰিমিয়াৰ শ্ব' পৰ্যন্ত সকলো খবৰ প্ৰচাৰ কৰিছিলোঁ কাকত- আলোচনীত। লিখিছিলোঁ প্ৰিভিউ-ৰিভিউ। জুবিনৰ মনটো বৰ সুন্দৰ আৰু ডাঙৰ। যিটো কৰিম বুলি ভাৱে কৰি দেখুৱাই দিয়ে। মই লিখা কেইটামান শিশু-গীত জুবিনক দিয়াৰ কথা আছিল। আজি জুবিন হঠাতে কায়িকভাৱে হেৰাই গ'ল। জুবিনক লগ পোৱাৰ প্ৰথম অৱস্থাৰ এজন সাংবাদিক - বন্ধু হিচাপে সেই সুমধুৰ দিনবোৰ সুঁৱৰি শোকত মৰ্মাহত হৈ পৰিছোঁ। পৃথিৱীলৈ এনে কিছুমান ব্যক্তি আহে, যি খুব কম সময় জীয়াই থাকি নিজৰ অসাধাৰণ প্ৰতিভাৰে ভাস্বৰ হৈ মানুহৰ অন্তৰত সোমাই যায়। জুবিনো তেনে এক নক্ষত্ৰ। কায়িক ভাৱে বিদায় ল'লেও সুৰ- কণ্ঠেৰে অমৰত্ব লাভ কৰি ৰাইজৰ বুকুত জীয়াই থাকিব। শব্দ - সুৰৰ মায়াজালত বন্দী হৈ অসমৰ আকাশে- বতাহে বিচৰণ কৰি থাকিব তেওঁৰ সীমাহীন সৃষ্টিৰ মাজেৰে। জুবিনৰ মৃত্যু নাই। এই মৃত্যু অপৰাজেয়। সুধাকণ্ঠ ভূপেন হাজৰিকাৰ জন্ম আৰু মৃত্যুৰ মাহ ছেপ্টেম্বৰ আৰু নৱেম্বৰ। সেইদৰে জুবিনৰ জন্ম আৰু মৃত্যুৰ মাহ নৱেম্বৰ আৰু ছেপ্টেম্বৰ। এই দুয়োটা মাহত এতিয়াৰ পৰা দুয়োগৰাকী হিয়াৰ আমঠুক স্মৰণ কৰিব লাগিব আমি।



## ধুমুহাৰ স'তে মোৰ বহু যুগৰে

**১৩ পৃষ্ঠাৰ পৰা** লৈছিল। তেওঁৰ গীতৰ কথাত থকা প্ৰতিটো ৰাতিৰ ভাগৰ শব্দটোৱেই আমাৰ জীৱনৰ অৱসাদ আৰু ভাগৰ দূৰ কৰিছিল। মনত পৰে, কেছেট চলি থকা সময়ত ৰাস্তাৰে চাইকেল মাৰি গৈ থাকোঁতে কোনোবা দোকানত 'পাখি মেলি দিয়ে' গীতটো বাজি থকা শুনি ৰৈ দিছিলোঁ। গীতটোৰ হালধীয়া ৰং কিনো, বাখৰুৱা প্ৰাণ কিনো শাৰীটো শুনিবলৈ ৰৈ দিছিলোঁ। নাজানিছিলোঁ কি ভাল লাগিছিল, কেৱল হৃদয়ত লাগি ৰৈছিল। সেয়াই আমাৰ হিয়াৰ আমঠু জুবিন গাৰ্গ। দুপৰীয়া খবৰটো পোৱাৰ পাছত যাকে লগ পাইছোঁ, যাকে ফোন কৰিছোঁ, সকলোৱে কেৱল হিয়া ঢাকুৰি কান্দিছে। এজন মানুহক কিমান ভাল পালে ক'ব নোৱৰাকৈয়ে চকুপানী ওলাই আহে, সেয়া আজি দেখিছোঁ। এজন মানুহৰ এটা দুখৰ খবৰে কেনেকৈ এই সময়খিনিক স্তব্ধ কৰি পেলাইছে, সেয়া অনুভৱ কৰিছোঁ। আমাৰ প্ৰজন্মক জুই হৈ জ্বলি উঠিবলৈ আৰু পোহৰৰ চাকি গছি জ্বলাবলৈ শিকাই নিজেই শান্তভাৱে আমাৰপৰা বহু দূৰলৈ গুচি গ'ল। আমাৰ প্ৰজন্মক শিকাই গ'ল জীৱন কি, ভালপোৱা কি, উদাৰতা কি, সপোন কি আৰু কত কথা। আমিও তেওঁক জীয়াই ৰাখি গাই যাব লাগিব---

ধুমুহাৰ স'তে আমাৰ
বহু যুগৰে নাচোন
হে হিয়াৰ আমঠু
পুনৰ এবাৰ কওঁ
সম্ভৱ হয় যদি তুমি উভতি আহিবা।



## সংস্কৃত-কণ্ঠ জুবিন

**১৩ পৃষ্ঠাৰ পৰা** সাংগীতিক প্ৰতিভা আৰু প্ৰযুক্তিৰ অপূৰ্ব সমন্বয় জুবিন। মুম্বাইত এ আৰ ৰেহমানে যেনেকৈ বাহিৰৰ প্ৰযুক্তিক অন্তৰৰ সংগীতেৰে একাকাৰ কৰি গানত নতুনত্ব দিছিল, অসমৰ বাবে সেইখিনি কৰিছিল প্ৰধানকৈ জুবিন গাৰ্গে। তেওঁৰ সময়ৰ আন আন প্ৰতিভাৱান সকলোলৈকে শ্ৰদ্ধা ৰাখিও এইখিনি কোৱা হৈছে।

বহু পুৰণি ভাল গীত তেওঁৰ মধুৰ কণ্ঠই সাৰ্থকৰূপে উলিয়াই আনিছে। বহু নুশুনা বস্তু আপোনা-আপুনি ফুটি উঠিছে জুবিনৰ মাজত। স্বতঃস্ফূৰ্ত সুৰৰ প্ৰকাশ জুবিনৰ।

আমাৰ চল্লিশোৰ্দ্ধ পৰ্যন্ত বহুতৰে বহু সুগন্ধি সময় জুবিনৰ দান। জুবিনৰ এটা মাত্ৰও তান শুনি এবাৰো মাত্ৰ হৃদয় নকঁপা কোনো অসমীয়া নিশ্চয় নোলাব।

ভূপেন হাজৰিকাৰ গীতৰ একান্ত অনুৰাগী বা ভক্ত হৈও এটা সময়ত মই গোপনে জুবিনৰ গীত ভাল পাবলৈ আৰম্ভ কৰিছিলোঁ আৰু প্ৰবল প্ৰতিভাৱান বুলি পতিয়ন গৈছিলোঁ— তেওঁৰ বিশেষকৈ 'পাখি', 'শব্দ', 'যন্ত্ৰ' 'বৰষুণ' আদি এলবাম শুনাৰ পিছত। ১৯৯৮-৯৯ত তেওঁ প্ৰতিভাৰ মধ্য গগণত।

তাৰ পাছতো সংগীতক লৈ বহু চমকপ্ৰদ তথা গুৰুত্বপূৰ্ণ কাম কৰিছে জুবিনে। তাৰে দুটামানত সামান্যতম আমিও জড়িত হৈছিলোঁ।

(২)

জুবিনক মই মহাকবি কালিদাসৰ সংস্কৃত শ্লোক শিকাব লগা হৈছিল। সেয়া ২০০৯ চনৰ কথা।

মোৰ কথা জুবিনে হয়তো ক'ৰবাত শুনিছিল আৰু মানুহটোক সেই কামৰে মানুহ বুলি জানিছিল- সংস্কৃতত গায়, লিখে, অনুবাদ কৰে। নৱেম্বৰ মাহৰ এটি নিশা ডেৰ বজাত আমাৰ ঘৰলৈ এটা অদ্ভুত ফোন। ভাঁহি আহিছিল গুৱাহাটীৰ ষ্টুডিঅ' ডি জিৰ পৰা। তেওঁক এটা এগৰাকী সুন্দৰী যৌৱনময়ী যুৱতীৰ বৰ্ণনা থকা ধুনীয়া শ্লোক লাগে। তাৰ পাছত মই ফোনতে শিকোৱা 'তন্বী শ্যামা শিখৰিদশনা পক্কবিম্বাধৰোষ্ঠী' শীৰ্ষক কালিদাসৰ মেঘদূতমৰ সেই শ্লোকটো সুৰ দি ৰাতিটোৰ ভিতৰতে কেনেকৈ এটা সুমধুৰ গীতত পৰিণত কৰিলে- তাকে ভাবি আজিও আচৰিত হওঁ। শ্লোকটি দিয়া হৈছিল তেওঁৰ বাঁহী নামৰ এলবামটোৰ এটি গীতৰ 'প্ৰিল্যুড' হিচাপে। কি দুৰ্দান্ত সুৰ সংগীত শব্দোচ্চাৰণ স্বৰপ্ৰক্ষেপণ জুবিন গাৰ্গৰ...। দক্ষিণ ভাৰতীয় শৈলীত ধ্ৰুপদী মেজাজেৰে ৰৈ ৰৈ বাজিছে কালিদাসৰ শব্দমালা... 'তন্বী শ্যামা শিখৰিদশনা'।

তাৰ পাছতো মই নিজে লিখা আৰু দুটামান সংস্কৃত শ্লোক-কবিতা জুবিনে সুৰ দি গালে— শীৰ্ষ আৰক্ষী বিষয়া ভাস্কৰজ্যোতি মহন্তদাৰ সৃজনী প্ৰডাকচনৰ নতুন চিন্তাৰ 'পাৰিজাত' অপেৰাৰ বাবে। সংগীত সহযোগ আছিল- অনুৰাগ শইকীয়াৰ।

এয়েই বিশেষ সংযোগ জুবিন গাৰ্গৰ স'তে।

জুবিনে বেছিকৈ কিয় সংস্কৃত নাগালে তাকে লৈ আক্ষেপ কৰোঁ। নোগোৱা ভাষা নাই। তেওঁ অকলে গোৱা সংস্কৃত 'নমামি ব্ৰহ্মপুত্ৰ'ৰ গীতটো শুনিছেনে? শুনিবচোন। অসাধাৰণ! সংস্কৃতত সৰহকৈ সংস্কৃত গীত গোৱা হ'লে তেওঁৰ অন্য এক গহীন পৰিচয় পৃথিৱীত ৰৈ গ'ল হয়!

(৩)

বাউলি কবি কমলানন্দৰ 'বিলত তিৰেবিৰাই' কেৱল জুবিনৰ দ্বাৰাহে সম্ভৱ।

ভবেন্দ্ৰনাথ শইকীয়া ছাৰৰ অনিন্দিতা পালে গোৱা 'ক'ৰ এজাক সপোন যেন' বা নিজে গোৱা কবি কেশৱ মহন্তৰ 'আনে যোৱা বাটে নোযোৱা'ৰ সুৰ-সংগীত কেৱল জুবিন গাৰ্গৰ দ্বাৰাহে সম্ভৱ হ'ল যেন লাগে। অতি আধুনিক ধৰণৰ অথচ হৃদয়স্পৰ্শী তাৰ সংগীত-সংৰচনা।

জুবিনৰ মাত উজনিৰ বিহু-বনগীত সুৰীয়া দৰদী মাত। চলিত ভাষাত 'তামাম' কাজ থকা, অতি উচ্চগ্ৰামত গাব পৰা 'বেৰিট'ন' ভইচ। লগত আছিল স্বৰৰ 'চুল চেড়া' শুদ্ধতা- বাংলাত যাক কয়।

জুবিনে গায় আৰু গোৱাই বহু সাধাৰণ গীতক 'অসাধাৰণ' কৰি থৈ গৈছে। মনত ৰাখিব লাগিব তেওঁ ভূপেন হাজৰিকা নহয়, এ আৰ ৰেহমান, আৰ ডি নহয়। ডিলান, ফ্লইদ, ছিগাৰ, ক্লিপটন, মাইকেল জেকছন— কোনো নহয়। তেওঁ জুবিন। কেৱল জুবিন।

নব্বৈ পাছৰ তিনিটা দশক আচলতে অসমীয়া সংগীতৰ জুবিন যুগ। এই 'অতিশয়োক্তি' আজি কৰিবলৈ মন গৈছে। জুবিনক 'পদ্মশ্ৰী' দিয়া নহ'ল যদিও হেজাৰজনৰ হৃদয়ৰ সুগন্ধি 'পদ্মশ্ৰী'।

## ইউকেলিপ্টাছৰ

**১৩ পৃষ্ঠাৰ পৰা** সাগৰেই। এতিয়া আৰু মোক কোনোদিনে কোনেও যাতে সাগৰৰ বিশালতাৰ কথা নকয়। নুশুনিম সাগৰৰ গান। কলিজাৰ টুকুৰা এটাক চোকা অস্ত্ৰৰে কাটি কোনো অদেখা, অজানা শক্তিয়ে লৈ গ'ল। বুকুৰ কেঁচা তেজ নিগৰি অহা চাই থকাৰ বাহিৰে একোকেই কৰিব নোৱাৰিলোঁ। কি সুধিছা বন্ধু, এই ঘা কেতিয়া শুকাব? কেনেকৈ শুকাব বন্ধু? যি গানৰ নদীত গা ধুইয়েই ইমানদিনে মলিয়ন মনক চিকুনাই তুলিছিলোঁ, সেই নদীখনেই সাগৰক সাবটি নোহোৱা হৈ গ'ল। এতিয়া মাথোঁ অভিমানৰ পেৰা কঢ়িয়াম। মায়া, অনামিকা, আশাৰ চেহেৰা চাবলৈ নক'বা তুমি মোক, বন্ধু! আমলখি হাবিত হৰিণ-হৰিনী কেনেকৈ চৰে মই আৰু চাবলৈ নাযাম, মনৰ নিজান ফুলনি জোনাকে পোহৰাই তুলিলেও মই পোহৰ নেদেখিম, মায়াবিনি ৰাতি দেখা কাৰো ছবিয়ে মোক আৰু দিব নোৱাৰিব বুকু ভৰি যোৱা সুখ। মোৰ দেশৰ আটাইতকৈ ওখ ইউকেলিপ্টাছজোপাই উভাল খায় থাকিল। এতিয়া অমানিশাই দিনৰ নামান্তৰ।

# ফুটবলৰ আজন্ম প্ৰেমিক আছিল জুবিন গাৰ্গ



ফুটবলাৰৰ ৰূপত জুবিন গাৰ্গ (ফাইল ফটো)

## ম্ৰিয়মাণ ক্ৰীড়া জগত-বিভিন্ন খেলপথাৰত শ্ৰদ্ধাঞ্জলি

দৈনিক অসমৰ বাতৰি

**গুৱাহাটী, ১৯ ছেপ্টেম্বৰ ঃ** হাৰ্টথ্ৰ'ব জুবিন গাৰ্গৰ অকাল বিয়োগত ৰাজ্যৰ ক্ৰীড়া জগতো শোকস্তব্ধ হৈ পৰিছে। জুবিন আছিল সংগীতৰ লগতে ফুটবলৰো আজন্ম প্ৰেমিক। দুভৰিৰ যাদুৰে জুবিনে ক্ৰীড়াপ্ৰেমিক মোহাচ্ছন্ন কৰিছিল। খেলৰ প্ৰতি থকা দুৰ্বাৰ ভালপোৱাৰ বাবেই জুবিনে হিমা দাসৰ দৰে এথলীটক সততে উদগনি যোগাইছিল। অন্যান্য ক্ৰীড়াবিদকো প্ৰতিভা বিকাশৰ বাবে বিভিন্ন ধৰণে সহায়ৰ হাত আগবঢ়াইছিল। ৰাজ্যখনৰ ক্ৰীড়াৰ উত্তৰণৰ হকে জুবিনৰ অৰিহণা আছিল অনৰদ্য। ২০০৭ চনৰ ৰাষ্ট্ৰীয় গেমছ আৰু ২০২০ ৰ খেলো ইণ্ডিয়া ইউথ গেমছৰ গীততো জুবিনে কণ্ঠদান কৰিছিল। ৰাজ্যৰ ফুটবল প্ৰতিভাসমূহৰ উত্তৰণৰ প্ৰতি লক্ষ্য ৰাখি জুবিনে সঞ্জীৱ নাৰায়ণকে ধৰি কেইবাগৰাকী উদ্যোগীৰ সৈতে মিলি গুৱাহাটী এফচি দল গঠন কৰিছিল। পাছলৈ জুবিনে গুৱাহাটী চিটী এফচি দলত এগৰাকী শুভাকাংক্ষী হিচাপে জড়িত হৈ পৰিছিল। ফুটবল পাগল জুবিনে মূৰত গামোচাৰ পাগুৰি মাৰি ৰাছিয়াত ২০১৮ চনত আৰু ২০২২ চনত কাটাৰ বিশ্বকাপৰ মেচ উপভোগ কৰিছিল। ২০১৫ চনত অসমত হোৱা প্ৰলয়ংকৰী বানত ক্ষতিগ্ৰস্ত ৰাইজৰ সাহায্যাৰ্থে জুবিনে গুৱাহাটীকে ধৰি ৰাজ্যৰ কেইবাখনো ঠাইত প্ৰীতি ফুটবল মেচ আয়োজন কৰিছিল। গুৱাহাটীৰ নেহৰু ষ্টেডিয়ামত আৰু জজ খেলপথাৰত জুবিনৰ নেতৃত্বত গঠিত শিল্পী একাদশে মিডিয়া একাদশৰ বিৰুদ্ধে দুখনকৈ প্ৰীতি ফুটবল মেচ খেলিছিল। মেচ দুখনৰ টিকট বিক্ৰীৰে অহা ধনৰাশি বানত দুৰ্গতৰ সাহায্যাৰ্থে দিয়া হৈছিল। জুবিনৰ এনে মহানুভৱতাই ক্ৰীড়াপ্ৰেমীৰ অন্তৰ চুই গৈছিল। ওদালগুৰি, তেজপুৰ, নগাঁও আদি ঠাইতো বহু প্ৰীতি ফুটবল মেচ খেলিছিল জুবিনে। ফুটবলৰ উপৰি ক্ৰিকেট, বেডমিণ্টন আৰু কিক্ বক্সিঙো খেলিছিল জুবিনে। জুবিনৰ আকস্মিক মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে বিভিন্ন ক্ৰীড়াবিদ, ক্ৰীড়া সংগঠক তথা সংস্থাই। অসম ক্ৰিকেট সন্থাৰ সভাপতি তৰংগ গগৈয়ে জুবিনৰ মৃত্যুত শোক প্ৰকাশ কৰি কয় যে— জুবিন কেৱল সাংস্কৃতিক জগতৰেই ধ্ৰুৱতৰা নাছিল, তেওঁ আছিল এজন প্ৰকৃত ক্ৰীড়াপ্ৰেমী। যুৱ প্ৰতিভাসমূহক সততে উদগনি যোগাই ছিল। জুবিনৰ অভাৱ ৰাজ্যবাসীয়ে প্ৰতিটো মুহূৰ্ততে অনুভৱ কৰিব। ২০২৩ চনৰ ১৮ মাৰ্চত এ চি এ ষ্টেডিয়ামত অনুষ্ঠিত এখন প্ৰীতি মেচত অংশ লৈছিল জুবিনে। এ চি এৰ সম্পাদক ত্ৰিদিৱ কোঁৱৰেও জুবিনৰ মৃত্যুত শোক প্ৰকাশ কৰিছে। অসম অলিম্পিক সন্থাৰ হৈ সম্পাদক লক্ষ্য কোঁৱৰ, সদৌ অসম কাৰাটে সন্থা, অসম ছেপাক টাক্ৰ' সন্থাৰ হৈ সভাপতি ভৱেশ কলিতা, সাধাৰণ সম্পাদক বিষ্ণুৰাম নুনিছাই জুবিনৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে আৰু জুবিনৰ মৃত্যু অসমৰ অন্যান্য ক্ষেত্ৰৰ উপৰি নতুন প্ৰজন্মৰ ক্ৰীড়া প্ৰতিভাৰ বাবেও অপূৰণীয় ক্ষতি বুলি কয়। গুৱাহাটী ক্ৰীড়া সন্থাৰ হৈ সভাপতি পৰেশ চন্দ্ৰ দাসে জুবিনৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰে। জুবিনৰ প্ৰতি শ্ৰদ্ধা জনাই জিএছএৰ 'বি' আৰু 'চি' ডিভিজন লীগ ফুটবলৰ মাজত এক মিনিট মৌনতা অৱলম্বন কৰে খেলুৱৈ, ৰেফাৰী, ক্ৰীড়া সংগঠক আৰু ক্ৰীড়াপ্ৰেমীয়ে।



## আশ্চৰ্যচকিত হৈ পৰিছোঁ

■ লাভলিনা বৰগোহাঁই

জুবিন দাৰ আকস্মিক মৃত্যুৰ খবৰ পাই আশ্চৰ্যচকিত হৈ পৰিছোঁ। মই আজি অৰুণাচল প্ৰদেশলৈ যোৱাৰ কথা আছিল। খবৰটো শুনি ভ্ৰমণ বাতিল কৰিছোঁ। মুঠেও বিশ্বাস হোৱা নাই, জুবিনদাৰ মৃত্যুৰ বাতৰিটো। তেওঁ আছিল মাটিৰ মানুহ। সততে বন্ধুত্বসুলভ আছিল। মোৰ বক্সিং একাডেমীলৈ যোৱাৰ কথা আছিল জুবিনদাৰ। জুন মাহতেই মোক কৈছিল— 'তোৰ বক্সিং একাডেমীলৈ গৈ আছোঁ।' সৰ্বশিক্ষাৰ এটা শিক্ষামূলক বিজ্ঞাপনত জুবিনদাৰ সৈতে ময়ো কাম কৰিছিলোঁ। আজি দুখজনক খবৰটো শুনি ক'বলৈ ভাষাহীন হৈ পৰিছোঁ। তেওঁৰ আত্মাই চিৰশান্তি লাভ কৰক।

## মই বাক্‌ৰুদ্ধ

■ হিমা দাস

মই আজি বাকৰুদ্ধ হৈ পৰিছোঁ। কথা ক'ব পৰা অৱস্থাত নাই। ক'বলৈ মোৰ ভাষাও নাই।

■ এদিনীয়া মহিলা ক্ৰিকেট বিশ্বকাপ ■

## বলীউডৰ শিল্পী শ্ৰেয়া ঘোষালৰ কণ্ঠৰে মুকলি থীম ছং



**ডুবাই, ১৯ ছেপ্টেম্বৰ ঃ** ৩০ ছেপ্টেম্বৰৰ পৰা ভাৰত আৰু শ্ৰীলংকাত যৌথভাৱে হ'বলগীয়া এদিনীয়া মহিলা বিশ্বকাপৰ থীম ছং মুকলি কৰিলে বিশ্ব ক্ৰিকেটৰ মুৰব্বী সংস্থা আইচিচিয়ে। 'ব্ৰিং ইট হোম' শীৰ্ষক থীম ছংটোত কণ্ঠদান কৰিছে বলীউডৰ জনপ্ৰিয় শিল্পী শ্ৰেয়া ঘোষালে। মহিলা ক্ৰিকেটৰ শক্তি, একতা আৰু আনন্দক প্ৰতিফলিত কৰি মুকলি কৰা হৈছে মহিলা বিশ্বকাপৰ এই থীং ছঙটো। উল্লেখ্য যে অহা ৩০ ছেপ্টেম্বৰত গুৱাহাটীৰ বৰ্ষাপাৰা ষ্টেডিয়ামত অনুষ্ঠিত হ'ব মহিলা ক্ৰিকেট বিশ্বকাপৰ উদ্বোধনী অনুষ্ঠান।

## কোৱাৰ্টাৰত থমকিল সিন্ধু



**শ্বেনঝেন, ১৯ ছেপ্টেম্বৰ ঃ** পি ভি সিন্ধুৰ বাবে বিশ্ব ৰেংকিঙৰ শীৰ্ষ শ্বাটলাৰ আন ছি য়ং অলংঘ্য প্ৰাচীৰ হৈ পৰিছে। কোৰিয়াৰ ২৩ বছৰীয়া য়ঙৰ বিৰুদ্ধে ক্ৰমাগত অষ্টমবাৰৰ বাবে পৰাজিত হ'ল পি ভি সিন্ধু। এইবাৰ ছাইনা মাষ্টাৰ্ছত য়ঙৰ বিৰুদ্ধে পৰাজিত হ'ল দুটাকৈ অলিম্পিক পদক জয়ী ভাৰতীয় খেলুৱৈগৰাকী। শুকুৰবাৰে শ্বেনঝেনত অনুষ্ঠিত কোৱাৰ্টাৰ ফাইনেলত য়ঙৰ বিৰুদ্ধে ১৪-২১, ১৩-২১ৰ পোনপটীয়া গেমত পৰাস্ত হয় সিন্ধু।



এই ৰূপত আৰু দেখিবলৈ পোৱা নাযাব জুবিনক

জিএছএ 'বি', 'চি' লীগ

## ৯১ য়াৰ্ডছ, নিউ ষ্টাৰ ফাইনেলত

দৈনিক অসমৰ বাতৰি

**গুৱাহাটী, ১৯ ছেপ্টেম্বৰ ঃ** ৯১ য়াৰ্ডছ ক্লাব আৰু নিউ ষ্টাৰ ক্লাবে নেহৰু ষ্টেডিয়ামত চলি থকা জিএছএৰ ক্ৰমে 'বি' আৰু 'চি' ডিভিজন লীগ ফুটবলৰ ফাইনেলত প্ৰৱেশ কৰিছে। আজি অনুষ্ঠিত 'বি' ডিভিজনৰ ছেমিফাইনেলত ৯১ য়াৰ্ডছে স্প'ৰ্টিং ইউনাইটেড ক্লাবক ৩-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰে। 'চি' ডিভিজনৰ এখন ছেমিফাইনেলত নিউ ষ্টাৰ ক্লাবে প্ৰাগজ্যোতিষপুৰ এফচিক ৩-১ গ'লত হৰুৱায়।

## প্ৰিয়ানুজৰ খিতাপ

দৈনিক অসমৰ বাতৰি

**গুৱাহাটী, ১৯ ছেপ্টেম্বৰ ঃ** প্ৰিয়ানুজ দত্ত লহকৰে ইণ্ডিয়া ক্লাব ক'ৰ্টত চলি থকা প্ৰথম ইণ্ডিয়া ক্লাব-আইটিএফ মাষ্টাৰ্ছ ট্যুৰ ১০০ টেনিছ টুৰ্নামেণ্টৰ পুৰুষৰ ৪০ বছৰ ঊৰ্দ্ধৰ ছিংগলছত খিতাপ জয় কৰিছে। আজি অনুষ্ঠিত ফাইনেলত লহকৰে ৰূপজিৎ ভৰালীক ৬-০, ৬-০ শ্বেটৰ ব্যৱধানত পৰাজিত কৰে। ৩৫ বছৰ ঊৰ্দ্ধৰ মিক্সড ডাবলছৰ ফাইনেলত মিতালী বৰুৱা আৰু শিৱ কুমাৰ প্ৰজাপতিয়ে কস্তুৰী বৰুৱা আৰু ৰাহুল চৌধুৰী যুটিক ৪-২, ৪-১ ব্যৱধানত পৰাজিত কৰি চেম্পিয়ন হয়।

ফুটবলৰ উত্তৰণক লৈ জুবিনৰ আছিল অযুত সপোন

## এতিয়া তেওঁৰ আশা পূৰণ আমাৰ মৰণপণ

■ সিদ্ধাৰ্থ শংকৰ ডেকা

*'ফুটবলক লৈ মোৰ বহু আশা আছে!'*

সেইআশা লৈয়েই তেওঁ নহা বাটে গুচি গ'ল। অকস্মাতে। অজানিতে। চিৰদিনলৈ। ২০১০ চনত আমি যেতিয়া প্ৰথমবাৰ তেওঁক লগ পাইছিলোঁ, তেতিয়া উপলক্ষ বেলেগ আছিল। কিন্তু তাৰ পাছত গঢ়ি উঠা গাঢ় সম্পৰ্কৰ ভিত্তি হৈ উঠিছিল ফুটবল। জনতাৰ খেল ফুটবল, জনতাৰ শিল্পীৰো খেল ফুটবল। ইয়াৰ পাছৰ অলেখ নিশা আমি ফুটবলৰ নিচাত কটাইছিলোঁ। সুদূৰ বাৰ্চিলোনাৰ সেউজ কেনভাছত লিঅ'নেল মেছি নামৰ শিল্পীৰ মায়াময় পদশিল্প উপভোগ কৰি পাৰ কৰিছিলোঁ এনে অলেখ নিশা। ২০১০ৰ বিশ্বকাপত কোটি কোটি অনুৰাগীৰ দৰেই মেছিৰ হাতত সোণালী সেই দুৰ্লভ ট্ৰফী চাবলৈ আমি আয়োজন কৰিছিলো ফুটবলৰ অভিনৱ কেইবাটাও মজলিছৰ। আনৰ দৰেই ২০১০ত মেছিৰ স্বপ্নভংগৰ বেদনা ২০১৪লৈ কঢ়িয়াইছিলোঁ। সেইবাৰ আমিও আমাৰ ৰেঙনি দেখিছিলোঁ। অৱশ্যে ব্যক্তিগত বিভিন্ন কামৰ বাবে সেইবাৰে আমাৰ ফুটবল মজলিছত বহা নাছিল। কিন্তু ফোনযোগে যোগাযোগত আছিলোঁ দুয়ো। হেঁপাহৰ আৰ্জেণ্টিনাই সেইবাৰ কোনোমতে ফাইনেলত স্থান যোগাৰ কৰিছিল। দ্বিতীয়খন ছেমিফাইনেলত দুৰন্ত ফৰ্মত থকা ব্ৰাজিলক গণি গণি ৭ গ'ল দিয়াৰ পাছত ম'বাইল ফোনটো বাজিছিল। সিফালৰ পৰা তেওঁ কৈছিল— 'আমাৰ কি হ'ব অ'! ব্ৰাজিলচোন চাফা হৈ গ'ল!' মই কৈছিলোঁ— 'হৈ যাব, হৈ যাব জুবিনদা। আমি চাই ল'ম।' ব্ৰাজিলৰ দশা হোৱা নাছিল আৰ্জেণ্টিনাৰ। কিন্তু মেছিৰ আশা আকৌ ভংগ হৈছিল। দুয়ো একপ্ৰকাৰ সিদ্ধান্ত লৈছিলোঁ— আমি আৰু খেল নাচাওঁ। আশাভংগৰ বেদনাই আমাক অলপ ক্ষুব্ধও কৰিছিল। অভিমানে আগুৰি থকা ক্ষোভ আছিল সেয়া। নিজৰ প্ৰিয় খেলুৱৈজনৰ প্ৰতি। কিন্তু প্ৰিয় মানুহৰ প্ৰতি অভিমান জানো টিকে? ২০১৫, ২০১৬... মেছি আৰু আৰ্জেণ্টিনাৰ ক্ৰমাগত স্বপ্নভংগৰ বেদনা বুকুত লৈ থাকোঁতেই মনলৈ আহিল— অসমৰ ফুটবলৰ বাবেও কিবা কৰা যাওক। মনে মিলা বন্ধু কেইগৰাকীমানৰ লগত এটা ফুটবলৰ ক্লাব আৰম্ভ কৰাৰ পৰিকল্পনা লৈ ২০১৭ চনত আমি তেওঁৰ ওচৰলৈ গ'লোঁ— তেওঁ যেন এই প্ৰস্তাৱটোৰ কাৰণে ৰৈহে আছিল! 'হ'ব, মই আছোঁ, কৰ। মই থাকিম।' তেনেদৰেই এটা চালুকীয়া সপোনে এটা শক্তি পাইছিল। আৰম্ভ হৈছিল গুৱাহাটী চিটী ফুটবল ক্লাব। তাৰ পাছত অজস্ৰ আলোচনা, পৰিকল্পনা। আমাৰ প্ৰশিক্ষণ শিবিৰ, প্ৰতিযোগিতালৈ সতীৰ্থ শিল্পীসহ তেওঁৰ আগমন, প্ৰীতি মেচ— আমাৰ নতুন ক্লাবটোৱে লাভ কৰিছিল প্ৰয়োজনীয় গতি আৰু খ্যাতি। তাৰ পাছত আহিল ২০১৮ৰ বিশ্বকাপ। তেওঁ ৰাছিয়ালৈ যাব। তাৰ পূৰ্বে আমি তেওঁক বিদায় দিবলৈ অংশ ল'লোঁ এক নৈশভোজত। তাতেই পৰিকল্পনা হ'ল যে আমাৰ ক্লাবটোক এক পূৰ্ণাংগ একাডেমীৰ ৰূপ দিয়া হ'ব, য'ত অসমৰ খেলুৱৈয়ে বাহিৰলৈ নগৈ ইয়াতেই ফুটবল আৰু আনুষ্ঠানিক শিক্ষা দুয়োটাৰ সুবিধা লাভ কৰিব। এয়া অসমৰ এক দীৰ্ঘদিনীয়া অভাৱ আছিল। সেয়া তেওঁৰো সপোন আছিল। সময়ৰ গতিত সেই সপোন পূৰ নহ'ল। এয়া সহজ সপোন নাছিলো। কিন্তু মস্কোৰ পৰা তেওঁ জাৰি কৰা ভিডিঅ'টো আমি প্ৰায়ে চাওঁ— য'ত তেওঁ কৈছিল যে অসমৰ ফুটবলক লৈ তেওঁৰ বহু আশা আছে, অসমৰ খেলুৱৈৰ বহু সম্ভাৱনা আছে। সেই সপোন, সেই সম্ভাৱনাক সাকাৰ ৰূপ দিবলৈয়ে তেওঁ আৰম্ভ কৰিব খুজিছে গুৱাহাটী চিটী ফুটবল ক্লাব। এতিয়া জুবিন গাৰ্গৰ সেই আশা পূৰণ কৰাৰ পণ আমাৰ মৰণপণ। আৰম্ভ হ'ব তেওঁৰ অবৰ্তমানত তেওঁৰ চিৰস্থায়ী প্ৰেৰণা লৈ তেওঁৰ অপূৰ্ণ সপোন পূৰণ কৰাৰ অগ্ৰগামী যাত্ৰা।



■ সুব্ৰত কাপ আন্তঃৰাষ্ট্ৰীয় ফুটবল ■

## অসমৰ বিৰুদ্ধে বিধ্বস্ত তেলেংগানা

দৈনিক অসমৰ বাতৰি

**গুৱাহাটী, ১৯ ছেপ্টেম্বৰ ঃ** ৬৪সংখ্যক অনূৰ্দ্ধ ১৭ সুব্ৰত কাপ জুনিয়ৰ আন্তঃৰাষ্ট্ৰীয় ফুটবল প্ৰতিযোগিতাত অসমক প্ৰতিনিধিত্ব কৰা গোলাঘাটৰ নুমলীগড় হাইস্কুলৰ দলটোৱে জয়ৰ ধাৰা অব্যাহত ৰাখিছে। গ্ৰুপৰ আজি অনুষ্ঠিত খেলত দলটোৱে তেলেংগানাক ১৯-০ গ'লৰ ব্যৱধানত পৰাজিত কৰে। নতুন দিল্লীত চলি থকা প্ৰতিযোগিতাখনৰ এয়া আছিল অসমৰ দলটোৰ অন্তিমখন খেল। পিণ্টো পাৰ্ক ফুটবল গ্ৰাউণ্ডত অনুষ্ঠিত খেলখনত নুমলীগড় হাইস্কুলৰ দলৰ হৈ পাৰ্থ ডেকাই ৭টা গ'ল দিয়ে। আনহাতে পৱিত্ৰ নাথে চাৰিটা, আকাশ লোহাৰে তিনিটা, মনীষ, কামেমলাল আৰু বিস্ময় দলেই একোটাকৈ গ'ল স্ক'ৰ কৰে। দুটা গ'ল আত্মঘাতী হয়। চাৰিখন মেচৰ তিনিখনত জয় আৰু এখন ড্ৰ' খেলি অসমে গ্ৰুপৰ শীৰ্ষত অৱস্থান কৰিছে যদিও কাইলৈ আৰ্মী বয়জে আৰু আন্দামানৰ মাজৰ মেচৰ ফলাফলে অসমৰ দলটোৰ কোৱাৰ্টাৰত প্ৰৱেশৰ পথ নিশ্চিত কৰিব।

চক্ৰধৰ ডেকা ফুটবল

## ফাইনেলত মুম্বাই এফচি

দৈনিক অসমৰ প্ৰতিনিধি

**মুকালমুৱা, ১৯ ছেপ্টেম্বৰ ঃ** মুকালমুৱা আঞ্চলিক ক্ৰীড়া সন্থাৰ উদ্যোগত অনুষ্ঠিত ১৩সংখ্যক চক্ৰধৰ ডেকা সোঁৱৰণী প্ৰাইজমানী ফুটবল প্ৰতিযোগিতাৰ মুম্বাই এফ.চি ফাইনেলত প্ৰৱেশ কৰিছে। আজি অনুষ্ঠিত প্ৰতিযোগিতাৰ দ্বিতীয়খন ছেমিফাইনেলত মুম্বাই এফচিয়ে দুলীয়াজান অইলক ২-১ত পৰাস্ত কৰে। খেলখনত মুম্বাইৰ হৈ ৰিচি চৌহান আৰু জিনোৱে এটাকৈ গ'ল দিয়াৰ বিপৰীতে দুলীয়াজান অইলৰ হৈ অমন চেত্ৰীয়ে একমাত্ৰ গ'লটো পৰিশোধ কৰে। ২১ ছেপ্টেম্বৰত হ'বলগীয়া ফাইনেলত শ্বিলং লাজঙৰ বিৰুদ্ধে খেলিব মুম্বাই এফচিয়ে।

ৰাষ্ট্ৰীয় টাইকোৱানডো

## ৰিদ্ধি সম্পূৰ্ণাৰ ৰূপ

দৈনিক অসমৰ প্ৰতিনিধি

**মৰাণ, ১৯ ছেপ্টেম্বৰ ঃ** ওড়িশাৰ কটকত অনুষ্ঠিত ৰাষ্ট্ৰীয় ছাব জুনিয়ৰ টাইৱানডো প্ৰতিযোগিতাত অসমৰ ৰিদ্ধি সম্পূৰ্ণ ছেত্ৰীয়ে ৰূপৰ পদক জয় কৰিছে। মৰাণ তিলৈ নগৰ নিবাসী ৰঞ্জন ছেত্ৰী আৰু মেনুকা ছেত্ৰীৰ কন্যা ৰিদ্ধিয়ে ছাব জুনিয়ৰ ২৬ কেজিৰ ঊৰ্দ্ধৰ শাখাত ৰূপৰ পদক জয় কৰিবলৈ সমৰ্থ হয়। প্ৰতিযোগিতাখন ২৮ আগষ্টৰ পৰা ২ ছেপ্টেম্বৰলৈ অনুষ্ঠিত হৈছিল।

২০ জিলাৰ ৩০০ খেলুৱৈৰ অংশগ্ৰহণ ঃ জুবিনৰ মৃত্যুত শোক

## তেজপুৰত আন্তঃজিলা ভাৰোত্তোলন আৰম্ভ




**গুৱাহাটী, ১৯ ছেপ্টেম্বৰ ঃ** অসম ভাৰোত্তোলন সংস্থাৰ সহযোগত আৰু শোণিতপুৰ জিলা ভাৰোত্তোলন সন্থাৰ উদ্যোগত তেজপুৰত আজিৰে পৰা আৰম্ভ হৈছে ৫৩সংখ্যক আন্তঃজিলা ভাৰোত্তোলন প্ৰতিযোগিতা। ছিনিয়ৰ পুৰুষ-মহিলাৰ লগতে যুৱ আৰু জুনিয়ৰৰ ল'ৰা-ছোৱালী উভয় শাখাৰ খেল অন্তৰ্ভুক্ত প্ৰতিযোগিতাখনত ৰাজ্যৰ ২০খন জিলাৰ প্ৰায় ৩০০ খেলুৱৈয়ে অংশগ্ৰহণ কৰিছে। আজি প্ৰতিযোগিতাখন আনুষ্ঠানিকভাৱে উদ্বোধন কৰে সাংসদ ৰঞ্জিত দত্তই। অহা ২১ ছেপ্টেম্বৰলৈ হ'বলগীয়া প্ৰতিযোগিতাখনৰ প্ৰতিটো শাখাত আঠটাকৈ ওজন বিভাগ থাকিব। প্ৰতিযোগিতাৰ প্ৰথম দিনা ছোৱালীৰ যুৱ শাখাৰ ছোৱালীৰ ৪৪ কেজিত চৰাইদেউৰ মেঘালীয়ে সোণ, বিশ্বনাথৰ পৰিস্মিতা গগৈয়ে ৰূপ আৰু ডিব্ৰুগড়ৰ নীহাৰিকা শইকীয়াই ব্ৰঞ্জৰ পদক লাভ কৰে। যুৱ ল'ৰাৰ ৫৬ কেজি শাখাত ৰাজ্যিক একাডেমীৰ আজিজুৰ আলীয়ে সোণ, চৰাইদেউৰ উদিত্য বুঢ়াগোহাঁয়ে ৰূপ আৰু ডিব্ৰুগড়ৰ যীশুৰাজ শইকীয়াই ব্ৰঞ্জৰ পদক দখল কৰে। মহিলাৰ ৪৮ কেজি ছিনিয়ৰ শাখাত চৰাইদেউৰ কৃষ্টি শইকীয়াই সোণ, ৰাজ্যিক একাডেমীৰ ৰিয়ামণি বড়োৱে ৰূপ আৰু ধেমাজিৰ মণিকা সোণোৱালে ব্ৰঞ্জৰ পদক দখল কৰে। ছোৱালীৰ যুৱ শাখাত ধেমাজিৰ ক্ৰিষ্টিনা গোহাঁয়ে সোণ, কৃষ্টিয়ে ৰূপ আৰু মনোজ্যোস্না লাহনে ব্ৰঞ্জৰ পদক জয় কৰে।

No.DSWO(M)804/Shakti Sadan/Pt./2025-26/1745

**ADVERTISEMENT**

The Office of District Social Welfare Officer, Darrang under Women and Child Development Department, Darrang invites application from eligible candidates who are citizen of India as defined under Article 5 to 9 of the constitution of India and fulfil the eligibility norms of educational qualification, age, etc. as mentioned below against each category of purely temporary contractual posts under Shakti Sadan (Integrated Relief and Rehabilitation Home for Women), Mission Shakti for Darrang district. Interested candidates having the requisite qualification and experience may submit duly filled up Application (Application form may be downloaded from the official website **darrang.assam.gov.in) at Office of the District Social Welfare Officer, Darrang, Mangaldai, Bheberghat, Ward no.10, PIN-784125** from **19th September, 2025 to 4 October, 2025 till 05.00 PM** during office hours.

| Name of Position | No. of Vacancies | Eligibility Criteria | Fixed Remuneration Per month (Rs.) |
|---|---|---|---|
| Resident Superintendent | 1 | • **Female candidates can apply only** • Any woman having a Masters in Law/Social Work/Sociology/Social Science/ Psychology with at least 5 years' experience of working on women related domains in an administrative set up with a Government or Non Government project/programme and preferably with atleast 1 year experience of counselling either within or outside the same set up • She should be preferably a resident of the local community for effective functioning of the centre | Rs.21,000/- |
| Office Assistant | 1 | Any person who is graduate with a minimum of 3 years' experience in handling office documentation related job with proficiency in working on computers, at state or district level with Government and Non-Governmental organizations. | Rs.17,000/- |
| Multi Purpose Worker | 1 | • **Female candidates can apply only** • Any woman having qualification of HSLC passed or equivalent will be preferred • Minimum 2 years' experience on relevant domain | Rs.10,500/- |
| Cook | 1 | • **Female candidates can apply only** • Any woman having qualification of HSLC passed or equivalent will be preferred Minimum 2 years' experience on relevant domain | Rs. 10,500/- |
| Security Guard/ Night Guard | 1 | • Any person having qualification of HSLC passed or equivalent will be preferred • Minimum 2 years' experience of working as security personnel in a government or reputed organization at the district/state level. He/She should preferably be retired military/para military personnel. | Rs.9,000/- |

**General terms and conditions:**

1. The applicant must submit duly filled up application form along with self-attested copies of requisite documents as mentioned below:

| Name of the post | Documents to be submitted along with application format available at website (darrang.assam.gov.in) |
|---|---|
| **Resident Superintendent** | 3 copies of latest Passport Size Photographs, HSLC Admit Card for age proof, HSLC Certificate and Marksheet, H.S. Marksheet and Certificate, BA/BSc/BCom Superintendent Marksheet and Certificate, MA Mark Sheet and certificate, Work Experience Certificate, Voter ID Card/AADHAR card, Caste Certificate, PwD certificate (if any) and other relevant certificate (if any) |
| **Office Assistant** | 3 copies of latest Passport Size Photographs, HSLC Admit Card for age proof, HSLC Marksheet and Certificate, and Certificate, H.S. Marksheet B.A./B.Sc./B.Com Marksheet and Certificate, Work Experience Certificate, Voter ID Card/AADHAR card, Caste Certificate, PwD certificate (if any) and other relevant certificate (if any) |
| **Multi Purpose Worker; Cook; Security Guard/ Night Guard** | 3 copies of latest Passport Size Photographs, HSLC Admit Card for age proof, HSLC Certificate and Marksheet, Last qualification Marksheet and Certificate (if any), Work Experience Certificate, Voter ID Card/AADHAR card, Caste Certificate, PwD certificate (if any) and other relevant certificate (if any) |

2. The candidate must be a minimum of 21 years and a maximum of 40 years of age as on 01/01/2025 with a relaxation of 5 years in upper age limit for candidates under SC, ST(H), ST(P); 3 years for OBC/MOBC and 10 years for Person with Disability (PwD) category.
3. The shortlisted candidates will be called for Walk-in-Interview through their respective Email id as mentioned in their application form as well as through office notice board. No separate call letter will be issued to concerned candidates and no TA/DA will be provided for attending the same. 4. Incomplete applications will be summarily rejected at any stage of selection process.
5. Any matter which are not specially provided in this advertisement will be decided by the Selection Committee.
6. The Authority reserves the right to cancel/ postpone the advertisement without assigning any reason thereof.

Sd/-
**Additional District Commissioner (WCD) Darrang, Mangaldai**

*DIPR/D/DA/248/20-Sep-25*

অসম চৰকাৰ



" মই আকৌ আহিম দেশৰ বাবে
আহিম আকৌ দহৰ বাবে
ন-যমাতৃৰ আঁচনি লৈ"

কণ্ঠঃ জয়ন্ত হাজৰিকা

সুললিত কণ্ঠৰে অসমীয়া সংগীত জগতলৈ
অনন্য বৰঙনি আগবঢ়াই যোৱা
মহান শিল্পী জয়ন্ত হাজৰিকাদেৱৰ ওপজা দিনত
অসমবাসীৰ হৈ যাচিছোঁ গভীৰ শ্ৰদ্ধাঞ্জলি

সুৰ-বাহিনীৰ স্ৰষ্টা এইগৰাকী গণশিল্পীৰ যাদুকৰী কণ্ঠ
আৰু সংগীত প্ৰতিটো প্ৰজন্মৰ বাবে অনুপ্ৰেৰণাৰ উৎস হৈ ৰ'ব

ড° হিমন্ত বিশ্ব শৰ্মা
মুখ্যমন্ত্ৰী, অসম

২০ ছেপ্টেম্বৰ ২০২৫

DIPR/D/DA/249/20-Sep-25

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত
Connect with us @diprassam dipr.assam.gov.in




Available at:
THE Raymond SHOP

Available at Exclusive Brand Outlets:
**Guwahati:** Fancy Bazar, Bhangaghar, Lalganesh; **Tezpur:** New Amolla Patty Road; **Silchar:** Premtola Opp Goldhigi ; **Shillong:** Police Bazar; **Agartala:** Akhura Road, Old, Rms Chowmuhani; **Barpeta Road:** Durgabari Kalibari Road; **Itanagar:** E-sector; **Tinsukia:** Banshidhar Road; **Dimapur:** Kalibari Road

SHOPPERS STOP
CENTRO
Also available at multi brand stores

MARUTI SUZUKI COMMERCIAL

উৎসৱ উদ্‌যাপন
হ'ব
আৰু বিশাল
কম কৰা GST-ৰ সৈতে

এতিয়া আৰম্ভ হৈছে
₹5 06 100^ ৰ পৰা




মূল্যৰ ৰেহাই সৰ্বোচ্চ
₹52 100^ পৰ্যন্ত

বিশেষ উৎসৱ অফাৰ সৰ্বাধিক
₹61 000** পৰ্যন্ত

চুপাৰ পাৱাৰফুল 1.2L এডভান্সড K-ছিৰিজ ইঞ্জিন

S-CNG + PETROL
CNG + 5Lৰ জৰুৰীকালীন পেট্ৰ'লৰ টেংকি
চুপাৰ মাইলেজ

ELECTRONIC STABILITY PROGRAM
মিনি ট্ৰাক ছেগমেণ্টত প্ৰথম*
ESP® ৰ সৈতে চুপাৰ সুৰক্ষা

ঠেক চালত চুপাৰ পাৰফৰমেন্স

3 years 100 000 km WARRANTY*
EXTENDABLE UPTO 6 YEARS

NEW SUPER CARRY

WWW.MARUTISUZUKICOMMERCIAL.COM | অনুসন্ধানৰ বাবে টোল-ফ্ৰি নম্বৰত কল কৰক 1800 102 1800/1900 1800 150

EXCLUSIVE MARUTI SUZUKI COMMERCIAL SHOWROOMS: GUWAHATI: BIMAL AUTO AGENCY: CHAND MARKET, A.T. ROAD, GUWAHATI - 781001, CALL: 9864505184, 9101729710. PALLAVI MOTORS: LOKHRA, GUWAHATI - 781034, CALL: 9954090656. PODDAR CAR WORLD: HOUSE NO.102, OPPOSITE RAJGARH-BI-HUTOLI, RAJGARH ROAD - 781003, CALL: 9864324943, MITTAL AUTOZONE: BELTOLA (OPPOSITE TRANSPORT OFFICE), GUWAHATI – 781037, CALL: 7099013961, 7099025517. DIBRUGARH: JAYBEE AUTO: TR PHUKAN ROAD, OPP CHIRING CHAPORI FIELD, DIBRUGARH - 786003, CALL:7086017914. BIMAL AUTO AGENCY: Opposite Maa Durga ceramic, P.O Mohanaghat, Amolapatty, lalukagaon, Dibrugarh, Assam 786008, CALL: 9864081707. BARPETA: PODDAR CAR WORLD: Police Outpost, Near Simlaguri, NH-31, Barpeta Road, Assam-781316, CALL: 7005196596. NAGAON: RD MOTORS: AT ROAD, KHUNTIKATIA, NEAR FC BRIDGE - 782002, CALL: 8724005154. NORTH LAKHIMPUR: SAIKIA AUTO: WARD NO-14, PO KHELMATI, NEAR PETROL PUMP, CALL: 9706182334. TINSUKIA: VISHAL CAR WORLD: HIJUGURI, AT ROAD, NEAR RENUKA CINEMA HALL - 786125, CALL: 9435992966. BONGAIGAON: BHARATI MOTORS: CHAPAGURI ROAD, NEAR SWAGAT HOSPITAL, NORTH BONGAIGAON, CALL: 9101389862. TEZPUR: RD MOTORS: BHOJKHOWA GAON, TEZPUR CIRCLE, MOUZA: MAHABHAIRAV, SONITPUR, ASSAM - 784027, CALL: 8724018131. JORHAT: RD MOTORS: PULIBOR DHAPKOTA, JORHAT- 785006, CALL: 9957191379. GOLAGHAT: RD MOTORS: Near Ragajan Tiniali. PO Morangi Pin: 785702, CALL: 6001028052. SIVASAGAR: RD MOTORS: Kareng Tiniali, Joysagar, Sivasagar, Dicial Dhulia Gaon, Assam: 785640, CALL: 9287987495. SILCHAR: JAIN UDYOG, NEAR IRRIGATION OFFICE, SONAI ROAD, CACHAR - 788006, CALL: 7002718979, 9435505884.

নিয়ম আৰু চৰ্তাৱলী ডিলাৰস্থিপত উপলব্ধ। বৈশিষ্ট্য/এক্সেছৰিজ ভেৰিয়েণ্ট অনুসৰি ভিন্ন হ'ব পাৰে। অফাৰ, ৰেহাই আৰু মূল্য ভেৰিয়েণ্ট/মডেল/অৱস্থান/চহৰ অনুসৰি পৃথক হ'ব পাৰে আৰু নিৰ্দিষ্ট সতৰ্কতা নথকাকৈ পৰিৱৰ্তিত বা বন্ধ হ'ব পাৰে। ছবিসমূহ কেৱল উদাহৰণৰ উদ্দেশ্যে দিয়া হৈছে। *3 বছৰ বা 100,000 কি.মি — যিটো আগতে হওঁক। *#JATO ডায়নামিকছ-ৰ 15 জানুৱাৰী, 2025 তাৰিখৰ গৱেষণাৰ আধাৰত, যাৰ অন্তৰ্গত সকলো ধৰণৰ ইন্ধন ছেগমেণ্টৰ GVW 2 টন বা তাতকৈ কম ওজনৰ বাহনসমূহ। ESP হৈছে Mercedes-Benz গ্ৰুপ AG-ৰ পঞ্জীয়নকৃত ট্ৰেডমাৰ্ক। **উপভোক্তা, এক্সচেঞ্জ আৰু প্ৰতিষ্ঠানিক/গ্ৰামীণ অফাৰসমূহ (য'ত প্ৰযোজ্য) অন্তৰ্ভুক্ত আছে। প্ৰদৰ্শিত অফাৰসমূহৰ মূল্যমান সৰ্বাধিক। অফাৰ মাত্ৰ 30 ছেপ্টেম্বৰ, 2025 পৰ্যন্ত বৈধ। ^মূল্য চৰকাৰৰ নিৰ্দেশিত GST হাৰৰ ওপৰত নিৰ্ভৰশীল। সংশোধিত মূল্য 22 ছেপ্টেম্বৰ, 2025 ৰ পৰা প্ৰযোজ্য হ'ব।

দৈনিক অসম প্ৰাইভেট লিমিটেডৰ পৰিচালন সঞ্চালক কিশোৰ বৰাৰ হৈ জ্যোতিষ পৰন বৰদলৈৰ দ্বাৰা দা ট্ৰিবিউন প্ৰেছ, ট্ৰিবিউন বিল্ডিংছ, মণিৰাম দেৱান পথ, চানমাৰি, গুৱাহাটী-৭৮১০০৩ত মুদ্ৰিত আৰু প্ৰকাশিত। টেলিফোন ঃ ০৩৬১-২৬৬০১০২, ২৬৬১৩৫৯, ৮৮১১৮-৮১০২৪। ই-মেইল ঃ dainikasam@gmail.com
কাৰ্যবাহী সম্পাদক ঃ শংকৰ লস্কৰ